
COCO
THE WONDER PUG

# পাতনি

বয়স পঞ্চলিশ দিন হওতেই আমাৰ ঘৰলৈ আমাৰ মৰমৰ  ক'ক আহিছিল। তাৰ পাচত ক'ক আমাৰ পৰিয়ালৰ সদস্য হোৱাৰ লগতে আমাৰ জীৱনৰ অবিশ্যদ্য অংগ হৈ পৰিছিল। কবলৈ গ'লে ক'ক আমাৰ ঘৰৰ কেন্দ্ৰ বিন্দু হৈ পৰিছিল আৰু মোৰ ছোৱালী বনু, মোৰ পত্নী মিতালি আৰু মই তিনিও এই কেন্দ্ৰৰ চাৰিওফালে ঘূৰি আমাৰ  জীৱন আগবঢ়াই নিছিলো। আমাৰ সুখ, দুখ, আনন্দ, বিষাদ সকলোৰে সমভাগী হৈ পৰিছিল ক'ক। ক'কৰ জীৱনৰ সচা কাহিনীয়েই হ'ল Coco The Wonder Pug গ্ৰন্থখনিৰ কাহিনী আৰু কিতাপ খনৰ মূল চৰিত্ৰ হ'ল আমাৰ মৰমৰ  ক'ক, মোৰ পত্নী মিতালি আৰু মোৰ ছোৱালী বনু। ফেচবুকত ধাৰাবাহিক ভাবে প্ৰকাশ হোৱা ক'কৰ কাহিনী বহুতো পাঠকে ভালপোৱা বাবে কিতাপ আকাৰে প্ৰকাশ কৰি উলিওৱা  হ'ল। আশাকৰো সকলো বয়সৰ পাঠকেই ক'কৰ সচা কাহিনী পঢ়ি ভাল পোৱাৰ লগতে আন কুকুৰকো জীৱ হিচাবে নায্য মৰম আদৰ দিয়াত কৃপণালি নকৰিব।

**দেৱজিৎ ভূঞা**

**গুৱাহাটী**

**২৪/০৪/২০২১**

# উৎসৰ্গা

গুৰু জনাই কৈ গৈছিল "কুকুৰ শৃগাল গৰ্ধবৰো আত্মা ৰাম, জানিয়া সবাকো পাৰি কৰিবা প্ৰমাণ"। 'যত জীৱ তত শিৱ' কথাষাৰ গুৰু জনাই ইয়াৰ জৰিয়তে সকলোকে বুজাই থৈ যোৱাৰ লগতে biodiversity  আৰু ecological balance অবিবনে মানুহৰ অস্তিত্ব সম্ভব নহয় বুলি অমৰ বাণী দি থৈ গৈছে। যুধিষ্ঠিৰৰ শেষ সংগী আৰু মানুহৰ শ্ৰেষ্ঠ বন্ধু কুকুৰক মহাপুৰুষ শ্ৰী শ্ৰী শংকৰ দেৱে তাহানিতেই মানুহ আৰু  আন সকলো জীৱৰ সমান স্থান দি থৈ গৈছে। বিশ্বৰ কোনো ধৰ্মতে এনে নিৰ্দশন পোৱা নাযায়। ইংৰাজী ভাষাতো DOG  ওলোটাই পঢ়িলে GOD হয়। গুৰু জনাৰ আদৰ্শেৰে কুকুৰ ভাল পোৱা, কুকুৰৰ আত্মাকো ঈশ্বৰৰ আত্মাৰ অংশ বুলি সন্মান দিয়া প্ৰতিজন কুকুৰ প্ৰেমীৰ হাতত  Coco The Wonder Pug তুলি দিলো।

দেৱজিৎ ভূঞা

# <u>Coco The Wonder Pug</u>
# Chapter-I

## ক'কৰ(Coco) আৰ্বিভাব

ভাৰতবৰ্ষৰ ২২ডিগ্ৰী ৪৭ মিনিট উত্তৰ অক্ষাংশ আৰু ৮৬ ডিগ্ৰী ১২ মিনিট পূৱ দ্ৰাঘিমাংশত অৱস্থিত, জামছেদপুৰ ভাৰতৰ ঝাৰখাণ্ড ৰাজ্যৰ এখন গুৰুত্বপূৰ্ণ চহৰ। পূৰ্বতে এই চহৰ অবিভক্ত বিহাৰৰ অন্তৰ্ভুক্ত আছিল। চোটনাগপুৰ মালভূমিত অৱস্থিথ ভাৰতৰ প্ৰথমখন পৰিকল্পিত নগৰ। চহৰৰ উত্তৰে সুৰ্বনৰেখা নদী আৰু পশ্চিমে খাৰকাই নদী বৈ গৈছে। ১৯ শতিকাৰ শেষ ভাগৰ কথা। ভাৰত তেতিয়া বৃটিছ সাম্ৰাজ্যৰ অধীন আছিল। ভাৰতৰ বিখ্যাত উদ্যোগপতি জামছেদজী টাটাই পিটছবাৰ্গত (Pittsburgh) তীক্ষা তৈয়াৰ কৰা ব্যক্তি কেইজনমানক লগধৰি ভাৰতত এক তীখা উদ্যোগ গঢ়াৰ ইচ্ছাৰ কথা ক'লে। ইয়াৰ কিছুদিন আগতে তেওঁ মানচেষ্টাৰত থমাচ কাৰ্লিলে (Thomas Carlyle) নামৰ সেই সময়ৰ বিখ্যাত দাৰ্শনিক, বুৰঞ্জীবিদ, গণিতজ্ঞ তথা সমাজ বিশ্লেষক গৰাকীৰ এক ভাষণত শুনিছিল যে "যি ৰাষ্ট্ৰই  তীখাৰ ওপৰত নিয়ন্ত্ৰণ কৰিব, সেই ৰাষ্ট্ৰই সোনকালেই সোণৰ ওপৰতো নিয়ন্ত্ৰণ কৰিব (The nation which gains control of iron, soon acquires the control of gold)। সেই কথাখিনি শুনাৰ পাচত জামছেদজীৰ মন ভাৰতবৰ্ষতো এক তীখাৰ কাৰখানা খুলিবৰ বাবে উদ্বাউল হৈ উঠিল। ১৯০৮ চনত সাক্ষী (Sakchi) নামৰ গাৱত জামছেদজীয়ে ভাৰতৰ প্ৰথম তীখা প্ৰকল্পৰ কাম আৰম্ভ কৰিলে আৰু ১৯১২ চনত উক্ত কাৰখানাত লোহা আৰু তীখাৰ উৎপাদন আৰম্ভ হ'ল। ১৯১৯ চনত সাক্ষী গাৱৰ নাম সলনি কৰি  জামছেদজীৰ নামেৰে জামছেদপুৰ কৰা হ'ল আৰু ইয়েই আজিৰ ভাৰতবৰ্ষৰ বিখ্যাত তীখা নগৰী জামছেদপুৰ।

২০১২ চনত জামছেদপুৰত তীখা উৎপাদনে এশ বছৰ সম্পূৰ্ণ কৰিলে। সেই ২০১২ চনৰ ২২ আগষ্ট। উত্তৰপূৱৰ দুৱাৰ মুখ গুৱাহাটী মহানগৰৰ চিৰিয়াখানা পথত থকা বনু নামৰ কুকুৰ ভালপোৱা ছোৱালীজনীয়ে  এক সপোন দেখিলে। সপোনত আহি এটা সুন্দৰ পাগৰ পোৱালীয়ে (পাগ এবিধ কুকুৰৰ প্ৰজাতি আৰু ভাৰতত বহুতে ইয়াক ভডাফোনৰ কুকুৰ বুলি কয়) আহি কলেহি 'বনুবা মই তোমাৰ ক'ক হয়। মই আকৌ জন্ম হলো নহয়। এইবাৰ মই  দিল্লীৰ পৰিবৰ্তে জামছেদপুৰত জন্ম হৈছো। সোনকালে মোক লৈ যোৱাহি'। এই সপোন দেখাৰ কেইমাহমান আগতে বনুয়ে নিজৰ মৰমৰ পাগ ক'কক চিৰদিনৰ বাবে হেৰুৱাইছিল। সপোনটো দেখি মাজনিশা হঠাত বনুয়ে টাটা  টাটা বুলি চিঞৰি উঠিল (সৰুৰে পৰা দেউতাকক বনুয়ে টাটা বুলি কৈছিল)।টোপনিৰ পৰা খকমককৈ উঠি দেউতাক বনুৰ কাষ পালেগৈ। 'কি হ'ল বনু?' দেউতাকে শুধিলে। 'টাটা ক'ক আকৌ জন্ম হৈছে। এইবাৰ দিল্লীৰ পৰিবৰ্তে জামছেদপুৰত জন্ম

হৈছে। মোক ক'কক লাগে। তুমি মোক ক'কক আনি দিব লাগি।'  " তুমি ক'কৰ কথা ভাবি থকা বাবে এইটো সপোন দেখিছা। এতিয়া শুই থাকা। ৰাতিপুৱা দেখা যাব। কি কৰিব পৰা যায়।" এই বুলি কৈ দেউতাক পুনৰ শোৱাপাটীলৈ গ'ল আৰু বনুও শুই থাকিল।

ৰাতিপুৱা শুই উঠিয়েই বনুয়ে হাতত লেপটপ লৈ গুগুলত বিচৰাত লাগি গ'ল। ২২ আগষ্টত জামচেদপুৰত জন্মহোৱা পাগৰ বিষয়ে বিষয়ে কিবা খবৰ পোৱা যায় নেকি। গুগুল হ'ল বিশ্বৰ সৰ্বশ্ৰেষ্ঠ আৰু সকলোতকৈ জনপ্ৰিয় চাৰ্চ ইঞ্জিন। গুগুলৰ কাহিনী আৰম্ভ হৈছিল ১৯৯৫ চনত ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ত। লেৰী পেজ (Larry Page) নামৰ এজন ছাত্ৰই ষ্টেনফৰ্ডত পঢ়াৰ কথা ভাবিলে আৰু বিশ্ববিদ্যালয়খন চাবলৈ যাওতে, বিশ্ববিদ্যালয় দেখুওৱাৰ দায়িত্ব পৰিল চাৰগেই ব্ৰিন (Sergey Brin) নামৰ তাত পঢ়ি থকা  এজন ছাত্ৰৰ ওপৰত। পৰবৰ্তী সময়ত ছাত্ৰ দুজনে এক পাৰ্টনাৰচিপ আৰম্ভ কৰিলে আৰু তেওলোকৰ কোঠাৰ পৰাই ইণ্টাৰনেটৰ বাবে এক চাৰ্চ ইঞ্জিন তৈয়াৰ কৰিলে। সেই সময়ত লাহে লাহে  ইণ্টাৰনেট  আৰু ৱেব চাইট সমূহ  জনপ্ৰিয় হবলৈ আৰম্ভ কৰিছিল আৰু ব্যক্তিগত ৱেব চাইট সমূহক ৱৰ্ল্ডৱাইড ৱেবৰ ( www) লগত সংযোগ কৰি প্ৰয়োজনীয় তথ্য বিচাৰি উলিওৱা এক চাৰ্চ ইঞ্জিন বা চফটৱেৰ অতিশয় প্ৰয়োজনীয় হৈ পৰিছিল। দুই বন্ধুয়ে সাজি উলিওৱা চাৰ্চ ইঞ্জিন সেয়ে অতিসোনকালে জনপ্ৰিয় হৈ পৰিল। প্ৰথম অৱস্থাত তেওলোকে এই চাৰ্চ ইঞ্জিনৰ নাম ৰাখিছিল বেকৰাব (Backrub)। কিছুদিনৰ পাচত বেকৰাবৰ নাম সলনি কৰি গুগুল (Google) কৰা হ'ল। লেৰী আৰু চাৰ্গেইৰ লক্ষ্য বা মিচন হ'লগৈ বিশ্বৰ সকলোলৈকে তথ্য আৰু জ্ঞান সহজে উপলব্ধি কৰোৱা। পৰবৰ্তী সময়ত গুগুলে সকলোৰে দৃষ্টি আৰ্কষণ কৰিলে আৰু ১৯৯৮ চনৰ আগষ্ট মাহত অৰ্থাৎ ক'কৰ  জন্ম মাহত, চানৰ সহ-প্ৰতিস্থাপক এণ্ডিয়ে (Sun co-founder Andy Bechtolsheim) লেৰী আৰু চাৰ্গেইক নিজৰ বিনিয়োগ হিচাবে এখন এক লাখ আমেৰিকান ডলাৰৰ চেক দিলে আৰু এই বিনিয়োগেৰে আৰম্ভ হ'ল গুগুল নামৰ কোম্পানী। ঘৰৰ কোঠাৰ পৰা তেওলোকে নিজৰ অফিচ ভাৰাত লোৱা এটা গেৰেজলৈ স্থানান্তৰ কৰিলে। এখন ডাঙৰ পিংপং টেবুলট ডাঙৰ ডাঙৰ ডেস্কটপ কম্পিউটাৰেৰে গুগুলৰ যাত্ৰা আৰম্ভ হ'ল। গুগুললৈ আহিল নতুন অভিযন্তা, বিনিয়োগকাৰী আৰু কেলিফৰ্ণিয়াৰ মাউণ্টেন ভিউত স্থাপন হ'ল গুগুলৰ মূখ্য কাৰ্য্যালয়। লগতে গুগুললৈ আহিল কোম্পানীৰ অতিকে মৰমৰ কুকুৰ য়চকা (Yoshka)। চেলিব্ৰিটি কুকুৰ য়চকাৰ  জন্ম হৈছিল ১৯৯৭ চনৰ ২৩ অক্টোবৰ তাৰিখে। ২০১১চনৰ মাৰ্চ মাহৰ ২৩ তাৰিখে চৈধ্য বছৰ বয়সত য়াচকাৰ মৃত্যু হয়। গুগুলত কুকুৰ বৰ মৰমৰ, বৰ আদৰৰ। কুকুৰক গুগুলত লাকী মাচটত বুলি ভবা হয়। গুগুলৰ কৰ্মচাৰী সকলক নিজৰ নিজৰ মৰমৰ কুকুৰ অফিচলৈ নিবলৈ দিয়া হয় যাতে কৰ্মচাৰীয়ে কামত অধিক মনোযোগ দিব পাৰে। গুগুলৰ

মাউণ্টেনভিউ মূখ্য কাৰ্য্যালয়ত থকা য়চকা কাফেত কফি বা চাহ খাওতে আজিও সকলোৱে য়াচকাক মনত পেলায়। ক'কৰ জন্মৰ এবছৰ পাচ মাহ আগতেই য়চকাৰ মৃত্যু হৈছিল আৰু বনুৰ মতে ক'কৰ ৰ'ল মডেল হ'ল য়চকা। বনুয়ে মনতে ভাবে ক'কই কিজানিবা স্বৰ্গত য়চকাক লগ পাই আহিছে আৰু বহু কথা শিকি আহিছে। গুগুলত ২২ আগষ্টত জামছেদপুৰত জন্মহোৱা পাগ বিচাৰি নাপাই, বনু হতাশ হ'ল আৰু পেপাৰ পঢ়ি থকা দেউতাকলৈ চাই ক'লে "টাটা আজি পেপাৰত দিয়া পেটচৰ বিজ্ঞাপনবোৰ চোৱাচোন। কোনোবাই পাগৰ বিজ্ঞাপন দিছে নেকি?" দেউটাকে উত্তৰ দিলে "আজি মাত্ৰ ডলফিন পেট চপেহে বিজ্ঞাপন দিছে। তেওঁলোকে পাগো যোগান দিয়ে। কিন্তু তেওঁলোকটো গুৱাহাটীৰ হে"। 'আমি আবেলিলৈ ডলফিনলৈ যাম'। এই বুলি কৈ বনুয়ে কলেজলৈ ৰাওনা কৰিলে।

উত্তৰপূৱ ভাৰতৰ দুৱাৰমুখ ঐতিহ্যমন্দিত গুৱাহাটী চহৰ। গুৱাহাটী হ'ল উত্তৰপূৱ ভাৰতৰ একমাত্ৰ মহানগৰ বা চিটি। ভাৰতৰ একমাত্ৰ নদ (male river) তথা সৃষ্টিকৰ্তা ব্ৰহ্মাৰ মানসপুত্ৰ ব্ৰহ্মপুত্ৰ নদৰ দক্ষিণ পাৰত অৱস্থিত গুৱাহাটীৰ পুৰণি নাম আছিল প্ৰাগজ্যোতিষপুৰ। এই প্ৰাগজ্যোতিষপুৰেই আছিল তাহানিৰ মহাভাৰতৰ প্ৰসিদ্ধ কামৰূপ দেশৰ ৰাজধানী। চিৰসেউজীয়া নীলাচল, ভূৱনেশ্বৰী, শৰণীয়া, নৰকাচল আদি পাহাৰেৰে আবৃত এই গুৱাহাটী মহানগৰ। গুৱাহাটীৰ মাজেৰে বৈ গৈছে ব্ৰহ্মপুত্ৰৰ উপনদী ভৰলু আৰু গুৱাহাটীৰ দক্ষিণ -পশ্চিম কোণত আছে মনোমোহা সৰোবৰ দীপৰ বিল। সময়ৰ হেচাত আৰু প্ৰদুৰ্ষণৰ প্ৰকোপত যদিও ভৰলু নদী আৰু দীপৰ বিলৰ এতিয়া ককাল বেকা হ'ল তথাপি ভৰলু আৰু দীপৰ বিলক বাদ দি গুৱাহাটীৰ ভৌগলিক স্থিতিৰ কথা ভাবিব নোৱাৰি। মহাভাৰত আৰু পুৰাণ আদি পুৰণি গ্ৰন্থতো প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপৰ উল্লেখ আছে। কামৰূপৰ ৰজা ভগদত্তই মহাভাৰতৰ যুদ্ধত কৌৰৱৰ পক্ষৰ হৈ যুজ কৰিছিল। ব্ৰহ্মপুত্ৰৰ পাৰত কামাখ্যা পাহাৰৰ ওপৰত অৱস্থিত শক্তিপীঠৰ এক মূখ্য পীঠ হ'ল কামাখ্যা পীঠ। কামাখ্যা মন্দিৰৰ লগত জৰিত হৈ আছে শ্ৰীকৃষ্ণ আৰু নৰকাসুৰৰ ইতিহাস। কামাখ্যা, বশিষ্ঠ, উমানন্দ, উগ্ৰতৰা আৰু বহুতো সৰুবৰ মন্দিৰৰ অৱস্থিতিৰ কাৰণে বহুলোকে গুৱাহাটীক মন্দিৰৰ চহৰ ( city of temple) বুলিও উল্লেখ কৰে। গুৱাহাটী মহানগৰৰ দক্ষিণ-পূৱ কোণত আৰু গুৱাহাটী চিলং পথৰ দাতিত অৱস্থিত অসমৰ ৰাজধানী দিচপুৰ। এই দিচপুৰৰ পৰা ঐতিহাসিক বশিষ্ঠ আশ্ৰমলৈ যোৱা পথৰ কাষতে অবস্থিত গুৱাহাটীৰ বিখ্যাত পোহনীয়া জীৱজন্তুৰ দোকান তথা চিকিৎসালয় 'ডলফিন'। আবেলি সময়ত বনু দেউতাকৰ লগত গৈ ডলফিনত উপস্থিত হ'লগৈ। ডলফিনৰ গৰাকীয়ে আথেবেথে দুয়োকে বহিবলৈ দিলে আৰু শুধিলে "আপোনালোকক কি লাগে?" বনুয়ে উত্তৰ দিলে 'আপোনালোকৰ তাত পাগৰ পোৱালি পোৱা যায় নেকি?' "হয় পোৱা যায়। কিন্তু বৰ্তমান

আমাৰ লগত নাই। অৰ্ডাৰ দিলে আনি দিম।" 'ক'ৰ পৰা আনি দিব?' বনুয়ে শুধিলে। দোকানীৰ উত্তৰ "জামছেদপুৰৰ পৰা আনি দিম। উত্তৰ শুনি বনু চিঞৰি উঠিল 'কি? সচাকৈয়ে জছেদপুৰৰ পৰা আনি দিব?' "হয় বৰ্তমান কলিকতাৰ চাপ্লাই নাই। সেয়ে জামছেদপুৰৰ পৰা আনি আছো। জামছেদপুৰৰ পৰা ৰেলেৰে কলিকতা আহে আৰু কলিকতাৰ পৰা বিমানেৰে গুৱাহাটীলৈ আহিব। সেয়ে দাম অলপ বেচি পৰি আছে।" আনন্দত উদ্বাউল বনুয়ে ডলফিনৰ মালিকক ক'লে" দামৰ চিন্তা নকৰিব। মোক জামছেদপুৰৰ পৰা এটা পাগৰ পোৱালী আনি দিব লাগে যাৰ জন্ম ২২ আগষ্টত হৈছে, অৰ্থাৎ যাৰ জন্মদিন এই বছৰৰ ২২ আগষ্ট।' "মই খবৰ কৰি জনাম আৰু যদি ২২ আগষ্ট তাৰিখে জন্ম হোৱা পোৱালি আছে তেন্ত নিশ্চয়কৈ আনি দিম"। বনুয়ে শুধিলে 'কিমান দাম লাগিব?' ডলফিনৰ গৰাকীয়ে উত্তৰ দিলে " বিশ হাজাৰ। দহ হাজাৰ অগ্ৰিম ধন আৰু দহ হাজাৰ নিয়াৰ সময়ত।" দেউতাকলৈ চাই বনুয়ে আদেশ দিল "টাটা দহ হাজাৰ টকা দি দিয়া" আনন্দত আত্ম হাৰা হোৱা বনুৰ মুখলৈ চাই দেউতাকে ডলফিনৰ মালিকক টকা দহ হাজাৰ দি ৰিচিপ্ট খন লৈ পকেটত ভৰালে। টকা হাতত পাই ডলফিনৰ গৰাকীৰ মুখখন পূৰ্ণীমাৰ জোনৰ দৰে উজ্বল হৈ উঠিল। বনুলৈ চাই ক'লে "মই এসপ্তাহৰ ভিতৰত খবৰ দি আছো। তোমাৰ নাম আৰু ফোন নম্বৰ এই ডায়েৰী খনত লিখিথৈ যোৱা"। বনু:৯৮৫৯৯-২৮৬০৪, জুৰোড বুলি ডায়েৰিত নিজৰ নাম আৰু ফোন নম্বৰ লিখি দেউতাকৰ সৈতে আনন্দমনৰে বনু ঘৰলৈ উভতিল। গাড়ীত গণেশগুৰিৰ যানজটত আবদ্ধ হৈ কথা পাতি থাকোতে বনুয়ে দেউতাকক ক'লে "টাটা চোৱা মই কৈছিলো নহয় ক'ক আকৌ ঘূৰি আহিব আৰু প্ৰথম প্ৰমাণ হিচাবে দেখিলা, সপোনত দেখাৰ দৰে ডলফিনে জামছেদপুৰৰ পৰাই ক'কক আনি দিব। আমিতো তেওলোকক সপোনৰ কথা, জামছেদপুৰৰ কথা কোৱাই নাছিলো। প্ৰথম অংকটো মিলিল যেতিয়া ২২ তাৰিখৰ জন্মদিনৰ অংকটোও মিলিব।" বনুলৈ চাই দেউটাকে ক'লে "যদি ২২ তাৰিখে জন্ম হোৱা পাগ দিব নোৱাৰে তেন্তে সিহতৰ পৰা পাগ নানো আৰু দহ হাজাৰ টকাটো ঘূৰাই লম"। সৰুতে কুকুৰে কামোৰাৰ পাচত নাৰীত লোৱা ১৪টা বেজীৰ কথা ভাবিলেই বনুৰ দেউতাকে কুকুৰ পোহাৰ চিন্তা মনৰ পৰা বাদ দিয়ে। কিন্তু একমাত্ৰ জীয়েকৰ বাবেই সকলো কথাতে হয়ভৰ দি যায়। বনুয়েও দেউতাকক আশ্বাস দি ক'লে " ২২ তাৰিখে জছেদপুৰত জন্ম হোৱা পাগৰ বাহিৰে আন পাগ কেতিয়াও নিনিও"।

এসপ্তাহ পাচত ডলফিনৰ গৰাকীৰ পৰা বনুলৈ ফোন আহিল। ২২ আগষ্টত জন্মহোৱা পাগৰ পোৱালীৰ খবৰ জামছেদপুৰৰ পৰা অহা বুলি গম পাই বনু আনন্দত আত্মহাৰা হ'ল। ডলফিনৰ গৰাকীয়ে লগতে জনালে যে পোৱালীটো হেনো ছোৱালীহে, ল'ৰা নহয়। বনুয়ে ডলফিনৰ গৰাকীক জনালে যে এইটো আৰু ভাল কথা, কাৰণ মোৰ আগৰ কুকুৰটোও

মাইকীয়েই আছিল। ডলফিনৰ গৰাকীয়ে লগতে বনুক জনালে যে বৰ্তমান পোৱালীটোৰ বয়স মাত্ৰ ৮ দিনহৰ হৈছে। তাইৰ বয়স ৪০/৪৫ দিন মান হলেই জামছেদপুৰৰ পৰা অনাৰ ব্যৱস্থা কৰিব পৰা যাব। পৰিস্কাৰ নগৰ জামছেদপুৰক টাটা নগৰ বুলিও  জনা যায়। তীখাৰ কাৰখানা থকা বাবে জামছেদপুৰ তীখা নগৰী (Steel city) বুলিও জনাজাত। জামছেদপুৰ নগৰৰ পৰিকল্পনা কৰাৰ সময়তে নগৰ খনৰ লে-আউট প্ৰস্তুত কৰা পিৰ্টাছবাগৰ জুলিন কেনেডী চাহলিন( Julin Kennedy Sahlin) নামৰ আৰ্কিটেক গৰাকীক জামছেদজীয়ে নগৰ খনত পৰ্য্যাপ্ত খালী ঠাই, পাৰ্ক, ফুটবল-হকী আদিৰ খেল পথাৰ, মন্দিৰ-মছজিদ-গীৰ্জা আদিৰ বাবে সুকীয়া ঠাই ৰাখিবৰ বাবে নিৰ্দেশ দিছিল। জামছেদজীৰ দূৰদৰ্শিতাৰ বাবেই জামছেদপুৰ কোনো মিউনিচিপালটি নথকা চহৰ হৈয়ো ভাৰতত পৰিস্কাৰ পৰিচ্ছনতাৰ ক্ষেত্ৰত জিলিকি আছে। ১৭ চেপ্তেম্বৰ, ২০১২; গুৱাহাটী চহৰত ধুমধামেৰে বিশ্বকৰ্মাপূজাৰ আয়োজন হ'ল।পূজাৰ দিনা বনুও দেউতাকৰ লগত আবেলি সময়ত পূজা চাবলৈ বুলি ওলাই গ'ল আৰু কামাখ্যা মন্দিৰৰ পাদতলিত থকা উত্তৰপূৰ ভাৰতৰ একমাত্ৰ বিশ্বকৰ্মা মন্দিৰত সেৱা জনাই কুকুৰৰ পোৱালীজনী যাতে ভালে কুশলে আহি গুৱাহাটী পায়হি তাৰেই প্ৰাৰ্থনা কৰিলে। ঘূৰি আহোতে বনুয়ে দেউতাকক ক'লে, বলা আমি ডলফিনত সোমাই যাওঁ। বনুৰ কথামতেই দেউতাকে গাড়ী দিচপুৰৰ ফালে পোনালে আৰু ডলফিনৰ সন্মুখত গাড়ী ৰখালেগৈ।

ডলফিনৰ গৰাকীয়ে বনুক দেখি কথা আৰম্ভ কৰিলে। "চিন্তা নকৰিব। ৬ অক্টোবৰত জামছেদপুৰৰ পৰা দুৰন্ত এক্সপ্ৰেচত আহি হাওৰা পাবহি আৰু ৭ অক্টোবৰত জেট এয়াৰৱেজৰ বিমানযোগে কলিকতাৰ নেতাজী সুভাষ চন্দ্ৰ বসু বিমান বন্দৰৰ পৰা আহি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰ পাবহি। বিমান বন্দৰৰ পৰা আমাৰ দোকানলৈ আহি থাকোতে আমি আপোনাক ফোন কৰি জনাই দিম। আপুনি আহি লৈ যাবহি। গুৱাহাটী বিমান বন্দৰৰ নামাকৰণ অসমৰ প্ৰথম মূখ্যমন্ত্ৰী তথা স্বাধীনতা সংগ্ৰামী ৮ গোপীনাথ বৰদলৈৰ স্মৃতিত কৰা হৈছে। গোপীনাথ বৰদলৈৰ জন্ম ১৮৯০ চনৰ ৬ জুন তাৰিখে নগাও জিলাৰ ৰহাত হৈছিল। স্কুলীয়া শিক্ষা শেষ কৰাৰ পাচত তেওঁ কটন কলেজত নাম ভৰ্তি কৰে আৰু তাৰ পৰা আইএ পাচ কৰি পৰৱৰ্তী সময়ত কলিকতাৰ বিখ্যাত স্কটিচ চাৰ্চ কলেজৰ পৰা বিএ পাচ কৰে। তাৰ পাচত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এমএ পাচকৰি তেওঁ ওকালতি পঢ়া আৰম্ভ কৰে। কিন্তু ল পৰীক্ষাৰ ফাইনেল পৰীক্ষা নিদিয়াকৈ তেওঁ গুৱাহাটীলৈ ঘূৰি আহে আৰু তৰুণ ৰাম ফুকনৰ অনুৰুধ মৰ্মে ভৰলুমুখৰ বিখ্যাত সোণাৰাম হাইস্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰে। সোণাৰাম স্কুলৰ দায়িত্বত থকাৰ সময়তে তেওঁ ল পাচ কৰে আৰু তাৰ পাচত গুৱাহাটীত ওকালতি আৰম্ভ কৰে। ভাৰতৰ স্বাধীনতা আন্দোলনত তেওঁ অগ্ৰণী ভূমিকা গ্ৰহণ কৰে আৰু

জেললৈ যায়। জেলত থকা সময়তে তেওঁ শ্ৰীৰামচন্দ্ৰ, বুদ্ধদেৱ, হজৰত মহম্মদ আদি কেইবাখনো গ্ৰন্থ ৰচনা কৰে। ভাৰতৰ ৰাজ্য সমূহৰ গ্ৰুপিংৰ সময়ত আৰু ভাৰত বিজানৰ সময়ত তেওঁৰ প্ৰচেষ্টাতে অসম পাকিস্থানৰ অৰ্ন্তভুক্ত নোহোৱাকৈ থাকে আৰু ভাৰতবৰ্ষত চামিল হয়। স্বাধীনতাৰ পাচত তেওঁ অসমৰ প্ৰথম মূখ্যমন্ত্ৰী হয় আৰু ১৯৫০ চনৰ ৫ আগষ্টত তেওঁৰ মহাপ্ৰয়াণ হয়। ডলফিনৰ মালিকৰ লগত কথাপাতি সন্তুষ্ট হৈ বনুয়ে দেউতাকক ক'লে "টাটা ব'লা ঘৰলৈ যাওঁ। গধুলি আকৌ অসম ট্ৰিবিউনৰ বিশ্বকৰ্মা পূজা চাবলৈ যাব লাগিব নহয়। সেইখন পূজা দৰ্শন নকৰিলে গুৱাহাটীত বিশ্বকৰ্মা পূজা সম্পূৰ্ণকৈ চোৱাযেন নালাগে।"

৭ অক্টোবৰ, ২০১২। ৰাতিপুৱাৰে পৰা বনুৰ মন উচপিচ। আজি কু◌ুকুৰৰ পোৱালীটো আহি পোৱাৰ কথা। দেউতাকক ক'লে আজি কলেজ নাযাওঁ নেকি? যদি পোৱালী জনী সোনকালে আহে তেন্তে আনিবলৈ যাওঁতে দেৰী হব। মাকে বনুৰ কথা শুনি জেককেকোই উঠিল। কুকুৰৰ কাৰণে কলেজৰ ক্লাচ ক্ষতি কৰিব নালাগে। আনিবলৈ যাওঁতে দেৰী হ'লে একো দৈৱসখন তল নাযায়। থিক তেনেতে ডলফিনৰ  মালিকে ফোন কৰিলে। পোৱালীটো আহি কলিকতা পালেহি। আবেলি ৪ বজাৰ জেট এয়াৰৱেজৰ বিমান যোগৰ গুৱাহাটীলৈ আহিব। গতিকে বেলতলাৰ ডলফিন পাওঁতে ৭টা মান বাজিব। ডলফিনৰ মালিকৰ ফোন পোৱাৰ পাচত সাজি কাচি বনু কটন কলেজলৈ বুলি ওলাই গ'ল। ১৮৯৯ চনত যেতিয়া অসম বৃটিছৰ অধীন আছিল, ৰাইজৰ দাবী জনাই ৺মানিক চন্দ্ৰ বৰুৱাদেৱে তেতিয়াৰ অসমৰ মূখ্য কমিচনাৰ চাৰ হেনৰী স্টেডমেন কটন (Sir Henry Stedman Cotton) ডাঙৰীয়ালৈ লিখিলে যে অসমেই এনে এখন ৰাজ্য য'ত কোনো কলেজ নাই। গতিকে অসমত এখন কলেজ স্থাপন কৰিব লাগে আৰু ইয়াৰ বাবে গুৱাহাটীয়েই সকলোৰে কাৰণে সুবিধাজনক ঠাই। ১৮৯৯ চনৰ ৩ নবেম্বৰৰ দিনা কটন চাহাবে ঘোষণা কৰিলে যে গুৱাহাটীত এখন কলেজ স্থাপন কৰা হব। ৰাইজে সিদ্ধান্ত গ্ৰহণ কৰিলে যে কলেজ খনৰ নাম কটন কলেজ হব আৰু ১৯০১ চনৰ ২৭ মে তাৰিখে নিজৰ নামত স্থাপন হোৱা কটন কলেজ চাৰ হেনৰী স্টেডমেন কটন ডাঙৰীয়াই উদ্বোধন কৰিলে। এই কলেজতেই অসমৰ প্ৰথম মূখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ দেৱেও অধ্যয়ণ কৰিছিল। কলেজৰ পৰা আহি ঘৰত বনুৰ আকৌ উচপিচ লাগিল। প্ৰায় ৭ মান বজাত ডলফিনৰ মালিকে বনুলৈ ফোন কৰিলে। গাড়ী আহি ফাঁচী বজাৰৰ ওপৰ পালেহি আপোনালোক আহিব পাৰে। আজিকালি পাচে বহুতে ফাঁচী বজাৰক ফেঞ্চিবজাৰ বুলিহে কয়। ফাঁচীবজাৰৰ লগতে থকা জেলত মানুহক ফাঁচী দিয়াৰ পৰাই এসময়ত ঠাই খিনিৰ আৰু বজাৰ খনত নাম ফাঁচী বজাৰ হৈছিল। এতিয়া অবশ্যে তাৰপৰা জেলখন উঠি গ'ল আৰু অসমৰ বাহিৰৰ পৰা অহা বেপাৰী সকলে ফাঁচী বজাৰক ফেঞ্চিবজাৰ কৰি পেলালে। অৱশ্যে বহুতো পুৰণি অসমীয়া মানুহে এতিয়াও বজাৰ খনক ফাঁচী বজাৰ

বুলিয়েই কয়। ফাঁচীবজাৰ অসম তথা উত্তৰপূৰ্ব্ব ব্যৱসায়ৰ প্ৰাণকেন্দ্ৰ। কিন্তু এই বজাৰ বাহিৰৰ পৰা অহা অনাঅসমীয়া ব্যৱসায়ীৰ সম্পূৰ্ণ দখলত। তাত অসমীয়া ব্যৱসায়ীৰ স্থান তাহানিও নাছিল আজিও নাই।

সি জিকি নহওক, ডলফিনৰ পৰা ফোন পাই মাক আৰু দেউতাক দুয়োকে লগত লৈ বনুয়ে কুকুৰ আনিবলৈ বুলি ডলফিনলৈ ৰাওনা কৰিলে মাক আৰু দেউতাকক লগতলৈ বনু গৈ ডলফিন পালেগৈ। ডলফিনৰ মালিকে হাঁহি মাৰি আহক বুলি সকলোকে আদৰণি জনালে। আপোনাৰ কুকুৰ আহি গ'ল এই বুলি দোকানৰ চুকত থকা এটা সৰু বাকচলৈ (cage) আঙুলিয়াই দেখুৱালে। তাৰ পাচত বাকচটো দোকানৰ মজিয়াৰ মাজলৈ আনি বাকচৰ দুৱাৰ খন খুলি দিলে। দুৱাৰখন খুলি দিয়াৰ লগে লগে তাৰ পৰা এটা মুগা বৰণৰ পাগৰ পোৱালী আৰু এটা বগা ৰঙৰ মিনি পমেৰিয়ানৰ পোৱালী ওলাই আহিল। ডলফিনৰ গৰাকীয়ে দুটা সৰু বাটিত পানী আনি দুয়োটাকে খাবলৈ দিলে। কুকুৰ পোৱালী দুটাই মুকলি হবলৈ পাই আনন্দত জপিয়াবলৈ ধৰিলে আৰু দৌৰি গৈ চপক চপক কৈ পানী খোৱাত লাগিল। পাগৰ পোৱালীটো অতিশয় চটফটীয়া আৰু স্মাৰ্ট আছিল। নিজৰ পানীখিনি খাই তাই মিনি পমেৰিয়ানটোক আতৰাই তাক দিয়া পানীখিনিও খোৱাত লাগিল। তাৰ পাচত তাই আহি মিনি পমেৰিয়ানৰ নেগুৰত ধৰি টানি দিলে। ডলফিনৰ গৰাকীয়ে বনুলৈ চাই ক'লে "চাওক আপোনাৰ পোৱালীটো কিমান স্মাৰ্ট আৰু স্ফূৰ্টিবাজ। আহিয়েই খেলাত লাগিল। এসময়ত ই সাংঘাটিক চোকা আৰু খুউব ভাল কুকুৰ হবগৈ।" কুকুৰ পোৱালীটোলৈ চাই বনুৰ দেউতাকে ডলফিনৰ গৰাকীক উত্তৰ দিলে "কিন্ত ই তেনেই চেফেৰা পোৱালী। অৱশ্যে দেখাত গঢ়টো বৰ ধুনীয়া। কিছুমান পোৱালী ইমান হেল্ডী আৰু থোলোকা থাকে"। ডলফিনৰ গৰাকীয়ে উত্তৰ দিলে "কুকুৰ কিনোতে চেহেৰাতকৈ স্মাৰ্ট আৰু স্ফূৰ্টিবাজ হয়নে নহয় চাব লাগে, চেহেৰা নহয়। তাতে দুদিন ধৰি দানা পানী পোৱা নাই বাবে আৰু ক্ষীণাই গৈছে। পায়খানা, পেচাব কৰিব বুলি আনোতে ইহতক খুউব কম খাবলৈ দিয়ে"। বনুয়ে ইতিমধ্য পাগৰ পোৱালীটো আৰু মিনি পমেৰিয়ানটোৰ লগত খেলাত লাগিল। বনুলৈ চাই ডলফিনৰ গৰাকীয়ে কাগজ এখন আগবঢ়াই দিলে। কাগজ খন আছিল পাগ পোৱালীটোৰ জন্মৰ প্ৰমাণ পত্ৰ বা বাৰ্থ চাৰ্টিফিকেট।

Breed: Pug

Name of puppy: Laila

Colour: Brown

Father's name: Allen

Mother's name: Queen

Date of birth: 22.08.2012

Place of birth: Jamshedpur

চাৰ্টিফিকেটখন হাতত লৈ বনুয়ে হাঁহিলে আৰু ডলফিনৰ গৰাকীক ক'লে " এলেন আৰু কুইনৰ জীয়েকৰ নাম লায়লাহে দিবলৈ পালে। বেলেগ ভাল নাম নাপালে।" ইয়াকে কৈ বনুয়ে জন্মৰ প্ৰমাণ পত্ৰ খন ফালি কেইবাটুকুৰা কৰিলে আৰু ক'লে আজিৰ পৰা এইৰ নাম হ'ল ক'ক (Coco)। ক'ক বুলি কুকুৰ পোৱালীটোক কোলাত তুলিলৈ বনুয়ে চুমাখোৱাত লাগিল। কুকুৰক চুমা খোৱা দেখি মাক আৰু দেউতাকে বনুলৈ মুখ ঘোপাকৰি চালে। ডলফিনৰ গৰাকীৰ হাতত টকা দহ হাজাৰ তুলি দি দেউতাকে বনুক ক'লে "এতিয়া আৰু ইয়াত ৰৈ থকাৰ কাম নাই,ৰাতি চাৰে আঠ বাজিল। ঘৰলৈ যাও। " ক'কক কোলাত লৈ তিনিও ডলফিনৰ পৰা ওলাল। মিনি পমেৰিয়ানটোৱে ঠৰহৈ বনুৰ মুখলৈ চাই থাকিল। বনুয়ে বাপেকলৈ চাই ক'লে "টাটা লগ হেৰুৱাই মিনি পমেৰিয়ানটোৱে ইমান দুখ কৰিছে তাকো লৈ যাও নেকি?" ডলফিনৰ গৰাকীয়ে বনুলৈ চাই কলে "এইটো দিব নোৱাৰো। অৰ্ডাৰ আছে। কাইলৈ পুৱাই চিলঙৰ পৰা আহি লৈ যাবহি। মই গুৱাহাটী পোৱাৰ খবৰ দিলোয়েই। পুলিচৰ মানুহ, গুৱাহাটী পাই কুকুৰ পোৱালী নাপালে ডিআইজিয়ে মোক লক আপত ভৰাব"। ক'কক লগত লৈ বনু, দেউতাক আৰু মাকে ঘৰলৈ বুলি ৰাওনা কৰিলে। এনেকৈয়ে বনুহতৰ ঘৰত আৰ্বিভাব হ'লহি **Wonder Pug Coco.**

**COCO THE WONDER PUG**

**CHAPTER-II**

## (২) মৃত্যু বিজয়ী ক'ক

ডলফিনৰ পৰা আহি ক'কই চিৰিয়াখানা পথৰ বনুহতৰ ফ্লেটলৈ আহি স্বস্তিৰ নিশ্বাস পেলালে। জামছেদপুৰৰ পৰা ৰেলেৰে আৰু কলিকতাৰ পৰা বিমানেৰে আহি ক'ক ভাগৰুৱা হৈ পৰিছিল। লগতে দুদিন ভালদৰে খাবলৈ নোপোৱা বাবে ক'ক বৰ ভুকাতুৰ  হৈ আছিল। ক'কই খাবৰ বাবে বনুৰ মাকে এবাতি ৰয়েল কেনিন তিয়াই কুমলিবলৈ দিলে। ইফালে ভোকত ক'ক অধৈৰ্য্য হৈ পৰিল। উপায় নাপাই বনুয়ে মাকক ক'লে "মা গৰম পানীত তিয়াই সোনকালে কোমলাই দিয়া"। বনুৰ কথা মতে মাকে ৰয়েল কেনিন (কুকুৰৰ এবিধ খাদ্য ) খিনি গৰমপানীত চিৰা কোমলোৱাৰ দৰে কোমলাই ক'কক খাবলৈ দিলে। ভোকে লঘোণে থকা ক'কই ৰয়েল কেনিন গো গ্ৰাসে গিলিলে আৰু পেট ভৰাৰ পাচত  শান্ত হৈ টাইলচতে নাক ঘোৰঘোৰাই শুই পৰিল।ক'ক শুই পৰাৰ পাচত মাক আৰু দেউতাকৰ লগত গুৱাহাটীৰ বিখ্যাত চাইনিজ ৰেষ্টুৰেণ্ট চুংফাৰ পৰা অৰ্ডাৰ দি অনা নিশাৰ আহাৰ খাই বনু আৰু দেউতাক চোফাত বহি পৰিল। ক'কক আনিবলৈ যোৱাৰ সময়তে বনুৰ মাকে ঘোষণা কৰিছিল যে মই ঘূৰি আহি ভাত বনাব নোৱাৰো। ভাত খাই উঠি লগে লগে শোৱা স্বাস্থ্যৰ বাবে বেয়া বুলি বনুৰ মাকে বনু আৰু দেউতাকক নিশা আহাৰ খোৱাৰ ৩০/৪০ মিনিট মান পাচতহে শুবলৈ দিয়ে। সাধাৰণতে এই সময়ত বনু আৰু দেউতাকে একেলগে টিভিত নিউজ চাই আৰু বিভিন্ন বিষয়ত কথা পাতে। ক'ক অহাৰ পাচত বনুয়ে দেউতাকক ভাত খাই উঠি কলে " আজি আমি টিভি নাচাও। মই আজি তোমাক পাগৰ বিষয়ে জ্ঞান দিম। তুমিতো মোক সদায়ে কামোৰ দিয়ে থাকা।" বনুৰ কথা শুনি দেউতাকে হাঁহি হাঁহি ক'লে " মই কিবা কুকুৰ নেকি কামোৰ দিবলৈ?" বনুয়েও দেউতাকৰ কথাত হাঁহি  উঠিল আৰু ক'লে "শুনা টাটা, পাগ কুকুৰবিধ সৰু হ'লেও অতিশয় ধুনীয়া, নম্ৰ আৰু ভদ্ৰ। লেটিন ভাষাত পাগৰ বৰ্ণনা কৰিবলৈ যাওতে 'মুলটাম ইন প্ৰাভ (multum in parvo)' অৰ্থাত a lot of dog in a small place বুলি বৰ্ণনা কৰে। অসমীয়াত যে এষাৰ কথা আছে বুলি এদিন কৈছিলা 'বাঘ চাব খুজিলে বিড়ালীকে চাবা, ভাল মানুহ চাবলৈ হ'লে আলিবাটলৈ যাবা' ঠিক সেই দৰে কুকুৰ বিষয়ৰ জানিবলৈ হ'লে হিংস কুকুৰ পোহাতকৈ পাগ পোহা উচিত। সৰু হ'লেও পাগবোৰ শক্তিশালী আৰু সাহসী কিন্তু খঙাল আৰু হিংস নহয়। সৰহ সংখ্যক পাগেই সৰু লৰা ছোৱালীৰ লগত খেলি ভালপাই আৰু পাগে কাৎচিত তেতিয়াবাহে কামোৰে। পাগে মানুহৰ লগ খুউব ভাল পাই আৰু ছাৰ দৰে গৃহস্থৰ লগে লগে ফুৰে। পাগে গৃহস্থ বা মালিকৰ মনৰ ভাৱ ভঙ্গী অতি সহজে বুজি পাই আৰু সেই মতে নিজৰ ভাৱ আৰু ব্যৱহাৰ ব্যক্ত কৰে।গৃহস্থ বা মলিকৰ মনোযোগ পাগে বৰ ভাল পাই আৰু সেয়ে মনোযোগ আৰ্কষণ কৰিবলৈ  চেষ্টা কৰি থাকে।

পাগৰ বিষয়ে প্ৰথম চীনদেশত উল্লেখ পোৱা যায় আৰু চঙ বংশৰ (Song Dynasty) ৰাজত্ব কালত পাগক ৰজাৰ ৰাজসভাৰ শোভাবৰ্দ্ধন কৰা দেখা গৈছিল। সেইবাবেই পাগক চীনৰ কুকুৰ বুলিয়েই কয়। পুৰণি কালত চীনত ৰাজপৰিয়ালৰ সদস্যক সংগ দিবৰ বাবেও ৰাজ প্ৰসাদত পাগ ৰখা হৈছিল। চীনৰ ৰজা সকলে পাগক অতিশয় মৰম আদৰ কৰিছিল আৰু সিহতক লাহবিলাহত ৰখাৰ লগতে ৰয়েল গাৰ্ডে পাগক পহৰা দিছিল। চীনদেশৰ পৰা ষোল্ল শতিকাত পাগক হলেণ্ড, ইংলেণ্ড আৰু পশ্চিম ইউৰোপলৈ অনা হয়।ইংলেণ্ডৰ ৰাণী ভিক্টোৰিয়াই (Queen Victoria) পাগ অতিশয় ভাল পাইছিল আৰু পাগক ৰাজকীয় মৰ্য্যাদা দি প্ৰতিপাল কৰিছিল। মহাৰাণী ভিক্টোৰিয়াৰ অলগা(Olga), পাৰ্ড' (Perdo), মিকা (Minka), ফাটিমা(Fatima) আৰু ভেনাছ (Venus) নামৰ বহু কেইটা পাগ আছিল। ভিক্টোৰিয়াৰ পাচত কিং জৰ্জ পঞ্চম আৰু কিং এডৱাৰ্ড অষ্টম আদিয়েও পাগ খুউব ভাল পাইছিল আৰু ৰাজকীয় কুকুৰ হিচাবে পালন কৰিছিল। বিয়াৰ আগতে নাপলেয় বনাৰ্পাটৰ ( Napoleon Bonaparte) প্ৰেয়সী জছেফিনৰ (Josephine) ফৰচুন(Fortune) নামৰ এটা পাগ আছিল।পৰৱৰ্তী সময়ত পাগ আমেৰিকালৈ যায় আৰু আমেৰিকাতো জনপ্ৰিয় হৈ পৰে। সামাজিক তথা নম্ৰ-ভদ্ৰ হোৱাৰ বাবে পাগক আমেৰিকাত লগৰীয়া কুকুৰ বুলি আদৰ কৰা হয়। ভাৰতবৰ্ষত ভডাফোনৰ বিজ্ঞাপনত পাগক মাচকট হিচাবে দেখুৱাৰ পাচত পাগ ভাৰততো জনপ্ৰিয় হয় আৰু ভাৰতত পাগৰ চাহিদা বঢ়াৰ লগে লগে মূল্যও বাঢ়ি যায়। এতিয়া বুজিলা, আমাৰ ক'ক এটা ৰয়েল কুকুৰৰ বংশধৰ হয়। তুমি যিদৰে কোৱা 'ফটা হওক ছিটা হওক পাটৰ টঙালী, কণা হওক কুজা হওক ভূঞাৰ পোৱালী' একেদৰে চেফেৰা হৈ আহিলেও ক'ক ৰয়েল পোৱালী" বনুৰ কথা শুনি থাকোতেই দেউতাকৰ ৰাতি প্ৰায় ১১-৩০ বাজিল আৰু দেউতাকে বনুক ক'লে " হব আৰু ; পাগৰ বিষয়ে বহুতো নজনা কথা জানিলো। এতিয়া শুবলৈ যাও। কাইলৈ ক'কক 'জীৱবন্ধু' ডা: শৰ্মাৰ হস্পিটাল পেট এণ্ড ভেটলৈ নিব লাগিব নহয়।" এই বুলি দেউতাক শুবলৈ গ'ল। বনুয়ে ক'কক কোলাত তুলি নি নিজৰ কোঠাত ক'কৰ বাবে অনা নতুন বিচনাখনত শুৱাই দিলে। গুৱাহাটীৰ গৌৰৱ বোন্দা মহবোৰে যাতে ক'কক খাব নোৱাৰে তাৰ বাবে ক'কক এখন ছাটিৰ আঠুৱা লগাই দিলে আৰু নিজেও আঠুৱা খুচি।শুই থাকিল।

পাচদিনা পুৱা ক'ক সোনকালে শুই উঠিল আৰু ক'কৰ লগতে ঘৰৰ সকলো শুই উঠিল। বনুয়ে ক'কক কোলাত তুলি ড্ৰয়িং ৰুমলৈ লৈ গৈ ক'লে "ক'ক তই ভালদৰে নিজৰ ঘৰটো চাই ল।" ক'কয়ো আনন্দ মনেৰে বনুৰ পাচে পাচে ঘূৰি ফ্লেটৰ আটাই কেইটা ৰুম চাই সকলো বস্তু বাহিনী শুঙি ললে। ইতিমধ্যে মাকে ৰাতিপুৱাৰ জলপান যোগাৰ কৰিলে আৰু সকলো খাবলৈ বহিল। বনুয়ে ক'কক আনি খোৱা টেবুলৰ (ডাইনিং টেবুলৰ) ওপৰত বহুৱাই দিলে আৰু কলে "চা, এয়া মোৰ টাটা; আজিৰ পৰা এয়া তোৰো টাটা। এয়া মোৰ মা; আজিৰ পৰা এয়া তোৰো মা আৰু মই তোৰ বনু বা, তোৰ একমাত্ৰ বায়েক। এতিয়াৰ পৰা তই আমাৰ ঘৰৰ সদস্য।" বনুয়ে

ঘৰৰ মাক, বাপেক আৰু দুই চাৰিজন অন্তৰঙ্গ বন্ধু-বান্ধবীক তই বুলি সম্বোধন কৰে। বাকী সকলোকে তুমি আৰু আপুনি বুলিহে সম্বোধন কৰে। তই শব্দতো তাই নিজৰ আপোনৰ ক্ষেত্ৰহে ব্যৱহাৰ হয় বুলি ভাবে। ক'কক টেবুলৰ পৰা নমাই দি সকলোৱে গুৱাহাটীৰ অতিকে পুৰণি আৰু বিখ্যাত শ্বেখ ব্ৰাৰ্ডাচৰ পৰা অনা কোমল কোমল ব্ৰেডত ভাৰতবৰ্ষৰ স্বাদ (Taste of India) আমুল বাটাৰ লগাই পুৱাৰ জলপান খোৱাত লাগিল। ইয়াণ্ডাবু সন্ধি আৰু অসম বৃটিছৰ অধীনলৈ যোৱাৰ প্ৰায় ৫০ বছৰ পাচৰ কথা। ১৮৮০ চনত বংগদেশৰ গুগলী জিলাৰ পৰা শ্বেখ গোলাম ইব্ৰাহিম( Shaikh Ghulam Ibrahim) নামৰ ব্যক্তি এগৰাকী ব্যৱসায় কৰিবৰ বাবে ফেৰিৰে আহি গুৱাহাটীৰ উজানবজাৰ ঘাটতত নামিলহি। পৰৱৰ্তী সময়ত তেওঁৰ আৰু দুজন ভায়েক আহি তেওঁৰ লগ হয় আৰু ১৮৮৫ চনত তেওঁলোকে গুৱাহাটীত শ্বেখ ব্ৰাৰ্ডাচ স্থাপন কৰি গুৱাহাটী তথা অসমত ব্ৰেডৰ প্ৰচলন তথা ব্যৱসায় আৰম্ভ কৰে। ইয়াৰ আগলৈকে অসমৰ মানুহে কেৱল বিভিন্ন পিঠা, লাৰু আদিহে বনাব জানিছিল আৰু ব্ৰেড কেনেদৰে বনাই নাজানিছিল। ইতিমধ্যে বৃটিছে অসমত চাহ খেতি আৰম্ভ কৰিছিল আৰু গোলাম শ্বেখে ভাবিলে যে অসমত বৃটিছৰ চাহখেতি প্ৰসাৰ হোৱাৰ লগে লগে ব্ৰেড, কেক আদিৰ চাহিদা বাঢ়িযাব আৰু বেকাৰী ব্যৱসায়ৰ ভবিষ্যত উজ্বল হব। ১৯০০ চনৰ আগভাগৰ পৰা শ্বেখ ব্ৰাৰ্ডাচৰ ব্ৰেড অতিশয় জনপ্ৰিয় হয় আৰু ১৯০৫ চনৰ পৰা ঘোৰাবাগীত শ্বেখ ব্ৰাৰ্ডাচৰ পৰা ব্ৰেড শ্বিলঙৰ ৰাজভৱনলৈ যোৱাটো এক দৈনন্দিন কথা আছিল। আজিও অসমৰ মূখ্যমন্ত্ৰী আৰু ৰাজ্যপালৰ বাসভৱনলৈ শ্বেখ ব্ৰাৰ্ডাচৰ ব্ৰেড যায়। গুৱাহাটীৰ মাজ মজিয়া পানবজাৰত, বনুয়ে পঢ়া কটন কলেজৰ কাষত শ্বেখ ব্ৰাৰ্ডাচ আজিও সগৌৰবে উজলি আছে।

আমুল ভাৰতৰ সকলোতকৈ জনপ্ৰিয় এক খাদ্য সামগ্ৰীৰ নাম আৰু ব্ৰেণ্ড। বনুহতৰ ঘৰতো আমুল বাটাৰ সকলোৰে অতিশয় প্ৰিয়। বনুৰ দেউতাকে হেনো সৰুতে মনে মনে আমুল স্প্ৰে টেমাৰ পৰা হাতত আমুল স্প্ৰে লৈ খাইছিল আৰু তাৰবাবে মাকৰ পৰা গালিও খাইছিল। ভাৰতত গাখীৰৰ চাহিদা পূৰণ কৰিবৰ বাবে আৰু পলচন নামৰ কোম্পানীৰ ভাৰতত মনপলি নাইকিয়া কৰি গাখীৰ উৎপাদক সকলক উচিত মূল্য দিবৰ বাবে ১৯৪৬ চনত ত্ৰিভূবনদাস পেটেলৰ নেতৃত্বত আৰু চৰ্দাৰ বল্লভভাই পেটেলৰ পৰামৰ্শ আৰু আৰ্শীবাদত গুজৰাটৰ আনন্দ নামৰ ঠাইত "কায়ৰা জিলা দুগ্ধ ইউনিয়ণ পৰিসীমিত (Kaira District Milk Union Limited) নামৰ কোম্পানী বা প্ৰতিস্থানৰ জন্ম হয়। পৰবৰ্তী সময়ত ইয়াৰ নাম আমুললৈ (AMUL: Anand Milkers Union Limited) সলনি কৰা হয় আৰু আমুল ব্ৰেণ্ডৰ জন্ম হয়।

ত্ৰিভূবনদাস পেটেল আমুলৰ প্ৰতিস্থাপক চেয়াৰমেন আছিল আৰু ১৯৭০ চনত অৱসৰ নোলোৱালৈকে তেওঁ এই পদত কাযৰ্নিৰ্বাহ কৰিছিল। ১৯৪৯ চনত পেটেল ডাঙৰীয়াই ড:

ভাৰ্গিজ কুৰিয়েনক আমুলত যোগদান কৰিবলৈ আমন্ত্ৰণ জনায় আৰু কুৰিয়েনে আমুলত যোগদান কৰে। প্ৰথম অৱস্থাত কুৰিয়েন আমুলৰ মহাপ্ৰৱন্ধক(General Manager) আছিল আৰু ত্ৰিভূবনদাস আৰু কুৰিয়েনৰ প্ৰচেষ্টাত আমুল দ্ৰুতগতিত প্ৰসাৰ হয় আৰু আমুলেই ভাৰতত দুগ্ধ বিপ্লৱ বা শ্বেত বিপ্লৱ আৰম্ভ কৰে। ভাৰ্গিজ কুৰিয়েনক ভাৰতৰ শ্বেত বিপ্লবৰ জনক তথা Milk Man of India বুলিও জনাযায়। শ্বেত বিপ্লব বা হোৱাইট ৰিভলিউচনৰ বাবেই বৰ্তমান ভাৰত বিশ্বৰ এক নম্বৰ দুগ্ধ আৰু দুগ্ধজাত সামগ্ৰী উৎপাদন কৰা দেশ। ভাৰ্গিজ কুৰিয়েন পাচত নেচনেল ডায়েৰী ডেভলেপমেণ্ট বৰ্ডৰ চেয়াৰমেন নিযুক্ত হয়। কুৰিয়েনক তেওঁৰ কামৰ বাবে পদ্মশ্ৰী, পদ্মভূষণ আৰু পদ্মবিভূষণ সন্মানেৰে সন্মানিত কৰা হয়। বৰ্তমান সময়ত আমুল ব্ৰেণ্ডটো গুজৰাট ক'পাৰেটিভ মিল্ক মাৰ্কেটিং ফেডাৰেচন লিমিটেড (GCMMFL) নামৰ সংস্থাৰ হাতত আছে আৰু এই ক'পাৰেটিভ চচাইটিত প্ৰায় ৩৬ লাখ সদষ্য আছে। ১৯৬৬ চনত আমুলে চিলভেষ্টাৰ দা চুনহা (Sylvester da Cunha) নামৰ ব্যক্তি গৰাকীক আমুলৰ বিজ্ঞাপন বনাবৰ বাবে দায়িত্ব দিয়ে আৰু তেওঁ আমুল গাৰ্ল চৰিত্ৰটোৰ সৃষ্টি কৰি বিজ্ঞাপন আৰম্ভ কৰে। আমুল গাৰ্লৰ চৰিত্ৰ অতি জনপ্ৰিয় হয় আৰু সেয়ে আজিও আমুলৰ বিজ্ঞাপনত কোনো চেলিব্ৰিটি ব্যৱহাৰ কৰা নহয়। অবিচ্ছিন্ন ভাবে প্ৰচলন হোৱা বিজ্ঞাপন হিচাবে আমুলৰ এই বিজ্ঞাপনে গ্ৰীণউইচ বুক অব ৱৰ্ল্ড ৰেৰ্কডচৰো স্বীকৃতি লাভ কৰে। শ্বেত বিপ্লব আৰু আমুলৰ কাহিনীৰ পৰা অনুপ্ৰেণিত হৈ বিখ্যাত কথাছবি নিৰ্মাতা শ্যামবেনেগালে ১৯৭৬ চনত মন্থন নামেৰে এখন কথাছবি নিৰ্মাণ কৰে আৰু ছবিখনৰ পূজিৰ বাবে পাচ লাখ গাখীৰ উৎপাদনকাৰী কৃষকে দুটকাকৈ বৰঙনি আগবঢ়াই। ১৯৭৭ চনত মন্থনে শ্ৰেষ্ঠ হিন্দী ছবিৰ পুৰস্কাৰ লাভ কৰে।

পুৱাৰ জলপান খাই বনুৰ মাকে ক'কৰ বাবে তিয়াই ৰখা ৰয়েল কেনিন অলপমান ক'কক খাবলৈ দিলে আৰু ক'কই আনন্দ মনে নেগুৰ জোকাৰি খোৱাত লাগিল। বনুহত যিহেতু ফ্লেটত থাকে গতিকে বনুৰ মাকে বনুলৈ চাই ক'লে "মই এতিয়া ক'কক পেছাব, পায়খানা কৰিবলৈ শিকাম।" এইবুলি বনুৰ মাকে ক'কক গাধোৱা কোঠালৈ লৈ গ'ল আৰু চাৰিও কাষ ভাজকৰি মজিয়াত এখন বাতৰি কাকত পাৰি দি ক'কক ক'লে "তই সদায় এইদৰে কাগজত চুচু কৰিব লাগিব। ঘৰৰ ভিতৰৰ ক'তো চুচু নকৰিবি। চুচু লাগিলে, হাগু লাগিলে আমাৰ ওচৰলৈ আহি ভৌ ভৌ কৰিবি। নহলে এইদাল স্কেল দেখিছ, পিতন খাবি।" এই বুলি কৈ বনুৰ মাকে ক'কক স্কেল এডাল জোকাৰি দেখুৱালে আৰু ক'কয়ো কথাবোৰ বুজাৰ দৰে মূৰজোকাৰি বাথৰুমত পাৰি দিয়া কাগজ খনত পেছাব কৰিলে। এবাৰতে সকলো কথা বুজা দেখি ঘৰৰ সকলো।আছৰিত হ'ল।

পুৱা দহ বজাত ক'কক লগতলৈ বনু আৰু দেউতাক গুৱাহাটীৰ মাদাৰ টেৰেছা পথৰ হাতীগড়ত থকা জীৱবন্ধু ডা: শৰ্মাৰ জীৱ-জন্তুৰ চিকিৎসালয় পেট এণ্ড ভেটলৈ বুলি ওলাল। পেট এণ্ড ভেটত ক'কৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে ক'কক ৰেবিজৰ বাবে বেজী দিয়াব লাগিব। ৰেবিজ হ'ল ভাইৰাছৰ পৰা হোৱা স্তনপায়ী জীৱৰ এক মাৰাত্মক বেমাৰ। অসমীয়াত এই বেমাৰক জলাতংক ৰোগ বুলি কোৱা হয়। ৰেবিজৰ কোনো চিকিৎসা নাই আৰু সেয়ে ইয়াক বলীয়া মৰণ বুলিও কোৱা হয়। ৰেবিজৰ বাবেই বহু মানুহে কুকুৰলৈ ভয় কৰে। ৰেবিজ ভাল কৰিবৰ বাবে যদিও কোনো চিকিৎসা নাই , ৰেবিজৰ কিন্তু প্ৰতিষেধক তীকা বা বেজি আছে। ৰেবিজ ৰোগৰ লক্ষণ সমূহ হ'ল: পক্ষাঘাত( paralysis), টেনচন, পাগলামি, হেলুচিনেচন, মূৰৰ বিষ, পানীলৈ ভয় ইত্যাদি। এই ৰোগত মগজুৰ ইনফ্লেমেচন হয় আৰু ৰোগী ক'মা অৱস্থালৈও যাব পাৰে। ৰেবিজ থকা কুকুৰ, মেকুৰী, শিয়াল, বাদুলি আদিয়ে মানুহক কামুৰিলে এমাহৰ পৰা তিনি মাহৰ ভিতৰত ৰেবিজৰ লক্ষণ সমূহে দেখা দিয়ে। লক্ষণ সমূহ দেখা দিয়াৰ দহ দিন মানৰ ভিতৰতে ৰোগীৰ মৃত্যু হয়। এবাৰ লক্ষণ সমূহে দেখা দিয়াৰ পাচত এই ৰোগ ভাল হোৱাৰ কোনো মেডিকেল ৰেৰ্কড বা তথ্য নাই। গোটেই বিশ্বত কুকুৰেই হ'ল মানুহৰ বাবে ৰেবিজৰ মূখ্য বা প্ৰধান বাহক(carrier)। মানুহৰ শৰীৰত হোৱা ৯৯ শতাংশ ৰেবিজেই কুকুৰৰ কামোৰৰ পৰা হয়। আমেৰিকাত পাচে ৫ শতাংশ ৰেবিজ বাদুলীৰ কামোৰত হয়। ৰেবিজৰ সৰহ সংখ্যক ঘটনা আফ্ৰিকা আৰু এচিয়া মহাদেশতে দেখা পোৱা যায়। অষ্ট্ৰেলিয়া, জাপান আৰু পশ্চিম ইউৰোপৰ কুকুৰ সমূহ ৰেবিজৰ পৰা মুক্ত। ৰেবিজ অতি পুৰণি ৰোগ আৰু মেচোপটেমিয়ান সভ্যতাত খৃষ্টপূৰ্ব ২০০০ চনত ৰেবিজৰ উপস্থিতি দেখুওৱা বহু শিলালিপি পোৱা গৈছে। কিন্তু আজিও বিশ্ব ৰেবিজৰ পৰা মুক্ত হোৱা নাই। প্ৰিভেনচনেই ৰেবিজক বাধা দিয়াৰ একমাত উপায়। সেয়েহে কুকুৰ, মেকুৰী আদিয়ে কামুৰিলে, কামোৰাৰ লগে লগে কামোৰা ঠাইখিনি কাপোৰধোৱা চাবোন, ডেটল চাবোন বা চাৰ্ফ আদিৰে ভালদৰে ধুই আয়ডিন লগাই দিব লাগে। কামোৰাৰ দহ দিনৰ ভিতৰতে ডাক্টৰৰ ওচৰলৈ গৈ ৰেবিজৰ বেজী লব লাগে। অবশ্যে যদি কামোৰা কুকুৰটোক ৰেবিজৰ বেজী দি থোৱা থাকে তেন্ত ডাক্টৰৰ পৰামৰ্শ লৈ কামোৰা কুকুৰটোৰ যদি ১০/১৫ দিনত মৃত্যু নহয় তেন্তে বেজী নললেও হয়।

পেট এণ্ড ভেটত ডা: শৰ্মাই বনু আৰু বনুৰ দেউতাকক আথেবেথে বহিবলৈ দিলে। বনুক ডা: শৰ্মাই আগৰে পৰা চিনি পাই আৰু সেয়ে বনুৰ খবৰ বাতৰি লৈ তেও ক'কৰ স্বাস্থ্য পৰীক্ষা কৰাত লাগিল। ক'ক অতিশয় তজবজীয়া, ধুনীয়া আৰু স্মাৰ্ট আছিল। ডা: শৰ্মাই ক'লে "এই বৰ ভাল কুকুৰ হব। যি মূলা বাঢ়ে দুপাততে চিন। ৰেবিজৰ বেজী ৬০ৰ পৰা ৯০ দিনৰ ভিতৰত দিম। আজি তাইক কেৱল পেলুৰ ঔষধহে দিম। কুকুৰৰ নতুনকৈ জন্মহোৱা পোৱালীবোৰে মাকৰ

পৰা ৰেবিজৰ এণ্টিবডি পাই আৰু ই প্ৰায় তিনি মাহ মানলৈ সক্ৰিয় বা একটিভ হৈ থাকে।" এই বুলি ডা: শৰ্মাই প্ৰেচকিপচন লিখি দিলে। পেট এণ্ড ভেটৰ ফাৰ্মাচীৰ পৰা পেলুৰ ঔষধ আৰু ৰয়েল কেনিন কিনি দেউতাক আৰু বনু ক'কক লৈ ঘৰ পালেহি।

ক'কক পেট এণ্ড ভেটৰ পৰা আনি ঘৰত থৈ বনু কলেজত ক্লাচ এটা কৰিবৰ বাবে ওলাই গ'ল আৰু দেউতাক নিজৰ কামত ওলাই গ'ল। পাচদিনা পুৱা শুই উঠি বনুয়ে দেউতাকক চিঞৰি ক'লে "টাটা ক'কক পেলুৰ ঔষধটো খুৱাই দিয়াহি।" দেউতাকে উত্তৰ দিলে "মই নোৱাৰো দেই, সৰুতে তোক সকলো ঔষধ মাৰে হে খুৱাইছিল। গতিকে মাৰক ক। মইতো তোক ঔষধ খুৱাওতে পখিলা মাৰা, জেঠী মাৰা, পেপা বজোৱা , বাঁহী বজোৱা, বল দলিওৱা আদিহে কৰিছিলো। গতিকে মোৰ ঔষধ খুওৱাৰ অভিজ্ঞতা নাই। মই বাৰু বটলৰ পৰা ঔষধ খিনি হিচাব মতে ক'কৰ বাটিত দি দিম।" দেউতাকৰ কথা শুনি বনুয়ে মাকক চিঞৰিলে "মা ক'কক পেলুৰ ঔষধটো খুৱাই দিয়া না। টাটাই বোলে নোৱাৰে।" লগে লগে মাকৰ উত্তৰ আহিল "ঔষধ খুৱাব নোৱাৰিলে কুকুৰ আনিব নালাগে। মই আগতেই জানো, সকলো লেঠাৰ কাম, ভেজাল কাম মোৰ ওপৰতে পৰিব। দুদিন পাচত বাহিৰত পঢ়িবলৈ গুচি যাবি আৰু মই ক'কৰ সকলো কাম কৰি মৰিব লাগিব, ক'কৰ দায়িত্ব লব লাগিব। কুকুৰ আনা সহজ কিন্তু কুকুৰৰ দাঙৰ দীঘল কৰা, প্ৰতিপাল কৰা সহজ নহয়।" ভোৰ ভোৰাই মাক বনু আৰু দেউতাকৰ ওচৰলৈ আহিল আৰু ক'লে "চাও ঔষধ আৰু চামুচ খন দিয়া। পেলুৰ ঔষধ নুখুৱালে আমাৰ গাতো পেলু লাগিব।" বনুৰ দেউতাকে ক'কৰ সৰু বাটিটোত খুৱাবৰ বাবে বটলৰ পৰা ঔষধ বাকী দিলে। বনুৰ মাকে বনুৰ দেউতাকলৈ চাই শুধিলে "প্ৰেচকিপচন চাই ঠিকমতে ঔষধ জুখি দিছা নহয়।" দেউতাকে মোৰ জোকাৰিলে। বনুয়ে ক'কক ধৰিলে আৰু মাকে অতি কষ্টৰে ক'ক ঔষধ খিনি খুৱাই দিলে। পুৱাৰ ব্ৰেকফাষ্ট খাই বিশেষ কামৰ বাবে বনুক ঘৰত এৰি মাক আৰু দেউতাক মিৰ্জালৈ বুলি ওলাই গ'ল। বনুয়েও ক'কৰ লগত খেলাত লাগিল। ২/৩ ঘণ্টামান পাচত মিৰ্জাত বনুৰ দেউতাকে বনুৰ পৰা ফোন কল এটা পালে। "টাটা ক'কই তেজৰ হাগু কৰিছে। অলপ অলপ কৈ তিনিবাৰ হ'লেই। তুমি ডা: শৰ্মা আংকললৈ তৎক্ষণাত ফোন কৰা।" বনুৰ কথা শুনি দেউতাকে ডা: শৰ্মালৈ ফোন কৰিলে। ডা: শৰ্মাই শুধিলে আপুনি ঔষধ কিমান এমএল খুৱাইছিল। দেউতাকে উত্তৰ দিলে দহ এম এল। সিফালৰ পৰা কি? বুলি ডা: শৰ্মা উচপ খাই উঠিল। এক এমএল খুৱাব লগা ঔষধটো আপুনি সৰু পোৱালিটোক ১০ এমএল খুৱাই দিলে। আপোনাক ডাক্টৰে দিনে এটাকৈ স্লিপিং টেবলেট খাবলৈ দিছিল আৰু আপুনি পুৰা ১০টা খাই দিলে আপোনাৰ যি অৱস্থা হ'ল হয় ক'কৰো এতিয়া অৱস্থা তেনেই হব। মই এতিয়া গুৱাহাটীৰ বাহিৰত। এতিয়া একমাত্ৰ চিকিৎসা হ'ল ক'কক যিমান পাৰে সিমান পানী, চেনি-নিমখ পানী খুৱাওক। ক'কৰ চাৰভাইভেলৰ চাঞ্চ

এতিয়া মাত্ৰ ৫ ৰ পৰা ১০%। ডাক্টৰৰ কথা শুনি বনুৰ দেউতাক শিলপৰা কপৌৰ দৰে হ'ল। বনুৰ মাকে কথাবোৰ শুনি আছিল আৰু ইতিমধ্যে গিৰিয়েকক গালি পাৰা আৰম্ভ কৰিলে। বনুৰ দেউতাকে বনুক ফোন কৰি ক'কক যিমান পাৰে পানী খুৱাবলৈ ক'লে আৰু কাম আধাতে এৰি বনুৰ মাক দেউতাক দুয়ো ঘৰলৈ বুলি ধাপলি মেলিলে।

ঘৰ আহি পোৱাৰ পাচত মাকে বনুক ডা:শৰ্মাই দেউতাকক কোৱা কথাখিনি বিবৰি ক'লে। লগে লগে বনুৰ কান্দোন আৰম্ভ হ'ল আৰু কান্দি কান্দি দেউতাকক ক'লে "তোমাৰ কাৰণে যদি ক'ক মৰে তেন্তে মই জীৱনত আৰু কোনো দিনে তোমাক নামাতো। তোমাৰ বাবেই দিল্লীৰ পৰা অনা আগৰ পাগটো হেৰুৱাব লগা হ'ল। এইবাৰো কিজানি তুমি ইচ্ছা কৰি ক'কক মাৰিবৰ বাবে বেচিকৈ পেলুৰ ঔষধ খুৱাই দিছা। নহলে মাই সোধাৰ পাচতো  কেনেকৈ ভুল হ'ল।" দেউতাকে বনুক চচমা নিপিন্ধাকে প্ৰেচকিপচন  খন পঢ়া বাবে অনিশ্চাকৃত ভাবে ভুল হোৱাটো বুজিবলৈ অনুৰুধ কৰিলে। বনুৰ মাকে ক'লে "এতিয়া বাপেকে জীয়েকে কাজিয়া কৰি থকাতকৈ ক'কক কেনেকৈ বচাব পাৰি তাৰ চিন্তা কৰাটোহে দৰকাৰ।" মাকৰ কথা শুনি বনুৰ দেউতাক ফাৰ্মাচীলৈ ওলাই গ'ল আৰু তাৰপৰা এটা দুদদানি আৰু অআৰ এচ কিনি আনিলে। বনুৰ মাকে দুদদানিত অআৰএচ ক'কক কোলাত লৈ খোৱাবলৈ চেষ্টা কৰিলে যদিও ক'কই নোখোৱা বাবে চেণি পানী দুদদানিত দিয়াত কপকপকৈ চুপিলে। ইফালে ক'কৰ তেজৰ পায়খানাও চলি থাকিল। ৰাতি প্ৰায় ১২ এক বজালৈকে ক'কক পানী খুওৱা পৰ্ব চলি থাকিল। অৱশেষত ক'ক শুই পৰিল আৰু লগতে ঘৰৰ সকলো শুই পৰিল। ৰাতিপুৱাই ক'ক শুই উঠি বাথৰূমৰ মুখলৈ গৈ ভুক ভুক কৰিলে। বনুৰ মাকে আহি ক'কক বাথৰুমত কাগজ পাৰি দিলে আৰু ক'কই তাতে পেছাব কৰিলে। ক'কৰ তেজৰ পায়খানা বন্ধ হ'ল। ঘৰৰ সকলোৰে মুখলৈ হাঁহি বিৰিঙি আহিল। দহ বজাত ক'কক লৈ দেউতাক আৰু বনু ডা: শৰ্মাৰ ক্লিনিক পালেগৈ। ডা: শৰ্মাই ক'কক পৰীক্ষা কৰি ক'লে এতিয়া আৰু চিন্তাৰ কাৰণ নাই। ভিটামিন, কেলচিয়াম, প্ৰটিন আদি ঔষধ কিছুমান লিখি দি ডা: শৰ্মাই ক'কলৈ চাই ক'লে " ক'ক তই মৃত্যু জয় কৰি আহিছ। ঔষধবোৰ খাবি আৰু এদিন তই wonderful কুকুৰ হব লাগিব।" বনু আৰু দেউতাকে ক'ককলৈ ফাৰ্মাচীৰ পৰা ঔষধখিনি কিনি ঘৰ পালেহি।

# Coco The Wonder Pug

## CHAPTER-III

## (৩) ক'কৰ শিক্ষা জীৱন

অসমীয়াত এষাৰ কথা আছে। ঘৰ খনেই শিশুৰ আচল শিক্ষাৰ ঠাই। ডা: শৰ্মাই যেতিয়া ক'কক শিক্ষাৰ বাবে ট্ৰেইনাৰৰ ওচৰলৈ পঠোৱাৰ কথা ক'লে লগে লগে বনু আৰু মাকে আপত্তি কৰিলে। ইতিমধ্য মাকৰ ক'কৰ প্ৰতি অতিকে মৰম সোমাই গৈছিল। গতিকে কথা কব নোৱাৰা ক'কই খোৱা বোৱাত কষ্ট পাব আৰু লগতে মনোকষ্ট পাব বুলি বনুৰ মাক ক'কক প্ৰশিঅক্ষক বা ট্ৰেইনাৰৰ ওচৰলৈ পঠাবলৈ নিদিলে আৰু নিজেই ক'কক শিকাম বুলি সিদ্ধান্ত ললে। শিশুৰ চৰিত্ৰ গঠনত পিতৃ-মাতৃৰ গুৰুত্ব অসীম। তথাপি কিন্তু পিতৃতকৈ মাতৃৰ গুৰুত্ব বেচি আৰু সেয়ে শিশুয়ে মাতৃভাষাত কথা শিকে আৰু মাতৃভাষা কয়।

ক'কৰ মাক অৰ্থাৎ বনুৰ মাক প্ৰথমৰ পৰাই যথেষ্ট সচেতন হ'ল যাতে ক'ক এজনী ভাল ভদ্ৰ কুকুৰ হয়। বনুৰ মাকৰ মতে বুঢ়া শালিকাই মাত নলয়, গতিকে সকলো কথা ক'কক সৰুতেই শিকাব লাগিব। লগতে বনুৰ মাকৰ মতবাদ হ'ল যে শিশুক হাতীৰ খাৱনেৰে খুৱাবা আৰু বাঘৰ চকুৰে চাবা। সৰুতে বনুয়ে নোখোৱাৰ কাৰণে মাকৰ পৰা মাজে সময়ে দুই এচাট খাইছিল আৰু দুই এবাৰ মাকে যোৰকৈ খুওৱাৰ পাচত বমিও কৰিছিল। মোদীৰ স্বচ্ছ ভাৰত অভিযান হোৱাৰ বহু আগৰে পৰা বনু হতৰ ঘৰত স্বচ্ছ ঘৰ অভিযান চলি আছিল আৰু অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ হোষ্টেলত থাকি পঢ়ি অহা বনুৰ দেউতাক সেয়ে বনুক মাজে মাজে কয় 'মাৰৰ চাফা বেমাৰ আছে। আমাৰ হোষ্টেলত ঠাণ্ডা দিনত ২০/২৫ দিনলৈকে গা নোধোৱা কিমান ল'ৰা আছিল। আৰু ৰূমত আঠুৱা নোতোলা বহুতো ল'ৰা দেখিছিলো। কিছুমানেতো নিজৰ ৰূম বছৰত ৩/4 বাৰ মানহে ঝাৰু দিয়ে।' বনুয়ে হাঁহি দেউতাকক কয় 'অ তাৰমানে পুহ মাহত নিতৌ গা ধুই বৰ কষ্ট পাইছা আৰু হোষ্টেলৰ কথা মনত পেলাই দুখ কৰিছা।' মাকৰ পৰা বনুয়ে পৰিপাতি হোৱা, স্বচ্ছতা সৰুৰে পৰা শিকিছিল বাবে বনু হতৰ ঘৰত দ্ৰয়িংৰূম খেচা আৰু ঘেদালি থকাৰ কোনো নিয়ম নাছিল। মাকে ক'কক বুজাই দিলে যে মোৰ ঘৰত চোফাত উঠি চোফাৰ গাৰু কামোৰা, চোফাত জপিওৱা, জোতাৰ ৰেকৰ পৰা জোতা কামোৰা, ঘৰ লেতেৰা কৰা আদি কাম নচলিব। বনুৰ ক্ষেত্ৰতো মই চেকনিৰ আগতহে বিদ্যা মানি চলিছিলো আৰু তোৰ ক্ষেত্ৰতো মানি চলিম। বনুয়ে সৰুৰে পৰা আমাৰ ঘৰৰ বেৰত আক এটা মাৰি পোৱা নাই। আচৰিত কথা মাকে এবাৰ শিকাই বুজাই দিয়াৰ পাচত ক'কই মাকৰ কথা আখৰে আখৰে পালন কৰে। যদিও মাকে ক'কক মাজে সময়ে লগত ৰখা স্কেলডাল দেখুৱাই ক'কক কিন্তু কেতিয়াবা কাতচিৎহে এচাত দিব লগা হয়। লাহে লাহে ক'কই বনুৰ সলনি মাকৰ লগ অধিক লোৱা হ'ল

আৰু ভদাফোনৰ বিজ্ঞাপনতোৰ দৰে অনবৰতে মাকৰ পাচে পাচে ছাৰ দৰে লাগি থকা হ'ল। কেৱল আবেলি/গধুলি সময়ত ফুৰিবৰ বাবে ক'কই টাটাকৰ বাবে ঘৰৰ মূল দুৱাৰ খনৰ মুখত বহি থাকি অপেক্ষা কৰা হ'ল।

এদিন দুদিনকৈ ক'কৰ বয়স তিনিমাহ হবৰ হ'ল আৰু এদিন বনু আৰু দেউতাকে ৰেবিজৰ বেজী দিয়াবৰ বাবে ক'কক ডা: শৰ্মাৰ ক্লিনিক পেট এণ্ড ভেটলৈ লৈ গ'ল । ডা: শৰ্মাই ক'কৰ ওজন চালে আৰু গ্ৰথ খুউব ভাল হোৱা বুলি কৈ ক'কক ৰেবিজৰ বেজী দিলে। ডা:শৰ্মাৰ ক্লিনিকৰ পৰা ক'কক ঘৰত থৈ  দেউতাক আৰু বনু নিজৰ নিজৰ কামত ওলাই গ'ল। দুঘণ্টামান পাচত বনুৰ দেউতাকে বনুৰ মাকৰ পৰা ফোন কল এটা পালে। তৎক্ষণাত ঘৰলৈ আহা, ক'কৰ নাক মুখ ফুলি গৈছে আৰু উশাহ নিশাহ ভালদৰে লব নোৱাৰি চতফটাই আছে।
ফোন পাই বনুৰ দেউতাক ততাতয়াকৈ ঘৰলৈ আহিল আৰু ক'কক গাড়ীত উঠাই বনুৰ মাক দেউতাক দুয়ো ডা: শৰ্মাৰ ক্লিনিকলৈ বুলি ধাপলি মেলিলে। ডা: শৰ্মাই ক'কক পৰীক্ষা কৰি লগে লগে এভিল ইনজেকচন দিলে আৰু ক'লে 'চিন্তাৰ কাৰণ নাই, এয়া ৰেবিজৰ বেজিৰ ৰিয়েকচন। সাধাৰণতে কুকুৰৰ ৰেবিজৰ বেজিৰ পৰা কোনো ৰিয়েকচন নহয়। কিন্তু লাখৰ মাজত মাত্ৰ এটা বা দুটাৰ হব পাৰে। মোৰ জীৱনত এয়াই প্ৰথম এনে কেচ।' ডা: শৰ্মাই লগে লগে তেওঁৰ দিল্লীৰ বন্ধু ডাক্তৰৰ লগতো কথা পাতিলে আৰু তেওঁয়ো জনালে যে এনে ধৰণৰ ৰিয়েকচনৰ কেচ ৰেয়াৰ আৰু এভিল দিলেই ঠিক হয় আৰু ৰিয়েকচন হৈ কোনো কুকুৰৰ মৃত্যু হোৱাৰ কথা তেওঁয়ো শুনা নাই। অবজাৰভেচনৰ বাবে বনুৰ মাক দেউতাকক এঘণ্টামান ৰবলৈ কৈ ডা: শৰ্মাই আন ৰোগী (কুকুৰ) চোৱাত লাগিল। এঘণ্টা মান পাচত ক'কৰ উশাহ নিশাহ নৰ্মেল হ'ল আৰু আৰু ফুলাও কমি আহিল। ক'কয়ো মাকৰ লগত খেলাত লাগিল। ক'কক পুনৰ পৰীক্ষা কৰি ডা: শৰ্মাই ক'লে " ক'ক সচাঁকৈ ৰেয়াৰ কুকুৰ। ১০ শতাংশ চাঞ্চতো মৃত্যু জয় কৰি আহিল আৰু এতিয়া লাখৰ মাজত এটাৰ হোৱা ৰিয়েকচন ক'কৰ হ'ল। এইবাৰৰ পৰা ক'কক ৰেবিজৰ বেজী দিয়াৰ আগতে এভিল দি লম। এতিয়া ক'কক লৈ আপোনালোক ঘৰলৈ যাব পাৰে। মাকৰ পৰা ফোন পাই ইতিমধ্যে বনুও আহি পেট এণ্ড ভেট পাইছিলহি। তিনিও ক'কক লৈ জুৰোডৰ নিজৰ ঘৰলৈ বুলি ৰাওনা কৰিলে। যাওতে জুৰোড তিনি আলিৰ পৰা বনুয়ে দুখন ডাঙৰ পিজা কিনি ললে আৰু মাকক ক'লে যে এতিয়া আৰু ভাত বনাই খোৱাৰ সময় নাই বাবে আমি আজি পিজাকে খাম। আচলতে বনুয়ে এনেয়ো ভাত খাই বেয়া পাই আৰু সুবিধা পাই সুযোগৰ সদব্যৱহাৰ কৰিলে। বনুৰ মাক আৰু দেউতাকে পিজা খাই বৰ এটা ভাল নাপাই যদিও বনুৰ লগত লগত পৰি মাজে সময়ে খাব লগা হয়।

পিজা এবিধ ইটালিয়ান চেপেটা ব্ৰেড বা ৰুটি যাক ৰোমান সকলে পানিচ ফকাচিয়াচ (panis focaciaous) বুলি কৈছিল। পিজা শব্দটো ৯৯৭ চন মানত প্ৰথম ব্যৱহাৰ হয় আৰু এই শব্দটো মধ্য তথা দক্ষিণ ইটালীত জনপ্ৰিয় হৈ পৰে। পিজা শব্দটো লেটিন শব্দ পিটাৰ পৰা আহিছে। এদিন বনুয়ে পিজাৰ এই ইতিহাস টাটাকক কৈ থাকোতে টাটাকে ধেমালিতে বনুক শুধিছিল, লেটিনৰ পিটা শব্দটো আকৌ আমাৰ অসমীয়াৰ পিঠা শব্দৰ পৰা অহা নাইতো। পৰম্পৰাগত ভাবে পিজা দুখীয়া ইটালিয়ান সকলৰ খাদ্য আছিল আৰু পিজাৰ ওপৰত বিলাহী, চিজ আদিৰ প্ৰলেপ দি ইয়াক সুস্বাদু বা টেষ্টি কৰি তোলা হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পাচত পিজা গোটেই বিশ্বতে বিয়পি পৰে আৰু বহুদেশত জনপ্ৰিয় হয়। ১৯৮০ চন মানত পিজাই ভাৰতত ভুমুকি মাৰে। ১৯৯৬ চন মানত ভাৰতত পিজাৰ আমেৰিকান ব্ৰেণ্ড সমূহে প্ৰবেশ কৰে আৰু পিজা ভাৰতত চোনীয়া গান্ধীৰ সমানে সমানে জনপ্ৰিয় হৈ পৰে। লাহে লাহে ভাৰতত বিভিন্ন অৰিজিনেল ইটালীয়ান ব্ৰেণ্ডৰ পিজায়ো প্ৰবেশ কৰে। ঘৰলৈ আহি বনুয়ে মাৰ্ঘেৰিটা ( আমাৰ অসমৰ মাৰ্ঘেৰিটাৰ পৰা নামতো দিয়া নাইতো?) আৰু চিকেন পিজা দুখন সকলোকে খাবৰ বাবে প্লেটত ভগাই দিলে। ক'ককো এটুকুৰা সৰু পিজা দিলে যদিও ক'কই শুঙি শুঙি পিজা টুকুৰাটো নাখাল আৰু তাৰ পাচত কোনো দিনেই পিজাত মুখ নিদিলে।

এদিন দুদিনকৈ ক'ক ডাঙৰ হবলৈ ধৰিলে। বনুৰ মাকে এদিন ক'লে, ক'কক দহলৈকে হিচাব শিকাব লাগিব। কথা মতেই কাম। ক'কক মাকে হিচাব শিকাবলৈ আৰম্ভ কৰিলে। এক, দুই, তিনি, চাৰি , পাচ লৈকে কেডবেৰিজৰ টুকুৰা দি দি মাকে শিকোৱা আৰম্ভ কৰিলে। ভাবিলে পাচলৈকে বুজা হোৱাৰ পাচত দহলৈকে শিকাব। ক'কই কেডবেৰিজ, বয়ল কেক আৰু পেৰা খাই খুউব ভাল পায়। পাচলৈকে শিকোৱাৰ পাচদিনা খন বনুৰ দেউতাকে ক'কৰ কাৰণে চাৰিটা বয়ল কেক আনিছো দিনে এটাকৈহে দিবা। ডা: শৰ্মাইতো খুৱাবলৈ মানাই কৰিছে। ক'কই কথা খিনি শুনি আছিল আৰু মাকে ফ্ৰিজত মিঠাই কেইটা থোৱাৰ পাচৰে পৰা ফ্ৰিজৰ সন্মুখত বহি ভূকা আৰম্ভ কৰি দিলে। অশান্তি পাই মাকে ক'কক এটা বয়ল কেক খাবলৈ দি ক'লে, হো খা আৰু কিন্তু নাই। অলপ সময় ক'ক মনে মনে থাকিল যদিও কিছু সময় পাচত পুনৰ ফ্ৰিজৰ সন্মুখত বহি লৈ ভূকিবলৈ ধৰিলে। আমনি পাই মাকে আৰু এটা বয়ল কেক ক'কক খাবলৈ দি খঙেৰে কলে 'আজিয়েই দুটা খালি, আৰু নাপাৱ। কাইলৈহে পাবি।' ইয়াৰ পাচত ক'ক শান্ত হ'ল আৰু এটা সময়ত ঘৰৰ সকলোৱে ভাতপানী খাই শুবলৈ গ'ল। ক'কও নিজৰ বিচনাত শুই থাকিল। পাচদিনা পুৱা শুই উঠি ক'কই পুনৰ ফ্ৰিজৰ সন্মুখত বহি ভূকিবলৈ আৰম্ভ কৰিলে। খঙতে মাকে স্কেল দেখুৱালে যদিও ক'কই ওলোটাই গেঙেৰি মাৰিহে ধৰিলে। উপায় নাপাই মাকে ক'কক ফ্ৰিজৰ পৰা ৰাতিপুৱাই বয়ল কেক এটা উলিয়াই খাবলৈ দিলে। ইতিমধ্যে

ক'কই  তিনিটা বয়ল কেক খাই শেষ কৰিলে। কিছু সময় ক'ক শান্ত হৈ মনে মনে থাকিলে। কিন্তু এঘণ্টা মান পাচত  ক'কই পুনৰ ফ্ৰিজৰ সন্মুখত ভূকিবলৈ আৰম্ভ কৰিলে। এইবাৰ খঙতে বনুৰ মাকে চাৰি নম্বৰৰ বয়ল কেকটো  ক'কক খাবলৈ দিলে। ক'কই চাৰি নম্বৰৰ বয়ল কেকটো খাই ক'ক চুপ হৈ পৰিল আৰু নিজৰ বিচনালৈ গৈ নাক ঘোৰঘোৰাই শুই পৰিল। ক'কৰ সংখ্যাৰ জ্ঞান দেখি ঘৰৰ সকলো আছৰিত হ'ল।

ক'ক লাহে লাহে লায়ন কিং চিনেমা খনৰ সিংহৰ পোৱালিটোৰ দৰে দুষ্ট হবলৈ আৰম্ভ কৰিলে। ক'কৰ বয়স তেতিয়া ৬/৭ মাহ মাথো হৈছিলহে হঠাৎ এদিন ঘৰৰ মূল দুৱাৰ খন খোলা পাই ক'ক অন্তৰ্ধান হ'ল। অফিচত থকা বনুৰ দেউতাকলৈ বনুৰ মাকে কান্দি কান্দি ফোন কৰিলে, ক'ক হেৰাল । দেউতাকে উত্তৰ দিলে ক'লৈ যাব, ফ্লেটৰ তলৰ পাৰ্কিংতে নিশ্চয় খেলি আছে। ইমান বহল কেটল ব্ৰিজ কেনেকৈ পাৰ হব। মাকে উত্তৰ দিলে, চিকিওৰিটি গাৰ্ড আৰু মই সকলোতে বিচাৰিলো কিন্তু ক'ক নাই। বনুৰ দেউতাক ততাতয়াকৈ ঘৰ পালেহি। ক'ক ক'ক বুলি বহুতো চিঞৰিলে কিন্তু ক'ক নাই। মনৰ দুখত বনুৰ মাক দেউতাক দুয়ো ড্ৰয়িং ৰূমত বহি পৰিল। দেউতাকে ফোন কৰি বনুক খবৰটো দিলে। খবৰটো পাই বনু আৰু মাকৰ মাকত ফোনতে এখুণ্ডা ভালদৰে লাগিল আৰু মাকক অসাৱধান (Careless) বুলি কোৱাত মাকে খঙতে ফোনটো কাটি দিলে।

বনুৰ মাক দেউতাক দুয়ো মুখ ওন্দোলাই দ্ৰয়িং ৰূমত বহি আছিল। তেনেতে কোনোবাই আহি কলিংবেল বজালে। বনুৰ মাকে দুৱাৰ খুলি দেখিলে ফ্লেটৰ সুৰক্ষাকৰ্মী ৰাঘবে কোলাত তুলি ক'কক লৈ আহিছে। ক'কক  দেখি বনুৰ মাকে চিঞৰি উঠিল 'অ ক'ক দেখোন এইটো।' মাকৰ চিঞৰ শুনি বনুৰ দেউতাকো বাহিৰলৈ ওলাই আহিল আৰু ক'কক ৰাঘবৰ কোলাৰ পৰা নিজৰ কোলালৈ আনি শুধিলে। ক'ত পালা ক'কক। ৰাঘবে উত্তৰ দিলে ফ্লেটৰ কাষৰ এচএচবি (SSB: Sashastra Seema Bal )অফিচৰ বাচ খনৰ কাষত। ক'কই বাচখনৰ কাষত বাঘৰ দৰে পজিচন লৈ বহি আছিল আৰু দুটা ধেকুৰা কুকুৰে আমাৰ গাৰলৈ কেতিয়াবা মেমনি গ'লে যেনেকৈ কিছুমান মানুহে থৰ হৈ চাই, ঠিক তেনেদৰে চাই আছিল। কুকুৰ দুটাই আগতে বোধহয় এনেকুৱা কুকুৰ দেখা নাছিল আৰু সেয়ে বাঘৰ পোৱালী নে আন কিহবাৰ পোৱালী চাই আছিল। ক'কয়ো বোধহয় তাহাতক ভয় খুৱাবলৈ বাঘৰ পজ দি আছিল। ইয়াকে কৈ ৰাঘব ফ্লেটৰ তললৈ নামি গ'ল। দেউতাকে ক'কক ড্ৰয়িংৰূমৰ মজিয়াত নমাই দিলে। মাকে খঙেৰে ক'কলৈ ঘোপাকৈ চাই ভিতৰৰ পৰা কাঠৰ স্কেল দাল আনি ক'কৰ তিকাত জোৰেৰে দুচাত লগাই দিলে আৰু ক'লে "আজিৰ পৰা এনেদৰে মনে মনে পলাই যাবি? তোক তো আজি ধেকুৰা দুটাই ফালি পেলালে হয়।" ভয় খাই ক'কই দেউতাকৰ ভৰিৰ তলত সোমাই লেওসেউ হৈ পৰিল। ক'কক

কোলাত তুলি দেউতাকে বুজালে "চা ক'ক, আজি তই মৃত্যু মুখৰ পৰা বাচি আহিছ। এনেদৰে তই অকলে গ'লে তোক ৰাস্তাৰ কাষৰ আন ধেকুৰা (আমাৰ আইটাই আকৌ ভতুৱা কুকুৰ বুলি কৈছিল) কুকুৰবোৰে তোক জীয়াই জীয়াই ফালিব নতুবা আন মানুহে তোক কোলাত তুলি নিজৰ ঘৰলৈ লৈ যাব। গতিকে আজিৰ পৰা কেতিয়াও অকলে ঘৰৰ বাহিৰ নহবি।" ক'কয়ো বুজাৰ দৰে মূৰ জোকাৰিলে আৰু নেগুৰ মাৰিলে। দেউতাকে ক'ক ঘূৰি অহা খবৰটো বনুক জনালে আৰু বনুয়েও মনত আনন্দ পালে।

বনু হতৰ ঘৰৰ কাষতে আছে সশস্ত্ৰ সীমাবলৰ কামাণ্ডেণ্টৰ কাৰ্য্যালয়। সশস্ত্ৰ সীমা বল ( SSB) ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ এক সীমা সুৰক্ষাৰ বাবে গঠন কৰা এক অৰ্ধসামৰিক বাহিনী। এই বাহিনী ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰনালয়ৰ অধীন আৰু সাধাৰণতে ভাৰত নেপাল আৰু ভাৰত ভূটান সীমান্তত নিয়োজিত কৰা হয়। এই বাহিনীটো প্ৰথমে ১৯৬৩ চনত Special Services Bureau হিচাবে ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধৰ পাচত গঠন কৰা হৈছিল। এই বাহিনীৰ মূখ্য কাম আছিল চোৰাংচোৰা বিভাগক ( Intelligence Bureau) প্ৰয়োজনৰ সময়ত অস্ত্ৰ শস্ত্ৰৰে সহায় কৰা বা বেক আপ চাৰ্পট দিয়া। পৰবৰ্তী সময়ত সশস্ত্ৰ সীমা বলৰ চোৰাংচোৰা আৰু অসামৰিক কৰ্মী সকলক ইণ্টেলিজেঞ্চ বুৰলৈ বদলি কৰা হয় আৰু Research and Analysis Wing (RAW) নামৰ চোৰাংচোৰা সংস্থাৰ জন্ম দিয়া হয়। ৰ নামৰ ভাৰতৰ চোৰাংচোৰা সংস্থা এতিয়া আমেৰিকাৰ চিআইএ, ৰাছিয়াৰ কেজিবি, ইজৰাইলৰ মোছাদ আদি চোৰাংচোৰা সংস্থাৰ দৰে চতুৰ আৰু কাৰ্য্যদক্ষ। এছএছবিয়েও নিজৰ কামত সম্পূৰ্ণ সফলতা দেখুৱাই আৰু ১৯৭১ চনৰ ভাৰত পাকিস্থান যুদ্ধ (বাংলা দেশৰ স্বাধীনতা যুদ্ধ) আৰু পৰবৰ্তী সময়ত কাৰ্গিলৰ যুদ্ধত নিজৰ সৌৰ্য্য বীৰ্য্য প্ৰদৰ্শন কৰে। বৰ্তমান এচএচবিয়ে উত্তৰাখণ্ড, উত্তৰ প্ৰদেশ, বিহাৰ, পশ্চিম বংগ, চিকিম, অৰুণাচল প্ৰদেশ, অসম আদি ৰাজ্যত কৰ্মৰত হৈ অৰ্হনিশে দেশৰ সীমাৰ ওপৰত অতন্দ্ৰ প্ৰহৰীৰ দৰে চকু ৰাখি আছে। সশস্ত্ৰ সীমাবলে দেশত আতংকবাদীৰ কাৰ্য্যকলাপ আৰু দেশলৈ নিচাযুক্ত দ্ৰব্য বা ড্ৰাগচৰ সৰবৰাহ বন্ধ কৰিবৰ বাবেও অৰ্হনিশে কাম কৰি আছে। বহুতো এচএচবিৰ জোৱান আতংকবাদীৰ লগত যুজ কৰি স্বহীদো হৈছে। সশস্ত্ৰ সীমা বলক সহায় কৰিবৰ বাবে বহুতো স্নিফাৰ ডগ বা চোৰংচোৰা কুকুৰেও অৰ্হনিশে কাম কৰি আছে। ইতিমধ্যে বনু কলেজৰ পৰা আহি ঘৰ পালেহি আৰু আহিয়েই ক'কক লগত বহুৱাই বহুতো গালি শপনি আৰু বুজনি দিলে। কলেজৰ পৰা ঘূৰি আহোতে বনুয়ে এচএচবি অফিচত তেওঁলোকৰ ডগ ভানখনত দুটা কুকুৰ দেখি আহিছিল আৰু সেয়ে টাটাকক ক'লে "টাটা ক'কৰ কিজান এচএচবিৰ কুকুৰ হবৰ মন আছে আৰু সেয়ে এচএচবিৰ অফিচলৈ পলাই গৈছিল।

ঢেকুৰা দুটাৰ কাৰণেহে চাগে কমাণ্ডেণ্টক লগ কৰিব নোৱাৰিলে।" এই বুলি বনু আৰু দেউতাকে লাফিং ক্লাবৰ সদস্য সকলে হঁহাৰ দৰে হাঁ হাঁ হাঁকৈ হাঁহিবলৈ ধৰিলে।

পাচদিনা পুৱা শুই উঠি আহি ঘৰৰ আগফালৰ গৈ থিয় হ'ল। ঘৰৰ সকলোৱে শুই উঠি আগফালৰ বেলকনিত থিয় হৈ ৰাস্তালৈ চোৱাটো এটা অভ্যাসৰ দৰে। বনুয়ে ৰাস্তালৈ চাই দেখিলে যে দুটা ধেকুৰা কুকুৰে বাৰে বাৰে ফ্লেটৰ আগেৰে অহাযোৱা কৰি আছে। কুকুৰ দুটাৰ পায়চাৰি দেখি বনুয়ে দেউতাকক মাতিলে "টাটা এইফালে আহি চোৱাচোন, এই দুটা কালি ক'কক চাই থকা কুকুৰ দুটা নেকি?" দেউতাকে বেলকনিলৈ গৈ দেখিলে এটা ক'লা আৰু এটা ৰঙচুৱা মুগা বৰণৰ কুকুৰে ৰাস্তাৰে অহাযোৱা কৰি আছে আৰু মাজে মাজে বনুহতৰ ফ্লেট টেনেমেণ্টলৈ চাই আছে। বনুৰ দেউতাকে কুকুৰ দুটাৰ কাণ্ড দেখি বনুক  ক'লে " ৰ, চিকিওৰিটি ৰাঘবক শুধি চাও। যোৱাকালি সিয়েই ক'কক উদ্ধাৰ কৰি আনিছিল।" এই বুলি দেউতাকে ৰাঘবক ফোনকৰি গেটৰ ওচৰলৈ আহি কুকুৰ দুটা চাবলৈ কলে। ৰাঘবে গেটৰ মুখৰ পৰা কুকুৰ দুটালৈ চাই চিঞৰি বনুৰ দেউতাকক ক'লে "চাৰ, হয় এই দুটাই কালিৰ কুকুৰ দুটা। সিহতে কালি মোক ক'কক লৈ ফ্লেটৰ ভিতৰলৈ সোমাই অহা চাই আছিল আৰু সেয়ে চাগে ক'কক চাবলৈ ভুমুকা ভূমুকি কৰি আছে।" কুকুৰ দুটাক চেঙেলীয়া ল'ৰাই ধুনীয়া ছোৱালী দেখিলে ছোৱালীৰ ঘৰৰ আগত পায়তাৰা দিয়াৰ দৰে পায়তাৰা দিয়া দেখি ৰাঘবে হাঁহি ৰাখিব নোৱাৰা হ'ল। বনুয়ে দেউতাকক ক'লে " ব'লা টাটা ক'কক তললৈ লৈ যাও আৰু সিহতক ক'কক দেখুৱাই দিও আৰু লগতে ক'কই ইমান বহল কেটল ব্ৰীজ কেনেকৈ পাৰ হ'ল তাৰো তদন্ত কৰি আহো।" ইয়াকে কৈ বনুয়ে দেউতাকৰ লগত ক'কক কোলাতলৈ তললৈ নামি গ'ল। ফ্লেটৰ গেটৰ ওচৰত ক'কক নমাই দি বনুয়ে দেউতাকক গেটৰ বাহিৰত ৰবলৈ ক'লে যাতে ক'ক ওলাই দৌৰ মাৰিলে বাহিৰত থকা কুকুৰ দুটাই ক'কক আহি আক্ৰমণ কৰিব নোৱাৰে। বনুৰ কথা শুনি ক'কই ফ্লেটৰ ভিতৰত গেটৰ কিছু দূৰলৈ গৈ দীঘলকৈ জাপ মাৰি কেটল ব্ৰীজখন পাৰহৈ ৰাস্তাত থকা টাটাকৰ ওচৰ পালেগৈ। ক'কৰ লং জাপ আৰু জাপ মৰাৰ টেকনিক দেখি বনু, ৰাঘব আৰু বনুৰ দেউতাক আছৰিত হ'ল। ইমান সৰু পোৱালীৰ ইমান দীঘল জাপ। ৰাঘবে ক'লে " চাৰ এইটো বাঘ আৰু পাগৰ ক্ৰচ পোৱালী নহয়তো? ইমান দীঘল জাপ মাৰিছে। বয়স দেখোন এবছৰ হোৱাই নাই।" দেউতাকে ৰাঘবক ক'লে " নহয় অ' এই পিঅৰ পাগ। এইৰ মাক বাপেকৰ নাম থকাৰ লগতে এইৰ KCI (Kennel Club of India) প্ৰমাণ পত্ৰও আছিল। বনুয়েহে ফালি পেলালে আৰু নতুন নাম দিলে।" ইতিমধ্যে ৰাস্তাত ঘূৰি থকা ঢেকুৰা কুকুৰ দুটাই কিছু দূৰৰ পৰা ক'কক পৰ্য্যবেক্ষণ কৰাত লাগিল। দেউতাক লগত থকা বাবে ক'কৰ সাহ বাঢ়িল আৰু তাই বাঘৰ পজ লৈ সিহতলৈ চাই ভুকিবলৈ ধৰিলে। ভুকভুকনি শুনি ঢেকুৰা দুটাই বুজিলে যে এইটোও আমাৰ দৰে কুকুৰেই

আৰু ফেপেৰি পাতি ভুকিবলৈ আৰম্ভ কৰিলে। সত্যৰ অনুসন্ধান কৰি দুই ঢেকুৰা অলপ পাচত অন্য ফাললৈ আতৰি গুছি গ'ল । বনুয়ে ঢেকুৰা দুটাৰ ৰঙাটোৰ নাম জিমি আৰু পখৰাটোৰ নাম টমি দি ৰাঘবক ক'লে "কুকুৰ দুটা আহিলে মোক খবৰ দিবা। মই সিহতক বিস্কুট খুৱাই খুৱাই ক'কৰ বন্ধু কৰিম।" বনুৰ দেউতাকে ৰাঘব আৰু ফ্লেটৰ আনজন চিকিঅৰিটি মৃদুলক অনবৰতে গেট বন্ধ ৰাখিবলৈ কৈ নিজৰ ফ্লেট পালেহি। বনুৰ দেউতাকে কোচত তুলি লৈ আহোতে ক'কক ক'লে "ক'ক তই নীলা শিয়ালৰ সাধুটোৰ দৰে কিয় ভুকি দিলি। নহলে ঢেকুৰা কেইটাই তোক বাঘ বুলি সদায় সমীহ কৰি থাকিল হয়। কিছুমান সময়ত যদি মৌন হৈ থাকিলে তোৰ এডভাণ্টেজ হয় মনে মনে থাকিবি।" ক'কয়ো বুজাৰ দৰে মূৰ জোকাৰিলে।

যদিও কুকুৰ যুধিষ্ঠিৰৰ শেষ সংগী আছিল, অসম বা ভাৰতত বহু  কম মানুহেহে কেনেল ক্লাব অব ইণ্ডিয়াৰ বিষয়ে জানে বা গম পায়। কেনেল ক্লাব অব ইণ্ডিয়া বা কেচিআই (KCI) শুদ্ধ (pure) জাতৰ কুকুৰ সমূহক ৰেজিষ্ট্ৰেচন কৰি প্ৰমাণ পত্ৰ দিয়া এক সংস্থা। পিঅৰ ফৰ চিঅৰ বুলি তেল কোম্পানী এটাৰ বিজ্ঞাপন এটা আমাৰ বহুতেই বোধহয় দেখা পাইছে। কুকুৰ কিনোতে কেচিআইৰ প্ৰমাণ পত্ৰ থাকিলে কুকুৰৰ জাত বা ব্ৰীড সম্পৰ্কে কিনোতাজন নিশ্চিত থাকিব পাৰে। পঞ্জীয়নৰ ওপৰিও কেচিআয়ে ডগ শ্ব, কুকুৰৰ প্ৰতিযোগিতা, কুকুৰৰ প্ৰমচন শ্ব আদিৰো আয়োজন কৰে। কেনেল ক্লাব অব ইণ্ডিয়া কুকুৰৰ আন্তৰাষ্ট্ৰীয় সংস্থা Federation Cynologique Internationale  আৰু International Organization of Standardization ৰ ও সদস্য। বৃটিছৰ ৰাজত্ব কালত ভাৰতবৰ্ষত ১৮৫৭ চনৰ পৰা ১৯৪৭ চনলৈ হায়দৰাবাদ, উটি, মহীশূৰ, কলিকতা আদি ঠাইত কেইবাটাও কেনেল ক্লাব বা কুকুৰ প্ৰেমী ব্যক্তিৰ সংস্থাই গঢ় লৈ উঠে। স্বাধীনতাৰ পাচত এই সকলোবোৰ সংস্থা লগ হৈ ১৯৭৮ চনত কেনেল ক্লাব অব ইণ্ডিয়া গঠন কৰে। কেনেল ক্লাব অফ ইণ্ডিয়াৰ উপৰিও বিভিন্ন জাতৰ কুকুৰৰ গৰাকী সকলৰ German Shepherd Dogs Club of Indian,  Great Dane Club of India, Tamilnadu Rottweiler Association,  Indian Steger Show  আদি বিভিন্ন ক্লাব আছে। বনুয়ে এদিন দেউতাকক শুধিলে "টাটা আমাৰ অসমৰ দেশী কুকুৰবোৰৰ কিবা ক্লাব আছে নেকি?"  দেউতাকে উত্তৰ দিলে মই নাজানো দেই। বনুৱে হাঁহি হাঁহি দেউতাকক ক'লে "নাই যদি দেখোন আমি 'ভতুৱা কুকুৰ ক্লাব অব আচাম' বুলি এটা কুকুৰৰ ক্লাবেই খুলিব পাৰো।"

বনুৰ ফাইনেল পৰীক্ষা শেষ হ'ল আৰু বনুয়ে মিৰ্জাত স্থাপন হোৱা 'নিটচ মিৰ্জা (NITS MIRZA) নামৰ অভিযান্ত্ৰিক মহাবিদ্যালয় খনত ৰিচাৰ্চ এচিষ্টেণ্ট হিচাবে এপ্ৰেণ্টিছিপ আৰম্ভ কৰিলে আৰু লগতে জিআৰই(GRE) আৰু টফেল(TOEFL) পৰীক্ষাৰ বাবে চুৰান্ত প্ৰস্তুতি আৰম্ভ কৰিলে। কলেজৰ ফাইনেল ইয়েৰত থাকোতেই বনুয়ে অনলাইন যোগে পাৰম্ভিক প্ৰস্তুতি সম্পূৰ্ণ

কৰিছিল। নিটচ মিৰ্জা অভিযান্ত্ৰিক মহাবিদ্যালয় খন কেইজনমান এইচিয়ানে(AEC) ২০০৭ চনত আৰম্ভ কৰিছিল আৰু ২০০৯ চনৰ পৰা কলেজখনত শিক্ষাবৰ্ষ আৰম্ভ হৈছিল। বনুৰ মাক আৰু দেউতাকে কলেজ খনত যথেষ্ট অংশীদাৰিত্ব (Shares) কিনিছিল আৰু সেয়ে কলেজ সম্পৰ্কীয় কামকাজত নিটচ মিৰ্জালৈ অহাযোৱা কৰিছিল। বনুয়ে মাকক ক'লে এইবাৰ তুমি আৰু টাটা নিচলৈ গ'লে ময়ো একেলগে যাম আৰু ক'কক লগতলৈ গৈ নিটচ মিৰ্জা দেখুৱাই আনিম। যাওতে প্ৰথমে টাটাই পঢ়া AEC (Assam Engineering College) খন দেখুৱাই নিম। ঘূৰি আহোতে নীলাচল পাহাৰৰ ওপৰত থকা ভূৱনেশ্বৰী মন্দিৰৰ পৰা আইআইটি গুৱাহাটী (Indian Institute of Technology Guwahati: IITG) খনো দেখুৱাই আনিম। একেদিনই তিনিখন ইঞ্জিনিয়াৰিং কলেজ দেখিলে ক'কৰ বহুত জ্ঞান হব। বাপেকলৈ চাই বনুয়ে ক'লে টাটা তুমিযে কোৱা ঘ্ৰাণেণ অৰ্দ্ধ ভোজনং , তিনিখন ইঞ্জিনিয়াৰিংকলেজ দেখিলে ক'কক আধা নহলেও তিনিভাগৰ এভাগ ইঞ্জিনিয়াৰ হবই। তাতে ক'কৰ আইকিউ(IQ) ইমান বেছি। দেউতাকে বনুক ক'লে মই কিন্তু ইমান গাড়ী চলাব নোৱাৰো। পৰনক কাইলৈ পুৱা ৯টা বজাত আমাৰ ঘৰ আহি পোৱাকৈ মাতি দে। বনু আৰু দেউতাকৰ কথোপকথন শুনি ক'কই আনন্দতে নেগুৰ মাৰি ঘৰৰ ভিতৰত ইফালৰ পৰা সিফাললৈ দৌৰিবলৈ ধৰিলে।

পাচদিনা পুৱা ফ্লেটৰ চিকিওৰিটি গাৰ্ড ৰাঘবে আহি কলিংবেল বজাই কলেহি যে কুকুৰ দুটা আহিছে। বনুয়ে গা ধুই থকা বাবে বনুৰ মাকে থিন এৰাৰুট বিস্কুট এপেকেট হাতত লৈ ক'ক সহ তললৈ নামি গ'ল। উদ্দেশ্য ক'কক তলতে পেছাব কৰাই আনিব আৰু বেচেৰা ভতুৱা কেইটাক খাবলৈ বিস্কুত কেইটা দি আহিব। তললৈ গৈ ক'কক ৰাস্তাৰ কাষত পেছাব কৰাই ভতুৱা দুটাক এটা এটা বিস্কুট খাবলৈ দিলে। ৰাঘবে অলপ দূৰত ক'কক ধৰি থাকিলে। কুকুৰ দুটাই শুঙি শুঙি বিস্কুট দুটা নাখাই থৰ হৈ ৰৈ থাকিল। বাহিৰৰ কুকুৰক বিস্কুট দিয়া দেখি ক'কই ভুকি ভুকি হুলস্থুল লগাই দিলে। মাকে ৰাঘবক ক'লে, ক'কক মোক দে আৰু তই ওপৰৰ পৰা চাৰক খুজি এপেকেট গুড দে বিস্কুট লৈ আহগৈ। ক'কই কুকুৰ দুটাক অৰ্নগল ভুকি গ'ল আৰু নিজৰ ভাষাত কিবা কিবি গালি মাককো দিলে। ক'কৰ মতে ৰাস্তাৰ বনৰীয়া কুকুৰক কিয় বিস্কুট দিব লাগে। ইতিমধ্যে ৰাঘবে গুড দে বিস্কুট এপেকেট লৈ আহিল। ৰাঘবক ক'কক ধৰিবলৈ দি মাকে দুয়োটা কুকুৰক এটা এটা গুড দে বিস্কুট দিলে। কুকুৰ দুটাই শুঙি লৈ ফটাফট বিস্কুট দুটা খাল। তাৰ পাচত এটা এটাকৈ দি বিস্কুট পেকেট ভতুৱা দুটাক খুৱালে। খাই উঠি সিহতে নেগুৰ জোকাৰি অহা বাটেৰে গুচি গ'ল। ক'কয়ো সিহতক নেদেখা নোহোৱালৈকে ভুকি থাকিল। মাকে ক'কক

লৈ ওপৰলৈ আহিল। বনু আৰু দেউতাকক আহি মাকে কলেহি "দেখিছা আজিকালি ভতুৱা কুকুৰৰো চইচ হ'ল। থিন বিস্কুট নাখাই। গুড দে বিস্কুট লাগে।আৰু এই ক'কটো ইমান জেলাচ কিয়? ভতুৱা দুটাক বিস্কুট দিয়া অলপো সহ্য হোৱা নাই।"

চাৰে আঠ বজাৰ লগে লগে পৱন আহি বনু হতৰ ফ্লেট পালহি। ন বজাত বনু, মাক, দেউতাক আৰু ক'কই মিৰ্জালৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। বনুৰ দেউতাকে পৱনক ক'লে AEC হৈ যাবি। AEC ত সোমাই যাম। AEC(Assam Engineering College) বা অসম ইঞ্জিনিয়াৰিং কলেজ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন ইঞ্জিনিয়াৰিং কলেজ। ১৯৫৫ চনত ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী ৮ জৱাহৰলাল নেহেৰুৱে জালুকবাৰীত এই ইঞ্জিনিয়াৰিং কলেজৰ উদ্বোধন কৰে আৰু অসমত অভিযান্ত্ৰিক শিক্ষাৰ নতুন যুগ আৰম্ভ হয়। ১৯৮০ চনত অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ে ৰূপালী জয়ন্তী আৰু ২০05 চনত গৌৰবোজ্বল সোণালী জয়ন্তী পালন কৰি আজিও উচ্ছশিৰে উজলি আছে। অসম অভিযান্ত্ৰিক মহাবিদ্যালয় আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীন আছিল আৰু Assam Science and Technology University (ASTU) স্থাপন হোৱাৰ পাচত AEC নৱগঠিত ASTU ৰ অধীনলৈ আহে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত থাকিবৰ বাবে অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে ন্যস্তস্বাৰ্থকাৰী কিছু ব্যক্তিৰ পৰোচনাত পৰি আন্দোলন কৰিছিল যদিও মহামান্য গুৱাহাটী উচ্ছন্যায়লয়ৰ হস্তক্ষেপত অসম অভিযান্ত্ৰিক মহাবিদ্যালয় সহ অসমৰ সকলো চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয় ASTU ৰ অধীনলৈ আহে। প্ৰায় ৪০০ একৰ মাটিত বিখ্যাত দীপৰ বিলৰ সমীপত আৰু গুৱাহাটী  বিশ্ববিদ্যালয়ৰ কাষত গুৱাহাটী:১৩ অসম অভিযান্ত্ৰিক মহাবিদ্যালয় অৱস্থিত। এটা সৰু পাহাৰে গুৱাহাটী বিশ্ববিদ্যালয় আৰু AEC ক পৃথক কৰি ৰাখিছে। অসম অভিযান্ত্ৰিক মহাবিদ্যালয় বা AEC ত চিভিল, মেকানিকেল, ইলেকট্ৰিকেল, কেমিকেল, ইলেকট্ৰনিক্স এণ্ড টেলিকমিউনিকেচন, কম্পিউটাৰ ইঞ্জিনিয়াৰিং, ইনস্ট্ৰুমেনটেচন, ইনণ্ডাষ্ট্ৰিয়েল এণ্ড প্ৰডাকচন ইঞ্জিনিয়াৰিং বিষয়ৰ ডিগ্ৰী পাঠ্যক্ৰম আছে। লগতে চিভিল, মেকানিকেল, ইলেকট্ৰিকেল বিষয়ৰ স্নাতকোত্তৰ (ME: Master of Engineering) আৰু মাষ্টাৰ অব কম্পিউটাৰ এপ্লিকেচন (MCA) ৰ পাঠ্যক্ৰমো আছে। প্ৰথম অৱস্থাত অসম অভিযান্ত্ৰিক মহাবিদ্যালয় সম্পূৰ্ণৰূপে আবাসিক (residential) কলেজ আছিল যদিও পৰবৰ্তী সময়ত ইয়াত ঘৰৰ পৰা অহা (day scholar) ছাত্ৰ-ছাত্ৰীকো অধ্যয়ণ কৰিবলৈ দিয় হ'ল। অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত আঠটা হোষ্টেল আছে। ইয়াৰ আঠ নম্বৰ হোষ্টেলটো ছোৱালীৰ হোষ্টেল। ইঞ্জিনিয়াৰিং কলেজৰ ছাত্ৰ সকলৰ মাজত এই হোষ্টেলটো অগ্নিগড় বুলি জনাজাত। কাৰণ হোষ্টেলটোৰ তিনওফালে পাহাৰ আৰু হোষ্টেলৰ ৰাস্তাৰ মুখতে প্ৰিঞ্চিপালৰ আবাসগৃহ।

অসম অভিযান্ত্রিক মহাবিদ্যালয়ৰ কেম্পাচ সোমোৱাৰ লগে লগে বনুয়ে পৱনক ক'লে "প্ৰথমে টাটা হতৰ ৫নম্বৰ হোষ্টেলৰ কাষত ৰাখিবা।" কথা মতেই পৱনে গাড়ী নি ৫নম্বৰ হোষ্টেলৰ আগত ৰাখিলে। গাড়ীৰ পৰা নামি সকলো হোষ্টেলৰ ভিতৰলৈ সোমাই গ'ল। বনুয়ে হোষ্টেলৰ ৯নম্বৰ কোঠাৰ সন্মুখত ৰৈ ক'কক কলে "চা ক'ক এইটো ৰূমতে টাটা দুবছৰ আছিল। তাৰ পাচৰ দুবছৰ প্ৰথম মহলাত আছিল। বৰ্তমানৰ আবাসী সকল বোধহয় ক্লাচ কৰিবলৈ গ'ল। সেই বাবে তলা ওলমি আছে। নহলে তোক ৰূমৰ ভিতৰতোও দেখুৱাই নিলো হয়।" ক'কক গোটেই হোষ্টেলটো দেখুৱাই দি বনু, টাটা আৰু বনুৰ মাক তিনিও গাড়ীলৈ উভতিল।ক্লাচ কৰিবলৈ নোযোৱা দুই চাৰিজন আবাসীয়ে বনু হতলৈ চাই ভুমুকা ভুমুকি কৰিলে আৰু নিজৰ ভিতৰতে কিবা কথা পাতিলে। গাড়ীত উঠি বনুয়ে ক'কক পুনৰ টাটাকৰ দিনৰ হোষ্টেলৰ সাধু কোৱা আৰম্ভ কৰিলে। "শুন ক'ক, টাটাহত যেতিয়া প্ৰথম দিনা হোষ্টেললৈ আহিছিল, সেই দিনা ৰাতি চিনিয়ৰ সকলে টাটা হতক কে কে হুৱা, কে কে হুৱা জালুকবাৰীৰ আমিয়েই ৰজা, শিয়ালবোৰ আমাৰ প্ৰজা বুলি চিঞৰিবলৈ লগাই দিছিল। টাটা হতৰ হোৱা শুনি পাহাৰৰ শিয়ালবোৰেও সমানে হোৱা দিছিল আৰু শিয়ালৰ হোৱা শুনি হোষ্টেল আৰু ওচৰৰ কুকুৰবোৰে খুব ভুকিছিল। গতিকে তই যদি কেতিয়াবা ৰাতি ইয়ালৈ টাটাৰ লগত আহ আৰু শিয়লৰ হোৱা শুন তৎক্ষণাত নুভুকিবি, সেইবোৰ আচল শিয়াল নহবও পাৰে।" ক'কই বনুৰ কথাবোৰ শুনি বুজিপোৱাৰ দৰে মূৰ জোকাৰিলে। অলপ দূৰ গৈ পৱনে ইঞ্জিনিয়াৰিং কলেজৰ মূল ভৱনৰ সন্মুখত গাড়ী ৰখাই দিলে। গাড়ীৰ পৰা সকলো নামিল। বনুৰ দেউতাকে নিজৰ বন্ধু অৰূপলৈ ফোন মাৰিলে। অলপ পাচত অৰূপ ওলাই আহিল আৰু দুয়োবন্ধুয়ে কথা পতাত লাগিল। দুই বন্ধুয়ে কথা পাতি থকাৰ সময়তে বনু আৰু মাকে ক'কক কলেজৰ মূল ভৱনটো আৰু কাষতে থকা কেণ্টিন খন দেখুৱাই আনিলে।

বন্ধুৰ পৰা বিদায় লৈ বনুৰ দেউতাক, বনুৰ মাক, বনু আৰু ক'কই মিৰ্জা অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। গাড়ীত উঠিয়েই বনুয়ে মাত লগালে "টাটা তোমালোকৰ কলেজৰ টয়লেটবোৰ ইমান লেতেৰা। মই টয়লেটৰ ভিতৰ সোমাই নাকত ধৰি থু থু কৰি ওলাই আহিলো। চাফা কৰি ৰখাত অসুবিধা ক'ত? টয়লেটৰ অৱস্থাই কলেজ আৰু হোষ্টেলৰ হাইজিন আৰু পৰিস্কাৰ পৰিচ্ছনতা কিমান তাকে প্ৰতিফলিত কৰে।" বনুৰ কথা শুনি দেউতাকে উত্তৰ দিলে " বনু এইখন চৰকাৰী কলেজ হয়। এবাৰ চৰকাৰী চাকৰি পালে ভাৰতৰ মানুহে কাম নকৰিলেও দৰমহা পাব বুলি নিশ্চিত হৈ থাকে। অসমৰ মানুহতো আৰু এখোপ চাৰ। গতিকে টয়লেট ক'ৰপৰা চাফা হৈ থাকিব। আজি বিয়া, কাইলৈ মামা মৰিল, পৰহিলৈ পথ বন্ধ, চতহিলৈ শ্ৰাদ্ধ আৰু কত কি বাহানা। বিহু,  পূজা আৰ উৎসব বোৰৰ কথা নকলোৱেই বা। কিছু বছৰ আগতে

এবাৰ এজন চাফাই কৰ্মীক কেইবাদিনো কামলৈ নহা বাবে প্ৰিঞ্চিপালে অগৰি দগৰি গালি পাৰিলে। সি প্ৰিঞ্চিপালক ফেপেৰি পাতি ধৰি ক'লে চাৰ মোক এতিয়াই চাচপেণ্ড কৰক। পাচদিনা পুনৰ প্ৰিঞ্চিপালক গৈ ক'লে চাৰ মোক চাচপেণ্ড কৰক। মই অহাযোৱা কৰিম কিন্তু কাম নকৰো। খঙত অগ্নিশৰ্মা হৈ প্ৰিঞ্চিপালে চাফাই কৰ্মী জনৰ চাচপেণ্ডৰ আদেশ জাৰী কৰিলে। চাচপেণ্ডৰ আদেশ পাই চাফাইকৰ্মী জন অতি আনন্দিত হ'ল আৰু আনন্দমনেৰে হাঁহি মাতি অৰ্ডাৰখন হাতত লৈ গুছি গ'ল। পাচদিনা পুৱা হাতত মিঠাই পেকেট এটা লৈ চাফাই কৰ্মীজন প্ৰিঞ্চিপালৰ ঘৰ পালেগৈ আৰু কৃতজ্ঞতা জনালে। খঙতে প্ৰিঞ্চিপালে মিঠাই পেকেটতো দলিয়াই পেলালে আৰু সুধিলে, মানুহে প্ৰমচন পালে মিঠাই খুৱাই, তই চাচপেণ্ড হৈ মিঠাই খুৱাবলৈ আহিছ, পাগল হলি নেকি? সি উত্তৰ দিলে, নহয় চাৰ, মোক চাচপেণ্ড কৰি উপকাৰ কৰিলে বাবেহে মিঠাই আনিছো। এতিয়া মই বিনা কামি প্ৰথমে ৫০শতাংশ দৰমহা আৰু পাচত ৭৫ শতাংশ দৰমহা পাম। দেইলী হিচাবে বাহিৰত কাম কৰি দানা পানী আৰু মদৰ খৰছ উলিয়াই লম। ৩/৪ বছৰৰ পাচত কেচত জিকি একেলগে বহুতো এৰিয়াৰ পাম আৰু কামত যোগদান কৰি মাৰুতি এখন কিনিম। চাফাই কৰ্মীজনৰ কথা শুনি প্ৰিঞ্চিপালে হাহিবই নে কান্দিবই ভাবি মূৰে কপালে হাত দি বহি পৰিল। যেতিয়ালৈকে চৰকাৰী চাকৰি পোৱা লোক সকলৰ মানসিকতা সলনি নহয় চৰকাৰী কলেজৰ টয়লেতো তহতৰ প্ৰাইভেট কলেজৰ দৰে পৰিস্কাৰ নহয়। তই দেখোন কটন কলেজত এজন প্ৰফেচৰক তিনিবছৰৰ ক্লাচত মাত্ৰ দুদিন নে তিনিদিনহে দেখিছিলি কিন্তু টিউচনত সদায় লগ পাইছিলি।" ইঞ্জিনিয়াৰিং কলেজৰ পৰা APRO (Assam Police Radio Organization) হৈ পৰনে বনু হতক লৈ মিৰ্জালৈ বুলি যাত্ৰা কৰিলে।

অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ কেম্পাচৰ এটা বিশেষত্ব হ'ল এয়ে যে কেম্পাচত সোমোৱাৰ সময়তে গেটৰ সন্মুখতে অবস্থিত চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ কেম্পাচ আৰু এইচিৰ কেম্পাচ শেষ হ'লেই আৰম্ভ হয় APRO Training School কেম্পাচ| **চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়** সমগ্ৰ উত্তৰপূব ভাৰতৰ আয়ুৰ্বেদিক চিকিৎসাৰ একমাত্ৰ শৈক্ষিক প্ৰতিষ্ঠান১৯৪৮ চনত প্ৰতিষ্ঠা লাভ কৰা এই মহাবিদ্যালয়খন জালুকবাৰীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয় পথত অৱস্থিত। প্ৰথমতে ই গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত সংযুক্ত আছিল যদিও পিছলৈ শ্ৰীমন্ত শংকৰদেৱ য়ুনিভাৰ্ছিটি অৱ হেল্থ ছায়েঞ্চেছ,অসম প্ৰতিষ্ঠা হোৱাত ২০১০ চনৰ পৰা এই মহাবিদ্যালয় ইয়াৰ অধীনলৈ আহে চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয় ভাৰতৰ পৰম্পৰাগত ঔষধ ব্যৱস্থা আয়ুৰ্বেদৰ এক অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান| স্বৰাজোত্তৰ কালত জাতীয়তাবাদী মনোভাৱ আগত ৰাখি অসমৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ

,লোকবন্ধু ভূবনেশ্বৰ বৰুৱা আৰু প্ৰতিষ্ঠাপক অধ্যাপক ডাঃ জগদীশ চন্দ্ৰ ভট্টাচাৰ্যই এই মহা-বিদ্যালয় প্ৰতিষ্ঠা কৰে। ১৯৪৮ চনৰ ২০ ডিচেম্বৰত এক ভাড়াঘৰত তদানীন্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয় উদ্বোধন কৰেইয়াৰ এবছৰ পিছত ই চানমাৰিৰ চৰকাৰী ভৱনলৈ(বৰ্তমানৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ ঠাই) স্থানান্তৰ হয় আৰু জুলাই,১৯৫৯ত ই জালুকবাৰীৰ বৰ্তমানৰ স্থানলৈ স্থায়ী ভাৱে স্থানান্তৰিত হয়। ১৯৬০ চনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় জালুকবাৰীৰ এই মহাবিদ্যালয়ৰ লগতে জন্মলাভ কৰে আৰু সাত বছৰলৈ এই মহাবিদ্যালয়ৰ ভৱন দুয়োখন বিদ্যালয়ে ভগাই লয় প্ৰথমতে ই গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত সংযুক্ত আছিল যদিও পিছলৈ শ্ৰীমন্ত শংকৰদেৱ য়ুনিভাৰ্ছিটি অৱ হেল্থ ছায়েঞ্চেছ,অসম প্ৰতিষ্ঠা হোৱাত ২০১০ চনৰ পৰা এই মহাবিদ্যালয় ইয়াৰ অধীন লৈ আহে।

অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ৩ নম্বৰ হোষ্টেল পাৰহৈয়ে এইচি কেম্পাচৰ বাহিৰত অৱস্থিত APRO Training School. এই স্কুলৰ আৰম্ভনি ১৯৪৮ চনত চিলঙত হয় আৰু ১৯৭৫ চনত জালুকবাৰীৰ ৫০ একৰ মাটিৰ কেম্পাচলৈ স্থানান্তৰ কৰা হয়। পুলিচৰ বাবে বেতাৰ বা wireless communication ৰ গুৰুত্ব ১৯৪৪ চনত দ্বিতীয় বিশ্বযুদ্ধৰ সময়তে উপলব্ধি কৰি ১৯৪৬ চনৰ ১২ মাৰ্চত অসম পুলিচ ৱায়াৰলেচ কমিউনিকেচন (Assam Police Wireless Communication) নামৰ বিভাগৰ প্ৰতিস্থা কৰা হয়। অসমৰ তেতিয়াৰ ৰাজধানী চিলঙক নগাওঁ, দৰং, গোৱালপাৰা, লক্ষীমপুৰ, শিৱসাগৰ, কাছাৰ জিলাৰ সদৰ ঠাই আৰু লগতে তুৰা আৰু হাফলং চহৰক wireless communication ৰে সংযোগ কৰা হয়। তাহানিৰ দিনত পুলিচৰ যোগাযোগৰ বাবে APRO অতিশয় গুৰুত্বপূৰ্ণ আছিল আৰু আজিৰ মবাইল ফোনৰ যুগতো ই পুলিচৰ নিজা যোগাযোগৰ নেটৱৰ্ক হিচাবে ভূমিকা পালন কৰি আছে।

ৰাষ্ট্ৰীয় ঘাই পথ উঠাৰ পাচতে পৱনে দ্ৰুত গতিত গাড়ী চলাবলৈ আৰম্ভ কৰিলে। লোকপ্ৰিয় গোপীনাথ বিমান বন্দৰ পাৰহৈ বনু হত মিৰ্জাৰ নিজেশ্বৰী মন্দিৰৰ সমীপত আৰু মালিয়াটা পাহাৰৰ সন্মুখত অৱস্থিত নিটচ মিৰ্জা পালেগৈ। নিটচ মিৰ্জাত গাড়ীৰ পৰা নামি বনু আৰু মাকে ক'কক নিটচ মিৰ্জা ইঞ্জিনিয়াৰিং কলেজ খন দেখুৱাত লাগিল। ককয়ো নতুন মুকলি ঠাই দেখি শুঙি শুঙি আনন্দ মনেৰে নেগুৰ জোকাৰি জোকাৰি সকলো চোৱাত লাগিল। কলেজ খন দেখুৱাই বনুৰ মাকে বনুক ক'লে বল আমি গাৰ্লচ হোষ্টেললৈ যাও আৰু মেট্ৰন অনিমাক ক'কক চিনাকি কৰি দিও। ভৱিষ্যতে আমি সকলো কৰবালৈ গ'লে ক'কক অনিমাৰ লগতে এৰি থৈ যাব লাগিব। ক'কয়ো ভাল পাব আৰু ছোৱালী বোৰেও ভাল পাব। এই বুলি প্ৰিঞ্চিপালৰ লগত কথা পাতি থকা বাপেকক এৰি বনু আৰু মাক গাৰ্লচ হোষ্টেল পালেগৈ। গাৰ্লচ হোষ্টেল পাই

গাড়ীৰ পৰা নামি বনু আৰু মাক হোষ্টেলৰ ভিতৰলৈ সোমাই গ'ল। ক'কক বনুয়ে হোষ্টেলৰ  কমন ৰূমত নমাই দিয়াৰ লগে লগে ক'কই আনন্দত  কমন ৰূমৰ ভিতৰত দৌৰিবলৈ ধৰিলে। নিজৰ ৰূমৰ পৰা শব্দ শুনি অনিমা ওলাই আহিল আৰু ক'কক দেখি ইমান ধুনীয়া পোৱালী বুলি কোলাত তুলি ললে। ইতিমধ্যে কুকুৰ ভালপোৱা কেইবাজনী ছোৱালী  কমন ৰূমলৈ আহিল আৰু ক'কৰ লগত খেলাত লাগিল। দুজনী মানে ক'কক নিজৰ ৰূমলৈ নি ৰূমো দেখুৱাই আনিলে। অনিমাই বনুৰ মাকক আশ্বাস দিলে যে কৰবালৈ গ'লে চিন্তা কৰিব নালাগে। ক'কক হোষ্টেলত থৈ গ'লে ক'কই আনন্দ মনেৰে থকাৰ লগতে ছোৱালীবোৰেও ভালেই পাব। কুকুৰ ভালপোৱা অনিমাৰো ক'কক দেখি আনন্দত তত নাইকিয়া হ'ল। বনুৰ মাকে অনিমাক ক'লে " অহা সপ্তাহত ট্ৰায়েল হিচাবে ক'কক দুদিনৰ বাবে তোমাৰ লগত থৈ যাম। লগতে ক'কই কেনেকৈ কাগজত পেছাব, পায়খানা কৰে, কেতিয়া কি খাই সকলো বুজাই থৈ যাম।" এই বুলি বনু আৰু মাকে গাড়ীত উঠি হোষ্টেলৰ পৰা পুনৰ কলেজলৈ আহিল। বনুয়েও নিজৰ প্ৰজেক্ট সৰ্ম্পৰ্কে কলেজত আহি প্ৰিঞ্চিপালৰ লগত আলোচনা কৰিলে। তাৰ পাচত বনু, বনুৰ দেউতাক , মাক আৰু  ক'কই ঘৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। গাড়ীত উঠিয়েই দেউতাকে পৱনক ক'লে "পৱন চেফ ধাবাত সোমাই তাতে লাঞ্চ খাই যাম।"

চেফ ধাবাত গৈ বনুহতে ভালদৰে ৰুটি, তৰকা আৰু চিকেনেৰে দবনি পিটি খাই ঘৰলৈ বুলি যাত্ৰা কৰিলে। গাড়ীত উঠি বনুয়ে দেউতাকক ক'লে টাটা ক'কক তোমালোকৰ তাহানি দিনৰ সাধু শুনাই মোক দিয়াৰ দৰে অলপ জ্ঞান দিয়া। আমাৰো সময় পাৰ হৈ যাব। বনুৰ কথা শুনি মাকে ক'লে নালাগে, নালাগে একেবোৰ কামোৰ আৰু কিমান খাৱ? বনুয়ে ক'লে আমি কামোৰ বহুত খালো, ক'কয়ো ভাগ পাব লাগে। বৰ হলে তুমি হেডফোন লগাই গান শুনিবা। বনুৰ কথা শুনি দেউতাকে আৰম্ভ কৰিলে।শুন ক'ক আমি স্কুলত পঢ়াৰ সময়ত সকলোতকৈ দুষ্ট, বাকপটু, প্ৰত্যুৎপন্নমতি, প্ৰেজেনচ অব মাইণ্ড থকা লৰা আছিল কেপেং (আচল নাম কেৱল স্কুলৰ ৰেজিষ্টাৰতে সীমাবদ্ধ)। পঢ়া শুনাত অকনো মতি নাই, ফুটবল, চিনেমা, থিয়েটাৰ, চাধা, ভাং, সপোন দেখি তীৰ খেলা আদিত কিন্তু অতিশয় আগ্ৰহী  আৰু পাৰ্গত আছিল। সেই সময়ত নগাৱৰ পৰা চাপৰমুখৰ শেষ বাছখন আবেলি ৫বজাত আহিছিল আৰু তাৰ পাচত কোনো যোগাযোগ নাছিল। স্কুলত ১০ বজাত উপস্থিতি দি স্কুলৰ পৰা পলাই গৈ নগাও পাওতে নুন শ্বৰ ইণ্টাৰভেল হয়। আৰু মেটীনি শ্ব সম্পূৰ্ণকৈ চালে বাচ ধৰি উভতি অহা অসম্ভব। সেয়ে কেপেঙে হলৰ গেট কীপাৰৰ লগত ফিটিং কৰি লৈছিল যে চিনেমাৰ ইণ্টাৰভেলৰ পাচৰ খিনি প্ৰথমে চাব আৰু ইণ্টাৰভেলৰ আগৰখিনি পাচত চাই বাচ ধৰি ঘৰ পাবহি। সেই দৰে চলিয়েই কেপেঙে ১০বাৰ মেট্ৰিক দিবলৈ সক্ষম হৈছিল। ১০ নম্বৰৰ বাৰ পৰীক্ষা দিবলৈ যাওতে বৰা চাৰে পৰীক্ষা

হলত কেপেঙক কলে " কেপেং আৰু কিমান বাৰ পৰীক্ষা দিয় আৰু?" কেপেঙে তপৰাই উত্তৰ দিলে "চাৰ ফেইলৰ ইজ দা পিলাৰ অব চাকচেচ" । চাৰে উত্তৰ দিলে "হেৰ কেপেং গোটেই জীৱন পিলাৰেই বনাবি নে কেতিয়াবা চাদ বনোৱাৰ কথাও ভাবিবি।" পৰীক্ষা হলত তেতিয়া হাঁহিৰ ৰোল উঠিল। এবাৰ স্কুলত কলেৰা বেজি দিয়াৰ পাচদিনা কেপং স্কুললৈ নাহিল। দুটা বজাত স্কুল চুটি দি হেডচাৰ চাইকেললৈ ঘৰলৈ বুলি ৰাওনা হ'ল। দূপৰীয়া ভৰ ৰদত চাৰে কেপেঙক দেখি সুধিলে 'ঐ কেপেঙ স্কুললৈ নগৈ গৰমত ৰাস্তাত কিয় বহি আছ?' কেপেঙে উত্তৰ দিলে 'চাৰ যোৱা কালি কলেৰা বেজী তিকাক লৈছিলো বাবে তিকা সেকী আছো। গম পকাৰাস্তা আছে যেতিয়া নিমখ ভাজি সেক দিবলৈ গৈ নিমখ আৰু খৰি নষ্ট কৰাৰ দৰকাৰ নাই। সেই সময়ত কলেৰা বেজী ললে খুউব বিষ হৈছিল আৰু বহুতে নিমখ ভাজি কাপোৰত বান্ধি সেক দিছিল। কেপেঙৰ কথা শুনি হেড চাৰে মুখ তিপি হাঁহি চাইকেল মাৰি গুছি গৈছিল। সুবিধা পালে কেপেঙ কিন্তু তৰুণ গগৈতকৈও চতুৰ মূখ্যমন্ত্ৰী হ'ল হয়। এতিয়া তাহানিৰ এই কথা বোৰ সাধুৰ দৰে লাগে। এতিয়া চাপৰমুখৰ পৰা নগাওঁ মাত্ৰ ২০ মিনিট সময় লাগে। তেতিয়া দেৰ ঘণ্টাৰ পৰা দুঘণ্টা পৰ্যন্ত লাগিছিল। তেতিয়াৰ দিনৰ কেপেঙৰ ইনভেটিভ আইদিয়া বোৰ মনত পৰিলে অকলে অকলে হাঁহি উঠে। টাটাকৰ সাধুশুনি ড্ৰাইভাৰ পৱনে মাত লগালে 'সৰুতে ময়ো কেপেঙৰ দৰে টেঙৰ আছিলো।' বনুয়ে লগে লগে পৱনক উত্তৰ দিলে ' সেই বাবে পঢ়া শুনা নকৰি গুৱাহাটীলৈ আহি ড্ৰাইভাৰ হ'লাহি'।

গধুলি সময়ত বনুয়ে দেউতাকক ক'লে "টাটা মেইল আহিল, অহা সোমবাৰে ভিছাৰ(VISA) ইণ্টাৰভিউ আছে। গতিকে মই দেওবাৰে দিল্লীলৈ যাব লাগিব। মই অন লাইন টিকেট কৰিম নে তুমি জাংগল ট্ৰেভেলচৰ (Jungle Travels) হতুৱাই টিকেট কৰিবা।" দেউতাকে বনুক ক'লে " মই জাংগল ট্ৰেভেলচৰ হতুৱাই কৰাই দিম। কেতিয়া ঘূৰি আহিবি?" বনুয়ে ক'লে " দেওবাৰে যাম আৰু বুধবাৰে ঘূৰি আহিম।" বনুৰ মাকে কথাবোৰ শুনি ক'লে "ভালেই হল। আমি ক'কক লৈ প্ৰথমে মিৰ্জালৈ যাম। তাত ক'কক অনিমাৰ লগত গাৰ্লচ হোষ্টেলত থৈ তোক এয়াৰ পৰ্টত নমাই থৈ ঘৰলৈ আহিম। এক গুলিত দুই চিকাৰ হব। " কথা বতৰ শেষ হোৱাৰ লগে লগে বনুৰ দেউতাকে জাংগল ট্ৰেভেলচলৈ ফোন কৰিলে। জাংগল ট্ৰেভেলচ গুৱাহাটীৰ অতি পুৰণি আৰু নিৰ্ভৰযোগ্য ট্ৰেভেল এজেঞ্চি। ১৯৮৯ চনত গুৱাহাটীৰ এটা সৰু কোঠাত এটা টেলিফোন আৰু কিছু অভিজ্ঞতা তথা আত্মবিশ্বাস লৈ স্বামী-স্ত্ৰী দ্বয় আশিস আৰু জাহ্নৱী ফুকনে জাংগল ট্ৰেভেলচ আৰম্ভ কৰিছিল। তাৰ পাচত আৰু তেওলোকে উভতি চাবলগা হোৱা নাই। গুৱাহাটীৰ সকলোতকৈ পুৰণি ট্ৰেভেল এজেঞ্চি পাচে ৰাইন ট্ৰেভেলচ(Rhino Travels)। ১৯৬৮ চনতে ৺গোপাল চন্দ্ৰ বৰুৱা দেৱে এই ট্ৰেভেল এজেঞ্চি

স্থাপন কৰিছিল। অসমৰ সৰহ ভাগ বিমান যাত্ৰীয়েই ৮০/৯০ৰ দশকলৈ তেওঁলোকৰ পৰাই বিমানৰ টিকট সংগ্ৰহ কৰিছিল। ৺বৰুৱা দেৱ অতিশয় অমায়িক আৰু মধুৰ ব্যক্তিত্বৰ অধিকাৰী আছিল। প্ৰতজন টিকট কিনিবলৈ অহা ব্যক্তিকে তেওঁ সম ব্যৱহাৰ কৰিছিল আৰু সকলোকে পাৰ্য্যমানে সহায় কৰিছিল। বনুৰ দেউতাকেও আগতে ৰাইন ট্ৰেভেলচৰ পৰাই টিকট লৈছিল। বৰুৱা দেৱৰ মৃত্যুৰ পাচত আৰু জাংগল ট্ৰেভেলচ ঘৰৰ ওচৰ হোৱা বাবে পৰবৰ্তী সময়ত বনুৰ দেউতাকৰ ৰাইন ট্ৰেভেলচৰ লগত সৰ্ম্পক নোহোৱা হয়। পাচদিনা বনুৰ দেউতাকে জাংগল ট্ৰেভেলচৰ পৰা টিকট আনি বনুৰ হাতত দিলেহি। বনুও ভিছাৰ ইণ্টাৰভিউৰ বাবে দিল্লীলৈ যাবলৈ সাজু হ'ল।

দেওবাৰে দিনা পুৱা ৰাতিপুৱাৰ জলপান খাই বনু , বনুৰ দেউতাক, বনুৰ মাক সকলো এয়াৰপৰ্টলৈ যাবলৈ সাজু হ'ল। পৰনে আহি বনুৰ চুটকেচ আৰু ক'কৰ বিচনা, ক'কৰৰ খাদ্যৰ টোপোলা সকলো গাড়ীত তুলি দিলে। নিজৰ বিচনাখন নিয়া দেখি ক'কই পৰনক ভুকি থাকিল। দহ বজাত ক'কক লৈ সকলো গাড়ীত উঠিল। দেউতাকে পৰনক কলে "পৰন প্ৰথমে নিটচ মিৰ্জাৰ কপিলী হাউচলৈ যাম। তাত অনিমাৰ লগত ক'কক থৈ আহি বনুক এয়াৰ পৰ্টত নমাই দিম।" নিটচ মিৰ্জাৰ গাৰ্লচ হোষ্টেলৰ নাম আছিল কপিলী হাউচ। মিৰ্জাৰ নিচেই ওচৰত ৰাণী বনাঞ্চলত অৱস্থিত কপিলী নামৰ জুৰি এটাৰ পাৰত অৱস্থিত হ'ল কপিলী নামৰ পিকনিক স্পট। প্ৰতিবছৰে ঠাণ্ডা দিনত এই ঠাইলৈ পিকনিক খাবলৈ আৰু লগতে ৰাণী বনাঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ আহে। পৰনে গাড়ী নি নিটচ মিৰ্জাৰ কেম্পাচৰ ভিতৰত অৱস্থিত কপিলী হাউচৰ সন্মুখত ৰখাই দিলেগৈ। বনুৰ মাকে ৰাস্তাৰ পৰাই মেট্ৰন অনিমাক জনাই থৈছিল বাবে গাড়ীৰ শব্দ শুনি অনিমা ওলাই আহিল। ক'ক আৰু ক'কৰ বস্তু বাহানি লগত লৈ অনিমা, বনু আৰু বনুৰ মাক গাৰ্লচ হোষ্টেলৰ ভিতৰলৈ গ'ল। ভিতৰলৈ গৈ বনুৰ মাকে অনিমাৰ ৰূমত ক'কৰ বিচনা পাৰি ক'কক কেনেকৈ কাগজত পেছাব পায়খানা কৰাব লাগে ভালদৰে বুজাই দিলে। তাৰ পাচত ক'কক লৈ তিনিও হোষ্টেলৰ পৰা ওলাই আহি গাড়ীৰ কাষ পালেহি। বনু, বনুৰ মাক আৰু দেউতাকে ক'কক মৰম কৰি কলে "তই তিনি দিন অনিমাৰ লগত হোষ্টেলত থাক। বনু দিল্লীৰ পৰা বুধবাৰে আহোতে তাইক নিবলৈ আহোতে তোকো লৈ যাম।" অনিমাৰ কোলাত উঠি ক'কই দুখনেৰে কৰুণ ভাবে মাকলৈ চালে। ক'কৰ কৰুণ চকুযুৰি দেখি বনু, মাক আৰু দেউতাকৰ মনতো বৰ দুখ লাগিল। মাক আৰু বনু যাতে আবেগিক হৈ চকুৰ পানী নুলিয়াই সেইবাবে।দেউতাকে কলে 'সোনকালে গাড়ীত উঠা। বনুৰ দেৰী হব। আজিকালি গুৱাহাটী এয়াৰপৰ্টত বৰ দীঘল লাইন হয়"। এই বুলি দেউতাক গাড়ীত উঠিল আৰু দেউতাকৰ লগে লগে বনু আৰু মাকো গাড়ীত উঠিল।" পৰনে তিনিওকে লৈ

এয়াৰপৰ্ট অভিমুখে গাড়ীৰ এক্সিলেটৰ দবাই দিলে। বনুক এয়াৰ পৰ্টত নমাই দেউতাক আৰু মাক ঘৰ পালেহি। বনু আৰু ক'ক নথকা খালী ঘৰটোত সোমাই বনুৰ মাক আৰু দেউতাকৰ মন বিষাদেৰে ভৰি পৰিল।

গধুলি সময়ত বনুৰ মাকে অনিমালৈ ক'কৰ খবৰ শুধিবলৈ ফোন কৰিলে। অনিমাই ক'লে "বাইদেউ চিন্তা নকৰিব। অলপ সময় মন মাৰি আছিল যদিও এতিয়া সকলো পাহৰি হোষ্টেলৰ ছোৱালীৰ লগত খেলি আছে। ৰশ্মিৰ ৰুমৰ পৰা চেন্দেল এপাত লৈ দৌৰি ফুৰিছিল আৰু ৰশ্মিয়ে পাচে পাচে ধেমালী কৰি খেদি ফুৰা দেখি এটা ৰুমৰ পৰা আনটোলৈ দৌৰি লুকাভাকু খেলিছিল। কেইবাজনীয়ে কোলাত লৈ মৰমো কৰিছে।" ক'কৰ খবৰ পাই বনুৰ মাকৰ মনতো পাতল হ'ল। তেনেতে বনুয়েও জনালে যে তাই ভালে ভালে গৈ তাইৰ বান্ধৱী আনাৰ ঘৰ পালেগৈ। আনাৰ ঘৰতো বুবু নামৰ এটা পাগ আছে। তাই নতুনকৈ আৰু এটা চিহুৱাহুৱা (Chihuahua) আনিছে। চিহুৱাহুৱাটোৰ নাম দিছে হুগ (Hugo)। চিহুৱাহুৱা হ'ল কুকুৰৰ আটাইতকৈ সৰু প্ৰজাতি।মেক্সিকৰ ৰাজ্য চিহুৱাহুৱাৰ পৰা এইবিধ কুকুৰৰ নামাকৰণ কৰা হৈছে। চিহুৱাহুৱাৰ উচ্চতা ৬ৰ পৰা ৯ ইঞ্চি মাত্ৰ আৰু ওজন দেৰ কিলোৰ পৰা তিনিকিলো হয়। চিহুৱাহুৱাক চেলিব্ৰিটি ডগ বুলিও কোৱা হয়। ব্ৰিটনি স্পিয়েৰচ (Britney Spears), ডেমি ম'ৰ (Demi Moore), পেৰিচ হিলটন (Paris Hilton), মাডনা/মেডনা (Madonna), জেনিফাৰ হেৱিট(Jennifer Hewitt) আৰু বহুতো চেলিব্ৰিটিৰ চিহুৱাহুবা অতি প্ৰিয় আৰু সদায় লগত লৈ ফুৰে। মেৰিলিন মনৰোৰ (Marilyn Monroe) চু-চু (Choo-Choo) নামৰ এটা চিহুৱাহুৱা আছিল। চিহুৱাহুৱা আৰু বুবুৰ লগত খেলিবলৈ পাই বনুয়ে ক'কৰ কথা এৰি মাকক সিহত দুটাৰ কথাহে কোৱাত লাগিল। মঙ্গলবাৰে দিনা গধুলি বনুয়ে মাকক ফোন কৰি জনালেযে তাইৰ বিমান বুধবাৰে বিয়লি তিনি বজাত গুৱাহাটী বিমান বন্দৰত অৱতৰণ কৰিব। গতিকে আমি মিৰ্জাৰ পৰা ক'কl কলৈ তিনি বজাত তাইক বিমান বন্দৰৰ পৰা গাড়ীত উঠাই লব লাগিব।

বুধবাৰে সোনকালে ভাতপানী খাই বনুৰ মাক-দেউতাক ক'ক আৰু বনুক আনিবলৈ যাবৰ বাবে সাজু হ'ল। পৰনে আহি কলেহি যে উপায়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত অখিল গগৈয়ে ধৰ্ণা দিছে বাবে অসম্ভৱ ট্ৰেফিক জাম হৈছে। গতিকে আমি বাইপাচ-গড়চুক হৈ যোৱা ভাল হব। বনুৰ দেউতাকে ক'লে যি ফালে সুবিধা আৰু সময়মতে মিৰ্জা পামগৈ সেই ফালেই লৈ যা। পৱনে হাতীগাও-গড়চুক হৈ দীপৰ বিলৰ কাষে কাষে মিৰ্জালৈ বুলি গাড়ী চলালে। এই পথটোৰে গ'লে দীপৰ বিলৰ নান্দনিক সৌন্দৰ্য্য দেখা পোৱা যায়। ঠাণ্ডাকালি পথটোৰে আহি বহু লোকে দীপৰ বিলৰ কাষত বনভোজ খাইহি। নিটচ মিৰ্জা কেম্পাচ সোমাই পৱন কপিলী হাউচৰ কাষ পাও পাও হওতেই বনুৰ মাক আৰু দেউতাকে দেখিলে এটা কুকুৰ পোৱালীৰ পাচে পাচে দুই তিনি

জনী মান মাইকী মানুহ আৰু দুটা মান ল'ৰা দৌৰি আহিছে। পৰনে গাড়ীখন ৰখাই দিলে আৰু বনুৰ দেউতাক গাড়ীৰ পৰা নামি দেখিলে পোৱালীটো আন কোনো নহয়, ক'কহে আৰু পাচে পাচে অনিমা, হোষ্টেলত আয়া আৰু সুৰক্ষা কৰ্মীয়ে ক'ক ধৰিবলৈ দৌৰি আহিছে। ফোপাই জোপাই আহি অনিমাই বনুৰ মাকক কলে "বাইদেউ আপুনি ফোন কৰাৰ পাচৰে পৰা ক'ক অস্থিৰ হৈ আছিল। কেনেকৈ ইমান দূৰৰ পৰা আপোনালোকৰ গাড়ীৰ শব্দ শুনি দৌৰ মাৰিলে তলকিবই নোৱাৰিলো আৰু সেয়ে আমি সকলো পাচে পাচে দৌৰি আহিছো।" ক'কক কোলাত লৈ বনুৰ দেউতাকে গাড়ীত বহাই দিলে। পৰনে লাহে লাহে আগুৱাই কপিলী হোষ্টেলৰ আগত গাড়ীখন ৰখালে। ক'কই মাকৰ কোলাত উঠি মাকৰ গাল মুখ চেলেকি নেগুৰ মৰাত লাগিল। অনিমাই ক'কৰ বস্তু বাহানী খিনি আনি গাড়ীত উঠাই দিলেহি। ক'ক ক'ক বুলি অনিমাই ক'কক মাতিলেহে মাতিলে, ক'কই অনিমালৈ ঘূৰিয়েই নাচালে। অনিমাই বনুৰ মাকক ক'লে "বাইদেউ আপুনি অহাৰ আগলৈকে মোৰ লগত ছাৰ দৰে লাগি ফুৰিছিল, খেলিছিল কিন্তু আপোনাক পাই এক চেকেণ্ডতে সকলো পাহৰি গ'ল।" বনুৰ মাকে অনিমাক শান্তনা দি ক'লে " ক'কই মোক এতিয়া মাক বুলিয়েই ভাবে। গতিকে মাকক পালে কেচুৱাক আন কাকো নালাগে। লাহে লাহে তোমাৰ লগত মাজে মাজে থাকি তোমাকো ভালপোৱা হব।" অনিমাৰ পৰা বিদায় লৈ বনুৰ মাক দেউতাক বিমান বন্দৰলৈ বুলি ৰাওনা হ'ল। পৰনে গাড়ী নি বিমান বন্দৰৰ পাৰ্কি প্লেচত ৰাখি দিলেগৈ।

এয়াৰ পৰ্টৰ আগমণ দুৱাৰৰ সন্মুখত ক'কক লগত লৈ বনুৰ দেউতাক আৰু মাকে বনুৰ বাবে অপক্ষা কৰি ৰ'ল। বনুক তেওঁলোকে দেখাৰ আগতেই ক'কই দূৰত বনুৰ মাত শুনি বেল্টৰ পৰা মূৰপোলোকা মাৰি বনুৰ ওচৰলৈ দৌৰ মাৰিলে। ক'কক দৌৰ মাৰা দেখি পাচে পাচে দেউতাকেও ক'কক ধৰিবলৈ দৌৰ মাৰিলে। ইতিমধ্যে বনু আহি ক'কৰ ওচৰ পালেহি আৰু ক'কক কোচত তুলি চুমা খোৱাত লাগিল। ক'কয়ো বনুক পাই আনন্দত নেগুৰ মাৰি বনুক চেলেকিবলৈ ধৰিলে। দেউতাকে বনুৰ চুটকেচটো ললে আৰু বনু, দেউতাক আৰু মাক তিনিও পৰনে পাৰ্কিং কৰি থোৱা গাড়ীৰ ওচৰ পালেগৈ। পৰনে বনুৰ চুটকেচ গাড়ীৰ পাচফালৰ ডিকিত ভৰাই দিয়াৰ পাচত আটায়ে গাড়ীত উঠি ঘৰলৈ বুলি ৰাওনা কৰিলে। পৰনে ক'লে এতিয়ালৈ চাগে যানজট শেষ কৰি অখিল গগৈ ঘৰ পালেগৈ। গতিকে আমি মালিগাও হৈয়েই যাও। বনুৰ দেউতাকে ক'লে যি ফালে গ'লে তোৰ সুবিধা আৰু সোণকালে ঘৰ পামগৈ বুলি ভাব সেই ফালেই যা। মালিগাও, কামাখ্যা, ভৰলুমুখ পাৰহৈ আহি গাড়ী গুৱাহাটী হাইকৰ্টৰ ওচৰ পালেহি। হাইকৰ্টৰ পোৱাৰ লগে লগে ক'কই ভুকিবলৈ ধৰিলে। ক'কই ভুকা কাৰণ বুজিপাই বনু, দেউতাক আৰু মাকে মিচমিচাই হাঁহিবলৈ ধৰিলে। বনুৰ মাক দেউতাকে দুদিনমান ফুৰাবলৈ

গাড়ীৰে আনি ক'কক গুৱাহাটী তাৰকাঘৰ, প্ৰসিদ্ধ লতাশিল পথাৰ আৰু হাইকৰ্টৰ ওচৰত অৱস্থিত গুৱাহাটীৰ বিখ্যাত মিঠাই দোকান জেবিজৰ পৰা পেৰা আৰু কাজুবৰ্ফি কিনি খাবলৈ দিছিল। ক'কই জেবিজৰ পেৰা আৰু কাজুবৰ্ফি।খাই ইমানেই ভাল পালে যে তাৰ পাচৰ পৰা হাইকৰ্ট আৰু লতাশিল পথাৰৰ ওচৰ পালেই ভুকি ভুকি পেৰা লাগে যে বুজাই দিয়া হ'ল। তাৰোপৰি ক'কই আন দোকানৰ পেৰা আৰু কাজুবৰ্ফি শুঙি শুঙি নোখোৱা হ'ল। বনুৰ দেউতাকে পৰনক ক'লে "পৱন জেবিজৰ আগেৰে নিয়া আৰু তাত অলপ ৰখাই দিবা। নহলে ক'কই গোটেই ৰাস্তা ভুকি ভুকি অশান্তি কৰি যাব আৰু ঘৰতো মোক ভুকি ভুকি গালি পাৰি থাকিব।" বনুৰ দেউতাকৰ কথা শুনি পৱনে জেবিজৰ সন্মুখত গাড়ী নি ৰাখিলে। দেউতাকে গাড়ীৰ পৰা নামি গৈ পেৰা আৰু কাজু বৰ্ফি কিনি আনি বনুৰ মাকৰ হাতত দিলেহি। বনুৰ মাকে প্ৰথমে ক'কক এটা পেৰা খাবলৈ দিলে। একেকোবে পেৰাটো খাই ক'ককই পুনৰ ভুকিবলৈ ধৰিলে। এইবাৰা মাকে কাজুবৰ্ফি এটা ভাঙি ভাঙি অকন অকনকৈ ক'কক দিলে ক'কই বৰ্ফি খাই থাকোতেই বনুহত ঘৰ পাও পাও হ'লহি। ক'কই আৰু মিঠাই খুজি ভুকাদেখি এইবাৰ মাকৰ খং উঠিল। "তোক ডা: শৰ্মাই মিঠাই খুৱাবলৈ মানা কৰিছে যদিও আমি তোক মৰমতে খাবলৈ দিও। তোৰ এটা দুটাই হেপাহ নপলায়। এইবুলি ধেম ধেমনি ধৰাত ক'ক চুপ হ'ল।" পৱনে গাড়ী আনি ফ্লেটৰ পাৰ্কিঙত ৰাখি দিলেগৈ। গাড়ীৰ পৰা নামি ক'ক সহ সকলো ফ্লেট পালেগৈ।

পাচদিনা পুৱা সোনকালে শুই উঠি ক'ক গৈ ফ্ৰিজৰ সন্মুখত বহি লৈ ভুকিবলৈ আৰম্ভ কৰিলে। ক'কৰ ভুকভুকনি শুনি মাকে গম পালে ক'কই কিয় ভুকি আছে। সেয়ে বিচনাৰ পৰাই ধমকি মৰাত ক'ক চুপহৈ দুখ মনেৰে ফ্ৰিজলৈ চাই বহি থাকিল। অলপ সময় পাচত বনু শুই উঠি আহি দৃশ্যটো দেখি দুখ লগাত ফ্ৰিজৰ পৰা উলিয়াই ক'কক পেৰা এটা খাবলৈ দিলে। মাক শুই উঠাৰ পাচত ক'ক নেগুৰ জোকাৰি জোকাৰি মাকৰ পাচে পাচে ঘূৰিবলৈ ধৰিলে। ক'কই গম পালে যে মাকৰ আগত ভুকি থাকিলে ডাইল নগলে। সেয়ে সান্তশিষ্ট আৰু ভদ্ৰ হৈ চেষ্টা দিয়াই ভাল। মাক বাথৰূমলৈ যাওতেও ক'ক বাথৰূমৰ সন্মুখতে দুখমনেৰে বহি ৰ'ল। মাকে বাথৰূমৰ পৰা ওলাই ৰাতিপুৱাৰ জলপান জোগাৰ কৰাত লাগিল আৰু ক'কও মাকৰ পাচে পাচে লাগি থাকিল। জলপান ৰেডী কৰি মাকে সকলোকে খাবলৈ মাতিলে আৰু ক'ককো এটা কাজু বৰ্ফি ভাঙি সৰু সৰু টুকুৰা কৰি কেইবাঠাইতো দিলে। ক'কই অতি দ্ৰুত গতিত সকলো কেইটা টুকুৰা খাই এইবাৰ টাটাকৰ ভৰিৰ ওচৰত বৈ নেগুৰ মাৰি মাৰি টাটাকৰ মুখলৈ চাই ৰ'ল। বনুৰ মাকে টাটাকক সাৱধান কৰি দি ক'লে " ক'কই পুৱাই পুৱাই দুটা মিঠাই খালেই। তুমি আৰু মিঠাই খুৱাই ক'কক মৰিবলৈ আগবঢ়াই নিদিবা। তুমি মনে মনে মিঠাই খুওৱা দেখিলে মই ফ্ৰিজৰ পৰা নি দাষ্টবিনত পেলাই থৈ আহিম। ছোৱালীজনীক লাই দি দি নষ্টটো কৰিলাই

ফুৰাবলৈ নি মনে মনে মিঠাই খুৱাই ক'ককো নষ্ট কৰিছা। ইমান ভাল ভদ্ৰ কুকৰটো তোমাৰ কাৰণে নষ্ট হব আৰু বেমাৰী হব।" বনুৰ টাটাকে নিজৰ ভাগৰ পেৰাটো ক'কক দিয়াৰ কথা ভাবিছিল যদিও ঘৰত এখন মহাভাৰত সৃষ্টি হোৱাৰ ভয়তে কামুৰি কামুৰি খোৱাত লাগিল। বোধহয় মাকৰ কথাবোৰ বুজিপাই ক'কই দুখ মনেৰে টাটাকৰ ওচৰৰ পৰা আতৰি গৈ নিজৰ বিচনাত শুই থাকিল।

এদিন দুদিনকৈ সময় পাৰহে যাবলৈ ধৰিলে। ক'কই টাটাকৰ লগত গাড়ীত ফুৰিবলৈ গৈ জুৰোড তিনিআলিৰ মিঠাই দোকান পূৰ্ণীমা চুইটত কালাকান্দ, বয়ল কেক আৰু কেডবেৰিজ খাবলৈ শিকিলে। যদিও জেবিজৰ পেৰা আৰু কাজু বৰ্ফিৰ সমান ভাল নাপায় তথাপি নাই মোমাইতকৈ কণা মোমায়েই ভাল বুলি খাই থয়। ক'কই ভাত খাই অত্যন্ত বেয়া পোৱা হ'ল আৰু কেৱল ৰয়েল কেনিন, পেডিগ্ৰি ( ৩০/৪০ টা গুটি), মাংস, মিঠাই আৰু বিভিন্ন ষ্টিকৰ বাহিৰে আন একো নোখোৱা হ'ল। যিদৰে আজি কালিৰ ল'ৰা ছোৱালীয়ে জাঙ্ক ফুড ভাল পাই ক'কয়ো কুকুৰৰ জাঙ্ক ফুডহে ভালপোৱা হ'ল। ভাত, ৰুটি, ফলমূল, বিস্কুত ক'কই মুখতে নিদিয়া হ'ল। ক'কৰ এই খাদ্যভাষৰ বাবে মাকে টাটাকৰ ওপৰত সম্পূৰ্ণ দোষ জাপি দিলে যদিও বনু নিৰপেক্ষ হৈ ৰ'ল।

২০১৩ চনৰ মে মাহৰ শেষৰ সপ্তাহত বনুৰ অষ্ট্ৰেলিয়ান ভিজা আহিল। বনুয়ে টাটাকক ক'লে "টাটা, মই অষ্ট্ৰেলিয়াৰ University of Technology Sydney (UTS) লৈকে যাম বুলি ভাবিছো। আমেৰিকাৰ ইউনিভাৰচিটিৰ অফাৰ আহিছে যদিও মই ভিজাৰ ইণ্টাৰভিউ নিদিও আৰু। UTS গ'লে দুবছৰ স্টুডেণ্ট ভিজা আৰু লগতে দুবছৰ ৱৰ্ক ভিজাও দিব। লগতে প্ৰতি সপ্তাহত ২০ ঘণ্টাকৈ কাম কৰিব দিব বাবে থকা খোৱাৰ খৰছ নিজেই উলিয়াই লব পাৰিম। গতিকে কম পৰিমাণৰ এডুকেচন লন ললেই হব।" দেউতাকে কলে "নিজে যি ভাল দেখ কৰ। মই একো নকও। নহলে পাচত সকলো দোষ মোৰ ওপৰত পৰিব। ক'কক তই আনিব কোৱা বাবে আনিব দিলো আৰু এতিয়া মই সদায় গালি শুনিব লাগে। তোক এতিয়া কিবা এটা কম পাচত কিবা সমস্যা হলে মাক জীয়েক দুয়োজনীয়ে নিতৌ গালি পাৰিবি।" বনুয়ে বিদেশলৈ যোৱাৰ চুড়ান্ত সিদ্ধান্ত লোৱা বুলি শুনি মাকে কোৱা আৰম্ভ কৰিলে "তই যদি যাম বুলি ভাবিছিলিয়েই তেন্তে ক'কক কিয় আনিছিলি। এতিয়া ক'ক মোৰ ডিঙিত সম্পূৰ্ণকৈ লাগিব। মই কামবন এৰি ঘৰত বন্দী হব লাগিব। কলৈকো লৰচৰ কৰিব নোৱাৰিম। বাপেৰে জীয়েৰে লগ লাগি ক'কক আনিলি, এতিয়া দুয়ো কথাপাতি বিদেশ যাবলৈ ওলাইছ। " লাহে লাহে কথাবোৰ বাঢ়ি গ'ল আৰু মাক বাপেক জীয়েকৰ তৰ্কাতৰ্কি শুনি ক'কই ভুকি ভুকি তিনওকে গালি

পাৰিবলৈ ধৰিলে। ক'ককৰ গালি শুনি তিনিও চুপ হ'ল আৰু ক'কক শুৱাই তিনিও মুখ ওফোন্দাই তিনিও শুই পৰিল।

ৰাতিপুৱা সোনকালে শুই উঠি বনুৰ দেউতাকে ভাবিলে বনুয়ে যিহেতু যোৱাৰ সিদ্ধান্ত ললেই এতিয়া মাকক সৈমান(pacify) কৰাৰ স্বাৰ্থতে বনু যোৱাৰ আগতে ক'কক বিদায় দিয়াই ভাল হব। ইয়াকে ভাবি বনুৰ দেউতাকে ক'কক তুলি লবৰ (adoption) বাবে OLX নামৰ কিনা বেচা ৱেব চাইটত ক'কৰ ফটোসহ এক বিজ্ঞাপন দি দিলে। কোনোবা কু ুকুৰ প্ৰেমী আৰু লগতে পাগ ভালপোৱা মানুহে নগদ এক টকা দি ক'কক পুহিবৰ/তুলিবৰ (adoption)বাবে কিনি নিব পাৰিব। কেৱল ক'কক ভালদৰে ৰাখিম বুলি গেৰেণ্টী দিব লাগিব। বিজ্ঞাপনটো দিয়াৰ পাচতে বনুৰ দেউতাকলৈ ইটোৰ পাচত সিটো ফোন আহিবলৈ ধৰিলে। ইমান ধুনীয়া মৰম লগা পাগ এটা মাত্ৰ এটকাত পাবলৈ বহু ুেই ইচ্ছা প্ৰকাশ কৰিলে। পুৱাই পুৱাই টাটাকে বাৰে বাৰে কাৰোবাৰ লগত কথা পাতি থকা দেখি বনু বিচনাৰ পৰা উঠি আহি শুধিলে: "টাটা ৰাতিপুৱাৰ পৰা বাৰে বাৰে যে ফোন আহি আছৰ কাৰ পৰা ইমান ফোন আহি আছে।" দেউতাকে বনুক গোটেই কথাখিনি বুজাই ক'লে। দেউতাকত কথা শুনি বনুয়ে উচুপি উচুপি কান্দি দেউতাকক ক'লে " টাটা মই বিদেশত পঢ়িবলৈ গ'লে তুমি আৰু মা যাতে অকলশৰীয়া নোহোৱা আৰু ক'কৰ লগত লাগি থাকি কাজিয়া পেচাল কৰিবলৈ সময় নোপোৱা সেইবাবেই মই ক'কক আনিছিলো। কিন্তু তুমি ক'কক আনক দি দিয়াৰ কথা কেনেকৈ ভাবিব পাৰিলা। ময়ো গুচি যাম, ক'কও গুচি যাব আৰু তোমালোক কিমান অকলশৰীয়া হবা ভাবিছানে? চোৱাচোন ক'কটো কেনেকৈ তোমাৰ দুই ভৰিৰ মাজত নিৰ্ভয়ে আনন্দ মনেৰে বহি আছে। এতিয়াই OLX ৰ বিজ্ঞাপনটো মচি (delete) দিয়া।" ইতিমধ্যে বনুৰ মাকো শোৱাপাটিৰ পৰা উঠি আহিছিল আৰু গিৰিয়েকক গালি দিয়া আৰম্ভ কৰিলেঃ "তুমি ইমান নিষ্ঠুৰ নে? সাত আঠ মাহ থকাৰ পাচত ক'কক কাৰোবাক দিয়াৰ কথা ভাবিব পাৰিলা। তাই এতিয়া আমাৰ সৰু ছোৱালীৰ দৰে। তায়ো মোক মাক বুলি ভাবি লৈছে।ক'কক কাৰোবাক দিলে ময়ো ঘৰত নাথাকো। মই যেনিবা খঙত কথা এষাৰ কলোয়েই, তাতে তুমি OLX ত বিজ্ঞাপন দি দিলা। বনুকো কেতিয়াবা মৰগৈ যা বুলি গালি দিও। সেই বুলি তুমি তাইক মাৰিবলৈ/বেচিবলৈ বিজ্ঞাপন দিবা নেকি?" এই বুলি বনুৰ মাকে ক'কক কোলাত তুলি মৰম কৰিবলৈ ধৰিলে। ককয়ো কথাবোৰ বুজি পোৱাৰ দৰে বাপেকক ভুকি ভুকি গালি পাৰিবলৈ ধৰিলে। বনু, শ্ৰীমতী আৰু ক'কৰ গালিখাই বনুৰ দেউতাকে ক'লে "মইতো সমস্যা সমাধান কৰিবৰ বাবেহে OLX ত দিছিলো যাতে বনু যোৱাৰ সময়ত একো হুলস্থুল নহয় আৰু সকলো কথা শান্তিৰে সমাধান হয়। ময়োতো অন্তৰেৰে ক'কক দিব নিবিচাৰো। মেজৰিটি মাষ্ট বি গ্ৰেণ্টেড।" এই বুলি বনুৰ দেউতাকে বিজ্ঞাপনটো দিলিট কৰি

দিলে। পুৱাৰ জলপান আৰু চাহ খাই উঠি বনুয়ে দেউতাকক ক'লে "টাটা ময়ো তোমাৰ লগতে যাম আৰু তোমালোকৰ বেংকৰ মেনেজাৰ বেহেৰাৰ লগত কথাপাতি শিক্ষা ঋণৰ (Education Loan) ফৰ্ম পূৰ কৰি সোনকালে মঞ্জুৰী(sanction)লেটাৰ খন দিবলৈ কৈ আহিম। তুমিও গেৰেণ্টৰৰ চহী আদি কৰি আহিবা।" এইবুলি বনু আৰু টাটাক যাবলৈ ওলাল আৰু ক'কই নেগুৰ জোকাৰি জোকাৰি বনু আৰু টাটাকক দুৱাৰ মুখৰ পৰা বিদায় দিলে।

চান্দমাৰী থানাৰ ওচৰত আৰু পেঞ্চনাৰ ভৱনৰ ওপৰত ভূপেন হাজৰিকা পথত অৱস্থিত ইণ্ডিয়ান অভাৰচিজ বেংক (IOB)। বনুৰ দেউতাকে বেংকৰ সন্মুখত গাড়ী ৰাখিলে আৰু দুয়ো বেংকৰ ভিতৰলৈ সোমাই গ'ল। মেনেজাৰ বেহেৰাই দুয়োকে আথেবেথে বহিবলৈ দি দৰকাৰী সকলো ফৰ্ম উলিয়াই আনিবলৈ এজন কৰ্মচাৰীক নিৰ্দেশ দিলে আৰু কৰ্মচাৰী জনে সকলো ফৰ্ম আনি মেনেজাৰৰ হাতত দিলেহি। বনুৰ দেউতাকে মেনেজাৰক কলে "বেহেৰাজী মই মোৰ চহী কেইটা কৰি থৈ যাও আৰু আপুনি ছোৱালীৰ লগত বহি বাকী কাম কৰি লওক। যিমান সোণকালে পাৰে সিমান সোনকালে চেঙচন লেটাৰ খন দি দিব।" এই বুলি কৈ বনুৰ দেউতাক বেংকৰ পৰা ওলাই আহি ভূপেন হাজৰিকা পথেৰে আহি 'খাইবাৰ পাচ' পাৰহৈ কৰ্ণাচল পথেদি আহি নবগ্ৰহ শ্মশানৰ ওচৰত অৱস্থিত নিজৰ অফিচ পালেহি। ভূপেন হাজৰিকা পথৰ পৰা নবগ্ৰহ শ্মশানলৈ যোৱা পথতো এটা সৰু পাহাৰৰ মাজেদি গৈছে আৰু পাহাৰৰ মাজৰ পথছোৱাক বনুৰ দেউতাক হতে ধেমালিতে খাইবাৰ পাচ বুলি কয়। গুৱাহাটীত যেতিয়া ট্ৰেফিক জাম হয় জুৰোড-চান্দমাৰীৰ ফালৰ পৰা হাইকৰ্ট-উজানবজাৰৰ ফালে যাবৰ বাবে বহুতো সৰু যানবাহনে খাইবাৰ পাচ পাৰহৈ সোনকালে পাবৰ বাবে বাট লয় কিন্তু যানবাহন নিয়ম নমনা গুৱাহাটীৰ লোক সকলে মাজে মাজে এই পথত অধিক সময়হে ফচি থাকে।

এসপ্তাহ পাচত বনুৰ এডুকেচন লনৰ চেঙচন লেটাৰ আহিল। চেঙচন লেটাৰ বনুয়ে University of Technology Sydney (UTS) লৈ ই মেইল কৰিলে। সকলো কাম ঠিকঠাক কৰি বনু টাটাকৰ লগত জাংগল ট্ৰেভেলচলৈ গ'ল আৰু নিজৰ বাবে দিল্লী-চিডনি টিকট কৰিলে। লগতে মাক দেউতাক আৰু নিজৰ বাবে গুৱাহাটীৰ পৰা দিল্লীলৈ যোৱা টিকট কৰিলে। দেউতাকে বনুক ক'লে যে দিল্লীৰ পৰা ওভটা টিকট কেইদিনমান পাচত কৰিব। দিল্লীত কিবা কাম ওলালে একেলগে কৰি আহিব। গধুলি চাহ খাবৰ সময়ত বনুৰ মাকে আকৌ পুৰণি কথা খুচৰিবলৈ আৰম্ভ কৰিলে। "আমাৰ এই দুটা বেডৰূমৰ ফ্লেটত আলহী আহিলে ইমান অসুবিধা। দুদিন পাচত বনুৰ বিয়া হ'লে জোৱাই আহিলে আৰু কিমান দিগদাৰ হব। তাতে এতিয়া ফ্লেটত পানীও নাই। পানী কিনি কিনি কিমান দিন চচাইটি চলিব। তাৰোপৰি অকনো ৰদ নপৰে। ক'কই ইমান ৰদ ভাল

পাই।"  ইত্যাদি ইত্যাদি। বনুয়েও মাকৰ কথাতে হয়ভৰ দিয়াত টাটাকে কলে "থিক আছে বাৰু, সকলোৰে আনন্দ আৰু মনৰ শান্তিৰ বাবে  কাইলৈৰ পৰা তিনিদিন নতুন ফ্লেট বিচাৰি চাম যাতে বনু দুবছৰৰ পাচত ডিগ্ৰী লৈ ঘূৰি আহিলে নতুন ফ্লেটতত থাকি চাকৰি কৰিব পাৰে আৰু ককয়োৰদ পুৱাব পাৰে, পানীৰো অসুবিধা নোহোৱা হয়।" বনুয়ে কলে মোৰ বহুত কাম আছে মই যাব নোৱাৰিম। তোমালোকে ক'কক লৈ যোৱা। ক'কই কত পচন্দ কৰে দেখা যাওক। তোমালোকে ফাইনেল কৰিলে মই বাৰু দ্বিতীয়বাৰ খুটি নাটি চাবলৈ বুলি যাম।

পাচদিনা পুৱা বনু নিজৰ কামত ওলাল আৰু ক'কক লৈ বনুৰ মাক আৰু টাটাক ফ্লেট চাবলৈ ওলাল। টাটাকে ইতিমধ্য বহুকেইজন বিল্ডাৰৰ ফোন নম্বৰ টুকি থৈছিল। প্ৰথমে সেয়ে টাটাকে নিজৰ প্ৰিয় দীঘলিপুখুৰীৰ পাৰৰ  ফ্লেটৰ ঠাই টুকুৰা চাবলৈ বুলি দীঘলিপুখুৰীৰ পাৰ পালেগৈ। দীঘলিপুখুৰীৰ পাৰত ক'ক গাড়ীৰ পৰা ননমা হ'ল।  ককক গাড়ীতে ৰাখি বনুৰ মাক আৰু টাটাকে ঠাই টুকুৰা দেখি আছৰিত হ'ল। টাটাকে কলে আৰে আগতেতো ইয়াত কবৰ স্থান আছিল। কথাটো শুনি মাকে লগে লগে কলে মই কবৰৰ ওপৰৰ ফ্লেটত নাথাকো দেই। লাগিলে দীঘলিপুখুৰীৰ পাৰতেই নহওক কিয়। এনেয়েও মোৰ ভূতলৈ ভয় বেছি। মাক টাটাক গাড়ীৰ ওচৰলৈ অহা দেখি ককই ভূকি আৰু নেগুৰ মাৰি যেন বুজাই দিলে :কবৰ স্থানৰ ফ্লেট বাবে মই চাবলৈকে নগলো নহয় বাপ্পেকে। ইয়াৰ পাচত বনুৰ দেউতাকে গাড়ী চলাই উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ ওচৰ পালেগৈ আৰু ৰাস্তাৰ কাষত গাড়ী ৰখাই আৰু এটা ফ্লেট চাবলৈ গ'ল। ক'কক কোচত লৈ বনুৰ দেউতাক আৰু মাক গৈ ফ্লেটটোৰ পাৰ্কি প্লেচ পালেগৈ আৰু ফ্লেটৰ মালিকলৈ অপেক্ষা কৰিলে। ক'কই উচপিচ লগাই থাকিল। অলপ সময় পাচত মালিক জন তললৈ নামি আহিল। ক'কক দেখি মালিকে মুখ ওন্দোলাই ককলৈ বেকা কৈ চালে। ক'কই মানুহ জনৰ মুখ দেখি কোচৰ পৰা নামি ভুক ভুক কৰি পেছাব কৰি দিলে। লগে লগে মানুহ জনে ছিঃ ছিঃ কুকুৰটোৱে মুতি লেতেৰা কৰিলে বুলি হুলস্থুল লগালে। মানুহজনৰ কুকুৰ বিদ্বেস আৰু কোনো দিনে যতে ততে পেছাব নকৰা ক'কৰ কাণ্ড দেখি বনুৰ মাক দেউতাকে বুজিলে যে ক'কৰ অলপো পচন্দ হোৱা নাই আৰু ভৱিষ্যতে ক'কক লৈ এই কেম্পাচত থকাটো সুখকৰ নহব। কথা বতৰা আৰু দামদৰ এনেয়ে শুধি ক'কক লৈ বনুৰ দেউতাক আৰু মাক ঘৰ পালেগৈ। বনুক সকলো কথা বিবৰি কোৱাত বনুয়ে ক'কৰ কাণ্ড শুনি হাঁহি ৰাখিব নোৱাৰা হ'ল। পাচদিনা পুৱা চাহ জলপান খাই ক'ক আৰু শ্ৰীমতীক লগত লৈ বনুৰ দেউতাক পুনৰ ফ্লেট চাবলৈ ওলাল। প্ৰথমে জু ৰোডৰ সুগম পথত নতুনকৈ আৰম্ভ কৰা ফ্লেটটোৰ ঠাই খিনি পালেগৈ।  কম্পাউণ্ডৰ ভিতৰত গাড়ী ৰখোৱাৰ লগে লগে বিল্ডাৰৰ চুপাৰভাইজাৰ জন গাড়ীৰ কাষলৈ ড্ৰয়িং আৰু ব্ৰচাৰ লৈ আহিল। ক'ক গাড়ীৰ ভিতৰতে থাকিল আৰু গাড়ীৰ ওপৰত ড্ৰয়িং থৈ চুপাৰভাইজাৰে সকলো

কথা ভালদৰে বুজাই দি বনুৰ দেউতাকৰ হাতত এখন ব্ৰচাৰ দি নিজৰ কামলৈ গুচি গ'ল। কমপাউণ্ডৰ বাহিৰ ওলাই সুগম পথত থকা সৰু পানদোকান খনৰ দোকানী জনক বনুৰ দেউতাকে সুধিলে "ককাই বাৰিষা ইয়াত কিমান পানী হয়?" দোকানীজনে উত্তৰ দিলে "নামত সুগম পথ যদিও বাৰিষা এইটো দুৰ্গম পথ হয়। এই খিনি ঠাইত এককাল পানী হয়।" সেই ঠাইত ফ্লেট কিনাত আশা বাদ দি বনুৰ দেউতাকে চান্দমাৰীৰ অসম অভিযান্ত্ৰিক প্ৰতিস্থানৰ কাষৰ এটা ফ্লেট চাবলৈ বুলি গাড়ী চলাই দিলে। ফ্লেটৰ ঠাই টুকুৰাত উপস্থিত হৈ বনুৰ দেউতাকে বিল্ডাৰে দিয়া নম্বৰত ফোন কৰিলে। এজন চুপাৰ ভাইজাৰ আগবাঢ়ি আহিল আৰু বনুৰ দেউতাক মাকক ফ্লেট দেখুৱাবলৈ লৈ গ'ল। কক নিব খুজিছিল যদিও ককই গাৰ যোৰ দি চিটত বহি থাকিল আৰু নগ'ল। বনুৰ মাকে ফ্লেটটো চাই আহি বনুৰ দেউতাকক ক'লে "তিনিওফালে দেখোন ওখ ওখ ফ্লেট। ৰদ বতাহ বিচাৰি ফ্লেট সলনি কৰাৰ কথা ভাবিছো। এই ৰদ নপৰা ঘৰটোলৈ নাহো দেই। তাতকৈ এতিয়া থকাতোতেই থাকিম।" মাকৰ কথা শুনি ক'কই নেগুৰ জোকাৰি সন্মতি জনালে। ফ্লেট বিচৰা সেইদিনালৈ সামৰি বনুৰ দেউতাক হত ঘৰ পালেগৈ।
ৰাতি ভাত খাই থাকোতে বনুৰ দেউতাকে বনু আৰু মাকক কলে "সকলো মিলাই ক'ত ফ্লেট পাম। ৰদ পৰিব লাগিব, পানী থাকিব লাগিব, দুখন লিফট থাকিব লাগিব, তিনিটা বেডৰূম লাগিব, গোসাই ঘৰ লাগিব, কমেও দুখন বেলকনি থাকিব লাগিব, বেক আপ জেনেৰেটৰ লাগিব, সন্মুখন সৰু গাৰ্ডেন থাকিব লাগিব, প্ৰাইম লকেচন হব লাগিব, সন্মুখৰ ৰাস্তা বহল হব লাগিব, তলত কোনো দোকান পোহাৰ থাকিব নালাগিব । চুইমিং পুল, জিম, ক্লাবঘৰ থাকিলে আৰু ভাল। তাৰ পাচত ক'কৰো পচন্দ হব লাগিব। কাইলৈ লাষ্ট এবাৰ চেষ্টা দিম আৰু নহলে আকৌ বনু যোৱাৰ পাচত নতুন বিজ্ঞাপন চাই পুনৰ বিচাৰিম।" পাচ দিনা পুৱা ব্ৰেকফাষ্ট খাই শ্ৰীমতী আৰু ক'কক লৈ বনুৰ দেউতাক পুনৰ ফ্লেট বিচাৰি ওলাল। প্ৰথমে ওলালে ভেটাপাৰালৈ বুলি। গাড়ী চলাই গৈ গৈ ভেটাপাৰা পাই বনুৰ দেউতাকে মাকক কলে "হেৰা বুজিছা ইমান দূৰলৈ অহাতকৈ আমাৰ বৰ্তমান জু-ৰোডৰ দুটা কোঠাৰ ফ্লেটত থকাই ভাল। লতাশিলৰ বিহু-পূজা, গীতা নগৰৰ বিহু-পূজা, মোৰ অফিচ, কলনি বজাৰৰ সস্তা শাকপাচলি কিমান যে দূৰ হব। গনেশ গুৰিৰ ট্ৰেফিকযাম আছেই"। বনুৰ মাকে হাঁহি মাৰি ক'লে " ময়ো একে কথাকে ভাবিছো। জু-ৰোড তিনিআলি এৰি ইমান দূৰলৈ আৰু নাহো দেই। তুমি মোৰ মনৰ কথা কলা। বনুয়েতো লগে লগে ৰিজেক্ট কৰিব। গাড়ী ঘূৰাই লোৱা আৰু ঘূৰি যাওতে চাম বুলি কোৱা জু-ৰোডৰ বৰফ ফেক্টৰীত বনাই থকা ফ্লেটটোকে চাওগৈ।" বনুৰ দেউতাকে গাড়ী ঘূৰাই ললে আৰু ক'কই ফুৰাবলৈ নিয়া বুলি গাড়ীৰ খিড়িকিৰে বাহিৰলৈ চাই চাই ৰাস্তাৰ কুকুৰ বোৰক ভূকি ভূকি আনন্দ মনেৰে আহি থাকিল।

বনুৰ দেউতাকে গুৱাহাটী চিৰিয়াখানা পাৰহৈ আহি জুৰোডৰ বৰফফেক্টৰীত বনাই থকা ফ্লেটৰ কেম্পাচত নি গাড়ী ৰখাই দিলেগৈ। ক'কক কোলাত লৈ বনুৰ দেউতাক আৰু মাক বিল্ডাৰৰ অফিচলৈ সোমাই গ'ল। বিল্ডাৰৰ ৰিচিপচনিষ্টে আথেবেথে আদৰি বহিবলৈ দি কলে " কি লব ঠাণ্ডা নে গৰম"। বনুৰ দেউতাকে ক'লে "গৰম।" ৰিচিপচনিষ্টে এইবাৰ শুধিলে "চাহ নে কফি।" বনুৰ দেউতাকে কলে "কফি।" অলপ পাচত কফি আহিল। বনুৰ মাক আৰু দেউতাকে কফি খাই খাই ৰিচিপচনিষ্টে দিয়া ব্ৰচাৰত বিভিন্ন আয়তনৰ ফ্লেটবোৰ চাই গ'ল। কফি খোৱা হোৱাৰ পাচত ৰিচিপচনিষ্টে বিল্ডাৰৰ ৰুমলৈ লৈ গ'ল। বিল্ডাৰে শুধিলে কিমান চাইজৰ ফ্লেট লাগিব। বনুৰ দেউতাকে কলে ১৪০০/১৫০০ স্কোৱাৰ ফুটৰ তিনিটা বেডৰুম, দুখন বেলকনি থকা ৰদঘাই ফ্লেট লাগে। বিল্ডাৰে কলে দুই নম্বৰ ব্লকত খালী আছে। দাম ৪৪০০টকা পাৰ স্কোৱাৰ ফুট আৰু ফ্লৰ পিএলচি ১০০ টকা পাৰ ফ্লৰ । ফাৰ্ষ্ট ফ্লৰত পিএলচি নাই। গাৰ্ডেন ভিউ হলে এক্সট্ৰা ২০০ টকা পাৰ স্কোৱাৰ ফুট। অৰ্থাত আপুনি পাচ তলাত গাৰ্ডেন ভিউ ললে ৪৪০০+২০০+৪০০=৫০০০টকা পাৰ স্কোৱাৰ ফুট পৰিব। যদি গাৰ্ডেন ভিউ নলৈ আমফালে প্ৰথম মহলাত লয় তেনে ৪৪০০টকা স্কোৱাৰ ফুট হিচাবে পাব। এতিয়া চুপাৰ ভাইজাৰক লগত লৈ এবাৰ চাই আহক আৰু পচন্দ হোৱাৰ পাচত আকৌ কথা পাতিম। এইবুলি বিল্ডাৰে বনুৰ দেউতাক আৰু মাকক ফ্লেট দেখুৱাই আনিবলৈ চুপাৰ ভাইজাৰ জনক নিৰ্দেশ দিলে। চুপাৰ ভাইজাৰ জনে বনুত দেউতাক আৰু মাকক ফ্লেট দেখুৱাবলৈ লৈ গ'ল। অলপ দূৰ যোৱা পাচতে ক'কই কোলাত দিগদাৰ কৰিবলৈ ধৰিলে। কোলাৰ পৰা নমাই দেউতাকে ক'কৰ ডিঙিত বেল্টদাল লগাই দি কলে ক'ক বল ফ্লেট চাবলৈ নাযায়। জোৰকৰি টানি দিয়া দেখি ক'কই খণ্ডতে ধূলিত ওলোটা হৈ বাগৰি ওপৰলৈ ভৰি কৰি ভৰি মাৰিবলৈ ধৰিলে। দেউতাক আৰু মাকে বুজিলে ক'কৰ অলপো পচন্দ হোৱা নাই। আচলতে দাম শুনি আৰু সন্মুখত শ্বপিং মল থাকিব বুলি গম পাই দেউতাক আৰু মাকৰো পচন্দ হোৱা নাছিল। কিন্তু কফি খাই ফৰমেলিটিৰ খাতিৰত চাই আহিব খুজিছিল। চুপাৰভাইজাৰ জনক পাচত ক'কক থৈ আকৌ আহিম বুলি কৈ দেউতাক আৰু মাকে ক'কক লৈ আহি ঘৰ পালেহি। ভাত খাই থাকোতে দেউতাকে ক'লে "হেৰা গোটেই দুনীয়াত তিলতিল-মিতিলৰ দৰে নীলা চৰাই বিচাৰি ফুৰিছো কিন্তু ঘৰৰ ওচৰতে বনাই থকা আৰু সদায় দেখি থকা ফ্লেটটো চাবলৈ এবাৰো যোৱা নাই। ভাত খাই উঠি সেইটো চাম আৰু বনু গৈ কলেজৰ হোষ্টেল নোসোমোৱালৈকে আৰু ফ্লেট নাচাও।" বনুৰ মাকে শুধিলে "কোনতো ফ্লেট?" দেউতাকে কলে "কিয় আমাৰ গীতানগৰ স্টেট বেংকলৈ গলে যে হাতীগড় চাৰিআলিত গাড়ী ইউ টাৰ্ণ লৈ ঘূৰাওতে সদায় দেখা ফ্লেটতো। যোৱা সপ্তাহত বেংকলৈ যাওতে দেখিছিলো যে বহুত কাম হৈ গৈছে। কোন বিল্ডাৰ নাজানো কিন্তু চাইটত গৈ চিকিঅৰিটিক শুধিলে বিল্ডাৰৰ নাম

আৰু ফোন নম্বৰ পাই যাম।" ভাত খাই উঠি ক'কক লগত লৈ বিয়লি চাৰিমান বজাত বনুৰ দেউতাক আৰু মাক গৈ হাতীগড় চাৰিআলি পালেগৈ। কেম্পাচত সোমোৱাৰ পাচতে ক'ককৰ অতি আনন্দ। নেগুৰ জোকাৰি স্ফুৰ্তিত তৎ নাই। টাটাকে ফ্লেটৰ চিকঅৰিটিৰ পৰা চুপাৰভাইজাৰ জনৰ নম্বৰ লৈ ফোন কৰিলে। চুপাৰভাইজাৰ জনে কলে যে মই জুৰোড তিনি আলিত আছো আৰু পাচ মিনিটত পাই আছো। সচাকৈ পাচ মিনিটৰ পাচত চুপাৰ ভাইজাৰ পোদ্দাৰ আহি চাইট পালেহি। পোদ্দাৰে জনালে যে চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম মহলাত ফ্লেট খালী আছে। বলক, ফ্লেট দেখুৱাই দিওগৈ বুলি পোদ্দাৰে বনুৰ দেউতাকক কলে। বনুৰ দেউতাকে ক'কক কলে "কক তই চিকিঅৰিটিৰ লগত চকীত বহি থাক আৰু আমি ফ্লেট চাই আহোগৈ। লিফট নাই বাবে তই যাব নোৱাৰিবি।" ককয়ো কথাবোৰ বুজাৰ দৰে সন্মতি জনালে আৰু নেগুৰ মাৰিলে। চিকিঅৰিটিক ক'কক চাই থাকিবলৈ কৈ, চকী এখনত ক'কক বহাই দি বনুৰ মাক আৰু দেউতাক চুপাৰভাইজাৰৰ লগত ফ্লেট চাবলৈ ওপৰলৈ উঠি গ'ল। তিনিফালে ৰদ পৰা মুকলি আৰু আহল বহল ফ্লেট দেখি বনুৰ মাক আৰু দেউতাকৰ পচন্দ হ'ল। তললৈ নামি আহি বনুৰ দেউতাকে ককক কলে 'ক'ক ফ্লেট পচন্দ হৈছে। তই বেলকনিত বহি ৰদ লব পাৰিবি।' ক'কই মূৰজোকাৰি বুজাৰ দৰে সন্মতি জনালে আৰু নেগুৰ মাৰি আনন্দ প্ৰকাশ কৰিলে। বনুৰ মাকে কলে "আচৰিত, ককই আনবোৰ ঠাইলৈ যাওতে নিজৰ কাম আৰু বডী লেংগুৱেজৰ দ্বাৰা অপচন্দ বুজাই আছিল আৰু নিজৰ কামকাজেৰে আজি পচন্দ হোৱাটোও বুজাই দিলে। বহু কথা বুজাবলৈ ভাষা নাজানিলেও হয়।" দেউতাকে পোদ্দাৰৰ পৰা তেওলোকৰ অফিচৰ ঠিকনা আৰু ফোন নম্বৰ লৈ ফোনত যোগাযোগ কৰি অফিচলৈ যাম বুলি কৈ হাতীগড় চাৰিআলিৰ পৰা ক'কক লৈ জুৰোডৰ নিজৰ ফ্লেট পালেহি।

বিয়লি বনু আহি ঘৰ পোৱাৰ পাচত চাহ খোৱাৰ সময়ত বনুৰ মাক দেউতাকে সকলো কথা বনুক বিবৰি কলে। বনুয়ে কলে "মা আৰু ক'কৰ যেতিয়া পচন্দ হৈছে তেতিয়া হলে লোৱা উচিত। টাটাৰ কথা জানো হাঁহেৰেও ৰাজী মাহেৰেও ৰাজী। এইটো ফ্লেটত জীৱন পাৰ কৰিলেও আপত্তি নাই। কাইলৈ মোৰ মিৰ্জাত কাম আছে বাবে ৰাতিপুৱা প্ৰথমে ফ্লেটটো চাই মিৰ্জালৈ যাম আৰু ঘূৰি আহোতে বিল্ডাৰৰ অফিচত সোমাই আহিম আৰু দৰদাম সকলো ফাইনেল কৰি আহিম।" বনুৰ মাকে কলে 'মোৰো মিৰ্জাত কাম আছে। ময়ো যাম। কিন্তু ক'কক নিনিও। তাইক অকলে এৰাৰৰ অভ্যাস কৰাব লাগিব। নহলে তই যোৱাৰ পাচত মোৰ দিগদাৰ হব।" মাকৰ কথা শুনি টাটাকে বনুক কলে " বনু আজিয়েই পৰনক ৯টা বজাত আহিবলৈ কৈ থ। নহলে সি আনফালে ওলাই যাব। বনুয়ে ফোনকৰি পাচদিনা পুৱা ৯ বজাত আহিবৰ বাবে পৰনক জনাই দিলে।

পাচদিনা পুৱা ব্ৰেকফাষ্ট খাই বনু, মাক আৰু দেউতাক মিৰ্জালৈ যাবলৈ ওলাল। ক'কক সৰহকৈ মাংস, পেডিগ্ৰি, পানী, ডেণ্ট' ষ্টিক আদি দি মাকে ক'কক কলে "ক'ক তই ঘৰত অকলে থাকিব লাগিব। বিচনা পাৰি থৈ গৈছো তাতে শুই থাক আৰু ভোক লাগিলে যি মন যাই তাকে খাবি। আমি গধুলি হোৱাৰ আগতে আহি পাই যাম। তথাপি লাইট এটা জ্বলাই থৈ গৈছো। ভয় নাখাবি"। এইবুলি ক'কক ঘৰৰ ভিতৰত তলামাৰি থৈ বনু, মাক আৰু দেউতাক গৈ গাড়ীত উঠিল। দেউতাকে পৱনক ক'লে প্ৰথমে হাতীগড় চাৰিআলিৰ ষ্টেট বেংকৰ ওচৰলৈ নিয়া, তাৰ পাচত চিধা মিৰ্জা। পৱনে গাড়ী নি হাতীগড় চাৰিআলিৰ ফ্লেটৰ সন্মুখতে গাড়ী ৰখালে। বনু, দেউতাক আৰু মাক কম্পাউণ্ডৰ ভিতৰ সোমাই চিকিঅৰিটিক কৈ ফ্লেট চাবলৈ চিৰিৰে গৈ চতুৰ্থ মহলা পালেগৈ। ফ্লেট চাই বনুৰ পচন্দ হ'ল। বনুয়ে কলে সপ্তম মহলা অৰ্থাৎ টপ ফ্লৰত লোৱা। লগে লগে মাকে কলে "টপ ফ্লৰত অত্যন্ত গৰম হব। বাইদেউ হতৰ টপফ্লৰৰ ফ্লেটত গৰমৰ দিনত সোমাব নোৱাৰি।" বনুয়ে কলে তেন্তে ছয় নম্বৰ ফ্লৰত লোৱা। টাটাকে ক'লে "মই ইমান ওপৰত নলও। মই কিবা ধনেশ চৰাই নেকি যে ইমান ওপৰত বাহ সাজিম। এতিয়া দ্বিতীয় মহলাত আছো, গতিকে তৃতীয় মহলাত খালি নাই বাবে চতুৰ্থ মহলাত লব পাৰি।" তিনিওৰে কথা বতৰাৰ পাচত সিদ্ধান্ত হল যে যদি লোৱা হয় তেনে চতুৰ্থ বা ষষ্ঠ নহয় পঞ্চম মহলাত লোৱা হব। বনুৰ মতেও নহব, টাটাৰ মতেও নহব মাজৰটো ক'কৰ মত বুলি ধৰি পঞ্চম মহলাত লোৱা হব। সকলো চাইচিতি তললৈ নামি আহি বনুৰ মাকে কলে "সকলো ঠিকেই আছিল কিন্তু ৰডফেচিং এটাও খালী নাইযে। ৰড ফেচিং নহলে মোৰ লবৰ বৰ ইচ্ছা নাই।" বনুয়ে মাকক কলে " মা ৰদ পৰে, তিনিওফালে মুকলি, দুখন লিফট, জেনেৰেটৰ, চুইমিং পুল, ক্লাবঘৰ, চিলড্ৰেন পাৰ্ক, গোসাই ঘৰ সকলো থকাৰ পাচত যদি ৰডফেচিং নহয় বুলি নোলোৱা টাটাক আৰু ইয়াৰ পাচত দিগদাৰ নকৰিবা। বছৰি বছৰি দাম বাঢ়ি যাব কিন্তু ইমান ভাল ঠাইত আৰু নাপাবা। মইতো পোন্ধৰ জুলাইত অষ্ট্ৰেলিয়া যামগৈ । কিন্তু ফ্লেটৰ কথাত ভৱিষ্যতে দুয়ো তৰ্কত লিপ্ত নহবা।" ইতিমধ্যে পৱনে মিৰ্জালৈ বুলি গাড়ী দ্ৰুত গতিত গাড়ী চলাই দিলে।

মিৰ্জাত নিজৰ কাম কাজ সম্পূৰ্ণ কৰি বনু, মাক আৰু দেউতাক ঘৰলৈ বুলি গাড়ীত উঠিল। দেউতাকে কুমাৰপাৰা পাচ আলিৰ ওচৰত থকা বিল্ডাৰৰ অফিচৰ ঠিকনাটো পৱনক বুজাই দিলে। গুৱাহাটীৰ কুমাৰপাৰাৰ পাচআলি এনে এক ৰাস্তাৰ সংগম স্থল যত নেকি পাচটা ৰাস্তা বা পথ লগ লাগিছে। গুৱাহাটীত বহুতো নাম থকা তিনিআলি, চাৰিআলি আছে যদিও পাচআলি বুলি কলে সকলো মানুহে কিন্তু কুমাৰপাৰা পাচআলিৰ কথাকেই বুজে। পৱনে দ্ৰুতগতিত গাড়ী আনি বিল্ডাৰৰ অফিচৰ সন্মুখত ৰখাই দিলেহি। গাড়ীৰ পৰা নামি বনু, মাক আৰু দেউতাক বিল্ডাৰৰ অফিচলৈ সোমাই গ'ল। পোদ্দাৰে তিনিওকে বহিবলৈ দি ফ্লেটৰ এখন

ৰঙীন ব্ৰচাৰ বনুৰ মাকৰ হাতত দিলে। বনু আৰু মাকে ফ্লেটৰ বিষয়ে বহুতো খুটিনাটি কথা শুধি ললে। সকলো কথাবতৰাৰ শেষত বনুৰ দেউতাক আচল কথালৈ আহিল। কাৰণ মনিৰামে ঠেলিলেহে জীৱনৰ গতি ঘূৰে ো আৰু বনু হতৰ সকলোৰে সপোন পূৰণ হবৰ বাবেও সবচে বৰা ৰূপয়া। পোদ্দাৰে কলে যে ৩৫০০টকা প্ৰতিস্কোৱাৰ ফুটত লাগিব। দেউতাকে কলে "গুৱাহাটীত এতিয়া ২৮০০ -৩০০০ ৰেট চলি আছে। মই ৩০০০ টকা স্কোৱাৰ ফুট হলে লম।" বিল্ডাৰ সন্দিপে কলে নাই, নাই নহব। বনুৰ দেউতাকে পোদ্দাৰক কলে মোৰ ৰেটত যদি দিব পাৰে তেন্তে ফোন কৰি জনাব, মই বুকিং মানি দি যামহি। এই বুলি বনু, মাক আৰ তাতাক ঘৰ পালেহি। ঘৰৰ দুৱাৰ খোলাৰ লগে লগে নেগুৰ মাৰি মাৰি ক'ক জপিয়াই আগবাঢ়ি আহিল। বনুয়ে মৰমতে ক'কক কোলাত তুলি ললে। মাকে খোৱা বস্তুলৈ চাই ক'লে "কক তই একো নাখালি দেখোন। এতিয়া কি খাৱ খা। আমি আহিলো নহয়।" বনুয়ে ক'কক কোলাৰ পৰা নমাই দিলে আৰু ক'কই আনন্দ মনেৰে খোৱাত লাগিল।

এদিন দুদিনকৈ সময় পাৰহৈ যাবলৈ ধৰিলে। বনুয়ে নিজৰ কামত ব্যস্ত হোৱাৰ লগতে অষ্টেলিয়ালৈ যাবৰ বাবে যোগাৰ পাতি আৰম্ভ কৰিলে। মাকৰ লগত ফাচীবজাৰলৈ গৈ এপদ দুপদকৈ বস্তু বাহানি কিনা আৰম্ভ কৰিলে। বনুৰ দেউতাক আৰু মাকো নিজৰ কামত ব্যস্ত হৈ পৰিল। ক'কই আবেলি-গধুলি সময়ত টাটাকৰ লগত গাড়ীত ফুৰি মাক আৰু বনুয়ে গম নোপোৱাকৈ জেবিজৰ পেৰা আৰু কাজু বৰফি খাই গ'ল। নতুন ফ্লেটৰ আশা মনৰ পৰা সকলোৱে কিছুদিনলৈ বাদ দিলে। দহ বাৰদিন মান পাচত হঠাৎ পোদ্দাৰৰ পৰা ফোন আহিল। দাদা ফ্লেটতো লয় যদি ৩৩০০ টকা স্কোৱাৰ ফুট হিচাবে দিম। বনুৰ দেউতাকে কলে মই ৩০০০ টকা প্ৰতি স্কোৱাৰ ফুটতকৈ বেছি দিব নোৱাৰিম। মোৰ বাজেটত নুকুলাই। কথা বতৰা চলি থকা সময়তে ক'ক আহি টাটাকৰ ভৰিৰ ওচৰত বহি ভৌভৌকৈ বুজাই দিলে যে আজি ফ্লেট লোৱাটো ফাইনেল কৰা নহলে বনু যোৱাৰ পাচত আৰু নহব। ক'কৰ কথা শুনি বনুৰ দেউতাকে পোদ্দাৰক কলে " চাওক আজিৰ ভিতৰত যদি ফাইনেল নহয় মই আৰু নলও বুলি ধৰক। মই শেষ অফাৰ হিচাবে আপোনাৰ ৩৩০০ আৰু ৩০০০ ৰ গড় ৩১৫০টকা দিব পাৰিম। যদি হয় আপোনালোকে নিজৰ ভিতৰত কথাপাতি জনাই দিব, নহলে আৰু ফোন কৰিব নালাগে।" এইবুলি টাটাকে ফোন থৈ অফিচলৈ যাবলৈ সাজু হ'ল। অফিচ পোৱাৰ পাচত টাটাকে পুনৰ পোদ্দাৰৰ পৰা ফোন পালে। "দাদা অপোনাৰ ৰিকুৱেষ্ট ৰাখিলো আৰু ৩১৫০ টকাত ফ্ৰিজ কৰিলো। আপুনি বুকিঙৰ চেকখন দি যাওকহি আৰু দুই তিনি দিনতে আমি এগ্ৰিমেণ্ট ফৰ চেল ৰেজিষ্টাৰ্ড কৰি লম। ফ্লেটৰ ৭৫ শতাংশ কাম হৈ গৈছে, গতিকৰ এবছৰৰ ভিতৰত নতুন ফ্লেটতত সোমাব পাৰিব।" বনুৰ দেউতাকে মাকক আৰু বনুক ফোন কৰি কথাটো জনালে

লগতে মাকক কলে যে গধুলি বুকিঙৰ চেক দিবলৈ দুয়ো যাব। খবৰটো শুনি বনু আৰু মাকৰ মনত ষ্ফূৰ্তি লাগিল। আবেলি ঘৰত চাহ জলপান খাই বনুৰ দেউতাকে মাকক কলে, সোনকালে ওলোৱা বুকিঙৰ চেকখন দি লেঠা মাৰি আহো। তেনেতে বনুও আহি ঘৰ পালেহি আৰু বনুয়ে কলে , মই নাযাও, মই ক'কক ৰখি ঘৰতে থাকিম। টাটাকে কলে তেনে তই কক্‌ক ফুৰাই আনিবি। দেউতাকে মাকক ক'লে "তোমাৰ চেকবুক খনো লৈ লবা। যিহেতু আমি যুটীয়া নামত ফ্লেটটো কিনিম বুকিঙৰ সময়ৰ পৰাই আধা আধা পেমেণ্ট কৰি যাম যাতে পাচত একো দিগদাৰ নহয়।" ক'কক বনুৰ লগত এৰি বনুৰ মাক আৰু দেউতাক দুয়ো বিল্ডাৰৰ অফিচলৈ বুলি ৰাওনা হ'ল। বিল্ডাৰৰ অফিচত গৈ দুয়ো পোদ্দাৰৰ হাতত চেক দুখন দিলে আৰু পোদ্দাৰে দুখন ৰিচিপট দি দুয়োকে বিদায় দি কলে যে অহা সপ্তাহত এগ্ৰিমেণ্ট ফৰ চেল ৰেজিষ্টাড কৰা হব। আনন্দ মনেৰে বনুৰ দেউতাক আৰু আৰু মাক ঘৰলৈ ওভতিল। হাইকৰ্টৰ ওচৰ পাই বনুৰ দেউতাকে কলে "ক'কৰ কাৰণে পেৰা কেইটামান লৈ যাও।" বনুৰ মাকে কলে "নালাগে, ডাক্টৰে মিঠাই খুৱাব মানা কৰিছে নহয়। তুমি মিঠাই খুৱাই খুৱাই ক'কক বেয়া কৰাৰ লগতে বেমাৰীও কৰিবা।" বনুৰ দেউতাকে কলে "আজি খাওক দিয়া। সকলোৰে পচন্দৰ ফ্লেট বুক কৰিছো যেতিয়া সকলোৱে মিলি ঘৰত মিঠাই খাম।" বনুৰ দেউতাকে এইবুলি জেবিজৰ আগত গাড়ী ৰখাই ক'কৰ প্ৰিয় পেৰা আৰু কাজুবৰ্ফি কিনি ঘৰ পালগৈ। ঘৰত বেল বজোৱাৰ লগে লগে বনুয়ে দুৱাৰ খুলি দিলে। টাটাকৰ হাতত জেবিজৰ পেকেট দেখি ক'কই ভুকিবলৈ আৰম্ভ কৰিলে। মাকে এটা পেৰা আৰু এটা কাজুবৰ্ফি পেকেটৰ পৰা উলিয়াই সৰু সৰুকৈ ভাঙি ক'কক খাবলৈ দিলে যদিও ক'কই চকুৰ পচাৰতে খাই পেলালে। বনুয়ে কলে আজি ফ্লেট বুকিং কৰা হ'ল যেতিয়া নাগা কিচেনতে অৰ্ডাৰ দিও। নাগা কিচেনৰ খাদ্য বনুৰ বৰ প্ৰিয় যি দৰে জেবিজৰ মিঠাই ককৰ প্ৰিয়। বনুয়ে ফোনকৰি অৰ্ডাৰ দিলে আৰু এঘণ্টা মান পাচত নাগা কিচেনৰ লৰা এজনে খোৱাবস্তু আনি ঘৰত দি গলহি।

এদিন দুদিনকৈ বনুৰ অষ্ট্ৰেলিয়া যোৱাৰ সময় পালেহি। ১১জুলাই ২০১৩, বনুৰ মাকে অনিমালৈ ফোন কৰিলে "অনিমা আমি ১৩ তাৰিখে পুৱাই দিল্লীলৈ যাম। গতিকে কাইলৈ আবেলি ক'কক তোমাৰ তাত থৈ আহিমগৈ। তুমি আবেলি সময়ত কলৈকো নাযাবা।" বনু অকলে অষ্ট্ৰেলিয়া যাব বুলি মাকৰ মনত অনেক শংকা। মাজে মাজে বনুৰ মাকে কথাটো উনুকিয়াই দিলে বনুৰ খং উঠে। বনুয়ে মাকক কয় "মা মই কলেজৰ পৰা অকলে চেমিনাৰ কৰিবৰ বাবে দুবাৰ আমেৰিকালৈ আৰু এবাৰ ইউৰোপলৈ গৈছো। ইউৰোপলৈ টিম লিডাৰ হিচাবে যাওতে মস্কোত কনেকটিং ফ্লাইট দেৰীকৈ গৈ পোৱাৰ পাচতো সময়মতে টিম নি চেমিনাৰ পোৱাই দিছো। গাড়ী চলাই গোটেই টিমক ইউৰোপ ফুৰাই আনিছো, তুমি অযথা চিন্তা

কৰি কথা শুনাই নিজৰ আৰু মোৰ মূৰ নাখাবা। টাটাৰ নিচিনা বিন্দাচ থাকা।" দেউতাকে বনুক কলে "বনু, নিজৰ একমাত্ৰ ছোৱালী বিদেশলৈ গলে মাক বাপেকে চিন্তা কৰিবই। মাৰে যেনিবা মুখেৰে কৈ থাকে মই যেনিবা একো নকও। যোৱালৈকে মাক জীয়েকে কাজিয়া পেচাল নকৰিবি।"

বাৰ তাৰিখে বিয়লি বনু , বনুৰ মাক আৰু দেউতাকে ক'ককলৈ মিৰ্জালৈ বুলো যাত্ৰা কৰিলে। দেউতাকে পৰনক কলে "কোনো দৌৰা দৌৰি নাই, আৰামচে গাড়ী লাহে লাহে চলোৱা। ক'কই বাহিৰলৈ চাই যাওক।" মিৰ্জা পাই ক'কক অনিমাৰ হাতত গতাই দি ক'কক কেনেকৈ চাব লাগিব একে কথাখিনি বনুৰ মাকে তিনিবাৰ মান বুজালে। অনিমাই কলে বাইদেউ চিন্তা নকৰিব আগৰবাৰৰ দৰে ভালকৈয়ে ৰাখিম। ক'কক মৰম কৰি বনু, বনুৰ দেউতাকে কথাবোৰ বুজাই দিলে। বনু বহুদিনৰ বাবে যাব বুলি ক'কই মনটো মাৰি পেলালে। বনুয়েও ককলৈ চাই চকুপানী টুকিলে। পৰনে সকলোকে লৈ গুৱাহাটীলৈ উভতি আহিল। যাবৰ সময়ত বনুৰ দেউতাকে পৰনক কলে, কাইলৈ কাটাই কাটাই ৭বজাত পাই যাবাহি। ৮বজাত এয়াৰপৰ্ট পাবগৈ লগিব।

পাচদিনা পুৱা বনু, দেউতাক আৰু মাকক লৈ পৰনে এয়াৰপৰ্টলৈ বুলি যাত্ৰা কৰিলে। এয়াৰপৰ্টত বনু হতক নমাই দিয়াৰ পাচত দেউতাকে পৰনক কলে "পৰন, আমি ঘূৰি অহা তাৰিখটো তোমাক ফোনকৰি জনাই দিম। আমাক এয়াৰপৰ্টৰ পৰা উঠাই লোৱাৰ পাচত ক'কক মিৰ্জাৰ পৰা লৈ ঘৰলৈ যাম।" পৰনৰ পৰা বিদায়লৈ বনুহত সকলো দিল্লীলৈ যাবৰ বাবে এয়াৰপৰ্টৰ ভিতৰলৈ সোমাই গল। দিল্লী পাই বনুহত পোনো পোনে অসম পৰ্য্যটন নিগমৰ অনুমোদিত গ্ৰীণপাৰ্কত অৱস্থিত স্বাগতম অতিথিশালা পালেগৈ। গৈ পাই হাত মুখ ধুই বনুয়ে নিজৰ বান্ধৱী আনালৈ ফোন কৰিলে। এঘণ্টামান পাচত গাড়ী চলাই লগত বুবু আৰু হুগক লৈ আনা আহি গেষ্ট হাউচ পালেহি। বনুৰ মাক আৰু দেউতাকৰ হাতত সিহতক গতাই দি বনু আৰু আনা ওলাই গ'ল। যাবৰ সময়ত মাকে দহাই দহাই বনুক কলে "দিল্লী ছোৱালীৰ বাবে সুৰক্ষিত নহয় সোণকালে ঘূৰি আহিবি।" বনু যোৱাৰ পাচত মাকে বুবু আৰু হুগৰ লগত খেলাত লাগিল আৰু বনুৰ দেউতাক আৰাম কৰিবৰ বাবে বিচনাত উঠিল। ৰাতি ন বজাত ভাতপানী খাই উঠাৰ পাচত চাওতে চাওতে নিশা দহ বাজিল। মাকে বাৰে বাৰে বনুলৈ ফোন মাৰিলে। বনুয়েও গৈ আছো গৈ আছো বুলি কৈ থাকিল। লাহে লাহে মাকৰ উচপিচনি বঢ়াত দেউতাকেও বুনলৈ ফোন কৰিলে। অবশেষত এঘাৰ বজাত বনু আৰু আনা আন দুজনী বান্ধৱী সহ গেষ্ট হাউচ পালেহি। বনুক নমাই দি বুবু আৰু হুগক লৈ আনা হত গুচি গ'ল। আনাহত যোৱাৰ পাচত বনুয়ে মাকক কলে "বাৰে বাৰে কিয় ফোন কৰি আছিলা। অষ্ট্ৰেলিয়া যামগৈ বাবে লগৰবোৰে পাৰ্টি দিছিল। মই আধাতে আহিব নোৱাৰো নহয়। নিজৰ সুৰক্ষাৰ কথা আমি জানো নহয়।" কথাত

কথা বাঢ়ি বনু আৰু মাকৰ মাজত তৰ্কযুদ্ধ লাগিল। বনুয়ে যেতিয়া কলে সৰুতে চটপ চটপ মাৰিছিলা আৰু এতিয়া সৰু কথাতে গালি। তৰ্ক আৰু বাঢ়িব পাৰে বুলি দেউতাকে কলে "শুন বনু তোৰ ভালৰ বাবে সৰুতে চাট দিছিল আৰু ডাঙৰ হোৱাৰ পাচত গালি। সেয়ে তই আজি অষ্ট্ৰেলিয়াত পঢ়িবৰ বাবে যাবলৈ যোগ্য হলিম নহলে তয়ো সেই সাধুটোৰ চোৰৰ দৰে বৰ্বাদ হলি হয়। সৰুতে আমি এটা সাধু পঢ়িছিলো। এদিন এজন ৰজাই বিচাৰ কৰি ৰাজ্যৰ এজন গভাইট চোৰক শূলত দিয়াৰ আদেশ দিলে। ৰজাৰ আদেশ পাই চিপাহীয়ে চোৰটোক শূলত দিবৰ বাবে  টানি নিবলৈ ধৰোতে চোৰটোৱে চিঞৰি চিঞৰি কলে 'মহাৰাজ মোৰ লগতে মোৰ মাকো শূলত দিব লাগ।" ৰজাই কলে ই আকৌ কেনে কথা, তোৰ মাৰকো কিয় শূলত দিব লাগে?' চোৰটোৱে কলে মহাৰাজ মই প্ৰথমে স্কুলৰ পৰা ৰবৰ চোৰ কৰিছিলো। মায়ে কথাটো গম পাই লুকুৱাই থলে আৰু দেউতাক নকলে বা মোক শাস্তি নিদিলে। লাহে লাহে মই পেঞ্চিল, কিতাপ আদি চোৰ কৰাত ধৰিলো। মায়ে লুকুৱাই থলে। পাচত মই আনৰ টকা পইচা, সোণৰ গহণা আদি চোৰ কৰাত ধৰিলো আৰু এটা গভাইট চোৰ হ'লো। প্ৰথম দিনা  চোৰ কৰোতে মায়ে যদি কাণত ধৰি এচাট দিলে হয়, নতুবা দেউতাক কৈ এপিটন দিয়ালে হয়  মই নিশ্চয় দ্বিতীয়বাৰ চোৰ নকৰিলো হয় মোৰ মা মোৰ লগতে মই গভাইট চোৰ হোৱাত সমানে দায়ী। চোৰটোৰ কথা শুনি ৰজাই চোৰটোৰ মাককো শূলত দিয়াৰ আদেশ দিলে। তই যাতে ভৱিষ্যতে বেয়া কাম নকৰ, বিপদত নপৰ সেইবাবে মাৰ তোক শাসন কৰিছিল আৰু তাত মোৰ সম্পূৰ্ণ সমৰ্থন আছিল। যেতিয়া তোৰ নিজৰ লৰা ছোৱলী হব তয়ো একে কামেই কৰা উচিত। দেউতাকৰ কামোৰ খাই বনু আৰু মাক দুয়ো একেলগে শুই পৰিল। কাষৰ বিচনাত বাপেকো শুই পৰিল।

পাচদিনা পুৱা ব্ৰেকফাষ্ট খাই বনু, দেউতাক আৰু মাক ইন্দিৰা গান্ধী আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ কাৰ্গ টাৰমিনেল পালেগৈ। কাৰ্গ টাৰমিনেলৰ নিৰ্দ্দিষ্ট বুকিং কাউণ্টাৰত গৈ বনুয়ে নিজৰ অতিৰিক্ত বস্তু বাহানি খিনি বুক কৰি দিলে। প্ৰেছাৰ কুকাৰৰ পৰা ব্লেংকেটৰ পৰা কাহি বাটি পৰ্য্যন্ত সকলো বস্তু বনুয়ে বুকিং কৰা পেকেটত ভৰাই দিছিল। কাৰণ তাহাতৰ হোষ্টেলত নিজে ৰান্ধি খাব লাগিব। হোষ্টেলত গেচ, ফ্ৰিজ, ইনডাকচন হিটিং সকলোৰে সু ব্যৱস্থা আছে যদিও চেলফ চাৰ্ভিচ। নিজে বনাই নিজে খাব লাগিব। কোনো কুক বা ৰান্ধনী নাই। বস্তু খিনি বুক কৰি দেউতাকে বনুক কলে, কাইলৈ তোক বিমানত উঠাই দি আমিও গুৱাহাটীলৈ ঘূৰি যাম। দিল্লীত থাকিলে মন চন বেয়াহে লাগিব। এয়াৰপৰ্টৰ পৰা ঘূৰি গৈ জাংগল ট্ৰেভেলচৰ প্ৰিয়ংকাক টিকট কাটি মেইলত পঠাবলৈ কৈ দিম। গ্ৰীণপাৰ্কৰ গেষ্ট হাউচ পাই দেউতাকে প্ৰিয়ংকাক টিকট কৰিবলৈ কলে। মেইল যোগে টিকট অহাৰ পাচত দেউতাকে পৰনক ফোন কৰি এয়াৰপৰ্টলৈ আহিবলৈ কলে। গধুলি সময়ত বনু, দেউতাক আৰু মাক তিনিও চাকেটৰ জনপ্ৰিঅয় শ্বপিংমল

চিলেক চিটি ৰাক পালেগৈ। বনুয়ে তাত শেষমূহুৰ্তৰ বজাৰ সমাৰ কৰি লোৱাৰ পাচত তিনিও তাতে নিশাৰ আহাৰ খাই গ্ৰীণপাৰ্কলৈ উভতি গল। বনু পাচদিনা অষ্ট্ৰেলিয়াৰ চিডনি চহৰলৈ পঢ়িবৰ বাবে গুচি যাব কাৰণে বনুৰ মাক আৰু দেউতাকৰ মন বিষাদৰে ভৰা। সেয়ে গেষ্ট হাউচ পাই তিনিও শুই পৰিল। তাতে পাচদিনা পুৱা ৭বজাতে এয়াৰপৰ্টলৈ যাব লাগিব। সেয়ে পুৱা ৫ বজা মানতে শুই উঠিব লাগিব।

পুৱা শুই উঠি তিনিও খৰধৰকৈ ৰেডি হৈ ইন্দিৰা গান্ধী আন্তৰাষ্ট্ৰীয় বিমান বন্দৰ পালেগৈ। বনুক সুৰক্ষা বেষ্টনীত সুমুৱাই দিয়াৰ সময়ত বনু, মাক আৰু দেউতাকৰ চকু লোতকেৰে ভৰি পৰিল। বনু ভিতৰলৈ সোমাই যোৱাৰ পাচত বনুৰ মাক দেউতাকেও সুৰক্ষা নিৰীক্ষণৰ পাচত গুৱাহাটী অভিমুখে যাবলগা বিমানৰ প্ৰস্থান দুৱাৰলৈ খোজ ধৰিলে। কিছু সময় পাচত বনুয়ে দেউতাকক ফোন কৰি জনালে যে তাইৰ বিমান উৰণৰ বাবে সাজু হৈছে। মাকক মাত দি বনুয়ে নিজৰ ফোনটো চুইচ অফ কৰি দিলে। মাকে মনৰ দুখত চকু চলচলীয়া কৰি বনুৰ দেউতাকলৈ চালে। দেউতাকৰ চকুতো চকুলো।

বনুৰ মাক দেউতাকক আনিবৰ বাবে গুৱাহাটী বিমান বন্দৰৰ বাহিৰত পৱন ৰৈ আছিল। গাড়ীত উঠি বনুৰ দেউতাকে কলে "পৱন মিৰ্জালৈ ব'লা। ক'কক লৈ আহোগৈ।" মিৰ্জা পাই অনিমাৰ হাতৰ পৰা ক'কক লৈ বনুৰ মাক আৰু দেউতাক নিজৰ ফ্লেট পালেগৈ।

# চতুৰ্থ অধ্যায়

## ক'কৰ দ্বিতীয় জীৱন যুজ

এদিন দুদিনকৈ সময় পাৰহৈ গৈ ২০১৩ চনৰ ২২ আগষ্ট আহি পালেহি। ক'কৰ প্ৰথম জন্মদিন। বনু যোৱাৰ পাচত বনুৰ মাক দেউতাকৰ ক'ক অতিকে বুকুৰ আপোন হৈ পৰিছিল। গতিকে ক'কৰ জন্মদিন বাবে দেউতাকে জেবিজৰ পেৰা, শ্বেখব্ৰাডাৰ্চৰ কেক, বেলুন, মম সকলো আনি জন্মদিন পালনৰ বাবে সাজু হ'ল। কিন্তু ক'কৰ মনত ইমান উৎসাহ নাই। নিজৰ প্ৰিয় মিঠায়ো খুজি খুজি নাখালে। ক'কৰ আকৌ হঠাতে কি হ'ল। মাক বাপেক দুয়ো চিন্তাত পৰিল। ক'কই যেতিয়া কেইদিনমান মাংস, মিঠাই নোখোৱা হ'ল দেউতাকে ক'কক পেট এণ্ড ভেটলৈ লৈ গ'ল। জুনিয়ৰ ডাক্টৰণী গৰাকীয়ে কলে চাৰ দিল্লীলৈ গৈছে দুসপ্তাহ পাচত হে আহিব। এই গজমি ঔষধটো খুৱাওক চিন্তা কৰিব নালাগে। দুসপ্তাহ পাচত চাৰ আহিলে আকৌ এবাৰ দেখুৱাই যাবহি। হজমি খুওৱাৰ পাাচতো ক'কই একো নাখালে আৰু দিনে দিনে দুৰ্বল হৈ পৰিল। মন ভাল লগাবলৈ বনুৰ দেউতাক মাকে ক'কক জেবিজৰ ওচৰলৈ লৈ গ'ল। কিন্তু ক'কই ভুকাটো দূৰৰে কথা জেবিজৰ ফালে ঘূৰিয়েই নাচালে। বনুৰ মাক দেউতাক চিন্তাত পৰিল। পেট এণ্ড ভেটৰ ডা: শৰ্মা আহিবলৈ এতিয়াও এসপ্তাহ বাকী। বনুৰ দেউতাকে মাকক কলে "কাইলৈ ৰাতি পুৱাই ক'কক লৈ খানাপাৰাৰ ভেটেনেৰী কলেজলৈ যাম। তালৈ নি ভালদৰে চেক আপ কৰাব লাগিব। নহলে ক'কৰ গতি বেয়া দেখিছো। পৰনক আজিয়েই কৈ থম কাইলৈ ৰাতিপুৱা আঠ মান বজাতে আহিবৰ বাবে।" বনুৰ মাকে দেউতাকৰ কথাত মূৰ জোকাৰিলে। ঘৰপায়েই বনুৰ দেউতাকে ফোনকৰি পৰনক পাচদিনা আহিবৰ বাবে জনাই দিলে।

পাচদিনা পুৱা শুই উঠি বনুৰ মাক দেউতাক খানাপাৰাৰ ভেটেনেৰী কলেজ যাবৰ বাবে সাজু হ'ল। ইফালে ৰাতিৰ ভিতৰতে ক'ক আৰু অধিক দুৰ্বল হৈ পৰিল। পৱন আহিপোৱাৰ লগে লগে ক'কক লৈ বনুৰ মাক দেউতাক খানাপাৰালৈ বুলি ধাপলি মেলিলে। খানাপাৰাৰ পশুচিকিৎসা মহাবিদ্যালয়ৰ বহিবিভাগত(Outdoor) নাম ভৰ্তি কৰি ক'কৰ মাক দেউতাক বাহিৰৰ বেঞ্চত ক'কৰ নাম অহালৈ অপেক্ষা কৰিলে। ইতিমধ্য এটা দুটাকৈ অহা বিভিন্ন প্ৰজতিৰ কুকুৰেৰে চিকিৎসালয় ভৰি পৰিল। তাৰ ভিতৰত BSF, CRPF আৰু CISFৰ কেইবাটাও স্নিফাৰ ডগ আছিল। ক'কক ভালদৰে পৰীক্ষা নিৰীক্ষা কৰি উঠি ডা: মনিকাই ক'লে "খুউব দুৰ্বল হৈছে। এতিয়া পৰীক্ষাৰ বাবে তেজ লম আৰু লগতে এটা চেলাইন দিব লাগিব। তেজৰ ৰিৰ্পট সমূহ পোৱাৰ পাচতহে আচল ঔষধ দিবপৰা যাব। মেডিচিনৰ প্ৰফেচৰ কলিতা চাৰেও এবাৰ চাই

লওক।" এইবুলি ডা:মনিকাই প্ৰফেচৰ কলিতাক মাতি আনিলেগৈ। প্ৰফেচৰ কলিতাই ক'কক চাবলৈ অহাৰ লগে লগে ভেটেনেৰী পঢ়ি থকা বহুতো ছাত্ৰ ছাত্ৰী ক'কৰ ওচৰ পালেহি।
ক'কক পৰীক্ষা কৰি প্ৰফেচাৰ কলিতাই ডা:মনিকাক কলে "চাচপেকটেড বেবেচিয়া। তোমাৰ লাইন অব একচন ঠিকেই আছে। ব্লাড কালেকচনৰ বাবে সৰঞ্জাম সমূহ কিনি আনিব দিয়া আৰু এটা চেলাইন দি দিয়া। কাইলৈ পুৱা ব্লাডৰ ৰিৰ্পট অহাৰ পাচত আচল চিকিৎসা আৰম্ভ হব।" প্ৰফেচাৰ কলিতাৰ কথামতে ডা:মনিকাই ফাৰ্মাচীৰ পৰা কি কি কিনি আনিব লিখি দিলে। লগতে ব্লাড টেষ্টৰ বাবে প্ৰয়োজনীয় মাচুল নগদ প্ৰাপ্তিৰ খিড়িকিত জমাদি ৰচিদ খন লৈ আহিবলৈ কলে। বনুৰ দেউতাকে ওচৰৰ ফাৰ্মাচীৰ পৰা সকলো কিনি কেচ কাউণ্টাৰত প্ৰয়োজনীয় ফিজ জমাকৰি আনি ডা: মনিকাৰ ওচৰ পালেহি। ডা:মনিকাই প্ৰেচকিপচন সহ সকলো সামগ্ৰী কম্পাউণ্ডাৰ আলিৰ হাতত দি ক'কক এখন পৰীক্ষা নিৰিক্ষা কৰা আৰু চেলাইন দিয়া টেবুলৰ ওপৰত বহাই দিবলৈ কলে। ডা:মনিকাৰ কথামতে সকলো কৰি বনুৰ মাক আৰ দেউতাক ক'কক বহাই দিয়া টেবুলৰ ওচৰত থিয়হৈ থাকিল। কিছু সময় পাছত আলি আহি ক'ক বহি থকা টেবুলৰ ওচৰ পালহি আৰু তেজ সংগ্ৰহ কৰিবৰ বাবে ক'কক ধৰিবলৈ কলে। বনুৰ দেউতাক, মাক আৰু পৱনে জোৰেৰে ক'কক ধৰি থাকিল আৰু আলিয়ে ক'কৰ তেজ সংগ্ৰহ কৰি টেষ্ট টিউবত ভৰাই দেউতাকক তেজ পৰীক্ষাগাৰত জমা দি আহিবলৈ কলে। আলিয়ে আন এজন সহায়কাৰীক ক'কক ধৰিবৰ বাবে মাতি আনিলে আৰু বনুৰ দেউতাক তেজ দিবলৈ বুলি লেবৰেটৰীলৈ গ'ল। আলিয়ে ক'কৰ দেহত চেলাইন লগাই থকাৰ সময়তে বনুৰ দেউতাক ঘূৰি আহি ক'কৰ ওচৰ পালেহি। সৰু কুকুৰ হোৱা বাবে সহজে শিৰ নোপোৱাত বহুবাৰ খুচিব লগা হোৱাত ক'কৰ চকুপানী ওলাই আহিল। ক'কৰ চকুপানী দেখি মাকৰো চকুত চকুলো ওলাল। বহু কষ্টৰ অন্তত আলিয়ে কামটো সমাধান কৰি কলে যে চেলাইন শেষ হোৱাৰ আগে আগে মোক মাতি দিব। মই আহি খুলি দিম। চেলাইন শেষ হবলৈ দুঘণ্টা মান লাগিব। ক'কক মাকে ভৰিৰ ফালে আৰু দেউতাকে মূৰৰফালে ধৰি থাকিল যাতে ক'কই লৰচৰ কৰিব নোৱাৰে। সময় মন্থৰ গতিৰে আগবাঢ়িল। বনুৰ দেউতাক মাকে বাৰে বাৰে চেলাইনটোলৈ চাই থাকিল। মাজে মাজে পৱনে আহি ক'কক ধৰি দিলেহি যাতে বনুৰ মাক আৰু দেউতাক টয়লেটলৈ যাব পাৰে। বহু প্ৰতীক্ষাৰ অন্তত অৱশেষত চেলাইন শেষ হও হও হ'ল। বনুৰ দেউতাকে দৌৰি গৈ আলিক খবৰটো দিলে। আলিয়ে আহি চেলাইনৰ বেজী পাইপ আদি খুলি দিলে। ক'কক লৈ বনুৰ দেউতাক, মাক ঘৰ পালেহি। দেউতাকে পাচদিনা পুৱা আঠ বজাত আহি ফ্লেট পাবৰ বাবে পৱনক জনাই দিলে।

পাচদিনা পুৱা আঠ বজাত পৰন আহি বনুহতৰ ঘৰত উপস্থিত হলহি। বনুৰ মাক দেউতাকে ক'কক লৈ খানাপাৰাৰ ভেটেনেৰী কলেজ হস্পিতাললৈ যাত্ৰা কৰিলে। কাউণ্টাৰত ক'কৰ নাম ভৰ্তি কৰি বনুৰ দেউতাকে কাগজখন নি ডা: মনিকাৰ হাতত দিলেগৈ। ডা: মনিকাই বনুৰ দেউতাকক কলে "আপুনি ওপৰৰ লেবৰেটৰীৰ পৰা ব্লাডৰ ৰিৰ্পটো লৈ আহক। কলিতা চাৰ আহি পালেই তেখেতক দেখুৱাই ক'কৰ চিকিৎসা আৰম্ভ কৰিম।" ডা: মনিকাৰ কথা শুনি বনুৰ দেউতাক ৰিৰ্পট আনিবৰ বাবে লেবৰেটৰীলৈ গ'ল আৰু বনুৰ মাকে পৰনৰ লগত এখন পৰীক্ষা নিৰীক্ষা কৰা টেবুলৰ ওপৰত বহাই দি ক'কক ৰখি থাকিল। বনুৰ দেউতাকে লেবৰেটৰীৰ পৰা তেজ পৰীক্ষাৰ ৰিৰ্পট লৈ আহি ডা:মনিকাৰ হাতত দিলে। ডা:মনিকাই ৰিৰ্পটটো চাই ক'লে "আমি সন্দেহ কৰাটোৱেই হৈছে। ক'কৰ বেবেচিয়া হৈছে। চাৰ আহিছেই বলক তেওৰ ওচৰলৈ যাও আৰু ৰিৰ্পটটো দেখুৱাই কথা পাতি লওঁ।" এই বুলি ডা:মনিকা আৰু বনুৰ দেওতাক প্ৰফেচৰ কলিতাৰ ওচৰ পালেগৈ।

প্ৰফেচৰ কলিতাই ৰিৰ্পটটো চাই কলে "বেবেচিয়া হৈছে আৰু হিমগ্লবিন ৪ৰ তল পালেগৈ। আৰু এদিন বা দুদিন দেৰী হলেই দিগদাৰ আছিল। এতিয়া চিকিৎসা পালে ঠিক হৈ যাব। কেৱল চিকিৎসাহে দীঘলীয়া হব।" এই বুলি প্ৰফেচাৰ কলিতাই দৰবৰ নাম আৰু পৰিমানৰ কথা ভা:মনিকাক কৈ গ'ল আৰু ডা:মনিকাই শ্ৰুতলিপি মতে প্ৰেচকিপচনত লিখি গ'ল। বনুৰ দেউতাকে প্ৰফেচাৰ কলিতাৰ চেম্বাৰৰ পৰা ওলাই আহি ডা:মনিকাক শুধিলে "বেবেচিয়া বেমাৰটো নো কি বেমাৰ। নামো শুনা নাছিলো ইয়াৰ বিষয়ে একো নাজানোও।" ডা:মনিকাই কবলৈ আৰম্ভ কৰিলে "বেবেচিয়া এবিধ পেৰাছাইট আৰ ই চিকৰা/উৰহ জাতীয় পোকৰ দ্বাৰা কুকুৰ বা আন জীৱ জন্তুলৈ সংক্ৰমিত হয় যেনেদৰে মহৰ দ্বাৰা মেলেৰিয়া সংক্ৰমিত হয়। এই ৰোগ হ'লে তেজৰ লোহিত ৰক্ত কণিকা নষ্ট হৈ যায় আৰু হিমগ্লবিন কমিযায়, বমি হয়, ভোক নাইকিয়া হয় শেষত মৃত্যু হয়। গোটেই বিশ্বতে প্ৰতিবছৰে এই ৰোগত অসংখ্য ঘৰচীয়া জীৱজন্তুৰ মৃত্যু হয়। আমাৰ অসমৰ জলবায়ু বেবেচিয়াৰ বাবে অতি সাৰুৱা আৰু গৰমৰ দিনত ইয়াৰ প্ৰকোপ বেছি হয়। ভাগ্য ভাল সময়মতে ধৰা পৰা বাবে চিকিৎসাৰ পাচত ক'ক ভাল হৈ যাব। ক'কক এতিয়া ১৪দিন চেলাইনৰ লগত এণ্টিবায়টিক দিব লাগিব। লগত বেবেচিঅয়াৰ ঔষধ আজি এবাৰ আৰু ১৪ দিন পাচত এবাৰ। তাৰ লগতে আয়ৰণ, ভিটামিন, বমি নহবৰ বাবে এণ্টাচিড থাকিব। ১৪ দিনত পুৱা এটা আবেলি এটা মুঠ ২৮ টা চেলাইন দিব লাগিব। আপুনি প্ৰথমে এসপ্তাহৰ ঔষধ ফাৰ্মাচীৰ পৰা কিনি আনক। বাকী খিনি এসপ্তাহ পাচত কিনিব।" ১৪ দিনত ইমান সৰু কুকুৰটোৱে ২৮টা চেলাইন লব লাগিব বুলি শুনি বনুৰ মাক আৰু দেউতাকৰ

মন বিষাদেৰে ভৰি পৰিল। ফাৰ্মাচীৰ পৰা ঔষধ কিনি আনি বনুৰ দেউতাকে ঔষধ খিনি ক'কক বহাই থোৱা টেবুল খনত থৈ আলিৰ হাতত প্ৰেচকিপচন দি আহিলগৈ।

কিছু সময়ৰ পাচত আলি আহি ক'কক চেলাইন দিবৰ বাবে খোচা আৰম্ভ কৰিলে। এটা ভৰিত ভেইন নাপাই দ্বিতীয় এটা ভৰিত চেষ্টা কৰিলে। অৱশেষত আলি সফল হ'ল। ক'কৰ কষ্ট দেখি বনুৰ মাক দেউতাকৰ চকুপানী ওলাল। ককয়ো কৰুণ চকু হালেৰে নিজৰ শৰীৰৰ কষ্ট মাক দেউতাক বুজাই দিলে কিন্তু চেলাইন লওতে অকনো দিগদাৰ নকৰিলে। চেলাইনৰ লগতে আলিয়ে প্ৰেচকিপচনত লিখা বিভিন্ন ইনজেকচন এটাৰ পাচত আন এটাকৈ দি গ'ল। ইনজেক চন সমূহ দিয়া হোৱাৰ পাচত আলিয়ে কৈ গ'ল যে চেলাইন শেষ হলে যাতে খুলি দিবৰ বাবে তেওক মাতি দিয়ে। আলিৰ কথাত বনুৰ দেউতাকে মূৰ জোকাৰিলে।

ক'কৰ দুয়ো কাষৰ টেবুল দুখনত আন দুটা কুকুৰক চেলাইন দি থোৱা আছিল। তাৰে এটা কুকুৰৰ নাম আছিল ৰকী। সি CISF বা কেন্দ্ৰীয় উদ্যোগিক ক্ষুৰক্ষা বলৰ চোৰাংচোৱা কুকুৰ বা sniffer dog. বনুৰ মাকে ৰকীৰ লগত থকা চিআইএচএফ পুলিচ কৰ্মী দুজনৰ এজনক সুধিলে "ভাই চাহাব ইচকা কিয়া বিমাৰ হে।" পুলিচ কৰ্মী জনে উত্তৰ দিলে "বাইদেউ মোৰ লগত অসমীয়াতে কথা পাতিব পাৰে। মই CISFত কাম কৰো যদিও মই লক্ষীমপুৰৰ লৰা। ৰকীৰ বেবেচিয়া হৈছে। ধৰা পৰোতে দেৰী হ'ল বাবে এতিয়া ডাক্টৰে কৈছে বচাৰ আশা বহুত ক্ষীণ। ই বৰ ভাল কুকুৰ আছিল। গুৱাহাটী এয়াৰপৰ্টক বহু কেইটা দুৰ্ঘটনাৰ পৰা বচোৱাৰ লগতে বহুত সোণৰ চোৰাং বেপাৰীকো ধৰিছে।" বনুৰ মাকে ৰকীলৈ চাই ক'লে " তেনেই ক্ষীণাই শুকাই গ'ল। ভালকৈ মূৰেই ডাঙিব নোৱাৰে। বৰ বেয়া লাগে দেই।" বনুৰ দেউতাকে পুলিচ কৰ্মী জনলৈ চাই ক'লে "বাচাৰ আশা ক্ষীণ যদি ইমান দূৰৰ পৰা আনি চেলাইন দি আছে যে?" কৰ্মী জনে উত্তৰ দিলে "ইহতৰ আপদাল মানুহৰ দৰে মৰালৈকে কৰা হয়। আমাৰ বেৰেকত মৰিব লাগলে তদন্ত আয়োগ হব। এবাৰ এটা কুকুৰ বেৰেকত মৰোতে তিনিজন চিপাহী আৰু এজন ইনচপেক্টৰ চাচপেণ্ড হৈছিল। তাৰ পাচত হেডকোৰ্য়াটাৰৰ পৰা ইনকোৱাৰি কমিটি আহিল। বহুত তদন্ত চলিল যে নেগলিজেঞ্চৰ কাৰণে বেৰেকত মৰা নাইটো? এবছৰ পাচতহে তেওলোকে চাকৰি ঘূৰাই পালে। ডাক্টৰৰ হাতত হস্পিতালত মৰিলে আমাৰ টেনচন নাই। এটা এটা কুকুৰৰ লগত আমি ৪ জনে চাকৰি পাই পেট পুহি আছো।" ইতিমধ্যে ক'কৰ চেলাইন শেষ হও হও হোৱাত বনুৰ দেউতাকে আলিক মাতি আনিলেগৈ আৰু আলিয়ে চেলাইন খুলি দি কলে " চাৰি বজাৰ আগতে পোৱাকৈ আহি যাব। চাৰি বজাৰ পাাচত আহিলে মোৰ ডিউটী শেষ হব। মই নাথাকিম। আন মানুহ থাকিব।" ক'কক লৈ বনুৰ মাক দেউতাক আৰু পৱন তৰানৰা চিঙি উধাতু খাই ঘৰলৈ বুলি ৰাওনা

হ'ল। ৰাস্তাত বনুৰ দেউতাকে পৱনক কলে "পৱন তুমি ভাত খাই চাৰে তিনি বজাৰ আগতে আহি যাবা। আলি থাকোতেই আহি পাব লাগিব।" পৱনে বনুৰ দেউতাকৰ কথাত মূৰ জোকাৰিলে।

খানাপাৰাৰ ভেটেনেৰী কলেজৰ হস্পিতালত ক'কৰ চিকিৎসাৰ চতুৰ্থ দিনা চিআইএচএফৰ কুকুৰ ৰকীৰ অৱস্থাৰ অধিক অবনতি ঘটিল। চিআইএচএফৰ কমানডেণ্ট আৰু ইনচপেক্টৰ সহ কেইবাজনো আহি খানাপাৰা পালেহি। ক'কই চেলাইন লৈ থাকোতেই ৰকীয়ে চিৰদিনৰ বাবে পৃথিবী এৰি গুচি গ'ল। ৰকীৰ মৃত্যুত চিআইএচএফৰ কেইবাজনো জোৱানে চকুলো টুকিলে। তাকে দেখি বনুৰ মাকৰো চকুলো ওলাল। লাহে লাহে ক'কৰ স্বাস্থ্যৰ উন্নতি হবলৈ ধৰিলে আৰু ডাক্টৰে তেজ পৰীক্ষা কৰাৰ পাচত জনালে যে ক'কৰ হিমগ্লবিন ৮ পাইছেহি। এতিয়া আৰু চিন্তাৰ কাৰণ নাই। ককয়ো লাহে লাহে চিকনে আৰু চিকেন চুপ আৰু নিজৰ প্ৰিয় ষ্টিকবোৰ অলপ অলপকৈ খোৱা আৰম্ভ কৰিলে। হস্পিটাললৈ আহি আন কুকুৰ বোৰক দেখি ক'কই ভুকাও আৰম্ভ কৰিলে। তথাপি ডাক্টৰ মনিকাই কলে যে ঔষধৰ কৰ্চ শেষ কৰিব লাগিব। এনেদৰে এদিন দুদিন কৈ চৈধ্য দিন পাৰ হৈ গ'ল। চৈধ্য দিনত ক'কই চিআইএচএফৰ কুকুৰৰ উপৰিও বিএচএফ, চিআৰপিএফ, সেনাবাহিনী, এয়াৰপৰ্ট অথৰিটি আৰু অসম পুলিচৰ চোৰাংচোৱা কুকুৰ লগ পালে। লগতে নিজৰ প্ৰজাতিৰ বহু কেইইটা পাগো লগ পালে। ডাঙৰ ডাঙৰ কুকুৰবোৰ দেখি ক'কৰ মনত সাহ বাঢ়ি গ'ল আৰু এলচিচিয়ান, লাব্ৰাডোৰ আদি কুকুৰকো ফেপেৰি পাতি ধৰি ভুকা আৰম্ভ কৰিলে। খানাপাৰাৰ ভেটেনেৰী কলেজৰ হস্পিতালত ক'কই জীৱন লাভ কৰাৰ লগতে বহুতো নতুন অভিজ্ঞতাও আহৰণ কৰিলে। চৈধ্যদিনৰ ঔষধৰ কৰ্চ শেষ হোৱাৰ পাচত ডা:মনিকাই পুনৰ ক'কৰ তেজ পৰীক্ষা কৰিবলৈ দিলে। তেজৰ ৰিৰ্পটত বেবেচিয়া মুক্ত বুলি ঘোষণা কৰাৰ লগতে ক'কৰ হিমগ্লবিনো নৰ্মেল বুলি ঘোষণা কৰিলে। ক'ক সম্পূৰ্ণৰূপে ৰোগ মুক্ত হোৱা বুলি জানি বনুৰ মাক দেউতাক আনন্দ মনেৰে ঘৰলৈ ঘূৰি আহিল। বনুক খবৰটো জনোৱাত বনুও আনন্দিত হ'ল।

হস্পিতালৰ পৰা ৰোগ মুক্ত হৈ অহাৰ পাচত ক'ক অনবৰতে উৎফুল্লিত হৈ মাক দেউতাকৰ লগত খেলিধুলি থাকি বনুৰ মাক দেউতাকক বনুৰ অনুপস্থিতি পাহৰাই ৰাখিলে। চাওতে চাওতে বনুৰ অষ্ট্ৰেলিয়াৰ চিডনী চহৰত এবছৰ পাৰ হ'ল আৰু ক'কৰো দুবছৰ বয়স হ'ল। বনুয়ে মাক দেউতাকক জোৰ কৰি কলে যে বনুৰ কলেজ চাবৰ বাবে মাক দেউতাক চিডনী চহৰ চাবলৈ যাব লাগে আৰু লগতে বনু পঢ়া বিশ্ববিদ্যালয় খনো চাই আহিব লাগে। কাৰণ বনুয়ে হোষ্টেল এৰাৰ পাচত মাক বাপেকক নিজৰ হোষ্টেল ভালকৈ দেখুৱাব নোৱাৰিব। বনুৰ কথাত মাক দেউতাক চিডনীলৈ যাবৰ বাবে সন্মত হ'ল আৰু প্ৰয়োজন হোৱা ভিজাৰ বাবে আবেদন জনালে। বনুৰ মাকে অনিমাক জনালে যে ভিজা আহিলে তেওলোক দুসপ্তাহৰ বাবে

অষ্ট্ৰেলিয়ালৈ যাব আৰি ক'কক অনিমাৰ লগত মিৰ্জাত থৈ যাব। অনিমায়ো কথাটোত সন্মতি জনালে আৰু ক'কৰ বাবে চিন্তা কৰিব নালাগে বুলি বনুৰ মাকক আশ্বাস দিলে।

বনুৰ মাক দেউতাকৰ ভিজা আহিল আৰু টিকট কাটি তেওলোক অষ্ট্ৰেলিয়াৰ চিডনী চহৰলৈ যাবৰ বাবে সাজু হ'ল। অষ্টেলিয়ালৈ যাবলৈ মাত্ৰ চাৰিদিন আছে তেনেতে ডিব্ৰুগড়ৰৰ অনিমাৰ ঘৰৰ পৰা খবৰ আহিল যে অনিমাৰ মাকৰ অত্যন্ত চিৰিয়াচ আৰু যোৱা থোৱা অবস্থা আৰু খবৰ পাই অনিমা তৎক্ষণাত ডিব্ৰুগড়লৈ গুচি গ'ল। ক'কক ক'ত থৈ যাব বুলি চিন্তাত পৰি বনু আৰু বনুৰ দেউতাক পেট এণ্ড ভেটৰ ডা:শৰ্মাৰ ওচৰ পালেগৈ। ডা:শৰ্মাই কলে চিন্তা কৰিব নালাগে। আমাৰ কম্পাউণ্ডাৰ কাকতিৰ বোন্দাত এখন কুকুৰৰ ক্ৰেচ আছে। বহুতো মানুহে কাকতিৰ তাতে কুকুৰ থৈ দুই তিনি মাহ পৰ্য্যন্ত বাহিৰলৈ যায়। লগে লগে বনুৰ মাক দেউতাকে কাকতিৰ ওচলৈ গৈ কথা পাতিলে আৰু পাচদিনা কাকতিৰ ক্ৰেচ চাবলৈ যাম বুলি কাকতিক কলে। কাকতিয়ে বোন্দাত থকা ক্ৰেচৰ ঠিকনাতো বুজাই দিয়াৰ লগতে নিজৰ আৰু তেওৰ শ্ৰীমতীৰ ফোন নম্বৰ দুটা দি কলে যে তেও নাথাকিলেও তেওৰ শ্ৰীমতীয়ে সকলো দেখুৱাই দিব। ক'কক থোৱা সমস্যাৰ সহজে সমাধান হোৱাত বনুৰ মাক আৰু দেউতাকে স্বস্তিৰ নিশ্বাস পেলালে।

পাচদিনা আবেলি পৱনে বনুৰ মাক দেউতাকক লৈ বোন্দা পালেগৈ। নাৰেংগী পাৰ হৈ চন্দ্ৰপুৰৰ ফালে আগুৱাই গ'লে ৰাস্তাতে বোন্দা নামৰ ঠাই টুকুৰা পোৱা যায়। বোন্দাৰ এটা সৰু পাহাৰৰ কিছু ওপৰত কাকতিৰ ক্ৰেচখন অৱস্থিত। ওপৰলৈ উঠা পথটো ঠেক আৰু থিয় বাবে গাড়ীখন তলতে ৰাখি বনুৰ দেউতাকে কাকতিলৈ ফোন কৰিলে। কাকতিয়ে কলে মই ঘৰত নাই। আপোনালোক ওপৰলৈ উঠি যাওক। মই মিচেচক ফোন কৰি দিম, তেও ঘৰৰ মুখলৈ ওলাই আহিব আৰু কুকুৰৰ ভুক ভুকনি শুনি গমেই পাব। কাকতিৰ কথা শুনি বনুৰ দেউতাক, মাক আৰু পৱনে পাহাৰ বগাই কাকতিৰ ঘৰলৈ খোজ ললে। ফোপাই জোপাই কিছু সময় পাচত কাকতিৰ ঘৰৰ সন্মুখ পালেগৈ। ঘৰৰৰ মুখত গেটৰ ওচৰত কাকতিৰ ঘৈনীয়েক ৰৈ আছিল আৰু আহক বুলি সম্ভাষণ জনালে। বনুৰ দেউতাকহত ভিতৰলৈ সোমোৱাৰ লগে লগে ক্ৰেচৰ সৰু সৰু কোঠাত (cage) থকা কুকুৰবোৰে ভুকি ভুকি চিঞৰ বাখৰ লগালে।

কাকতিৰ ক্ৰেচৰ কেজবোৰ বনুৰ মাকে ভালদৰে ঘূৰিপকি চালে। কেজত থকা কুকুৰবোৰে অচিনাকি মানুহ দেখি ভুকি ভুকি হুলস্থুল লগাই থাকিল। ক্ৰেচখন চাই হোৱাৰ পাচত বনুৰ মাক দেউতাকক কাকতিত ঘৈনীয়েকে বহিবলৈ দিলে। কাকতিৰ ঘৈমীয়েকলৈ চাই বনুৰ মাকে ক'লে "ক'কৰ কেজত থকা অভ্যাস নাই আৰু অকলশৰে থকাৰ অভ্যাসো নাই। গতিকে তাই কেজত নাথাকিব। তাইক ঘৰৰ ভিতৰত আপোনালোকৰ লগত ৰাখিব লাগিব। যদি

তাইক ঘৰৰ ভিতৰত ৰাখিব পাৰে তেতিয়াহে ক'কক থম।" কাকতিৰ ঘৈনীয়েকে কলে, সৰু কুকুৰ যেতিয়া ভিতৰতে ৰাখিম বাৰু। ভিতৰত ৰাখিম বুলি কোৱাৰ পাচত বনুৰ মাকে কাকতিৰ ঘৈনীয়েকক ক'কৰ আদব কায়দা, ব্যৱহাৰ, খাদ্য অভ্যাস সকলো বুজোৱাত লাগিল। তেনেতে কাকতি আহি ঘৰ পালেহি। কাকতিয়ে বনুৰ মাকক আশ্বাস দি কলে যে অকণো চিন্তা কৰিব নালাগে। ক'কক ঘৰত ৰখাৰ দৰেই ৰখা হব। কেবল মনে মনে ওলাই যাব পাৰে বুলি বান্ধি থব লাগিব। কাকতি আৰু কাকতিৰ ঘৈনীয়েকৰ কথাত সন্তুষ্ট হৈ বনুৰ মাকে তেওলোকক কলে যে পৰহিলৈ আবেলি আহি ক'কক দুসপ্তাহৰ বাবে থৈ যাবহি। তাৰ পাচত বনুৰ মাক দেউতাকক লৈ পৱন জুৰোডৰ বনুহতৰ ঘৰ পালেহি।

বনুৰ মাক দেউতাক অষ্ট্ৰেলিয়ালৈ যাবৰ বাবে লাহে লাহে সাজু হ'ল। দুদিন পাচত আবেলি সময়ত বনুৰ মাক দেউতাক ক'কক লৈ বোন্দাত থকা কাকতিৰ ক্ৰেচলৈ যাবলৈ সাজু হ'ল। পৱন আহি ক'কৰ বস্তু বাহানি নি গাড়ীত উঠাই দিয়াৰ পাচত সকলোৱে বোন্দালৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। বোন্দা পোৱাৰ পাচত পৱনে ক'কৰ বিচনা পত্ৰ লৈ কাকতিৰ ঘৰলৈ বুলি পাহাৰ বগোৱাত লাগিল। ক'কৰ ডিঙিত ফিটা বান্ধি গাড়ীৰ পৰা নমাই দিয়াৰ পাচত ককয়ো পৱনৰ পাচে পাচে টাটাকক টানি টানি পাহাৰৰ ওপৰলৈ উঠাত লাগিল। তাৰ কিছু পাচে পাচে বনুৰ মাকেও হাতত ক'কৰ খাদ্যৰ টোপোলাতো লৈ পাহাৰ বগোৱাত লাগিল। পৱনক পাচত এৰি ক'কই দেউতাকক দৌৰাই প্ৰথমেই কাকতিৰ ঘৰত উপস্থিত কৰাই দিলে। কাকতিৰ ঘৰ পাই দেউতাকে ঘন ঘন কৈ উশাহ নিশাহ লৈ ফোপাবলৈ ধৰিলে আৰু ক'কই ভুকি থকা কুকুৰ বোৰক সমানে সমানে ভুকি  প্ৰত্যুতৰ দি জনাই দিলে যে 'হম কিচিচে  কম নহী'। অলপ পাচতে বস্তু বাহানি লৈ পৱন আৰু বনুৰ মাকো উপস্থিত হ'লহি। কাকতিৰ পত্নীয়ে শোৱনি কোঠাৰ কোন ঠাইত ক'কক শুবলৈ দিব দেখুৱাই দিয়াত বনুৰ মাকে সেই ঠাইত সুন্দৰকৈ ককৰ বিচনা খন পাৰি দিলে। তেনেতে চুচুক চামাকৈ এজনী সৰু ছোৱালী আহি কোঠাৰ ভিতৰত সোমাই ক'কক মৰম কৰাত লাগিল। কাকতিৰ পত্নীয়ে কলে "চিন্তা কৰিব নালাগে। ইয়াত এই বাপেকৰ লগত শুব আৰু স্কুলৰ পৰা অহাৰ পাচত ক'কৰ লগত খেলিবও"। ক'কয়ো কাকতিৰ ছোৱালীক পাই ভাল পালে আৰু নেগুৰ জোকাৰি আনন্দ প্ৰকাশ কৰিলে। বনুৰ মাকে ক'কক কেনেকৈ খুৱাব লাগিব, পেছাব পায়খানা কৰাব লাগিব, ফুৰাব লাগিব  ইত্যাদি ইত্যাদি একেখিনি কথাকে কাকতিৰ পত্নীক চাৰি পাচ বাৰ মান বুজালে আৰু কা'কতিৰ পত্নীয়ে প্ৰতিবাৰতে মূৰ জিকাৰিলে। পৱনক মাতি আনি কাকতিৰ পত্নীক পৱনৰ ফোন নম্বৰটো দি কলে "ক'কৰ কিবা বেমাৰ আজাৰ হলে তৎক্ষণাত পৱনক ফোন কৰিব। পৱনে আহি খানাপাৰাৰ ভেটেনেৰী কলেজলৈ লৈ যাব।" লগতে পৱনক কলে  "পৱন, তুমি তিনি দিনৰ মূৰে মূৰে আহি ক'কক চাই

যাবাহি। কিবা প্ৰব্লেম হলে লগে লগে আমাক ফোন কৰি  জনাবা।" পৰনে বনুৰ মাকৰ কথাত মূৰ জোকাৰিলে। সকলো কাম আৰু কথা বতৰা হোৱাৰ পাচত ক'কৰ পৰা বিদায় লোৱাৰ সময় আহি পৰিল। বনুৰ দেউতাকে ক'কক কলে "ক'ক আমি বনু বাৰ তালৈ যাম। তই ইয়াত কাকতি হতক দিগদাৰ নকৰিবি। ভাত প্যানী ভালদৰে খাবি। বাহিৰৰ কুকুৰবোৰৰ লগত তহৰ ভাষাত কথা পাতি থাকিবি। আমি অষ্ট্ৰেলিয়াৰ পৰা আহি তোক লৈ যামহি। বনুবাই তোলৈ বহুত খোৱা বস্তু দি পঠাব।" দেউতাকৰ কথাত ক'কই কৰুণ চকুৰে দেউতাকলৈ চাই মূৰ জোকাৰিলে। বনুৰ মাকেও ক'কলৈ চাই ক'ক যাও দেই বুলি চকুপানী টুকিলে। মাকৰ চকুত চকুলো দেখি ক'কৰ দুচকুয়েদি দুটোপাল লোতক ওলাল। বনুৰ মাক, দেউতাতে কাকতি পত্নীৰ পৰা বিদায়লৈ ঘৰ পালেগৈ।

পাচদিনা দুপৰীয়া ভাত পানী খোৱাৰ পাচত পৰনে আহি বনুৰ মাক দেউতাকক গুৱাহাটী বিমান বন্দৰত নমাই দিলেহি। বনুৰ মাকে পৰনক দঢ়াই দঢ়াই কলে যাতে পৰন দুই বা তিনি দিন পাচত ফোন নকৰাকৈ হঠাৎ গৈ কাকতিৰ ঘৰত উপস্থিত হৈ ক'কক চাই সকলো খবৰ  জনাই দিয়ে। প্ৰথমবাৰ হঠাৎ গৈ উপস্থিত হ'লে কাকতিৰ পত্নীয়ে আকৌ হঠাৎ আহিব পাৰে বুলি ক'কৰ চোৱাচিতা ভালদৰে কৰিব। গুৱাহাটী বিমান বন্দৰৰ পৰা উৰা মাৰি বিয়লি ৫ বজাত কলিকতাৰ নেতাজী সুভাষ চন্দ্ৰ বসু আন্তৰাষ্ট্ৰীয় বিমান বন্দৰ পালেগৈ। নিশা বাৰ বজাত চীন দেশৰ গুৱানজু বিমান বন্দৰ হৈ বনুৰ মাক দেউতাক চিডনী পাবগৈ। গুৱানজু (Guangzhou) দক্ষিণ চীনত পাৰ্ল নদীৰ পাৰত অৱস্থিত এখন ডাঙৰ চহৰ। এই চহৰ খন কেণ্টন (Canton) নামেৰেও জনাজাত। হংকং চহৰৰ পৰা এই চহৰ খনৰ দূৰত্ব মাত্ৰ ১২০ কিলোমিটাৰ আৰু গুৱানজু চীনৰ অতিকে গুৰুত্বপূৰ্ণ বন্দৰ। চাংহাই আৰু বেইজিঙৰ পাচতে চীনৰ মূল ভূ খণ্ডৰ তৃতীয়।বৃহৎ চহৰ। কলিকতাৰ পৰা উৰামাৰি বনুৰ মাক দেউতাকে যেতিয়া বিমান সলনি কৰিবৰ বাবে নিৰ্দিষ্ট গেটৰ ফালে খোজ ললে তেতিয়া বনুৰ মাকে বনুৰ দেউতাকক কলে "আমি এতিয়া ক'কৰ অৰিজিনেল দেশত আছো। ক'কৰ পূৰ্বপুৰুষ কিজানি গুৱানজুৰ পৰাই গৈছিল কোনে জানে।" বনুৰ দেউতাকে কথাটো শুনি মিচিকিয়াই হাঁহি কলে "ক'কক ঘূৰি গৈ কথাটো কবগৈ লাগিব।"

গুৱানজো বিমান বন্দৰত দুঘণ্টা অপেক্ষা কৰাৰ পাচত বনুৰ মাক আৰু দেউতাকে চিডনী অভিমুখে উৰা মাৰিলে।

চিডনী বিমান বন্দৰৰ বাহিৰত মাক দেউতাকৰ বাবে বনুয়ে অপেক্ষা কৰি আছিল। মাক দেউতাকক দেখি বনু মাক দেউতাকৰ ওচৰলৈ দৌৰি আহি দুয়োকে সাবতি ধৰিলে। মাকে বনুক লগ পাই লগে লগে বনুক কাকতিৰ পত্নীৰ ফোন নম্বৰটো দি ফোনটো লগাই দিবলৈ কলে। মাকৰ কথামতে বনুয়ে ফোনটো লগাই দি কাকতিৰ পত্নীক ক'কৰ কথা শুধিলে। কাকতিৰ পত্নীয়ে ক'ক

ভালে থকা বুলি কোৱাত বনুৰ মাক, দেউতাক আৰু বনুৰ মুখত হাঁহিৰ ৰেঙনি বিৰিঙিল। কাকতিৰ পত্নীয়ে ক'কৰ কাণত ফোনটো লগাই দিয়াত ক'কই মাকৰ মাত শুনি ভুক ভুক কৈ উত্তৰ দিলে। এয়াৰ পৰ্টৰ পৰা বনুয়ে মাক বাপেকক নি আগতে বুক কৰি থোৱা চাৰ্ভিচ এপাৰ্টমেণ্টত থৈ নিজে হোষ্টেললৈ ঘূৰি গ'ল। মাক দেউতাকো ভাগৰ লগাত আৰু জেটলেগৰ হেচাত বিচনাত শুই পৰিল। জেট লেগ (jet lag) হৈছে সময়ৰ জন সলনি হোৱা বাবে টোপনি নহা বা স্থানীয় সময় মতে টোপনি নহা, ভোক নলগা আদি হোৱা এটা সাময়িক বেমাৰ। চিডনিৰ সময় ভাৰতৰ সময়তকৈ চাৰে পাচ ঘণ্টা আগবঢ়া। পুৱা আঠ বজাত আহি বনুয়ে মাক দেউতাকৰ ৰূমৰ বেল বজালে। ভাৰতত তেতিয়া ৰাতি আঢ়ৈ বজা আৰু ভৰ টোপনিৰ সময়। গতিকে বনুয়ে বেল বজাওতেহে মাক দেউতাকৰ টোপনি ভাঙিল। বনু অহা দেখি মাক দেউতাকে লৰা লৰিকৈ গা পা ধুই বনুৰ লগত ব্ৰেকফাষ্ট খাবৰ বাবে ওলাই গ'ল।

চিডনীত উপস্থিত হোৱাৰ পাচত দ্বিতীয় দিনাখন পুৱনে ৱাটচ আপ যোগে কাকতিৰ ঘৰৰ পৰা বনুৰ মাকলৈ ফোন কৰিলে। "বাইদেউ ক'ক ভালদৰে আছে। প্ৰথমদিনা একো খোৱা নাছিল যদিও এতিয়া ষ্টিকবোৰ, পেডিগ্ৰী আৰু চিকেন দুই এটুকুৰ খাইছে। পাচৰবাৰ আহোতে মই ভিডিঅ কলিং কৰি দেখুৱাই দিম। আজি মোৰ নেট পেক শেষ হও হও।" এই বুলি পুৱনে ফোনটো ৰাখি দিলে। পুৱনৰ পৰা ক'ক ভালে আছে বুলি গম পাই সকলোৰে মনটো উৎফুল্লিত হৈ পৰিল। বনুয়ে মাকক ক'লে "মা এতিয়া ক'কৰ চিন্তা এৰা আৰু ফুৰাৰ কথা চিন্তা কৰা। নহলে ক'ক ক'ক বুলিয়েই তোমালোকৰ সময় পাৰহৈ যাব আন একো নহব।" মাকে লগে লগে বনুক কলে "সেই কাৰণেতো মই আনিব মানা কৰিছিলো। তই আনি মোৰ ডিঙিত লগাই দি গুচি আহিলি। এতিয়া মৰম সোমাই যোৱাৰ পাচত মই এলাই আথানি কৰিব নোৱাৰো নহয়। ঠিক ভদাফোনৰ বিজ্ঞাপনটোৰ দৰে অনবৰতে মোৰ পাচে পাচে লাগি ফুৰে। আনকি মই বাথৰূমলৈ গলেও দুৱাৰ মুখত বহি মোক পহৰা দি থাকে। টাটাৰে যদি ধেমালিতেও মোলৈ হাত খন তুলি।মাৰাৰ নিচিনা কৰে ভুকি ভুকি টাটাকক ৰূমৰ বাহিৰ কৰি দিয়ে। এতিয়া ক'কই চাগে তোতকৈও মোক বেচি ভাল পায়।" কথা বাঢ়ি মাক জীয়েকৰ তৰ্ক লাগে বুলি বনুৰ দেউতাকে কলে "বনু এতিয়া সেইবোৰ বাদ দে আৰু আজি আমি কলৈ যাম সেইটো ক।" বনুয়ে দেউতাকক কলে "এতিয়া ৰাতি ৯ বাজি গ'ল। আমাৰ তাতহে চাৰিটা বাজিছিল।বাবে পুৱনে কাকতিৰ ঘৰলৈ আহি ফোন কৰিছিল। এতিয়া আমি এই ডাৰলিং হাৰবাৰতে ডিনাৰ খাই ঘূৰি যাম। কাইলৈ পুৱা ব্ৰেকফাষ্ট খাই হপ অন হপ অফ বাচত উঠি গোটেই চিডনী চহৰখন ঘূৰি লম।" এইবুলি বনুয়ে মাক দেউতাকক এখন ৰেষ্টুৰেণ্টলৈ লৈ গৈ খোৱা বস্তুৰ অৰ্ডাৰ দিলে। বনুয়ে দেউতাকক কলে "টাটা কেংগেৰু মাংসও টেষ্ট কৰি চোৱা। অষ্ট্ৰেলিয়া এনে এখন দেশ য'ত দেশৰ National

Animal খাবৰ বাবে হোটেলত পোৱা যায়।" অলপ সময় পাচত খাদ্য বস্তু আহিল আৰু লগতে কেংগেৰু মাংসও আহিল। খাদ্য খাই উঠি বনুৰ মাক দেউতাকে কলে "বনু, আমি কংগেৰু খাই বৰ ভাল নাপালো। আজিৰ পৰা আৰু অৰ্ডাৰ নিদিবি। কেৱল চিকেন হে খাম।" ৰেষ্টুৰেণ্টৰ পৰা ওলাই বনুয়ে মাক দেউতাকক নি চাৰ্ভিচ এপাৰ্টমেণ্টত সুমুৱাই দি নিজৰ হোষ্টেললৈ খোজ ললে। তেতিয়া চিডনিত নিশা চাৰে এঘাৰ বাজিছিল আৰু ক'ক থকা কাকতি হতৰ ক্ৰেচত গধুলি ৬ বাজিছিল।

পাচদিনা পুৱা চাৰ্ভিচ এপাৰ্টমেণ্টত চাহ ব্ৰেড আৰু সিদ্ধ কণী খাই পুৱা ৯ বজাত বনুৰ মাক দেউতাক বনুয়ে বুজাই দিয়া মতে গৈ চিডনী চেণ্ট্ৰেল ষ্টেচন পালেগৈ। চেণ্ট্ৰেল ষ্টেচনৰ পৰা বনুহতৰ হোষ্টেল দেখা পাই থাকে আৰু বনুৰ মাক দেউতাক থকা এপাৰ্টমেণ্টৰ পৰা খোজ কাঢ়ি মাত্ৰ ৫ মিনিটৰ দূৰত্ব। চেণ্ট্ৰেল ষ্টেচনত তিনও লগ হোৱাৰ পাচত বনুয়ে হপ অন হপ অফ বাচৰ কাউণ্টাৰৰ পৰা ২৪ ঘণ্টাৰ ভেলিডিটি থকা তিনিটা টিকট কিনি বাচৰ বাবে অপেক্ষা কৰি ৰ'ল। কিছু সময় পাচত বাচ অহাত তিনিও বাচত উঠিল।

ক'কৰ দ্বিতীয় জীৱন যুজ ( যোৱা সংখ্যাৰ পাচৰ পৰা)

হপ অন হপ অফ বাচৰ ওপৰ তলালৈ হৈ বনু, মাক আৰু দেউতাক গৈ ওপৰ তলাৰ মুকলি চিটত সুবিধাজনক ভাবে বহি ললে। হপ অন হপ অফ বাচৰ সুবিধা হ'ল এয়ে যে যিকোনো এটা ষ্টপেজতে নামি যাব পাৰি পাচত নিজৰ সুবিধা মতে পৰৱৰ্তী বাচত আন কোনোবা এটা ষ্টপেজত নামিব পাৰি। ২৪ ঘণ্টাৰ ভিতৰত বৃত্তীয় (circular) পথত যিমান বাৰ ইচ্ছা সিমানবাৰ অহা যোৱা কৰিব পাৰি। সেয়ে চিডনী চহৰ ফুৰিবৰ বাবে অহা ভ্ৰমণকাৰী বা টুৰিষ্টৰ বাবে হপ অন হপ অফ ( অসমীয়াত কলে উঠক-নামক নামক-উঠক বাচ বুলি কব লাগিব) বাচ সমূহ অতিকে সুবিধাজনক। বাচত উঠাৰ পাচত বনুয়ে মাক দেউতাকক কলে "প্ৰথমে আমি অপেৰা হাউচৰ ওচৰত নামি যাম। তাত অপেৰা হাউচ চাই, চেল্ফি উঠি তাতে বাঞ্চ খাই লম। বনুৰ মাকে শুধিলে বাঞ্চনো কি? বনুয়ে উত্তৰ দিলে breakfast +lunch = bunch. মই ৰাতিপুৱা ব্ৰেকফাষ্ট খোৱা নাই, এতিয়া ১১-৩০ বজাত একেলগে দুয়োটা খাম। ইয়াত বহুতৰে মাজত বাঞ্চ বহুত জনপ্ৰিয়, বিশেষকৈ আমাৰ দৰে ইণ্টাৰনেচনেল ষ্টুডেণ্ট আৰু ঘণ্টা হিচাবে কাম কৰা সকলৰ মাজত। বাঞ্চ খাবৰ বাবে ইয়াত বহুতো ভাল ভাল ৰেষ্টুৰেণ্ট আছে। কিছুমান ৰেষ্টুৰেণ্টততো বাঞ্চ খাবৰ বাবে বহু সময় লাইন কৰিব লাগে। অপেৰা হাউচ পাই বনুয়ে প্ৰথমে পেট পূজা কৰিবৰ বাবে এখন ৰেষ্টুৰেণ্টত বহি বাঞ্চ অৰ্ডাৰ দিলে। বাঞ্চ খাই উঠি বনুয়ে মাক দেউতাকক অপেৰা হাউচ দেখুওৱা আৰম্ভ কৰিলে। চিডনী অপেৰা হাউচ কেৱল চিডনী চহৰৰে নহয় গোটেই অষ্ট্ৰেলিয়াৰে এক আৰ্কষণীয় monument বা চাবলগীয়া গুৰুত্বপূৰ্ণ ঠাই। যিদৰে আগ্ৰালৈ গৈ তাজমহল

নাচালে আগ্রা চোৱা সম্পূৰ্ণ নহয় একেদৰে চিডনীলৈ গৈ অপেৰা হাউচ নাচালে চিডনী ভ্ৰমণ অসম্পূৰ্ণ হৈ ৰয়। ১৯৫৭ চনত হোৱা এক আন্তৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ডেনমাৰ্কৰ আৰ্কিটেক জৰ্ণ উৎজন (Jorn Utzon) বিজয়ী হৈছিল আৰু তেওঁ দিয়া আৰ্হিটোৱেই আছিল অপেৰা হাউচৰ আৰ্হি বা নক্সা। উৎজনৰ তত্বাবধানতে ১৯৫৯ চনত চিডনী অপেৰা হাউচ বনোৱা কাম আৰম্ভ হয়। কিন্তু পৰবৰ্তী সময়ত তেওঁৰ মৃত্যু হোৱা বাবে কাম লেহেমীয়া হৈ পৰে। প্ৰথম পৰ্য্যায়ৰ নিৰ্মাণ ১৯৫৯ চনৰ পৰা ১৯৬৩ চনলৈ চলে। অপেৰা হাউচত প্ৰথম সংগীতৰ কাৰ্য্যসূচী কৰা ব্যক্তিজন আছিল ভূপেনদাক অনুপ্ৰেৰণা দিয়া পলৰবচন। ১৯৬০ চনত পল ৰবচনে নিৰ্মান চলি থকা অৱস্থাতে ভাৰা ( scaffolding) বগাই তাৰ ওপৰৰ পৰা তেওঁৰ বিখ্যাত Ol Man River গানটো গাইছিল। এই গানটোৰ আলমতে ভূপেনদাই তেওঁৰ বিখ্যাত গান "বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে হাহাকাৰ শুনিও নি:শব্দে নীৰৱে বুঢ়া লুইত বোৱা কিয়" ৰচনা কৰিছিল।

Old man river,
That old man river
He must know sumpin'
But don't say nuthin',
He just keeps rollin'
He keeps on rollin' along.

He don't plant taters,
He don't plant cotton,
And them that plants 'em Is soon forgotten,
But old man river,
He just keeps rollin' along.

You and me, we sweat and strain,
Body all achin' and racked with pain,
Tote that barge! And lift that bale!
Get a little drunk
And you lands in jail

But I keeps laughin'
Instead of cryin'
I must keep fightin'
Until I'm dyin'

And old man river.
He just keeps rollin' along

অপেৰা হাউচৰ দ্বিতীয় পৰ্য্যায়ৰ নিৰ্মাণ ১৯৬৩ চনৰ পৰা ১৯৬৭ চনলৈ আৰু তৃতীয় পৰ্য্যায়ৰ নিৰ্মাণ ১৯৬৭ চনৰ পৰা ১৯৭৩ চনলৈ চলে। ১৯৭৩ চনৰ ২০ অক্টোবৰ তাৰিখে কুইন এলিজাবেথে (দ্বিতীয়) আনুষ্ঠানিক ভাবে অপেৰা হাউচ উদ্বোধন কৰে। ২০০৭ চনত ইউনেস্কই অপেৰা হাউচক ৱৰ্ল্ড হেৰিটেজ চাইট হিচাবে ঘোষণা কৰে। অপেৰা হাউচৰ পৰা ওলাই আহোতে বনুৰ মাকে হঠাৎ চিঞৰি উঠিল সৌটো ক'ক। বনুয়ে ক'লে "মা তুমি সকলোতে মাথো ক'কক দেখা পোৱা।" মাকে কলে "নহয় মানে দেখাত একদম ক'কৰ নিচিনা। সৌফালে চা চোন।" বনু আৰু বনুৰ দেউতাকে মাকে দেখুওৱা ফাললৈ চাই দেখিলে সচাকৈয়ে এগৰাকী চীনা মহিলাই সাইলাখ ক'কৰ দৰে এটা পাগ ফুৰাবলৈ লৈ আহিছে। বনুয়ে ক'লে "মা তুমি ইয়াত বহুতো ক'কৰ দৰে পাগ দেখিবা। তোমাক এদিন আবেলি পাৰ্ক এখনলৈ লৈ যাম, তালৈ বহুত মানুহে পাগ ফুৰাবলৈ আনে। এতিয়া বলা, হপ অন হপ অফত উঠি আমি বোন্দাই (Bondi Beach) লৈ যাও।" এই বুলি অপেৰা হাউচৰ পৰা ওলাই আহি বনু, মাক আৰু দেউতাক বাচত উঠি বোন্দাই বীচ পালেগৈ।

বন্দাই (Bondi) বীচ পাই বনু, মাক আৰু দেউতাক তিনিও সাগৰৰ পাৰৰ এখন বেঞ্চত বহি সাগৰৰ ফালে চাই বহি পৰিল। বন্দাই বীচ সচাকৈয়ে বৰ সুন্দৰ আৰু অষ্ট্ৰেলিয়া তথা চিডনী চহৰৰ এখন গুৰুত্বপূৰ্ণ বীচ। বগা বালিৰে আবৃত বন্দাই বীচ প্ৰায় এক কিলোমিটাৰ মান দীঘল আৰ প্ৰতি বছৰে এই বীচ চাবলৈ আৰু চাৰ্ফিং কৰিবলৈ লাখ লাখ পৰ্য্যটক আহে। Bondi বা Boondi অষ্ট্ৰেলিয়াৰ আদি বাসিন্দা সকলৰ (aborigines) শব্দ আছিল আৰু ইয়াৰ অৰ্থ ইংৰাজীত surf. বনু, বনুৰ মাক আৰ দেউতাকে বন্দাই বীচৰ আনন্দ লবৰ বাবে বহাৰ পৰা উঠি সাগৰৰ কাষে কাষে খোজ কাঢ়িবলৈ ধৰিলে। বনুৰ দেউতাকে বনুক কলে "বনু বন্দাই বীচখন বৰ ধুনীয়া যদিও মোৰ পাচে ডাৰলিং হাৰবাৰ হে বেচি ভাল লাগিছে। এই ডাৰলিং হাৰবাৰ নামটো কেনেকৈ হ'ল?" দেউতাকৰ কথা শুনি বনুয়ে কোৱা আৰম্ভ কৰিলে "ডাৰলিং হাৰবাৰ অঞ্চলক আগতে লং ক'ভ(Long Cove) বুলি জনা গৈছিল যদিও সাগৰৰ পাৰৰ ঠাই খিনি ক'কল বে (Cockle Bay) হিচাবে জনপ্ৰিয় আছিল। ১৮২৫ চনৰ পৰা ১৮৩১ চনলৈ নিউ চাউথ ওৱেলচ (NSW) প্ৰভিঞ্চ বা ৰাজ্য খনৰ গৰ্ভণৰ আছিল লেফটেনেণ্ট জেনেৰেল ৰালফ ডাৰলিং (Ralph Darling)। ১৮২৬ চনত ৰালফ ডাৰলিঙে অঞ্চলটোক নিজৰ নামেৰে নামাকৰণ কৰি ডাৰলিং হাৰবাৰ কৰে। সেই ১৮২৬ চনটো পাচে আমাৰ ভাৰতৰ বুৰঞ্জীতো এটা গুৰুত্বপূৰ্ণ বছৰ। কাৰণ

১৮২৬ চনতে ভাৰতত স্বাধীনতাৰ বাবে প্ৰথম সংগ্ৰাম আৰম্ভ হৈছিল। অবশ্যে বৃটিছ্ সকলে সেই সংগ্ৰামক চিপাহী বিদ্ৰোহ বুলিহে আখ্যা দিছিল। ১৮২৬ চনটো যিদৰে চিডনী চহৰ আৰু নিউ চাউথ ওৱেলচৰ বাবে গুৰুত্বপূৰ্ণ একেদৰে ভাৰততো গুৰুত্বপূৰ্ণ। ডাৰলিং হাৰবাৰ প্ৰথমে ৰেলৱেৰ মাৰচালিং ( marshaling) য়াৰ্ড আৰু লগতে বস্তু বাহানি ৰাখিবৰ বাবে গুডচ য়াৰ্ড বা গুডাম ঘৰৰ ঠাই আছিল। ১৯৭৮-৮০ চনত নিউ চাউথ ওলেচৰ চৰকাৰে দেখিলে যে ৰেলৰ মাৰ্চালিং য়াৰ্ড আৰু গুডাম আদিৰ কাৰ্য্যদক্ষতা বঢ়াবৰ বাবে আন ঠাইলৈ স্থানান্তৰ কৰা ভাল হব আৰু ডাৰলিং হাৰবাৰ অঞ্চলক পথচাৰী তথা ব্যৱসায় বাণিজ্য আৰু আমোদ-প্ৰমোদৰ বাবে নতুন ৰূপত গঢ়ি তোলা হব। কথা মতেই কাম আৰু ১৯৮০ চনত যেতিয়া অসমত ভৰপূৰ আন্দোলন চলি আছিল নিউ চাউথ ওৱেলচত নতুন ৰূপত ডাৰলিং হাৰবাৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছিল। আমাৰ অসম ৰাজ্য আৰু নিউ চাউথ ৱেলচ ৰাজ্যৰ মাজত এটাই মাথো ডাঙৰ পাৰ্থক্য মই দেখা পাইছো, ইয়াত মানুহে কাম কৰে আৰু অসমত মানুহে আন্দোলন কৰে।" এইদৰে খোজ কাঢ়ি আহি আহি বনুহত পুনৰ হপ অন হপ অফ বাচ ৰখোৱা ঠাই পালেহি। বনুয়ে কলে এতিয়া আমি হাইড পাৰ্ক(Hyde Park ) আৰু চেণ্ট মেৰিজ কেথাড্ৰেল (St. Mary's Cathedral) চাবলৈ যাম। এই বুলি বনু, মাক আৰু দেউতাক তিনিও হপ-অন হপ-অফ বাচৰ ওপৰত মহলাত মুকলি বতাহ খাই খাই ৰাওনা হ'ল।

হাইড পাৰ্ক পাই বনুয়ে ক'লে যে এতিয়া প্ৰথমে ৰেষ্টুৰেণ্টত সোমাই পেট পূজা কৰি লোৱা যাওক। তাৰ পাচত আমি হাইড পাৰ্ক আৰু ছেণ্টমেৰীজ কেথাড্ৰেল চাম। তাৰ পাচত চিডনী টাৱাৰত উঠি তোমালোকক চিডনী চহৰ খন ওপৰৰ পৰা দেখুৱাই দিম। এই বুলি বনুয়ে পাৰ্কৰ ওচৰৰ এখন জাপানী ৰেষ্টুৰেণ্টলৈ মাক দেউতাকক লৈ গ'ল। ৰেষ্টুৰেণ্টত সোমাই বনুয়ে খাবৰ বাবে চুচি আৰু আন কিবা কিবি বস্তু অৰ্ডাৰ কৰিলে। চুচি (sushi) এক পৰমপৰাগত জাপানী খাদ্য। ইয়াক সাধাৰণতে মাল্টি গ্ৰেইন বগা চাউলেৰে তৈয়াৰ কৰা হয় আৰু তাৰ মাজত সাগৰীয় মাছ কেচাই কেচাই সুমুৱাই দিয়া হয়। কিচুমান চুচিত কেকোৰাৰ মাংস আদিও দিয়া হয়। নিৰামিষ চুচি পোৱা যায় যদিও সিমান জনপ্ৰিয় নহয়। ৰেষ্টুৰেণ্টত চুচি আৰু বনুয়ে অৰ্ডাৰ কৰা আন জাপানী খাদ্য সম্ভাৰ খাই বনুৰ মাক দেউতাকে বৰ ভাল পালে। খাদ্য খাই থাকোতে বনুয়ে মাক দেউতাকক হাইড পাৰ্কৰ বিষয়ে কবলৈ আৰম্ভ কৰিলে। "শুনা টাটা, হাইড পাৰ্ক অষ্ট্ৰেলিয়াৰ সকলোতকৈ পুৰণি পাৰ্ক। ৪০ একৰ মাটিত বিস্তৃত হৈ থকা চিডনীৰ এই নগৰীয়া পাৰ্কখন নৰমান উইকচ (Norman Weekes), চাৰ জন চুলমেন (Sir John Sulman), এলফ্ৰেড হুক( Alfred Hook), ডব্লিউ জি লেটন( W.G Layton) অৰু আই বাৰজিনচ ( I. Berzins ) আদি নমস্য ব্যক্তি সকলে ১৮১০ চনৰ পৰা ১৯২৭ চনৰ ভিতৰত গঢ় দি তোলে।

বৰ্তমান হাইড পাৰ্কত বিভিন্ন প্ৰজাতিৰ প্ৰায় ৫৮০ জোপা গছ আছে। অতি সুন্দৰ ভাবে আপদাল আৰু পৰিস্কাৰ কৰি ৰখা হাইড পাৰ্ক ২৪ ঘণ্টাই খোলা থাকে। হাইড পাৰ্ক চিডনী চহৰৰ বহু ইতিহাসৰ সাক্ষী।" ৰেষ্টুৰেণ্টত আহাৰ শেষ কৰি বনু হত হাইড পাৰ্কৰ ভিতৰলৈ সোমাই আহিল। ভিতৰ সোমায়েই বনুৰ মাকে গীতাৰ বজাই থকা ভিক্ষাৰী এজন দেখা পাই বনুৰ দেউতাকক দেখুৱাই দি কলে "চোৱা উন্নত দেশ বাবে ভিক্ষাৰীৰ পোছাক পাটিও পৰিস্কাৰ পৰিচ্ছন্ন আৰু সপোনবোৰো ডাঙৰ।" বনুৰ দেউটাকে ক'লে "ৰবা মই ভিক্ষাৰী জনৰ প্ৰতিটো বাটিতে পইচা দি আহো। বিদেশত ভিক্ষাৰীক পইচা দিলে মনটো ভাল লাগে। চাহাবক যে ভিক্ষা দিব পাৰিছো কম ডাঙৰ কথা নহয়।" এই বুলি বনুৰ দেউতাকে ভিক্ষাৰী জনৰ প্ৰতিটো বাটিতে ২৫ চেণ্টৰ একোটাকৈ মুদ্ৰা দি দিলে। টাটাকৰ কাণ্ড আৰু কথা শুনি বনু আৰু মাকৰ হাঁহি উঠিল। হাইড পাৰ্কত খোজকাঢ়ি থাকোতেই দুগৰাকী মহিলা আৰু এজন পুৰুষে কেইবাটাও কুকুৰ ফুৰাবলৈ অনা দেখি বনুৰ মাকৰ বৰ আনন্দ লাগিল। কাৰণ তাৰ মাজত ক'কৰ দৰে দুট পাগো আছিল। ঠিক তেনেতে গুৱাহাটীৰ পৰনৰ পৰা ভিডিঅ কল আহিল। পৰনে ফোনত ক'লে "বাইদেউ মই কাকতিৰ ঘৰত আছো। এইটো ক'ক চাওক।" ক'কক ভিডিঅত দেখি বনুৰ মাকে ক'ক ক'ক বুলি কোৱাত ক'কয়ো ফোনটোৰ ফালে চাই মাকক দেখি ভুক ভুক কৰি নেগুৰ মাৰিবলৈ ধৰিলে। ক'কক ভালে থকা দেখি সকলোৰে মনবোৰ উৎফুল্লিত হোৱাৰ লগতে চিন্তাও দূৰ হ'ল।

হাইড পাৰ্কত কিছু সময় কটাই বনু হত ওচৰতে থকা ছেণ্টমেৰীজ কেথাড্ৰেল পালেহি। অতিকে ধুনীয়া শান্ত পৰিবেশৰ গীৰ্জা ঘৰ। কেথাড্ৰেলৰ ভিতৰ সোমাই তিনিও এখন বেঞ্চত বহিল আৰু তিনিও নীৰবে ভগবান আৰু যীশুৰ ওচৰত প্ৰাথৰ্না জনালে। চেণ্টমেৰীজ কেথাড্ৰেল অষ্ট্ৰেলিয়াৰ এটা অতিকে পুৰণি কেথাড্ৰেল। ১৮২০ চনত ফাডাৰ কনলি (Father Connolly) আৰু ফাডাৰ জন থেৰী নামৰ দুজন ফাডাৰ চিডনী চহৰ আৰু অষ্ট্ৰেলিয়াত খৃষ্টান ধৰ্ম প্ৰচাৰৰ বাবে ইংলেণ্ডৰ ৰজাৰ অনুমতি লৈ অষ্ট্ৰেলিয়ালৈ আহে। ফাডৰ কনলি টাচমেনিয়ালৈ যায় আৰু থেৰী চিডনীতে থাকি যায়। তেও কেথাড্ৰেল বনাবৰ বাবে ডাৰলিং হাৰবাৰৰ ওচৰ মাটিৰ বাবে আবেদন কৰে। কিন্তু তেওক হাইড পাৰ্কৰ ওচৰত মাটি দিয়া হয় আৰু এনেদৰে ছেণ্টমেৰীজ কেথাড্ৰেলৰ আৰম্ভ হয়। ১৮২১ চনতে সৰুকৈ স্থাপন হোৱা এই কেথাড্ৰেল ১৮৬৫ চনত জুইত জাহ যায়।১৮৬৬ চনৰ পৰা ১৯২৮ চনলৈ উইলিয়াম ৱাৰ্ডৱেল (William Wardell) নামৰ আৰ্কিটেকৰ নক্সামতে পুনৰ নিৰ্মান কৰা হয়। কেথাড্ৰেলৰ পৰা ওলাই আহি বনুয়ে কলে ব'লা এতিয়া তোমালোকক চিডনী টাৱাৰৰ পৰা চিডনী চহৰ খন দেখুৱাই দিওগৈ। এইবুলি তিনিও চিডনী টাৱাৰ পালেগৈ। টাৱাৰৰ ওপৰৰ পৰা চিডনী চহৰখন বৰ ধুনীয়া দেখি। আহল বহল ৰাস্তা, সুন্দৰ সুন্দৰ ঘৰ দুৱাৰ, সুন্দৰ গাড়ীৰ অহাযোৱা, সুন্দৰ আৰু পৰিপাতিকৈ ৰোৱা গছ গছনি আৰু

সেউজীয়া পৰিবেশ। চিডনী টাৱাৰৰ পৰা নামি আহি বনুয়ে কলে "টাটা এতিয়া আমি মোৰ হোষ্টেললৈ যাম আৰু তাতে তোমালোকক ডিনাৰ বনাই খুৱাম। মই বস্তু বাহানি কিনি থৈছো। কেবল মাইক্ৰৱেভত গৰম কৰিলেই হব।" বনু হোষ্টেলৰ ৰেচিডেণ্ট ৱৰ্ৰকাৰ নিৰ্বাচিত হৈছিল বাবে ২২ মহলাত তাই অকলশৰীয়া ৰূম পোৱাৰ লগতে ৰূমটোৰ ভিউ বৰ সুন্দৰ আছিল। গোটেই চিডনী চহৰৰ এফাল ধুনীয়াকৈ দেখি থাকি। বনুৰ ৰূম পাই বনু আৰু মাক খোৱাৰ জোগাৰ কৰাত লাগিল আৰু বনুৰ দেউটাকে খিড়ীকিৰে চিডনী চহৰৰ জিকমিকাই থকা দৃশ্য চোৱাত লাগিল। ভেৰা মাংস, পৰঠা, ভাজি, চালাড আদিৰে পেট ভৰাই খোৱাৰ পাচত বনুয়ে দেউতাকক কলে "কাইলৈ আমি তোমাৰ ভাললগা ডাৰলিং হাৰবাৰতে থাকিম। প্ৰথমে চিডনী একুৰিয়াম, তাৰপাচত মমৰ যাদুঘৰ তাৰ পাচত ওচৰৰ পৰা হাৰবাৰ ব্ৰীজ তাৰ পাচত চিনেমা।" অলপ সময় জিৰণী লোৱাৰ পাচত বনুয়ে মাক দেউতাকক চাৰ্ভিচ এপাৰ্টমেণ্টৰ ওচৰত থৈ নিজৰ হোষ্টেললৈ ঘূৰি আহিল।

পাচদিনা পুৱা চাৰ্ভিচ এপাৰ্টমেণ্টত ব্ৰেড-কণীৰ ব্ৰেকফাষ্টৰ লগত অষ্ট্ৰেলিয়াৰ কল, আপেলখাই বনুৰ মাকে ক'লে "ইয়াৰ কলবোৰ খাবলৈ ইমান ভাল। আমাৰ তাত কাৰ্বাইড আৰু গেচ দি কলবোৰ খাব নোৱাৰা কৰি দিয়ে। আপেলবোৰো বনুয়ে গাৰ্ডেনৰ পৰা নিজে চিঙি কিনি আনিছে বাবে অতি ফ্ৰেছ।" বনুৰ মাকৰ কথা শুনি বনুৰ দেউতাকে খাবৰ বাবে আৰু এটা কল বখলিয়াই লৈ কলে "আমি সৰু থাকোতে আমাৰ গাৱৰ কলবোৰো অৰ্গেনিক আৰু কোনো সাৰ-গেচ নিদিয়া কল আছিল। মালভোগ কল তেতিয়া দৰ্জন নহয়, আশী হিচাবেহে বিক্ৰী হৈছিল। একাশী ভাল মালভোগৰ দাম দুটকা আৰু সাধাৰণবোৰৰ দাম এটকা, ডেৰ টকা আছিল। আমি একেলগে চাৰি পাচটা মালভোগ কল খাই দিছিলো।" এনেতে বনুৰ ফোন আহিল। সোনকালে ৰেডি হোৱা, মই দহ মিনিটত গৈ পাই আছো গৈ। বনুৰ কথা শুনি দৌৰাদৌৰিকৈ কাপোৰ কানি পিন্ধি সাজু হ'ল। তেনেতে বনু আহি পালেহি আৰু বনুৰ মাক দেউতাক বনুৰ লগত গৈ ডাৰলিং হাৰবাৰ পালেগৈ। ডাৰলিং হাৰবাৰ পাই বনুয়ে ক'লে "টাটা প্ৰথমে তোমালোক চিডনী একুৰিয়াম চাবলৈ যোৱা। মই যিহেতু দুবাৰো চাইচো গতিকে মই ভিতৰলৈ নোসোমাও। ইমান দাম দি টিকত কিনি পইচা নষ্ট নকৰো। এঘণ্টা মানৰ পাচত আহি মই সৌ গেটৰ ওচৰৰ বেঞ্চ খনতে বহি থাকিম। মোৰ এটা কাম আছে মই এই সময়তে কৰি লম।" এই বুলি বনুয়ে টিকট কাউণ্টাৰলৈ গৈ দুটা টিকট কিনি আনি দেউতাকৰ হাতত দি মাক দেউতাকক ভিতৰলৈ সোমোৱাই দি আতৰি গ'ল। চি লাইফ চিডনী একুৰিয়াম (Sea life Sydney Aquarium) চিডনী চহৰ ভ্ৰমণকাৰীৰ বাবে এক সুন্দৰ আৰ্কৰ্ষণ। ১৯৮৮ চনত উদ্বোধন কৰা এই একুৰিয়ামত ৭০০ প্ৰজাতিৰ প্ৰায় ১৩০০০ মাছ আৰু অন্যান্য সাগৰীয় জীৱ আছে। ওচৰৰ পৰা চাৰ্ক, পেংগুইন আৰু বিভিন্ন ৰঙ বিৰঙৰ

মাছ, কাছ, সাপ আদি দেখি আনন্দত আত্মহাৰা হৈ বনুৰ দেউতাক আৰু বনুৰ মাক ফটো তোলাত ব্যস্ত হৈ পৰিল। সময় কেনেকৈ পাৰ হৈ গ'ল দুয়ো গমেই নাপালে। ঘড়ীলৈ চাই বনুৰ দেউতাকে শ্ৰীমতীক ক'লে "ব'লা যাও, বনু চাগে আমালৈ ৰৈ আছে।" এই বুলি লৰা লৰিকৈ দুয়ো বাহিৰ ওলাই আহি দেখিলে যে নিৰ্দ্দিষ্ট বেঞ্চ খনত মবাইল টিপি  টিপি বনু বহি আছে। বনুৰ মাকে বনুক কলে "বনু এটা ক'কৰ নিচিনা মুখৰ মানে পাগৰ নিচিনা মুখৰ মাছ দেখিলো।" বনুয়ে হাঁহি  হাঁহি কলে "মা তুমি একুৰিয়ামতো ক'কক দেখা। ইমান বোৰ প্ৰজাতিৰ ভিতৰত সেইটোহে মনত থকিল।" মাক দেউতাকে বেঞ্চত বহি পাচ মিনিট মান জিৰণি লোৱাৰ পাচত বনুয়ে কলে "এতিয়া আমি মমৰ যাদুঘৰলৈ যাম আৰু তাত বিভিন্ন চেলিব্ৰিটি আৰু বিখ্যাত ব্যক্তি সকলৰ মমৰ মূৰ্ত্তিৰ লগত ফটো তুলিম। যিহেতু ফটো উঠাব লাগিব ময়ো তোমালোকৰ লগত ভিতৰলৈ যাম।" এইবুলি বনুয়ে ওচৰৰ কাউণ্টাৰলৈ গৈ তিনিটা টিকট কিনি আনিলে আৰু তিনও যাদুঘৰৰ ভিতৰলৈ সোমাই গ'ল।

মমৰ যাদুঘৰত সোমাই দেউতাকে কলে "বনু মই কিন্তু আনৰ লগত ফটো নুঠিলেও  আইনষ্টাইন, মেৰিলিন মনৰ' আৰু মাইকেল জেকচনৰ লগত  ফটো উঠিমেই দেই।" বাপেকৰ কথাত বনু আৰু মাকে মুখটিপি হাঁহিলে। এজনৰ পাচত আনজন বিখ্যাত ব্যক্তি, চিনেমাৰ অভিনেতা, অভিনেত্ৰীৰ মমৰ মূৰ্ত্তিৰ লগত ফটো উঠি উঠি বনুৰ মাক দেউতাকৰ ভাগৰ আৰু আমনি লাগি গ'ল। বনুয়ে টাটাকক আইনষ্টাইন, মেৰিলিন মনৰ' আৰু মাইকেল জেকচনৰ লগত সুন্দৰকৈ ফটো উঠাই দিলে।

মমৰ জাদুঘৰৰ পৰা ওলাই বনুয়ে কলে এতিয়া আঢ়ে বাজিল আৰু আমি ভালদৰে খাই লও। এইবুলি বনুয়ে মাক দেউতাকক লৈ এখন ৰেষ্টুৰেণ্টলৈ সোমাই  গ'ল। বনুয়ে কি খাবি বুলি টাটাকক শুধাত টাটাকে তপৰাই কলে চুচি আৰু থাই ফুড। মাকক সোধাত ক'লে টাটাৰে যি খাই ময়ো তাকেই খাম। ইয়াৰ আগতে মাকে দুবাৰ মান মেনু কাৰ্ড চাই অৰ্ডাৰ দি বেলেগ খাম বুলি লৈ  ঠগ খাই থৈছে। গতিকে এইবাৰ ৰিস্ক নললে। বনুয়ে খোৱা বস্তুৰ অৰ্ডাৰ দিলে আৰু তিনিও উদৰ পুৰাই খালে। ৰেষ্টুৰেণ্টৰ পৰা ওলাই আহি বনুয়ে কলে এতিয়া আমি চিনেমা চাম। মই আগতে টিকট বুক কৰি থৈছো। অলপ পাচত লাহে ধীৰে গলেও হব।এতিয়া ডাৰলিং হাৰবাৰত খোজ কাঢ়ি আনন্দ লোৱা আৰু বিশ্বৰ সকলো প্ৰান্তৰে মানুহ চোৱা। বনুয়ে লগতে জনালে যে কাইলৈ আমি কেনবেৰা যাম। মই পুৱাই কাৰ ৰেণ্টেলৰ পৰা এখন ভাল গাড়ী ভাড়াত লৈ তোমালোকক চাৰ্ভিচ এপাৰ্টমেণ্টৰ পৰা উঠাই লম। তোমালোক পুৱা ৮ বজাত ৰেডী হৈ থাকিবা। খোজ  কাঢ়ি থাকোতে বনুৰ দেউতাক মাকে বঙালী, হিন্দী, পাঞ্জাৱী, তামিল, তেলেগু, ইংৰাজী, চীনা আৰু বহুতো নজনা ভাষাত কথা পতা মানুহ দেখা পালে। অসমীয়া শুনে নেকি

বুলি বনুৰ দেউতাকে কাণ উমাই থাকিলে যদিও পাচে অসমীয়াত কথা পতা কাকো লগ নাপালে। কিছু সময় পাচত তিনিও চিনেমা হল পালেগৈ। হিন্দী চিনেমা কেইবাদিনো চলি আছে বাবে মানুহ তেনেই তাকৰ। বনু হতক লৈ ৭/৮ জন মানহে হব। সময় মতে চিনেমা আৰম্ভ হ'ল আৰু চিনেমা চাই উঠি বনুৰ মাক দেউতাক চাৰ্ভিচ এপাৰ্টমেণ্ট পালেগৈ। অষ্ট্ৰেলিয়াত তেতিয়া নিশা এঘাৰ বাজিছিল আৰু বনুৰ মাকে কলে "কাকতিৰ পত্নীলৈ ফোন এটা কৰি ক'কৰ খবৰ লওঁ। আমাৰ তাত এতিয়া ৬টা মানহে বাজিছে।" এই বুলি বনুৰ মাকে কাকতিৰ পত্নীলৈ ফোন কৰিলে। কাকতিৰ পত্নীয়ে উত্তৰ দিলে বাইদেউ মই বিয়া খাবলৈ আহিছো। ক'ক ভালে আছে চিন্তা নকৰিব। কাকতিৰ পত্নীৰ পৰা ক'কৰ খবৰ লৈ বনুৰ মাক আৰু দেউতাক শুই পৰিল।

পাচদিনা পুৱা আঠ বজাত বনু আহি মাক দেউতাক থকা চাৰ্ভিচ এপাৰ্টমেণ্ট পালেহি। বনুৰ মাক দেউতাক যাবৰ বাবে সাজু হৈ আছিল। বনুয়ে কলে আমি এতিয়া ট্ৰেফিক আৰম্ভ হোৱাৰ আগতেই সোনকালে চিটি এলেকাৰ বাহিৰ ওলাই লওঁ। ৰাস্তাত ব্ৰেকফাষ্ট খাম। এই বুলি তিনিও চাৰ্ভিচ এপাৰ্টমেণ্টৰ পৰা ওলাই আহি বনুয়ে ভাৰা কৰি অনা অডি গাড়ী খনত বহিল। বনুয়ে গুৱাহাটীৰ পৰা আহোতেই ইণ্টাৰনেচল ড্ৰাইভিঙৰ বাবে গুৱাহাটীৰ বেতকুচিত থকা ডিটিঅ অফিচৰ পৰা পাৰ্মিট বনাই আনিছিল। ডিটিঅ টাটাকৰ চিনাকি আছিল বাবে বনুৰ মাক আৰু বনু দুয়োকে টাটাকে ঘোচ নিদিয়াকৈ ড্ৰাইভিং লাইচেঞ্চ বনাই দিছিল। দালাল নোহোৱাকৈ আৰু এক পইচা ঘোচ নিদিয়াকৈ সেই সময়ত ড্ৰাইভিং লাইচেঞ্চ বনোৱা এভাৰেষ্ট বগোৱাৰ দৰে কঠিন কাম আছিল। গাড়ী চলাৰ পাচত বনুৰ দেউতাকে বনুক শুধিলে "বনু তই একে দিনাই ইমান দূৰ গাড়ী চলাব পাৰিবি জানো? মোৰ কিন্তু জিপিএচ চাই গাড়ী চলোৱাৰ অভ্যাস নাই। অবশ্যে তই কোৱা বাবে ইণ্টাৰ নেচনেল পাৰ্মিট বনাই আনিছো। ডিটিঅ চিনাকি বাবে ঘৰলৈকে পঠাই দিছে। নহলে যে সাধাৰণ কামটোৰ বাবে কিমান সময় নষ্ট কৰিব লাগিল হয়।" বনুয়ে উত্তৰ দিলে "কেনবেৰা চিডনীৰ পৰা ২৯০ কিলোমিটাৰ মান। গতিকে অহা যোৱা মিলি প্ৰায় ৬০০ কিলোমিটাৰ হব। ৰাস্তা ইমান ভাল গতিকে ৯০/১০০ত চলালে ছয় ঘণ্টা চলাব লাগিব। ১০০ কিলোমিটাৰৰ মূৰে মূৰে বৈ যাম। তুমি নচলালেও হব।" এইবুলি বনুয়ে এক্সিলেটৰ দবাই দিলে। কিছু সময় পাচতে গাড়ী গৈ হাইৱে পালেগৈ। হাইৱেত স্পীড লিমিট লিখা থাকে আৰু স্পীড কেমেৰা লগোৱা আছে। অধিক জোৰত চলালে ঘৰলৈ ফাইনৰ কাগজ আহি যায় আৰু অনলাইন যোগে পে কৰিব লাগে। টল গেটটো অটমেটিক পেমেণ্ট হৈ যায়, ৰব নালাগে। স্পীড লিমিটৰ বৰ্ড চাই বনুয়ে ৯০/১০০/১১০ কি:মি: বেগত জিপিএচ চাই গাড়ী চলাবলৈ ধৰিলে। বনুৰ মাক দেউতাকে বাহিৰৰ সুন্দৰ প্ৰাকৃতিক দৃশ্য চাই নয়ণ জুৰাই গৈ থাকিল। ১৫০ কিলোমিটাৰ মান যোৱাৰ পাচত বনুয়ে হাইৱেৰ পৰা ভিতৰৰ ফালে গাড়ী সুমুৱাই এখন ধাবাৰ দৰে মটেলত

গাড়ী ৰখাই দিলে। আমাৰ ইয়াৰ দৰে তাত হাইৱেৰ কাষতে ধাবা, দোকান, পেট্ৰল পাম্প আদি নাই। হাইৱেৰ পৰা ভিতৰলৈ সোমাই যাব লাগে। হাইৱেত গৰু, ছাগলী, কুকুৰ, চাইকেল, ঠেলা আদিৰটো প্ৰশ্নই নুঠে। মটেলত বহি বনুহতে ভালদৰে ব্ৰেকফাষ্ট আৰ কফি খাই গা পোনাই ললে। বনুয়ে কলে এইবাৰ চিধা কেনবেৰা পামগৈ। ৰাস্তাত আৰু কতো নৰও। এইবাৰ টাটা পাচত বহা আৰু মা আগলৈ আহা। বনুৰ কথামতে মাকে আগত বহি চিটবেল্ট লগাই ললে আৰু টাটাকে পাচৰ চিটত বহি চিটবেল্ট লগাই ললে। তাত আকৌ পাচৰ চিটটো চিটবেল্ট বাধ্যতামূলক। হাইৱেত উঠি বনুয়ে জোৰেৰে গাড়ী চলাবলৈ ধৰিলে। ৰাস্তাৰ দুয়োকাষে মানুহ দুনুহ নাই। কেৱল টুন্দ্ৰা বননী। অসমৰ দৰে ৰাস্তাৰ দুয়োকাষে ওখ ডাঙৰ গছ নাই বুলিবই পাৰি। মাজে মাজে দুই এঠাইত অষ্টেলিয়ান জাৰ্চী গাইৰ জাক চৰি আছে। ফেঞ্চিং আছে বাবে হাইৱেলৈ নাহে। গৰখীয়া পাচে হঠাতহে কেতিয়াবা এজন দেখা পোৱা যায়। এঘাৰ বাজি চল্লিশ মিনিট মান হোৱাত বনু হত গৈ অষ্ট্ৰেলিয়াৰ ৰাজধানী কেনবেৰা পালেগৈ। বনুৰ মাকে কলে "বনু তই দেখোন প্ৰফেচনেল ড্ৰাইভাৰৰ দৰে গাড়ী চলালি। ইমান সোনকালে পালোহি।" বনুয়ে মাকৰ কথাত মিচিকিয়াই হাঁহিলে।

অষ্ট্ৰেলিয়াৰ ৰাজধানী কেনবেৰা এখন সুন্দৰ পৰিকল্পিত চহৰ। এখন সৰ্বাংগ সুন্দৰ চহৰ দেশৰ ৰাজধানী হিচাবে গঢ় দিবৰ বাবে অষ্ট্ৰেলিয়াৰ ফেডাৰেল চৰকাৰে এক প্ৰতিযোগিতা অনুস্থিত কৰে আৰু উক্ত প্ৰতিযোগিতাত আমেৰিকান আৰ্কিটেক্ট ৱালটাৰ বাৰলে গ্ৰিফিন ( Walter Burley Griffin) আৰু মেৰিঅন মেহনি গ্ৰিফিনৰ (Marion Mahony Griffin) ব্লুপ্ৰিণ্ট বা নক্সা নিৰ্বাচিত হয়। ১৯১৩ চনৰ পৰা কেনবেৰা চহৰৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হয়। প্ৰায় ৮১৫ বৰ্গ কিলোমিটাৰ এলেকাত বিস্তৃত কেনবেৰা চহৰৰ জনংখ্যা মাত্ৰ ৪ লাখ ২৫ হাজাৰ। সুন্দৰ আহল বহল বাট পথৰ কাষে কাষে সুন্দৰ ফুলৰ গছ গছনি আৰু সুন্দৰ সুন্দৰ ঘৰ দুৱাৰ। কিন্তু বাট পথত মানুহ দুনুহ নাই। কেৱল পথেৰে গাড়ী দুই এখন মাজে মাজে অহা যোৱা কৰি আছে। বনুয়ে কেইবাবাৰো গাড়ী ৰখাই মাক দউতাকক ফটো তুলি দিলে। চহৰ খনৰ চাৰিও ফালে এপাক মাৰি বনুয়ে মাক দেউতাকক এটা ডাঙৰ শ্বপিং মললৈ লৈ গ'ল। শ্বপিং মলত গাড়ী পাৰ্কিং কৰি বনুয়ে কলে "টাটা এতিয়া ইয়াত লাঞ্চ খাই লৈ আমি পাৰ্লিয়ামেণ্ট হাউচ, ৱাৰ মেমৰিয়েল, নেচনেল গেলেৰী, নেচনেল মিউজিয়াম বাহিৰৰ পৰা চাম আৰু চাৰি বজাৰ আগে আহে চিডনীলৈ ওভটনি যাত্ৰা আৰম্ভ কৰিম যাতে আঠ বজাৰ আগে আগে চিডনী পাই কাৰ ৰেণ্টলত গাড়ীখন ঘূৰাই দিব পাৰো।" এই বুলি বনুয়ে মাক দেউতাকক শ্বপিং মলৰ ভিতৰৰ এখন ডাঙৰ ৰেষ্টুৰেণ্টলৈ লৈ গ'ল। ৰেষ্টুৰেণ্টত বহি খাই উঠোতে দুই বাজিলেই। বনুয়ে কলে বলা যাও হাতত ঘূৰিবৰ বাবে মাত্ৰ দুঘণ্টা সময় আছে। শ্বপিং মলৰ পৰা ওলাই বনুয়ে প্ৰথমে মাক দেউতাকক

ওৱাৰ মেমৰিয়েললৈ লৈ গ'ল। তাত গাড়ী ৰখাই ফটো চেচন শেষ কৰি বনুহত পাৰ্লিয়ামেণ্ট হাউচ পালেগৈ। পাৰ্লিয়ামেণ্ট হাউচত দূৰৰ পৰাই ফটো উঠি, নেচনেল গেলেৰী, নেচনেল মিউজিয়াম গাড়ীৰ পৰা চাওতেই চাৰি বাজিবৰ হল আৰু বনুয়ে জিপিএচ চাই চিডনীলৈ বুলি গাড়ী চলাই দিলে। তুন্দ্ৰা বনাঞ্চলৰ মাজেৰে উভতি আহোতে বনুৰ দেউতাকে বনুক কলে "বনু তুন্দ্ৰা ফৰেষ্টৰ মাজেৰে আহি থাকোতে মোৰ স্কুলত আমাক ভূগোল পঢ়োৱা আলেকজেণ্ডাৰ চাৰলৈ মনত পৰিছে। চাৰৰ আচল নাম কি মই পাহৰিয়েই গলো। চাৰক সকলোৱে স্কুলত আলেকজেণ্ডাৰ বুলিয়েই জানিছিল। আলেকজেণ্ডাৰ নাম কেনেকৈ হৈছিল আমি নাজানিছিলো কিন্তু পৰীক্ষা হলত অত্যন্ত কাঢ়া। কাকো নকল কৰিবলৈ নিদিয়ে। চাৰ পৰীক্ষা হলত পৰীক্ষক হৈ থাকিলে কোনেও নকল কৰাৰ বাবে সাহ নকৰে। চাৰৰ চকু চিলনীৰ দৰে বহুত দূৰৰ পৰাই দেখা পাই। চাৰে পাচে ভূগোল অত্যন্ত ভাল পঢ়াইছিল। ক্লাচত মন দি শুনিলে আৰু পঢ়াৰ দৰকাৰ প্ৰায় নহয়েই। আমাক যেতিয়া অষ্টেলিয়াৰ তুন্দ্ৰা অঞ্চলৰ কথা পঢ়াইছিল আমাৰ তুন্দ্ৰা অঞ্চলত ঘূৰি ফুৰাৰ দৰে লাগিছিল। আজি সচা সচিকৈ অষ্ট্ৰেলিয়াৰ তুন্দ্ৰা অঞ্চলৰ মাজেৰে আহি চাৰৰ কথাবোৰ কাণত ভাহি উঠিছে। চাৰে আমাক সাগৰীয় সোত, হৰ্চ লেটিটিউড আদিৰ বিষয়ে ইমান ধূনীয়াকৈ বুজাইছিল যে এতিয়াও সাগৰ দেখিলে লাব্ৰাডোৰ সোত, অশ্বাংক্ষ আদিৰ কথা মনলৈ আহে। তাৰো পৰি এতিয়াও আমাক গ্ৰীণউউচ মিন টাইম আৰু দ্ৰাঘিমাংশ কিমান কলে কোনো ঠাইৰ স্থানীয় সময় আমি মুখতে উলিয়াই কৈ দিব পাৰো।" গাড়ীৰে দুঘণ্টা আহাৰ পাচত বনুয়ে জিৰণি লৈ কফি খাবৰ বাবে হাইৱেৰ পৰা গাড়ীখন এঠাইলৈ সুমুৱাই লৈ গ'ল। তাৰ এটা পেট্ৰল পাম্পত থকা ৰেষ্টুৰেণ্টত কফি খাই আৰু ফ্ৰেচ হৈ বনুয়ে পুনৰ চিডনী অভিমুখে গাড়ী চলাই দিলে। বনুয়ে টাটাকক এঘণ্টামান চলাবলৈ কৈছিল যদিও মাকে ৰাস্তা ভুল কৰিব পাৰে বুলি চলাবলৈ নিদিলে। প্ৰায় চাৰে সাত মান বজাত বনুয়ে গাড়ী নি কাৰ ৰেণ্টেলৰ সন্মুখত ৰাখি মাক দেউতাকক কলে যে তোমালোক গেটৰ ওচৰতে ৰোৱা আৰু মই গাড়ী খন দি আহোগৈ। গাড়ী খন দি আহি বনুয়ে উবেৰ টেক্সি মাতিলে আৰু তিনিও উবেৰত উঠি বনুৰ মাক দেউতাক থকা চাৰ্ভিচ এপাৰ্টমেণ্ট পালেগৈ। চাৰ্ভিচ এপাৰ্টমেণ্টত পৰঠা, চিকেন আৰু ভাজি গৰম কৰি খাই বনুয়ে মাক দেউতাকৰ পৰা বিদায় লৈ নিজৰ হোষ্টেললৈ বুলি খোজ ললে। ভাগৰ লগা বাবে বনুৰ মাক দেউতাকো শুই পৰিল।

এদিন দুদিনকৈ চিডনীৰ ওচৰ পাজৰৰ ঠাইবোৰ আৰু শ্বপিং মল, হাৰবাৰ ব্ৰীজ, ডাৰলিং হাৰবাৰ আদি ঘুৰি থাকোতে সময় পাৰ হৈ গ'ল। ইফালে যদিও পৱনে ভিডিঅ কলিং কৰি ক'কৰ খবৰ জনাই আছিল তথাপি বনুৰ মাকে এক মূহুৰ্তৰ বাবেও ক'কক পাহৰিব পৰা নাছিল। অবশেষত বনুৰ মাক দেউতাক ঘূৰি যোৱাৰ সময় আহি পালেহি। ঘৰলৈ ঘূৰি যাব বাবে বনুৰ মাকৰ মনত বৰ আনন্দ। পুৰণি দিনৰ মানুহৰ বাবে সদায় জননী জন্মভূমি স্বৰ্গতকৈও আপোন। নতুন যুগৰ লৰা ছোৱালীৰ জন্মভূমিৰ প্ৰতি আৰ্কষণ কম। বনুৰ মাকে বনুক ক'লে "বনু যিমানেই যি নহওক মই হলে অসমকে ভাল পাও আৰু মোৰ বাবে হম, হম চুইট, চুইট হম। মই কিন্তু বিদেশত এমাহৰ বেচি থাকিব নোৱাৰো। বাট পথত মানুহ দুনুহ নাই, কথা পাতিবলৈ লগ ভাগ নাই। চিঞৰ বাখৰ হুলস্থূল নাই।" বনুয়ে উত্তৰ দিলে "তোমালোক আগৰ জামানাৰ মানুহ। আমি নতুন যুগৰ মানুহ। আমাৰ দেশ, ঠাই, চুবুৰি বুলি কোনো এটাচমেণ্ট নাই। যতে অধিক সুবিধা আৰু কেৰিয়াৰ গঢ়াৰ অপৰচুনিটি পাম তালৈকে যাম, তাতে থাকিম। কাইলৈ যদি কানাডাত ভাল স্কপ পাও তালৈ যাম পৰহিলৈ যদি চিংগাপুৰত ভাল সুবিধা পাও তালৈ যাম। তাৰ পাচত যদি পেৰিচত বেচি ভাল সুবিধা পাও তালৈকো যাম। আমি গ্লবেল চিটিজন।" বনু আৰু মাকৰ কথা আগবাঢ়ি কাজিয়াৰ ৰূপ লোৱাৰ আগতেই বনুৰ দেউতাকে কলে "এতিয়া কথা বাদ দি কাপোৰ জপাত লগা। নহলে সৰু সুৰা বস্তু থাকি যাব।" বনুৰ দেউতাকৰ কথা শুনি তৰ্ক আৰু আগ নবহাও বুলি বনুৰ মাক কাপোৰ জপাত লাগিল। কাপোৰ কামি চুটকেচত ভৰাই হোৱাৰ পাচত বনুহত ওচৰৰ ৰেষ্টুৰেণ্টত দূপৰীয়াৰ আহাৰ খাবলৈ গ'ল। গধুলী ছয় বজাত বিমান। গতিকে তিনি বজাত এয়াৰ পৰ্ট পাবগৈ লাগিব। সেই বাবে দুই বজাত চাৰ্ভিচ এপাৰ্টমেণ্টৰ পৰা ওলাব লাগিব। ৰেষ্টুৰেণ্টত দূপৰীয়াৰ আহাৰ খাই আহি বনুয়ে উবেৰ টেক্সি মাতিলে আৰু মাক দেউতাকক লৈ এয়াৰপৰ্টলৈ বুলি যাত্ৰা কৰিলে। এয়াৰপৰ্ট সোমাই বনুৰ মাক দেউতাক এখন বেঞ্চত বহিল। বনুৰ মাকে বনুৰ ফোনটো লৈ পৱনলৈ ফোন লগালে। পৱনৰ পৰা ক'কৰ খবৰ লোৱাৰ পাচত পৱনক কেইটা বজাত গুৱাহাটী বিমান বন্দৰলৈ আহিব লাগিব বুজাই দিলে। লগতে কলিকতা পাই পুনৰ ফোন কৰি জনাম বুলিও কলে। অৱশেষত সুৰক্ষা নীৰিক্ষণ দুৱাৰৰ ফালে যোৱাৰ সময় আহিল। বনুয়ে মাকক সাবতি ধৰি বিদায় দিবলৈ লোৱাত মাক জীয়েকৰ কন্দাকটা আৰম্ভ হ'ল। বনুৰ দেউতাকে বনুৰ মাকক বলা বলা বুলি কৈ বনুক চুমা খাই সুৰক্ষা নীৰিক্ষণৰ বাবে ভিতৰলৈ সোমাই গ'ল। বনুয়ে দূৰৰ পৰা চকুপানী মচি মচি নেদেখা হোৱালৈকে চাই থাকিল। বিমানত উঠি বনুৰ মাক দেউতাক গুৱানজু হৈ কলিকতালৈ উৰা মাৰিলে। কলিকতা পাই বনুৰ দেউতাকে পৱনক গুৱাহাটী বিমান বন্দৰলৈ আহিব লগা সময় বুজাই দিলে। গুৱাহাটী বিমান বন্দৰ পাই বনুৰ মাক দেউতাকে দেখিলে যে গেটৰ সন্মুখত হাঁহি হাঁহি পৱন ৰৈ আছে। পৱনক দেখি আৰু নিজৰ

আপোন গুৱাহাটী পাই বনুৰ মাক দেউতাকৰ মুখতো আনন্দৰ হাঁহি বিৰিঙিল। গাড়ীত আহি থাকোতে বনুৰ মাক দেউতাক চিনাকি মৰমৰ গুৱাহাটী খন বৰ লেতেৰা লেতেৰা লাগিল। ৰাস্তাৰ দুয়োকাষে কাগজ, জাবৰ, সকলোতে পিকৰ দাগ। বনুৰ দেউতাকে পৱনক কলে, পৱন বাইদেউক ঘৰত নমাই দি তুমি আৰু মই ক'কক আনিবলৈ যাম। ঘৰদুৱাৰ চাফা হয় মানে আমি ক'কক লৈ আহি পাই যামহি। ঘৰ পাই বনুৰ মাক আৰু বস্তু বাহানি নমাই দি বনুৰ দেউতাক আৰু পৱন কাকতিৰ ক্ৰেচলৈ বুলি ৰাওনা হ'ল।

কাকতিৰ ঘৰৰ ওচৰ পাই পাহাৰৰ তলতে গাড়ী ৰাখি ফোপাই জোপাই পৱনৰ লগত বনুৰ দেউতাক গৈ কাকতিৰ ক্ৰেচত উপস্থিত হলগৈ। ক্ৰেচ পাই বনুৰ দেউতাকে ক'ক বুলি কবলৈহে পালে, ক'কই শব্দটো শুনি পগলাৰ দৰে জপিয়াই ভুকিবলৈ ধৰিলে। কাকতিৰ পত্নীয়ে ভিতৰৰ পৰা আনি ক'কৰ বেল্টদাল টাটকৰ হাতত দিয়াৰ লগে লগে ক'কই টাটাকক পাহাৰৰ তললৈ দৌৰাই লৈ গৈ গাড়ীৰ কাষত ৰৈ জপিয়াবলৈ ধৰিলে। দুৱাৰ খুলি দিয়াৰ লগে লগে ক'ক জাপমাৰি চিটত উঠিল। বনুৰ দেউতাকো ক'কৰ কাষত বহাৰ লগে লগে ক'কই ভূকি ভূকি গালি পৰাৰ লগতে টাটাকক আগ ভৰিৰে মাৰিবলৈ ধৰিলে। অলপ পাচতে বস্তু বাহানি সহ পৱন পালেহি আৰু পৱনে ঘৰলৈ বুলি গাড়ী চলাবলৈ ধৰিলে। গোটেই ৰাস্তাটো ক'কই টাটাকক আগৰ ভৰিৰে মাৰি মাৰি ভুকি থাকিল, বোধহয় মা ক'ত গল বা ইমান দিন ক'ত আছিলি আদি তাকে শুধিবৰ বাবে চেষ্টা কৰিছিল। ফ্লেটৰ পৰিসৰত প্ৰবেশ কৰি ক'ক আৰু অধিক চঞ্চল হ'ল আৰু থিয় হৈ আগ ভৰিৰে গাড়ীৰ খিড়ীকিত থাপ থাপকৈ মাৰিবলৈ ধৰিলে। টাটাকে গাড়ীৰ পৰা নমাই দিয়াৰ লগে লগে টাটাকক চিৰৰে টানি দ্বিতীয় মহলাৰ ফ্লেটলৈ টানি লৈ গৈ দুৱাৰত আগ ভৰিৰে থাপ থাপকৈ মাৰিবলৈ ধৰিলে। টাটাকেও লগে লগে ঘৰৰ কলিং বেল বজালে আৰু মাকে আহি দুৱাৰ খুলি দিলে। মাকক দেখি আনন্দ আৰু উত্তেজনাত ক'কৰ অকমান পেছাবেই ওলাই গ'ল। মাকে ক'ক বুলি মৰমতে কোলাত তুলি লোৱাৰ লগে লগে নিজৰ ভাষাত ভুকি ভুকি গালি পাৰাৰ লগতে মৰমৰ চেলেক দুটামানো দিলে। পৱনে আহি ক'কৰ বস্তু বাহানী নমাই থৈ গলহি। ঘৰ পাই ক'কৰ মন সাত খন আঠ খন হ'ল আৰু আনন্দ মনেৰে নিজৰ টেডি (পুতলা) খেলাত লাগিল। কিছু সময় পাচত পানী গৰম কৰি মাকে টাটাকক কলে ক'কক বাথৰূমলৈ লৈ আহা। বহুদিন গা ধোৱা নাই, তাইক ভালদৰে চেম্প দি গাটো ধুৱাই দিও। টাটাকে ক'কক আনিবল বুলি ড্ৰয়িংৰূমলৈ গৈ দেখৈ ক'ক নাই। ক'কক বিচাৰি টাটাকে দেখিলে এখন চকীৰ তলত চুপচাপ লুকাই আছে। সৰুৰে পৰা ক'কই গা ধুই বেয়া পাই আৰু মাকে গা ধুওৱা কথা কলেই পলাই পত্ৰং দিয়ে। চকীৰ তলৰ পৰা টাটাকে ডাঙি নি ক'কক মাকৰ হাতত দিলে আৰু মাকে ভালদৰে

ক'কক গা ধুৱাই টাৱেলেৰে মচি দি ক'কৰ বিচনাৰ কাপোৰ কানি সলনি কৰি দি ক'কক শুৱাই দিলে। গা ধুই পৰিস্কাৰ পৰিস্কাৰ লগাত অলপ পাচতে ক'কই নাক বজাই টোপনি মাৰাত লাগিল।

অষ্ট্ৰেলিয়াৰ পৰা ঘূৰি অহাৰ দুদিন মান পাচত বনুৰ মাকে মন কৰিলে যে ক'কৰ খোৱা বোৱাৰ প্ৰতি আগ্ৰহ কমি গৈছে। লগতে খেলা ধূলা আৰু স্ফূৰ্টি আদিও কম হবলৈ আৰম্ভ কৰিছে। বনুৰ মাকে কথাটো দেউতাকক কলে। দেউতাকে কলে আৰু দুই তিনি দিন চাই লও। কেতিয়াবা কুকুৰে এনেও এদিন দুদিন নোখোৱাকৈ থাকে। আমাৰ অসমীয়া ফকৰা যোজনা 'দেখাক দেখি কুকুৰে কৰে একাদশী' কুকুৰে মাজে মাজে নোখোৱা হোৱাৰ পৰাই সৃষ্টি হৈছে। দুদিন পাচত ক'কৰ খোৱা আৰু কমি যোৱাৰ লগতে ক'কই হালধীয়া বমি কৰাত বনুৰ দেউতাকে পৰনক মাতি ক'কক খানাপাৰাৰ ভেটেনেৰী কলেজৰ হস্পিতাললৈ লৈ গ'ল। ডা: মনিকাই ক'কক পৰীক্ষা কৰি কলে যে ক'কৰ তেজ আৰু পায়খানা পেছাব পৰীক্ষা কৰিব লাগিব। তেজ আজিয়েই দি যাওক আৰু পেছাব পায়খানা কাইলৈ পুৱা ৮বজাত দি যাবহি। আবেলি ৩ মান বজাত আপুনি আহি ৰিপৰ্টবোৰ দেখুৱাবহি। তাৰ পাচত ক'কৰ চিকিৎসা আৰম্ভ হব। এই বুলি ডা:মনিকাই চিৰিঞ্জ, পেচাব পায়খানাৰ দিবৰ বাবে বটল আদি কিনি আনিবৰ বাবে লিখি দিলে। লগতে ক'কৰ বাবে ভিটামিন, হজমী আৰু এণ্টাচিডো লিখি দিলে। ক'কক পৰীক্ষা কৰা টেবুলত বহাই পৰনক ৰখিবলৈ কৈ টাটাকে ফাৰ্মাচীৰ পৰা সকলো কিনি আনি আলিক প্ৰেচকিপচন খন দি তেজ লোৱাৰ কথা কলে। আলিয়ে আহি ক'কৰ তেজ উলিয়াই টেষ্ট টিউবত ভৰাই দিলে আৰু বনুৰ টাটাকে নি ওপৰ মহলাত থকা লেবৰেটৰীত দি আহিলগৈ। তাৰ পাচত ক'কক লৈ বনুৰ দেউতাক হত ঘৰ পালেগৈ। পাচদিনা পুৱা টাটাকে গৈ হস্পিতালৰ লেবৰেটৰীত ক'কৰ পায়খানা পেছাব দি আহিলেগৈ। আবেলি সময়ত মাকে কলে "বুজিছা আজি আৰু ক'কক নিনিও, তুমি বাৰে বাৰে খানাপাৰালৈ গৈ থাকিব নালাগে। পৰনক কাইলৈ পুৱা মাতি দিয়া। একেবাৰে সাজু হৈ আমি পুৱা ৯মান বজাতে খানাপাৰালৈ ওলাই যাম।" বনুৰ দেউতাকে হয়ভৰ দি পৰনক পাচদিনা পুৱা ৯ বজাৰ আগতে আহিবলৈ নিৰ্দেশ দিলে।

পাচদিনা পুৱা চাৰে ন মান বজাত ক'কক লৈ সকলো খানাপাৰা পালেগৈ। কাউণ্টাৰত নাম ভৰ্তি কৰি বনুৰ দেউতাক লেবৰেটৰীৰ পৰা ৰিপৰ্ট আনিবলৈ গ'ল আৰু বনুৰ মাকে ক'কক পৰনৰ হাতত দি বিভিন্ন মানুহে হস্পিতাললৈ অনা বিভিন্ন প্ৰজাতিৰ কুকুৰ চোৱাত লাগিল। দেউতাকে লেবৰেটৰীৰ পৰা ৰিপৰ্ট আনি ডা:মনিকাৰ হাতত ৰিপৰ্টটো তুলি দিলেহি। ৰিপৰ্ট চাই ডা: মনিকাই বনুৰ দেউতাকলৈ চাই কলে "আকৌ বেবেচিয়াই পালে। ভাগ্য ভাল হিমগ্লবিন এতিয়াও আঠ হৈ আছে আগৰ বাৰৰ দৰে চাৰি পোৱাগৈ নাই। ব'লক কলিতা চাৰক ৰিৰ্পট দেখুৱাই

কেনেধৰণৰ ট্ৰিটমেণ্ট দিয়া যাব আলোচনা কৰি লও।" এই বুলি ডা: মনিকা আৰু বনুৰ দেউতাক প্ৰফেচৰ কলিতাৰ ওচৰ পালেগৈ।

প্ৰফেচৰ কলিতাই বনুৰ দেউতাকক বহিবলৈ দি ৰিৰ্প'ট চাই ডা:মনিকাক ঔষধৰ শ্ৰুতলিপি দিবলৈ আৰম্ভ কৰিলে। বনুৰ দেউতাকে সুধিলে, কেইমাহমান আগতে বেমাৰটো ভাল হৈ গৈছিলহে আকৌ হ'ল দেখোন। প্ৰফেচৰ কলিতাই ক'লে, বহুতৰ ক্ষেত্ৰত এইটো ৰিলাপচ কৰে। কিছুমানৰটো ৪ বাৰ পৰ্য্যন্ত হৈছে। এতিয়া নতুনকৈ আকৌ হ'ল নে ৰিলাপচ কৰিলে কোৱাটো টান। এইবাৰ দিনে এটাকৈ ১৪ দিনত ১৪ টা চেলাইন দিয়া হব। আগৰ বাৰৰ দৰে দিনে দুবাৰকৈ আহিব নালাগে। খানাপাৰাৰ ভেটেনেৰী কলেজৰ ডাক্টৰ সকলৰ ব্যৱহাৰ পাতি বহুত সৌহাদ্যপূৰ্ণ আৰু বন্ধুত্ব সুলভ। মাদ্ৰাজৰ এপল হস্পিতালৰ ডাক্টৰ সকলৰ দৰে। সকলো ডাক্টৰেই হাঁহি মুখীয়া আৰু বৰ ভাল। গুৱাহাটীৰ মানুহৰ বহুতো ডাক্টৰ তেওলোকৰ দৰে নহয়। ডা: মনিকাই বনুৰ দেউতাকক প্ৰেচকিপচন খন আগবঢ়াই দি ফাৰ্মাচীৰ পৰা ঔষধ খিনি আনি আলিৰ হাতত দিবলৈ কলে। ইতিমধ্যে বনুৰ মাক আৰু পৱনে ক'কক নি চেলাইন দিয়া টেবুলৰ ওপৰত বহাই ৰাখিছিলেগৈ। নহলে ৰাতিপুৱা সময়ত ইমান পেচেণ্ট আহে যে টেবুল পোৱাই দিগদাৰ হয়। বনুৰ দেউতাকে ফাৰ্মাচীৰ পৰা ঔষধখিনি কিনি আনি টেবুলট ৰাখি আলিৰ হাতত প্ৰেচকিপচন খন দি আহি ক'কৰ টেবুলৰ ওচৰত আলিলৈ বুলি অপেক্ষা কৰি ৰ'ল। কিছুসময় পাচত আলি আহি ক'কক চেলাইন লগাই দি চেলাইনৰ জৰিয়তে ৩/৪টা মান বেজী দিলে। ক'কই কৰুণ মনেৰে মাকলৈ চাই থাকিল। এটা সময়ত চেলাইন শেষ হল আৰু আলিয়ে আহি সকলো এৰুৱাই দিয়াত ক'কক লৈ বনুৰ মাক, দেউতাক আৰু পৱন আহি ঘৰ পালেহি। এদিন দুদিনকৈ চাৰিদিন যোৱাৰ পাচতে ক'কই আকৌ খোৱা বোৱা আৰম্ভ কৰিলে। ডা:মনিকাই কলে যে যিহেতু বেজীবোৰ চেলাইনৰ জৰিয়তে দিয়া হয় গতিকে গোটেইকেইটা চেলাইন দিব লাগিব। ডাইৰেক্ট ইনজেকচন দিলে ক'কই সহ্য কৰিব নোৱাৰিব। নহলেতো ঘৰতে বেজী কেইটা দিয়াব পাৰিলে হয়। বনুৰ মাকে কলে কৰ্চটো সম্পূৰ্ণ কৰক। এইবাৰৰ পাচত আকৌ ভবিষ্যতে নহলেই হয়। বাৰে বাৰে ইমান কষ্ট পালে বৰ দুখ লাগে। চৈধ্য দিন পাৰ হৈ গ'ল আৰু তেজ পৰীক্ষা কৰাৰ পাচত ডা:মনিকাই ক'কক বেবেচিয়া মুক্ত বুলি ঘোষণা কৰিলে। ক'ক আৰোগ্য হোৱাৰ পাচত অধিক তজবজীয়া আৰু চঞ্চলা চপলা হৈ পৰিল। মানুহ ভালপোৱা ক'কই কুকুৰ একেবাৰে দেখিব নোৱাৰা হ'ল। আনকি কুকুৰ শব্দটো শুনিলেও ভুকি মেলি হুলস্থুল লগোৱা হ'ল। এদিন দুদিনকৈ আহি ক'কৰ দুবছৰীয়া জন্মদিন পালেহি। ক'কক মিৰ্জালৈ নি অনিমা, বনুৰ মাক দেউতাক আৰু পৱনে ক'কৰ জন্মদিন পালন কৰিলে। সৰুৰে পৰা ক'ক সাহসী আছিল। কিন্তু দুবাৰ বেমাৰ হৈ হস্পিতাললৈ অহষ যোৱা কৰি উগ্ৰ সাহসী হ'ল। ক'ক চালাকো

হ'ল। ভাল কাপোৰ কানি পিন্ধা মানুহক বৰকৈ নুভুকে কিন্তু বেয়া কাপোৰ কানি পিন্ধা মানুহ দেখিলে ভুকি ভুকি পাগল হৈ যায়। লগতে অসমীয়া ভাষাত সন্মাম সহকাৰে ডিগ্ৰীও আহৰণ কৰিলে। ক'কৰ আগত অসমীয়াত কথা পাতিলে সকলো বুজি পাই বাবে বনুৰ মাক দেউতাকে কিছুমান শব্দ অসমীয়াত নকৈ ইংৰাজীত কোৱা আৰম্ভ কৰিলে।

বেবেচিয়াৰ পৰা দ্বিতীয়বাৰ আৰোগ্য হোৱা অলপ দিন পাৰহৈ গৈছিলহে, তেনেতে বনুৰ দেউতাকে ক'কক পেছাব কৰাওতে দেখিলে যে ক'কৰ পেছাবত তেজ গৈছে। এদিন দুদিকৈ প্ৰায় এসপ্তাহ দহ দিন মান যেতিয়া অকণ অকণ তেজ যাবলৈ ধৰিলে বনুৰ দেউতাকে বনুৰ মাকক কলে, এনে কথাই কথা নহয়, কাইলৈ ক'কক খানাপাৰালৈ লৈ গৈ দেখুৱাই আনিম। খানাপাৰা শব্দটো শুনিয়েই ক'কই ভৌ ভৌ কৈ ভুকি টাটাকক গালি পৰা আৰম্ভ কৰিলে। অৰ্থাৎ খানাপাৰালৈ মই নাযাও। টাটাকে ক'কলৈ চাই কলে 'থিক আছে বাৰু খানাপাৰালৈ নিনিও, মনে মনে থাক। লগে লগে ক'ক চুপ হৈ গ'ল। বনুৰ দেউতাকে ক'কই নুশুনাকৈ পৱনক ফোন কৰি পাচদিনা পুৱা আঠ বজাত আহিবলৈ কলে। পুৱা সোনকালে গলে ট্ৰেফিক জাম নাথাকে আৰু খানাপাৰাৰ হস্পিতালত ভিৰ নটা-চাৰে নটা মান বজাতহে আৰম্ভ হয়। পাচদিনা পুৱা আঠ বজাত পৱন আহি উপস্থিত হ'লহি। বনুৰ মাকে ক'কক দুদদানিৰে পানী খুৱাই বেল্টডাল লগাই দিলে আৰু ক'কক কলে "ক'ক মই নাযাও, তই টাটাৰ লগত গৈ হস্পিতাললৈ যা আৰু চেক আপ কৰাই আহগৈ।" মাকৰ কথা শুনাৰ পাচত ক'ক টাটাকৰ লগত চিৰিৰে গাড়ীৰ ওচৰলৈ নামি গ'ল। পৱনে ক'ক আৰু বনুৰ দেউতাকক লৈ খানাপাৰাৰ ভেটেনেৰী কলেজৰ হস্পিতাল পালেগৈ। ক'কৰ পেছাবত তেজ যোৱা বুলি শুনি ডা:মনিকাই ককলৈ চাই ক'লে "কক তই বৰ বেমাৰী হলি অ'।" পৰীক্ষা কৰাৰ পাচত ডা:মনিকাই কলে "ক'কৰ পেছাব কালচাৰ কৰিব লাগিব আৰু এখন এক্সৰে কৰিব লাগিব। কাইলৈ পেছাব লৈ আহিব আৰু ক'কক খালী পেটে লৈ আহিব। এতিয়া মই স্ত্ৰী ৰোগ বিশেষজ্ঞলৈ (Gyanocologist) ৰেফাৰ কৰি দিছো। আপুনি এতিয়া তাত দেখুৱাই অপিনিয়ন লৈ যাওক। কাইলৈ এক্সৰে কৰি, পেছাব দি গুচি যাব পাৰিব। কালচাৰ কৰিবলৈ তিনিদিন সময় লাগিব। তিনিদিন পাচত আহিব আৰু তেতিয়া ৰিৰ্পটবোৰ কলিতা চাৰক দেখুৱাই চিকিৎসা আৰম্ভ কৰিম।" ডা:মনিকাৰ কথা মতে বনুৰ দেউতাকে ক'কক লৈ স্ত্ৰী ৰোগ বিশেষজ্ঞৰ ওচৰ পালেগৈ। ক'কক ভালদৰে পৰীক্ষা কৰি বিশেষজ্ঞই তেজ যোৱাতো কোনো গাইনকলজিকেল প্ৰব্লেম নহয় বুলি লিখি দিলে। বনুৰ দেউতাক আৰু পৱনে ক'ক লৈ ঘৰ পালেহি আৰু বনুৰ দেউতাকে বনুৰ মাকক সকলো কথা বিবৰি কলে। বনুৰ মাকে লগে লগে বনুক ফোন কৰি সকলো কথা জনাই দিলে।

পাচদিনা পুৱা ক'কক লৈ পৰন, বনুৰ মাক, দেউতাক গৈ খানাপাৰা পালেগৈ। লেবৰেটৰীত ক'কৰ পেছাব জমা দি বনুৰ দেউতাকে আহি ডা:মনিকাক লগ ধৰিলে। ডা:মনিকাই বাহিৰত ৰবলৈ কৈ ৰেডিঅলজীৰ ডাক্টৰৰ লগত আলোচনা কৰি আহিলগৈ। কিছু সময় পাচত ডা:মনিকাই ক'কক হস্পিতালৰ বাহিৰত ৰাখিথোৱা মবাইল এক্সৰে ভান খনলৈ লৈ যাবলৈ কলে। হস্পিতালৰ এক্সৰে মেচিন বেয়া হৈ আছে বাবে মবাইল ভানত এক্সৰে কৰিব লাগিব। মবাইল ভানৰ ওচৰ পাই ক'ক ভানত নুঠা হ'ল। ভৰি মাৰি মাৰি ভুকি ভুকি নিজৰ আপত্তি জনালে। উপায় নাপাই ক'কক কোলাত লৈ বনুৰ দেউতাক আৰু মাক ভানৰ ভিতৰলৈ সোমাই গ'ল আৰু ৰেডিঅলজীৰ ডাক্টৰে কোৱা মতে জোৰেৰে ধৰি থাকিল। এক্সৰে হোৱাৰ পাচত বনুৰ দেউতাকে গৈ ডা:মনিকাক লগত লৈ অধ্যাপক কলিতাক লগ ধৰি কেনে ধৰণৰ চিকিৎসা হব সুধিলেগৈ। প্ৰফেচৰ কলিতাই কলে যে এক্সৰে ৰিপৰ্ট আৰু ইউৰিনৰ কালচাৰ ৰিৰ্পট চাইহে কি চিকৎসা দিয়া হব ঠিৰাং।কৰা হব। সেয়ে ক'কক লৈ বনুৰ মাক-দেউতাক আৰু পৰন ঘৰলৈ উভতি আহিল। তিনি দিনৰ পাচত ক'কলৈ  বনুৰ মাক দেউতাক খানাপাৰা বুলি পুৱাই ঘৰৰ পৰা যাত্ৰা কৰিলে। পৰন ঘৰলৈ যোৱা বাবে বনুৰ দেউতাকে নিজেই গাড়ী চলালে আৰু বনুৰ মাকে গাড়ীত গৈ থাকোতে বনুৰ দেউতাকক কলে "বুজিছা ক'কটো আৰু নতুন ফ্লেটত থাকিবলৈ নাপাব। ইটোৰ পাচত সিটো বেমাৰ লাগি থাকে।" মাকৰ কথা শুনি ক'কই ভুকি ভুকি গালি পাৰি তীব্ৰ প্ৰতিবাদ কৰিলে, যেন কলে "কিয় নাপাম। বেমাৰ হৈছে ভাল হব। বেমাৰ কাৰ নহয়।" ক'কৰ প্ৰতিবাদ দেখি মাকে কলে "অ পাবি দে থাকিবলৈ পাবি। তোকো বাৰু এটা ৰূম দিম।" লগে লগে ক'ক চুপ হ'ল। বনুৰ দেউতাকে ক'কৰ কাণ্ড দেখি হাঁহি ৰাখিব নোৱাৰা হ'ল। টাটাকৰ হাঁহি দেখি ক'কৰ আকৌ খং উঠিল আৰু এইবাৰ ভুকি ভুকি টাটাকক গালি দিলে "এইটো কি হাঁহিব লগা কথা।"

খানাপাৰা পাই বনুৰ দেউতাকে লেবৰেটৰীৰ পৰা ৰিৰ্পট আনিবলৈ গ'ল আৰু ক'কই অভ্যৰ্থনা কক্ষত মাকৰ লগত বহি হস্পিতাললৈ অহা কুকুৰ বোৰক ভুকাত লাগিল। লেবৰেটৰীৰ পৰা ৰিৰ্পট আনি বনুৰ দেউতাকে ডা:মনিকাৰ হাতত দিলে। ৰিপৰ্টবোৰ পঢ়ি ডা:মনিকাই কলে এবাৰ কলিতা চাৰকো দেখুৱাই লও। এই বুলি ডা:মনিকা প্ৰফেচৰ কলিতাৰ চেম্বাৰ পালেগৈ আৰু পাচে পাচে বনুৰ দেউতাকো প্ৰফেচৰ কলিতাৰ ওচৰ পালে। ৰিৰ্পটবোৰ চাই ডা:কলিতাই কলে যিহেতু কালচাৰত একো নোলাল আৰু গাইনী প্ৰব্লেম নাই গতিকে এণ্টিবায়টিক ইনজেকচন আৰু পেছাবৰ বাবে ইউৰিপেট দিয়া। লগতে ভিটামিন আৰু ফুডচাপ্লিমেণ্ট দিবা। প্ৰফেচৰ কলিতাই  বনুৰ দেউতাকলৈ চাই ক'লে "ক'কক অলপ পানী বেচিকৈ খুৱাব। কালচাত একো পোৱা নগল বাবে এমাহমান পাচত আকৌ এবাৰ পেচাব কালচাৰ কৰিব লাগিব।আজি এটা ইনজেকচন ইয়াত দি লৈ যাওক। বাকীকেইটা ঘৰৰ ওচৰতে দিয়াব পাৰিব।" বনুৰ দেউতাকে

প্ৰফেচৰ কলিতাৰ কথাত মূৰ জোকাৰিলে। ডা:মনিকাই প্ৰেচকিপচনত ঔষধ লিখি দিলে আৰু বনুৰ দেউতাকে ফাৰ্মাচীৰ পৰা কিনি আনিলেগৈ। আলিৰ হাতত প্ৰেচকিপচন খন দি বনুৰ দেউতাকে ক'কক এখন বেজী দিয়া টেবুলৰ ওপৰত উঠাই দিলে। অলপ পাচত আলি আহি ক'কক এণ্টিবায়টিক বেজী এটা দিলেহি আৰু বনুৰ মাক দেউতাকে ক'কক লৈ ঘৰলৈ উভতি আহিল। পাচদিনা বনুৰ দেউতাকে পৱনক লৈ ঘৰৰ ওচৰৰ পেট এণ্ড ভেটত ক'কক দ্বিতীয় এটা বেজী দিয়ালে। তিনিটা বেজী লোৱাৰ পাচত ক'কৰ পেচাবত তেজ।যোৱা বন্ধ হ'ল আৰু বনুৰ মাক দেউতাকে ভাবিলে ক'ক ভাল হ'ল।

সাতটাকৈ এণ্টিবয়টিক বেজী লোৱা এমাহ মানহে হৈছিল, ক'কৰ পেছাবত আকৌ তেজৰ চেকুৰা দেখা গ'ল। বনুৰ দেউতাকে তৎক্ষণাত ক'কক খানাপাৰাৰ ভেটেনেৰী হস্পিতালৈ লৈ গ'ল। ডা:মনিকাই পৰীক্ষা কৰি কলে আলট্ৰা চাউণ্ড কৰিব লাগিব। আপুনি ফিজটো কাউণ্টাৰত জমা কৰি আহি ৰিচিপট খন মোক দিয়ক। মই আলট্ৰাচাউণ্ড কৰা ডাক্টৰককৈ যদি বেচি পেচেণ্ট নাই আজিয়েই কৰাই দিম। ক'কক লৈ বাহিৰৰ অভ্যৰ্থনা কক্ষত অপেক্ষা কৰক। বনুৰ দেউতাকে কাউণ্টাৰত টকা জমা দি ৰিচিপট খন ডা:মনিকাৰ হাতত দিলেহি আৰু ক'কক লৈ বনুৰ মাক বেঞ্চত বহি থাকিল। ক'কয়ো অন্যান্য কুকুৰবোৰক ভুকি ভুকি নিজৰ উপস্থিতি জাহিৰ কৰিব ধৰিলে। মাক আৰু টাটাকৰ ধমকিতো ককুৰ দেখি ক'কৰ চুপ থকাৰ মন নহল।অলপ পাচত ডা:মনিকাই বনুৰ টাটাকক মাতিলে আৰু ক'কক এখন টেবুলত বহাবলৈ কলে। লগতে এজন সহায়কাৰী ড্ৰেচাৰক মাতি ক'কৰ পেট খুৰাই দিবলৈ কলে। ক'কক নি টেবুলত বহাই দি মাক দেউতাকে জোৰেৰে ধৰি থাকিল আৰু ক'কই সুৰসুৰণি উঠাত পেট খুৰাবলৈ নিদি লৰচৰ কৰিবলৈ ধৰিলে। পৱন আৰু আন এজন সহায়কাৰী আহি মুঠ চাৰিজনে ধৰাৰ পাচত পেট খুৰুৱা কামটো যেনিবা সমাধা হ'ল। পেট খুৰুৱা হোৱাৰ পাচত ক'কক আলট্ৰাচাউণ্ড ৰূমলৈ লৈ যোৱা হ'ল। আলট্ৰাচাউণ্ড ৰূমত চাৰ্জাৰী বিভাগৰ অধ্যাপক এগৰাকী বহি আছিল। ক'কক বিচনা এখনত শুৱাই দিবলৈ কৈ তেওঁ কম্পিউটাৰত ককৰ তথ্য সমূহ ভৰাই দি ক'কৰ আৰট্ৰাচাউণ্ড আৰম্ভ কৰিলে। টাটাকে মূৰৰ ফালে আৰু মাকে ভৰিৰ ফালে ক'কক ধৰি থাকিল। আলট্ৰাচাউণ্ড কৰি থাকোতেই অধ্যাপক গৰাকীয়ে কলে, কিডনীত বহুতো সৰু সৰু পাথৰ। পেছাবত তেজ যোৱাৰ মূল কাৰণ এই পাথৰবোৰ। অধ্যাপক গৰাকীয়ে বনুৰ দেউতাককো কম্পিউটাৰৰ মনিটৰত কিডনী আৰু পাথৰ দেখুৱাই দিলে। আলট্ৰাচাউণ্ড কৰি উঠি অধ্যাপক গৰাকীয়ে ৰিৰ্পট আৰু ঔষধ লিখি দিলে। পাথৰ ওলাই যাবৰ বাবে দিয়া ঔষধটো স্পেইনৰ পৰা আমদানি কৰি অনা হয়। প্ৰেচকিপচন আৰু ৰিৰ্পট লৈ বনুৰ দেউতাক ডা:মনিকাৰ ওচৰ পালেগৈ। ডা:মনিকাই ৰিৰ্পট আৰু প্ৰেচকিপচন চাই কলে, চাৰে ঔষধ লিখি

দিছেই। আপুনি ফাৰ্মাচীৰ পৰা কিনি লৈ গৈ নিয়মিত খুৱাব। এবটল খুওৱাৰ পাচত যদি ভাল নহয় তেতিয়া আকৌ আহিব। যদি ভালহৈ যায় তেন্তে নাহিলেও হব। ডা: মনিকাৰ লগত কথা পতাৰ পাচত ফাৰ্মাচীৰ পৰা ঔষধ কিনি বনুৰ মাক দেউতাক ক'কক লৈ ঘৰ পালেগৈ।

ক'কক ঔষধ খুওৱাটো এটা ডাঙৰ সমস্যা। আগতে কিনি অনা বহুতো ভিটামিন, কেলচিয়ামৰ বটল অলপ চলপ খুৱাই পেলাই দিব লগা হৈছিল। ঔষধ খুৱাব লগা হলেই বনুৰ মাকৰ পৰা বনুৰ টাটাকে গালি খাব লগা হয়। কাৰণ বনুয়ে ক'কক আনি নিজে অষ্ট্ৰেলিয়ালৈ গুচি গ'ল। সেয়ে ওৰহৰ খং সদায় ভগা ঢাৰিত পৰে। কিন্তু গালি পাৰিলেও ক'কক কিন্তু ঔষধ ঠিক মতে খুৱাই। পাথৰৰ ঔষধটো মিঠা আছিল বাবে ক'কক কম কষ্টতে খুৱাব পৰা হ'ল। টাটাকে থিয় কৰি ধৰি মিঠা মিঠা বুলি চিঞৰি থাকে আৰু মাকে প্লাষ্টিকৰ চামুচত ঔষধ লৈ মুখত ঢালি দিয়ে। এনেদৰে বহুতো কষ্টৰে এবটল খুওৱা হ'ল, কিন্তু ক'কৰ পেছাবত তেজ যোৱাটো বন্ধ নহল। গতিকে ক'কক আকৌ খানাপাৰাৰ ভেটনেৰী কলেজৰ  হস্পিতাললৈ লৈ যোৱা হ'ল। ক'কক পৰীক্ষা কৰি ডা: মনিকাই ক'লে পাথৰ ঔষধটো আৰু এবটল খুৱাই চোৱা যাওক। আপুনি ঔষধটো কিনি লৈ যাওক। লগতে ইউৰিপেটো খুৱাই থাকক। এইবুলি ডা:মনিকাই প্ৰেচকিপচন  লিখি দি ক'কক কলে "ক'ক তোৰ স্বাস্থ্য পাতি ইমান ভাল আৰু তই ইমান মৰম লগা কিন্তু তোৰ ভিতৰৰ বেমাৰবোৰহে নুগুছে।" ক'কলৈ ফাৰ্মাচীৰ পৰা ঔষধ কিনি বনুৰ মাক দেউতাক ঘৰ পালেগৈ। ইতিমধ্য বনুহতৰ নতুন ফ্লেটটোৰ কাম শেষ হৈছিল। খ্ৰীষ্টমাচৰ বন্ধত বনু অষ্ট্ৰেলিয়াৰ পৰা আহিব বাবে তাৰ আগতে নতুন ফ্লেটলৈ যাবৰ বাবে বনুৰ মাক দেউতাকে বস্তু স্থানান্তৰ কৰা আৰম্ভ কৰিলে। বনুৰ মাকৰ চিন্তা সোনকালে নগলে গোটেই পৰিয়ালটো মানে বনু, ক'ক, বনুৰ মাক আৰু দেউতাক চাৰিও একেলগে নতুন ফ্লেটত থকাই নহব। নতুন ফ্লেটলৈ যাব বুলি গম পাই ক'কৰ গাত তত নাইকিয়া হ'ল। পাৰিলে যেন তায়ো বস্তু বাহানি পেক কৰিব। সৰহভাগ বস্তু চিফট কৰাৰ পাচত এদিন ট্ৰাকত বিচনা পত্ৰ লৈ ক'ক, বনুৰ মাক আৰু বনুৰ দেউতাক হাতীগড় চাৰিআলিৰ নতুন ফ্লেটৰ বাসিন্দা হ'লগৈ। নতুন ঠাই, নতুন ফ্লেটলৈ গৈ ক'কৰ মনত অসীম আনন্দ। কাৰণ বেলকনিত ৰড পুৱাব পাৰে, তলৰ মুকলি ঠাইত ঘূৰিব পাৰে। তাৰোপৰি নিজৰ ৰূমত বিচনাত শুই শুই টিভি চাব পাৰে। নতুন ফ্লেটত কেইদিনমান ঔষধ  খুওৱাৰ পাচত দ্বিতীয়টো ঔষধৰ বটল শেষ হ'ল আৰু ক'কৰো পেছাবত তেজ যোৱা নাইকিয়া হ'ল। ইতিমধ্য বনু অষ্ট্ৰেলিয়াৰ পৰা অহা তাৰিখ পালেহি আৰু বনুৰ দেউতাক, মাক আৰু ক'কক লৈ বনুক আনিবৰ বাবে পৰন এয়াৰপৰ্ট পালেগৈ।

বনুক আদৰিবৰ বাবে ক'ক, বনুৰ মাক, বনুৰ দেউতাক আৰু পৱন গুৱাহাটীৰ লোকপ্ৰিয় বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ আগমন কক্ষৰ বাহিৰত অপেক্ষা কৰি ৰ'ল। কলিকতাৰ পৰা আহি সময়মতেই বনু অহা বিমান গুৱাহাটী বিমান বন্দৰত অবতৰণ কৰিলে। অবতৰণ কৰাৰ লগে লগে বনুয়ে টাটাকক ফোন কৰি আহি পোৱা কথাটো জনাই দিলে। বনু আহি পোৱা বুলি গম পাই ক'ক অস্থিৰ হৈ নেগুৰ মাৰি টাটাকক আগমন দুৱাৰৰ ফালে টানিবলৈ ধৰিে। টাটাকে ক'কক কলে "ক'ক অধৈৰ্য্য নহবি। বস্তু বাহানি লৈ বাহিৰ ওলাবলৈ আৰু কমেও ১০ মিনিট সময় লাগিব।" লগে লগে ক'ক শান্ত হৈ পকাত বহি পৰিল। পৱনে বনুৰ দেউতাকলৈ চাই কলে "চাৰ, ক'কটো সৰবজান বস্তু হয়। আপোনালোকে মোৰ লগত গাড়ীত এৰি থৈ কৰবালৈ গ'লে আপোনালোকক মই দেখাৰ আগৰে পৰা নেগুৰ মাৰি জপিয়াই সাজু হৈ যায়। মই গম পাও যে আপোনালোক আহি পাবৰ হৈছে। আৰু সচাকৈ আপোনালোক আহি পাই যায়হি। আৰু আজি দেখিলে বনু বাইদেউৰ ফ্লাইট আহি পোৱাৰ লগে লগে ক'ক নেগুৰ মাৰি অস্থিৰ হৈ পৰিছিল আৰু তাৰ পাচতে বনু বাইদেউৰ ফোন আহিছিল।" পৱনৰ কথাত বনুৰ দেউতাকে হাঁহিলে আৰু ক'কই নেগুৰ মাৰি মাৰি পৱনৰ কথাত সন্মতি জনালে। অলপ পাচতে ট্ৰলী ঠেলি হাঁহি হাঁহি বনু গেটৰ ফালে আগবাঢ়ি আহিল। আন কোনেও দেখাৰ আগতে ক'কই বনুক দেখা পাই ক'কই টাটাকক গেটৰ ওচৰলৈ টানি লৈ গ'ল আৰু বনুয়েও ক'কক দেখা পাই ক'ক বুলি কোলাত তুলি চুমা খোৱাত লাগিল আৰু ক'কয়ো বনুক চেলেকাত লাগিল। বনুৰ মাকে আগবাঢ়ি গৈ বনুক সাবতি ধৰিলে কিন্তু ক'কই চেলেকা বনুৰ গালত চুমা খোৱাৰ পৰা বিৰত থাকিল। বনুৰ মাকৰ ক'কলৈ অত্যন্ত মৰম যদিও চেলেকিলে ঘিণ কৰে বাবে ক'কক চেলেকিব নিদিয়ে আৰু বনুক চেলেকিলেও ভাল নাপায়। পৱনে আগবাঢ়ি আহি ট্ৰলীখন ঠেলি ঠেলি গাড়ীৰ ফালে আগুৱাই গ'ল আৰু বনুয়ে ক'কক কোচত লৈ পৱনৰ পাচে পাচে গ'ল। বনুৰ পাচে পাচে বনুৰ মাক আৰু দেউতাকো গাড়ীৰ ওচৰ পালেগৈ। বনুৰ বস্তু বাহানি গাড়ীৰ ডিকিত ভৰাই দিয়াৰ পাচত সকলো ঘৰলৈ বুলি ৰাওনা হ'ল। গোটেই ৰাস্তাটো ক'ক বনুৰ কোলাত বহি আহিল আৰু মাজে মাজে ভুকি ভুকি নিজৰ কথাবোৰ কৈ আহিল।

ঘৰ পোৱাৰ পাচত বনুয়ে কাপোৰ কানি সলাই মাকৰ লগত নিজৰ নতুন ফ্লেটটো চোৱাত লাগিল। টাটাকে নিজৰ কামত লাগিল। কিন্তু ক'কই বাৰে বাৰে বনুৰ চুটকেচ দুটাৰ ওচৰলৈ গৈ ভুকিবলৈ ধৰিলে। ক'কৰ চুটকেচৰ ওচৰত ভুকভুকনি শুনি বনুৰ মাকে বনুক কলে "বনু ক'কলৈ কি আনিছ উলিয়াই দে। নহলে আমাক কথা এষাৰ ভালদৰে পাতিবলৈ নিদিব। ক'কৰ ভুকভুকনিৰ লগতে টাটাৰো ভুকভুকনি আৰম্ভ হব।" ক'কৰ কাণ্ড দেখি হাঁহি হাঁহি বনু চুটকেচ খোলাত লাগিল আৰু এটা এটাকৈ বস্তুবোৰ উলিয়াবলৈ আৰম্ভ কৰিলে। বনুৰ গাতে গা লগাই

ক'কয়ো নেগুৰ মাৰি মাৰি বস্তু চোৱাত লাগিল। ক'কক বনুয়ে টি চাৰ্ট এটা উলিয়াই দি কলে "ক'ক এইটো দহ নম্বৰৰ ৰুণী টি চাৰ্ট তোলৈ আনিছো। তই এইটো পিন্ধি ফুৰিবি আৰু ৰুণীৰ দৰে ফেমাচ হব লাগিব।" কিন্তু পাপীৰ পিঠাত মনৰ দৰে ক'কৰ ধান্দা তাইলৈ অষ্ট্ৰেলিয়াৰ পৰা কি কি খোৱা বস্তু আনিছে। বনুয়ে চুটকেচৰ পৰা ক'কলৈ অনা খোৱা বস্তুৰ পেকেটবোৰ এটা এটাকৈ উলিয়াই মজিয়াত থলে। পেকেটবোৰ দেখি ক'কৰ তেলেকা চকু কেইটা আৰু ডাঙৰ হ'ল আৰু ক'কই আনন্দত নেগুৰ মাৰিবলৈ ধৰিলে। বনুয়ে এটা পেকেট খুলি ক'কক এডাল লাঠি(stick) উলিয়াই খাবলৈ দি ক'লে "ক'ক এইদাল কেংগেৰু মাংস দি বনোৱা লাঠি। তই খাই ভাল পালেও কিন্তু দিনে এডালহে পাবি। ভুকি ভুকি মোক খুজি নাথকিবি।" ক'কই লাঠিদাল শুঙি শুঙি অকমান টেষ্ট কৰি খাই চালে। খাই বোধহয় খুউব ভাল পালে। সেয়ে টপাটপ খাই শেষ কৰিলে। খাই উঠি বনুলৈ চাই আৰু লাগে বুলি পুনৰ ভুকিবলৈ ধৰিলে। বনুয়ে আৰু এডাল লাঠি খাবলৈ দিলে আৰু অষ্ট্ৰেলিয়াৰ পৰা অনা সকলো খোৱা বস্তু ক'কৰ খাদ্য ৰখা পাত্ৰটোত ভৰাই থৈ দিলে। ক'কৰ আৰু এডাল কেংগেৰু লাঠি খোৱাৰ মন আছিল আৰু সেয়ে খোৱা বস্তু ৰখা পাত্ৰতোলৈ (container) চাই দুবাৰ মান ভুকিলে যদিও মাকৰ ধমধমনি খাই চুপ হ'ল। এটা বস্তু খাই ভাল পালে ক'কক লাগিয়েই থাকে, লাগিয়েই থাকে আৰু শেষ হলেহে শান্তি দিয়ে। বনু অহা বাবে সেই দিনা ৰাতি ক'ক বনুৰ লগতে কম্বলৰ তলত শুলে। মাক দেউতাকে ক'কক তেওলোকৰ লগত শুবলৈ নিদিয়ে বাবে বনু আহিলে ক'ক বনুৰ লগত বিচনাত শুবলৈ পাই বাবে সেইকেইদিন ক'ক নিজৰ বিচনাত নুশুৱে, বনুৰ লগতহে শোৱে। পাচদিনা পুৱা সোনকালে শুই উঠি ক'কই কেংগেৰু লাঠি থোৱা কনটেইনাৰটোলৈ চাই ভুকিবলৈ ধৰিলে। পুৱাই তাই এনেদৰে ভুকিবলৈ ধৰিলে যেন তিনিদিন মান খাবলৈ পোৱা নাই। বনুৰ মাকে পেট এণ্ড ভেটৰ পৰা আনি থোৱা এডাল চিকেন লাঠি ক'কক খাবলৈ দিলে। ক'কই লাঠি দালৰ ফালে ঘূৰিয়েই নাচালে।মাকে ধমকি দিয়াত চুপ হ'ল যদিও মাক বনুৰ কোঠাৰ পৰা ওলাইযোৱাৰ পাচত পুনৰ বনুলৈ আৰু বনুৰ ৰূমত কেংগেৰু লাঠি থকা কনটেইনাৰটোলৈ চাই ভুকিবলৈ আৰম্ভ কৰিলে। উপায় নাপাই বনু বিচনাৰ পৰা উঠি আহি ক'কক এডাল অষ্ট্ৰেলিয়াৰ পৰা অনা কেংগেৰু লাঠি খাবলৈ দিলে। ক'কয়ো কেংগেৰু মাংসৰ লাঠিদাল গো গ্ৰাসে গিলি কিছু সময়লৈ চুপ হৈ বনুৰ বিচনাত বনুৰ লগত শুই পৰিল।

এটা সময়ত বনু শুই উঠি মুখ হাত ধুই মাক দেউতাকৰ লগত ব্ৰেকফাষ্ট খাবলৈ বহিলহি। বহুত দিনৰ পাচত ঘৰৰ তিনিও একেলগে ৰাতিপুৱাৰ জলপান খাবলৈ বহিছে। তিনিওৰে মুখত আনন্দৰ হাঁহি। ক'কও আহি ডাইনিং টেবুলৰ তলত বনুৰ ভৰিৰ কাষত বহিলহি। বনুৰ মাকে ক'কক চিকেনৰ লাঠি এডাল আৰু বাতিত পেডিগ্ৰী কেইটামান খাবলৈ দিলে। ক'কই সেইফালে

ঘূৰিয়েই নাচালে। বনুৰ মুখলৈ চাই ক'কই ভুকিবলৈ ধৰিলে। জলপান খাওতে অশান্তি কৰা দেখি বনুৰ মাকে ক'কক ধমক এটা দিলে যদিও ক'ক চুপ নহল। বনু, মাক, দেউতাক তিনিও বুজিলে যে ক'কক কেংগেৰু মাংস দিয়া লাঠি খাবলৈ লাগে। কিন্তু তিনিও নুবুজা ভাবত নিজৰ ব্ৰেকফাষ্ট খোৱাত লাগিল। ক'কৰ অশান্তি যেতিয়া নকমিল, বনুয়ে উঠি গৈ কংগেৰু লাঠি এডাল আনি ক'কক দিলেহি আৰু ক'কয়ো টপাটপ গিলি শেষ কৰি পুনৰ বনুৰ মুখলৈ চাই লাহেকৈ ভুক এটা মাৰিলে। তাৰ অৰ্থ হ'ল আৰু এডাল পালে ভাল আছিল। ব্ৰেকফাষ্ট খাই উঠাৰ অলপ সময় পাচত মিৰ্জাৰ পৰা অনিমাৰ ফোন আহিল। অনিমাই খবৰ দিলে "বাইদেউ লৰাৰ হোষ্টেললৈ কোনোবাই এটা সৰু কুকুৰ পোৱালী আনিছে। নাম বোলে তাৰ কিৰি। হোষ্টেলৰ লৰাবোৰে বৰ মৰম কৰিছে। ক'কক আনিলে ক'কই খেলিব পাৰিব। আপোনাৰ ছোৱালীকো লৈ আহিব। তাই কুকুৰ ভাল পাই নহয়, কুকুৰ পোৱালীটো দেখিলে ভাল পাব।" মাকে বনুক অনিমাই কোৱা কথাখিনি কোৱাত বনুয়ে মাকক ক'লে মা তেনেহলে কাইলৈ আমি লাঞ্চ খোৱাকৈ মিৰ্জালৈ যাম। হোষ্টেলৰ কেটাৰিং ঠিকাদাৰ  সুবল দাদাক কথাটো কৈ থোৱা। মই পৱনক ফোন কৰি এতিয়াই কৈ থম। এই বুলি বনুয়ে পৱনক ফোন কৰি পাচদিনা ১১মান বজাত আহিবলৈ জনাই দিলে। সকলো নিজৰ নিজৰ কাম কাজত লাগিল। ক'কই আহি মনে মনে টাটাকৰ ওচৰত বহি সৰু সৰুকৈ ভুকিবলৈ ধৰিলে। ঘৰৰ ভিতৰত ক'কই টাটাককে আটাইতকৈ চল পাই। ক'কই কিয় ভুকিছে টাটাকে কথাটো বুজি পালে। টাটাকে মনে মনে চুৰকৈ আনি মাক আৰু বনুয়ে নেদেখাকৈ এডাল কেংগেৰু লাঠি আনি দিব লাগে, যিদৰে মনে মনে টাটাকে মাকে গম নোপোৱাকৈ জেমচ খাবলৈ দিয়ে। টাটাকৰ ক'কলৈ দুখ লাগিল আৰু মনে মনে কনটেইনাৰৰ পৰা এডাল কেংগেৰু মাংসৰ ষ্টিক আনি ক'কক খাবলৈ দিলে। ককয়ো চুপ চাপকৈ কোনো শব্দ নকৰি মনে মনে লাঠিডাল খাই তৃপ্তিৰে টাটাকৰ মুখলৈ চালে। দুপৰীয়া ভাত খাবৰ সময়ত ক'ককো চিকেন ভাত খাবলৈ দিয়া হ'ল। কিন্তু ক'ক ভাতৰ ওচৰলৈ নগৈ ডাইনিং টেবুলৰ ওচৰত বহি মাকৰ মুখলৈ চাই চাই ভুকিবলৈ ধৰিলে। ইতিমধ্যে বনুৰ পৰা দুডাল আৰু টাটাকৰ পৰা এডাল কেংগেৰু লাঠি খাই টেঙৰ ক'কই বুজিলে এইবাৰ মাকৰ ওচৰত চেণ্টি মাৰি বলাব পৰা যাব। ৰাতিলৈ টাটাক আৰু বনুৰ ওচৰত চেষ্টা দিয়া যাব। দুপৰীয়া একো নোখোৱা দেখি মাকে  ক'কক এডাল কেংগেৰু মাংসৰ লাঠি আনি দি ক'লে "চা  ক'ক তই আজি ইতিমধ্যে দুডাল।খালিয়েই। এনেদৰে খালে তিনি চাৰি দিনতে সকলো পেকেট শেষ হব আৰু তোৰ বেমাৰো হব পাৰে। গতিকে আজি এইডালেই শেষ। আৰু যদি দিগদাৰ কৰ, তেন্তে মই সকলো কেংগেৰু ষ্টিক নি ডাষ্টবিনত পেলাই থৈ আহিম।" ক'কই লাঠি খাই খাই মাকৰ মুখলৈ চাই মূৰ জোকাৰিলে আৰু নেগুৰ মাৰিলে। মাক আতৰি যোৱাত টাটাকলৈ কেৰাকৈ চাই লাহেকৈ ভুক বুলি টাটাকক বুজাই দিলে যে মাকে টাটাকৰ পৰা মনে মনে যে

এডাল খাইছিল গমেই নাইপোৱা। গধুলি সময়ত বনু আৰু টাটাকে ক'কক গাড়ীত তুলি ফুৰাবলৈ নিবলৈ সাজু হ'ল। টাটাকে বনুৰ কাণে কাণে ফুচফুচাই কলে "বনু, পকেটত এডাল কেংগেৰু ষ্টিক লৈ ল। ৰাষ্টাত দোকান দেখি কেডবেৰিজ, জেমচ লাগে বুলি ভুকিলে তাকেই দিবি।" টাটকৰ কথা শুনি বনুয়ে মনে মনে এডাল কেংগেৰু ষ্টিক মাকে নেদেখাকৈ পকেটত ভৰাই ললে।" গাড়ীত উঠাৰ পাচত বনুয়ে টাটাকক গালি পাৰি কবলৈ ধৰিলে "টাটা তুমি কিয় মনে মনে ক'কক কেডবেৰীজ, জেমচ খাবলৈ দিয়া। কুকুৰৰ বাবে এইবোৰ খুউব বেয়া। ক'কক মাৰিব খুজিছা নেকি? আজিৰ পৰা আৰু কেতিয়াও নিদিও বুলি প্ৰমিজ কৰা। নহলে মই মাক গৈ কৈ দিম। তেতিয়া মোক দোষ নিদিবা। " টাটাকে বনুক কলে "তই সৰু থাকোতে তোকো মনে মনে জেমচ, কেডবেৰিজ খুৱাইছিলো। তোৰ দাত বেয়া কৰা বুলি মাৰৰ পৰা বহুতো গালিও খাইছিলো। ক'ক মোৰ মৰমৰ সৰু ছোৱালী আৰু তোৰ একমাত্ৰ ভনীয়েৰ। সেয়েহে মৰমতে মাজে সময়ে খুৱাও। সদায় নুখুৱাও নহয়"। গাড়ী অলপদূৰ যোৱাৰ পাচতে ক'কই ভুকিবলৈ আৰম্ভ কৰিলে। জেমচ, কেডবেৰিজ শব্দ দুটা শুনি ক'ক লোভত থাকিব নোৱাৰা হ'ল। বনুয়ে ককলৈ চাই কলে "ক'ক আজিৰ পৰা তোৰ জেমচ আৰু কেডবেৰিজ বন্ধ। আজি এই কেংগেৰু লাঠিদালকে গাড়ীত খা। আগতে তিনিডাল খালিয়েই। আজি এই চাৰি নম্বৰৰ ডালেই শেষ। তই বস্তু এটা ভালপালে কিয় অনবৰত খাই থাকিবলৈ লাগে?" টাটাকে যে এডাল কেংগেৰু ষ্টিক ক'কক মনে মনে খুৱাইছে বনুয়েও গম নাপায়। এই বুলি বনুয়ে কেংগেৰু ষ্টিকদাল ক'ক খাবলৈ দিলে। ষ্টিকদাল খাই ক'কই গাড়ীৰ খিড়ীকীৰে মূৰ উলিয়াই ৰাস্তাৰ কুকুৰবোৰক ভুকি গ'ল আৰু বনুয়ে টাটাকৰ লগত কথা পাতি কলেজৰ বিষয়ে বহু খবৰ জনালে। হাইকৰ্টৰ ফালে গ'লে ক'কই দিগদাৰ কৰিব বুলি টাটাকে বি.বৰুৱা কলেজ-জি এচ ৰ'ড-গণেশগুৰি হৈ বনুহতৰ নতুন ফ্লেট পালগৈ।

পাচদিনা পুৱা ১১বজাত পৰন আহি পালেহি আৰু কিৰিক চোৱাৰ লগতে ক'কক দেখুৱাবৰ বাবে সকলোৱে মিৰ্জালৈ যাত্ৰা কৰিলে। জালুকবাৰী পাৰহৈ লংকেশ্বৰ মন্দিৰৰ ওচৰ পাওতেই ক'কই ভুকিবলৈ ধৰিলে। বনুৰ মাকে গাড়ী ৰাখিবলৈ কোৱাত পৱনে মন্দিৰৰ তলতে ৰাস্তাৰ কাষত গাড়ী ৰাখি দিলে। বনুৰ মাকে গাড়ীৰ পৰা এখন পেপাৰ উলিয়াই ৰাস্তাত পাৰি দিলে আৰু ক'কই তিনটামান পাকঘূৰণি মাৰি কাগজ খনত পেছাব কৰিলে। আচলতে আহোতে লৰালৰিৰ কোবত ক'কক পেছাব কৰাবলৈ পাহৰাত ৰাস্তাতে কামফেৰা কৰাব লগা হ'ল। গুৱাহাটী বিশ্ববিদ্যালয় পাৰ হৈয়েই গুৱাহাটী বিমানবন্দৰলৈ যোৱা পথৰ দাতিত এটা পাহাৰৰ চুড়াত অবস্থিত লংকেশ্বৰ মন্দিৰ। পাহাৰেৰে প্ৰায় ৪৫২ টা খটখটী বগোৱাৰ পাচত লংকেশ্বৰ মন্দিৰত উপস্থিত হব পাৰি। শিৱৰ আন এটা নাম লংকেশ্বৰ আছিল আৰু সেই নামেৰে এই শিৱ

মন্দিৰটোৰ নামাকৰণ হৈছিল। এই মন্দিৰৰ পৰা পশ্চিম গুৱাহাটী আৰু ব্ৰহ্মপুত্ৰৰ নান্দনিক দৃশ্য উপভোগ কৰিব পাৰি বাবে গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ বহুতো প্ৰেমিক যুগলে এই মন্দিৰ দৰ্শন কৰিবলৈ যায়। অৱশ্যে নিতৌ সাধাৰণ দৰ্শকৰ উপস্থিতিও থাকে। কিংবদন্তী মতে এই শিৱ মন্দিৰত পূজা অৰ্চনা কৰিলে সকলো পাপৰ পৰা মুক্ত হব পাৰি। ইঞ্জিনিয়াৰিং কলেজত পঢ়ি থকাৰ সময়ত বনুৰ দেউতাক কেতিয়াও এই মন্দিৰলৈ যোৱা নাছিল যদিও বহুতো বন্ধু এই মন্দিৰ দৰ্শন কৰিবলৈ যোৱা কথা মনত আছিল। সেয়ে এবাৰ বনুৰ মাকক লগত লৈ বনুৰ দেউতাকে বিয়াৰ পাচত এবাৰ এই মন্দিৰ দৰ্শন কৰিবলৈ গৈছিল।

ক'কৰ পেছাব কৰা হোৱাৰ পাচত বনুহতে পুনৰ মিৰ্জালৈ বুলি যাত্ৰা কৰিলে। গুৱাহাটী বিমান বন্দৰ পাৰ হোৱাৰ লগে লগে ক'ক অধৈৰ্য্য হৈ উচপিচ কৰিবলৈ ধৰিলে। ক'কই ভাবিলে মিৰ্জালৈ গ'লে তাইক অনিমাৰ লগত এৰি থৈ আহিব পাৰে। সেয়ে তাইৰ মিৰ্জালৈ যোৱাৰ মন নাই। ক'কৰ দেহৰ ভাষা আৰু এক্সপ্ৰেচন দেখি বনুৰ মাকে ক'কক ক'ল "ক'ক বনু বা আহিছে, তোক মিৰ্জাত অনিমাৰ লগত থৈ নাহো নহয়। আমি মিৰ্জাত ফুৰিবলৈ আৰু কিৰিক চাবলৈহে আহিছো।" মাকৰ কথা শুনি ক'ক শান্ত হৈ বনু আৰু মাকৰ মাজত নিশ্চুপ হৈ বহি ৰ'ল। কেই মিনিটমান পাচতে গাড়ী গৈ নিটচ মিৰ্জা কেম্পাচ সোমালগৈ। পৰনে গাড়ী নি বয়জ হোষ্টেলৰ ডাইনিং হলৰ সন্মুখত ৰখাই দি অনিমাক সকলো আহি পোৱা বুলি খবৰটো জনাই দিলে। লৰালৰিকৈ অনিমা আহি ডাইনিং হল পালেহি। বনুৰ মাকে অনিমাক সুধিলে নতুন কুকুৰৰ পোৱালী কিৰি ক'ত। অনিমাই ক'লে যে চিকিওৰিটি ইনচাৰ্জ বসুমতাৰীৰ লগত আছে। অনিমাই বসুমতাৰীক ফোন কৰি দিয়াত বসুমতাৰীয়ে কিৰিক লৈ ডাইনিং হলৰ ওচৰ পালেহি। কিৰিক দেখি বনুৰ মাকে কিৰি বুলি মৰম কৰিবলৈহে পালে ক'কই টাটাকক দৌৰাই আনি কিৰিৰ ওপৰত জাপমাৰি আক্ৰমণ কৰিবলৈ বুলি বাঘৰ পজ লৈ ভুকিবলৈ ধৰিলে। মাকে কিৰিক মৰম কৰাটো ক'কৰ অকনো সহ্য নহল। ভুকি থকা দেখি ভয় খাই কিৰি পিচুৱাই থাকিল আৰু ক'কই গুজৰি গুমৰি থাকিল। পাৰিলে যেন কিৰিক ফালি চিৰাচিৰ কৰি পেলাব। ক'কৰ ইৰ্ষাদেখি সকলোৰে হাঁহি উঠিল যদিও তেতিয়াৰ পৰাই ক'ক আৰু কিৰিৰ সম্পৰ্ক নেউল আৰু সাপৰ দৰে হ'ল। যেতিয়াই ক'কই কিৰিক দেখে নেউলে সাপ দেখিলে খেদি যোৱাৰ দৰে খেদি যাই আৰু কিৰি দৌৰ মাৰি পলাই যায়। তাৰোপৰি ঘৰত ক'কই ভাত পানী নাখালে মাকে কিৰিক দি দিম বুলি কলেই ক'কই টপাটপ খোৱা হ'ল। কিৰি শব্দটো শুনিলেও ক'কই ভুক ভুক কৰা হ'ল। হোষ্টেলত ভাতপানী খাই বনু হতে অনিমাৰ পৰা বিদাই লৈ নিজৰ গুৱাহাটীৰ ঘৰলৈ উভটিল।

বনু অষ্ট্রেলিয়াৰ পৰা অহাৰ পাচত কংগেৰু মাংসৰ লাঠি বা ষ্টিক খাবলৈ পাই ক'কই আন কোনো খাদ্য নোখোৱা হৈছিল। অনবৰতে কেৱল কেংগেৰু মাংসৰ লাঠি খাবলৈ লাগে। মিৰ্জাত কিৰিক দেখি অহাৰ পাচত বনুৰ মাকে এটা বুদ্ধি উলিয়ালে। ক'কই যেতিয়া ভাত আৰু মাংস সানি দিলে নাখাই, মাকে কোৱা আৰম্ভ কৰিলে "ক'ক নাখাৱ যদি নালাগে খাব। মই কিৰিক দি দিম।" মাকৰ এই কথা শুনিলে লগে লগে ক'কই কপাকপ খোৱা আৰম্ভ কৰে। ক'কই মাকক দিগদাৰ কৰিলে মাকে বনুৰ টাটাকক কোৱা আৰম্ভ কৰে "হেৰা শুনিছা, কাইলৈ মিৰ্জালৈ যাম। ক'ক অনিমাৰ লগত থৈ আহিম আৰু কিৰিক আমাৰ ঘৰলৈ লৈ আহিম। কিৰিটো যে ইমান ভাল কুকুৰ।" মাকৰ কথাষাৰ শুনিলেই ক'ক শান্ত শিষ্ট হৈ পৰি মাকৰ গাত গা লগাই নেগুৰ মাৰিবলৈ আৰম্ভ কৰে। ক'কক ভাত খুওৱা আৰু অযথা ভুকিলে শান্ত কৰাৰ এটা নতুন আৰু কাৰ্য্যকৰী উপায় বিচাৰি পোৱাত বনুৰ মাক দেউতাকৰ লগতে বনুয়েও ভাল আমোদ পালে। ক'কয়ো দিনত এডালতকৈ বেচি কেংগেৰু লাঠি খুজি দিগদাৰ নকৰা হ'ল। দুদিনমান পাচত বনুয়ে টাটাকক ক'লে "টাটা গান্ধী মন্দপ, ভূবনেশ্বৰী মন্দিৰ আৰু গীতা মন্দিৰৰ ওচৰৰ পৰা ক'কক ভালকৈ গুৱাহাটী খন দেখুৱাই দিও।" টাটাকে ক'লে ঠিক আছে কাইলৈ প্ৰথমে ঘৰৰ ওচৰৰ গীতা মন্দিৰৰ পৰাই আৰম্ভ কৰিম, তাৰ পাচত গান্ধী মন্দপ আৰু শেষত ভূবনেশ্বৰী মন্দিৰ। ক'কই বৰ ভাল পাব। লগতে অলপ মিষ্টি ভোজন কৰিবলৈ পালেতো কথাই নাই।" বনুয়ে লগে লগে কলে "মিষ্টি ভোজন নহব। ভুকিলেও কিৰিক আনিম বুলি মই চুপ কৰাই দিম।"

পাচদিনা পুৱা চাহ জলপান খাই বনু, বনুৰ মাক আৰু বনুৰ টাটাক ক'কক পাহাৰৰ ওপৰৰ পৰা গুৱাহাটী চহৰৰ সৌন্দৰ্য্য দেখুৱাবৰ বাবে প্ৰথমে মাদাৰ টেৰেচা পথত থকা গীতা মন্দিৰলৈ বুলি ৰাওনা হ'ল। পৱনে শুধিলে "চাৰ ক'কক অকনিৰ নামঘৰো দেখুৱাব নেকি? " অকনিৰ নামঘৰ মাদাৰ টেৰেচা পথত থকা এটা সুন্দৰ নামঘৰ। বনুৰ দেউতাকে ক'লে নেদেখুৱাও। কুকুৰক নামঘৰৰ ভিতৰত সোমাব নিদিব নহয়। শংকৰ দেৱে যদিও কৈছিল 'কুকুৰ শৃগাল গৰ্ধবৰো আত্মা ৰাম, জানিও সবাকে পাৰি কৰিবা প্ৰণাম' আমাৰ মানুহ এতিয়াও গুৰুৰ আৰ্দশৰ ওচৰ পোৱাগৈ নাই। বুজিলি নহয়।" বনুয়ে পৱনক সুধিলে পৱন ডগৰ ইংৰাজী স্পেলিং কোৱাচোন। পৱনে তপৰাই মাত দিলে D-O-G. বনুয়ে এইবাৰ কলে, পৱন লেটাৰ কেইটা ওলোটাই কোৱাচোন। পৱনে লগে লগে উত্তৰ দিলে G-O-D. জি অ ডি হ'লে শব্দটো কি হব । পৱনে উত্তৰ দিলে গড। গড মানে কি? পৱনে পুনৰ উত্তৰ দিলে ভগবান। বনুয়ে হাঁহি হাঁহি ক'লে এতিয়া গম পালা DOG ৰ ওলোটাটোয়েই হ'ল GOD। দুয়ো ইপিঠি সিপিঠি। বনুৰ টাটাকে মাত লগালে কিজানি সেই বাবেই গুৰু জনাই কুকুৰ শৃগাল গৰ্ধবৰো আত্মা ৰাম বুলি কৈছিল। বনুৰ মাকে টপৰাই কলে "শংকৰ দেৱে ইংৰাজী জানিছিল বুলি কতো পঢ়া নাই দেই।" বনুৰ দেউতাকে উত্তৰ

দিলে "কিজানি কুকুৰ যুধিষ্ঠিৰৰ শেষ সংগী আছিল নহয়, সেই বাবেই কৈছিল। নতুবা তেওঁ সকলোৰে আত্মা যে একেই অন্ততৰৰ পৰা উপলব্ধি কৰিছিল।" এই দৰে কথা বতৰা চলি থাকোতেই পৱনে গাড়ী নি গীতা মন্দিৰৰ পাৰ্কিংত ৰখাই দিলেগৈ।

গীতা মন্দিৰ আজি কালি গুৱাহাটীৰ এক উল্লেখযোগ্য মন্দিৰ বা লেণ্ডমাৰ্ক। গীতা মন্দিৰৰ সমীপবৰ্তী অঞ্চলক গীতা নগৰ বুলি কোৱা হয়। অঞ্চলটোৰ গীতা নগৰ থানা, গীতা নগৰ ষ্টেট বেংক সকলো নামৰে মূল হ'ল গীতা মন্দিৰ। গীতা নগৰৰ ইতিহাস পাচে বৰ পুৰণি নহয়। অসমৰ প্ৰাক্তন মূখ্যমন্ত্ৰী তথা এসময়ৰ পাঞ্জাবৰ ৰাজ্যপাল ৺মহেন্দ্ৰ মোহন চৌধুৰী দেৱে ১৯৬০ চনৰে পৰা গুৱাহাটীত এটা গীতা মন্দিৰ বনোৱাৰ সপোন মনত পুহি ৰাখিছিল। সেই সপোন কাৰ্য্যকৰী কৰাৰ বাবে ৺চৌধুৰী দেৱে তেওঁৰ বন্ধু সতীশ চন্দ্ৰ কাকতি, চিদানন্দ দাস, গৌৰীশংকৰ ভটাচাৰ্য্য, প্ৰবীন ফুকন, ৰমেশ চন্দ্ৰ চৌধুৰী আৰু আন কিছু ব্যক্তিৰ লগত কথাটো আলোচনা কৰিলে। সকলোৱে তেওঁৰ কথাত হয়ভৰ দিলে আৰু গুৱাটীৰ ওচৰে পাজৰে সকলোৱে গীতা মন্দিৰৰ বাবে সুবিধাজনক চৰকাৰি মাটি বিচৰাত লাগিল। অৱশেষত বৰ্তমানৰ মাডাৰ টেৰেছা পথ বা জু-নাৰেংগী পথত অৱস্থিত সৰু পাহাৰটো সকলোৰে পচন্দ হ'ল। প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ অতি মনোমোহা এটুকুৰা মানুহৰ সমাগম নোহোৱা শান্ত পৰিবেশৰ ঠাই। এতিয়া অবশ্যে তাহানিৰ ৰামো নাই অযোধ্যাও নাই। বে-দখল আৰু পাহাৰ কটাৰ ফলত প্ৰাকৃতিক সৌন্দৰ্য্য বহু পৰিমানে ম্লান পৰিল। মন্দিৰৰ বাবে স্থান নিৰ্বাচন হোৱাৰ পাচত মন্দিৰ নিৰ্মাণৰ বাবে এক সংস্থা আৰু এখন সমিতিৰ দৰকাৰ হ'ল। সেয়ে দানবীৰ কেশৱ কান্ত বৰুৱাৰ সভাপতিত্বত ১৯৬৯ চনৰ অক্টোবৰ মাহত এখন সভা বহিল আৰু তাতে গীতা সমাজ নামে এক সংস্থাৰ জন্ম দিয়া হ'ল। সেই বছৰৰে ডিচেম্বৰ মাহত গীতা সমাজক চচাইটি হিচাবে পঞ্জীয়ন কৰা হ'ল। গীতা সমাজে চৰকাৰৰ ওচৰত মাটি আবন্তনৰ বাবে আবেদন জনালে আৰু চৰকাৰেও তৎক্ষণাত মাটিৰ আবন্তন দিলে। অসমত ৰাজনৈতিক পট পৰিবৰ্তন হোৱাত মূখ্যমন্ত্ৰীৰ গাদী এৰি ৺মহেন্দ্ৰ মোহন চৌধুৰীদেৱ পাঞ্জাবৰ ৰাজ্যপাল হিচাবে পাঞ্জাবলৈ যাব লগা হ'ল। ইয়াৰ লগে লগে গীতা মন্দিৰৰ লগত পাঞ্জাবৰ যোগসূত্ৰ স্থাপন হ'ল। ৺চৌধুৰীদেৱে মন্দিৰৰ নিৰ্মাণৰ বাবে নিজৰ দৰমহাৰ পৰা এমাহৰ দৰমহা দান হিচাবে আগবঢ়ালে আৰু মন্দিৰ নিৰ্মাণৰ বাবে ধন যোগাৰ কৰাৰ কামত লাগিল। ৺মহেন্দ্ৰ মোহন চৌধুৰীদেৱৰ অনুৰুধত তেতিয়াৰ পাঞ্জাবৰ মূখ্য মন্ত্ৰী জ্ঞানী জাইল সিং আৰু তেখেতৰ মন্ত্ৰী সভাৰ সদস্য সকলৰ লগতে পাঞ্জাব বিধান সভাৰ প্ৰতিজন সদস্যই নিজৰ এমাহৰ দৰমহা গুৱাহাটীত গীতা মন্দিৰ নিৰ্মাণৰ বাবে আগবঢ়াই। ৺চৌধুৰী দেৱৰ ব্যক্তিত্বৰ বাবেই এই কাম সম্ভব হৈছিল। ৺চৌধুৰী দেৱৰ অনুৰুধত জ্ঞানী জেইল সিং ডাঙৰীয়াই আনুস্থানিক ভাবে মন্দিৰৰ আধাৰশিলা স্থাপন কৰে আৰু পৰবৰ্তী সময়ত ১৯৮১

চনত ভাৰতৰ ৰাষ্ট্ৰপতি হিচাবে জ্ঞানী জেইল সিং ডাঙৰীয়াই গীতা মন্দিৰ আনুস্থানিক ভাবে উদ্বোধন কৰে।

গীতা মন্দিৰৰ মুকলি পৰিবেশত ফুৰিবলৈ পাই ক'কই বৰ ভাল পালে আৰু টাটাকক ইফালৰ পৰা সিফাললৈ দৌৰাবলৈ ধৰিলে। বনু আৰু মাক মন্দিৰৰ ভিতৰলৈ গ'ল আৰু টাটাকে ক'কক কোচত লৈ ওপৰলৈ ডাঙি ধৰি গুৱাহাটী চহৰৰ সৌন্দৰ্য্য দেখুৱাত লাগি। বনু আৰু মাক মন্দিৰৰ পৰা ওলাই আহিল আৰু সকলোৱে গাড়ীত উঠি গান্ধী মন্দপলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। বনুলৈ চাই টাটাকে কলে "বনু আজি কালি ইয়াত অসমীয়া চিৰিয়েল আৰু চিনেমাৰ চুটিং চলে। আমি চিৰিয়েলত গীতা মন্দিৰ প্ৰায়ে দেখো। ৺মহেন্দ্ৰ মোহন চৌধুৰী দেৱ যে গীতা মন্দিৰৰ মূল হোতা আছিল বহুতো গুৱাহাটী বাসীয়ে নাজানে। ক'কক দেখুৱাবলৈ অহা বাবে তয়ো গম পাালি।"

শৰণীয়া পাহাৰৰ ওপৰত অৱস্থিত গান্ধী মন্দপত ক'কক লৈ বনুহত সকলো গাড়ীৰ পৰা নামিল। গান্ধী মণ্ডপৰ ওপৰৰ পৰা সেউজীয়া গুৱাহাটী খন বৰ ধুনীয়া দেখি। বনুৰ মাক দেউতাক কেইবাবাৰো আহিছে যদিও বহু দিনৰ পাচত বনুৰ এয়া দ্বিতীয় গান্ধী মণ্ডপ দৰ্শন। সেয়ে বনুৰ দেউতাকে বনু আৰু ক'কক কোৱা আৰম্ভ কৰিলে "মোহন দাস কৰমচান্দ গান্ধী অসমলৈ দুবাৰ আহিছিল। এবাৰ ১৯২১ চনত আৰু এবাৰ ১৯৪৬ চনত। তেও আহি এই শৰণীয়া পাহাৰৰ তলতে আছিলহি। সেয়ে স্বাধীনতাৰ পাচত এক গান্ধীৰ বাবে স্মৃতি সৌধ নিৰ্মাণ কৰাৰৰ কথা ভবা হ'ল, এই শৰণীয়া পাহাৰকে নিৰ্বাচন কৰা হ'ল। ১৯৭০ চনত তেতিয়াৰ ভাৰতৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে এই মন্দপটো উদ্বোধন কৰিছিল।" বনুয়ে টাটাকলৈ চাই কলে "টাটা আমি গান্ধী মন্দপৰ ইতিহাস খুচৰিবলৈ অহা নাই। আমি গুৱাহাটীৰ প্ৰাকৃতিক সৌন্দৰ্য্য ক'কক দেখুওৱাৰ লগতে নিজেও চাবলৈ আহিছো। ক'কই এইবোৰ একো বুজি নাপায়। তুমি ওপৰলৈ ডাঙি ডাঙি ক'কক গুৱাহাটী দেখুওৱা আৰু ময়ে মায়ে মন্দপৰ ভিতৰলৈ যাও। তাৰ পাচত আমি ক'কক ৰাখিম আৰু তুমি ভিতৰলৈ যাবা"। বনুৰ কথাত টাটাকে ক'কক ডাঙি ধৰি তলৰ গুৱাহাটী চহৰৰ মনোমোহা দৃশ্য দেখুৱাত লাগিল। গান্ধী মণ্ডপৰ পৰা উভতিবৰ সময়ত পৱনে কলে "চাৰ ভূবনেশ্বৰী পাহাৰৰ ওপৰৰ কৰা ক'কই আগতে এবাৰ গুৱাহাটী দেখোন চালেই। তাতকৈ ক'কক এতিয়া মেডিকেল কলেজৰ পাহাৰৰ ওপৰৰ পৰা গুৱাহাটী দেখুওৱা ভাল হব।" পৱনৰ কথাত বনুয়ে কলে "থিক আছে তেন তালৈকে লৈ বলা।" বনুয়ে সন্মতি দিয়াত টাটাকৰ কথালৈ অপেক্ষা নকৰাকৈ পৱনে উলুবাৰী পোৱাৰ লগে লগে মেডিকেল কলেজৰ পাহাৰৰ ওপৰলৈ গাড়ী দৌৰালে। মেডিকেল কলেজৰ ওপৰৰ পৰা ক'কক গুৱাহাটী খন দেখুওৱাৰ পাচত বনুয়ে ক'কক ক'লে "ক'ক তই ভূবনেশ্বৰী মন্দিৰ, গীতা মন্দিৰ , গান্ধী মণ্ডপ আৰু মেডিকেল কলেজৰ পৰা গুৱাহাটী খন দেখিলি। বহুতো গুৱাহাটীৰ বাসিন্দাই কিজানি এনেদৰে ওপৰৰ পৰা গুৱাহাটীৰ

আচল সৌন্দৰ্য্য দেখা নাই। তই বৰ লাকী কুকুৰ।" বনুৰ টাটাকে লগে লগে ক'লে "আমাৰ অফিচৰ ডি.কে.নাথে সদায় ক'কৰ কথা ওলালে কয়, ক'ক আগৰ জন্মত ঋষি মুনি আছিল। ক'কৰ জীৱটো ঋষি মুনিৰ জীৱ।" টাটাকৰ কথা শুনি  ক'কই মূৰ জোকাৰি সন্মতি  জনালে। ক'কই মূৰ জোকাৰা দেখি বনু, বনুৰ মাক আৰু টাটাকৰ হাঁহি উঠিল। পৱনে পাচে নাহাঁহি মন্তব্য দিলে"সেই কাৰণেই কিজানি ক'ক সৰবজান বস্তু নেকি।" পৱনৰ কথাত বনুয়ে হাঁহি পৱনক কলে "পৱন, ক'ক কিবা চাউল, ডাইল, আলুৰ দৰে বস্তু নেকি? ক'ক এটা জীৱ থকা প্ৰাণী হে হয়।" পৱনলৈ চাই বনুৰ মাকে ক'লে "পৱন ক'কক বস্তু বুলি নকবা। ক'কই কোনোবা দিনা তোমাক খুউব গালি দিব। চাবা দেই মই ক'কৰ খং উঠাই দিম।" এই বুলি বনুৰ মাকে ক'কলৈ চাই খঙৰ ভাবেৰে ক'লে "এই ক'কটো শণি বস্তু।" লগে লগে ক'কই মাকক ভুকি ভুকি গালি পাৰা আৰম্ভ কৰিলে। নৰয় হে নৰয়। মাকে তেতিয়া কলে "নহয় নহয় ক'ক ভাল ছোৱালী।" লগে লগে ক'ক চুপ। আচলতে মাকে ক'কক এদিন খঙতে শণি বস্তু বুলি গালি পাৰিছিল। ক'কই কি বুজিলে, তাৰ পাচৰ পৰাই ক'কই শণি বস্তু বুলিলেই খঙত ভুকি গালি দিয়া আৰম্ভ কৰে। ক'কৰ কাণ্ড দেখি পৱন আচৰিত হ'ল আৰু পৱনৰ মনত বিশ্বাস গাঢ় হ'ল যে ক'ক সৰবজান হয় আৰু মানুহৰ সকলো কথা বুজি পায়।

এদিন দুদিনকৈ সময় পাৰহৈ গ'ল আৰু বনুৰ উভতি যোৱাৰ সময় পালেহি। সকলোৰে মাজত চলা কথা বাৰ্তাৰ পৰা ক'কই কথাটো বুজি পালে। সেয়ে বনুয়ে বস্তু বাহানি চুটকেচত ভৰোৱা আৰম্ভ কৰোতেই ক'কই ভুকা আৰম্ভ কৰিলে। বস্তু বাহানি চুটকেচত ভৰোৱাৰ পাচত চুটকেচ আৰু বনুলৈ চাই ভুকি ভুকি বুজাই দিলে যে ইমান সোনকালে যাৱই নে? আৰু কিছুদিন থাকি যা। উভতি যোৱাৰ আগতে শেষ ৰাতিৰ বাবে ক'ক বনুৰ লগত কম্বলৰ তলত শুই পৰিল। পাচদিনা পুৱা সকলো এয়াৰপৰ্টলৈ যাবলৈ সাজু হ'ল। পৱনে চুটকেচ নিবলৈ অহাত পৱনলৈ আৰু চুটকেচ দুটালৈ চায়ো ভুকি ভুকি পৱনক কলে, চুটকেচ নিনিবি বনু বাক যাব নিদিও। এটা সময়ত ক'কলৈ বনুহত গাড়ীত উঠিল আৰু পৱনে বিমান বন্দৰলৈ বুলি গাড়ী চলাবলৈ ধৰিলে। বনু আৰু মাকৰ মাজত পাচৰ চিটত ক'ক চুপ চাপ বহি থাকিল। বিমান বন্দৰত বনুক বিদায় দি সকলো বিষন্ন মনৰে ঘৰলৈ উভতি আহিল।

বনু যোৱাৰ এসপ্তাহ পাৰ হোৱাই নাছিল, পেছাব কৰাওতে টাটাকে ক'কৰ পেছাবত আকৌ তেজ দেখিলে। তেজ দেখা কথাটো মাকক কোৱাত মাকে তৎক্ষণাত খানাপাৰাৰ ভেটেনেৰী কলেজলৈ নিয়াটোৱেই ভাল হব বুলি মন্তব্য দিলে। পাচদিনা পুৱা ক'কক লৈ বনুৰ মাক টাটাক খানাপাৰা পালেগৈ। ডা: মনিকাই ক'কক পৰীক্ষা কৰি কলে আকৌ আল্‌ট্ৰা চাউণ্ড আৰু পেছাবৰ কালচাৰ কৰিব লাগিব। ৰিৰ্পটবোৰ চাইহে ঔষধ দিম। কাইলৈ পুৱা সোনকালে ক'কক লৈ আহিব আৰু

লগতে পেছাব লৈ আহিব। এইবাৰ ক'কৰ খাদ্য সমূহো সলনি কৰিব লাগিব। নহলে বাৰে বাৰে যদি কিডনীত ষ্টন আৰু ইনফেকচন হৈ থাকে কিডনী নষ্ট হৈ যাব। ডা: মনিকাৰ পৰা বিদায়লৈ বনুৰ মাক দেউতাক ঘৰলৈ উভতিল। পৰনক পাচদিনা পুৱা আহিবলৈ কৈ ক'কলৈ ফ্লেটৰ ভিতৰ সোমাই মাকে বনুক খবৰটো দিয়াত বনুয়ে ফোনতে এসোতা কান্দিলে।

পাচদিনা পুৱা আঠ বজাত ক'কক লৈ বনুৰ মাক দেউতাকে খানাপাৰাৰ ভেটেনেৰী কলেজৰ হস্পিতাললৈ বুলি ৰাওনা হ'ল। খানাপাৰা পাই বনুৰ টাটাকে কাউণ্টাৰত নাম ভৰ্ত্তি কৰাই লেবৰেটৰীত কালচাৰ কৰিবৰ বাবে পেছাব দি থৈ আহিলগৈ। ডা:মনিকাৰ হাতত প্ৰেচকিপচন দি টাটাকে ক'লে "পেছাব লেবৰেটৰীত দি আহিলো। এতিয়া আল্ট্ৰা চাউণ্ড কৰিলেই হ'ল।" বনুৰ টাটাকক ডা:মনিকাই অভ্যৰ্থনা কক্ষত বহিবলৈ কৈ ডা: মনিকা আল্ট্ৰা চাউণ্ড কৰা প্ৰফেচৰৰ কোঠালৈ সোমাই গ'ল আৰু বনুৰ টাটাক গৈ বনুৰ মাক আৰু ক'কৰ ওচৰ পালেগৈ। ইতিমধ্যে আন কুকুৰ দেখি ক'কই ভুকি ভুকি তালফাল লগোৱা আৰম্ভ কৰিছিলেই। টাটাকক দেখি ক'কৰ সাহ আৰু বাঢ়িল আৰু অলপ দূৰত বহি থকা চিআইএচএফৰ স্নিফাৰ ডগটোলৈ চাই জপিয়াই জপিয়াই ভুকিবলৈ ধৰিলে। ক'কৰ কাণ্ড দেখি চিআইএচএফৰ কুকুৰটোৰ বোধহয় আমনি লাগিল। সেয়ে মূৰ দাঙি কেৰাহিকৈ চালে কিন্তু প্ৰশিক্ষিত কুকুৰ বাবে এবাৰো ভুকি প্ৰত্যুতৰ নিদিলে। অৱশেষত আমনি লগাত ক'ক মনে মনে থাকিল। তেনেতে ডা:মনিকাই আহি কলেহি যে আল্ট্ৰাচাউণ্ড এঘণ্টামান পাচত হব আৰু ক'কক নি পেটৰ নোম খুৰাবৰ বাবে এখন টেবুলত বহাই দি আলিৰ হাতত প্ৰেচকিপচন খন দিলেই হব। আলিয়ে ড্ৰেচাৰৰ হতুৱাই কামবোৰ কৰাই দিয়াৰ পাচত প্ৰেচকিপচন খন লৈ ডা:মনিকাক লগ ধৰিলেই হব। কথা মতেই কাম। বনুৰ টাটাকে ক'কক নি এখন খালী টেবুলৰ ওপৰত বহাই দিলে। মাক আৰু পৰনে ক'কক ৰখি থাকিল আৰু বনুৰ টাটাকে প্ৰেচকিপচন খন নি আলীৰ হাতত দিলে। আলী বৰ ভদ্ৰ মানুহ আৰু কামত বৰ ভাল। চেলাইন দিবৰ বাবে আলিয়ে সহজে ক'কৰ ভেইন বিচাৰি পাই যদিও আন কম্পাউণ্ডাৰে বহুতো খুচিব লাগে। বনুৰ দেউতাকৰ ইতিমধ্য আলীৰ লগত ভালদৰে পৰিচয় হৈ গৈছিল আৰু আলীৰ কামৰ বাবে আলীক প্ৰশংসাও কৰিছিল। প্ৰেচকিপচন খন লৈ আলিয়ে ড্ৰেচাৰ এজনক কামটো কৰিবৰ বাবে বুজাই দিলে আৰু ক'কৰ ওচৰলৈ আহিল। ক'কলৈ চাই ক'লে "ক'ক তোৰ আগৰবাৰ খুৰুওৱা নোম ভালদৰে সম্পূৰ্ণকৈ গজাই নাই আকৌ খুৰাবৰ হ'লেই।" এনেতে আন এটা কুকুৰৰ গৰাকীয়ে আলীক চেলাইন খুলিবলৈ মাতি লৈ গলহি। বনুৰ মাক-দেউতাক আৰু পৰনে ক'কক জোৰ কৰি হেচামাৰি ধৰি থাকিল আৰি ড্ৰেচাৰ জনে ক'কৰ পেট খুৰাই পেলালে। ধুনীয়া ক'কজনী টকলা পেটেৰে দেখাত বেয়া হৈ পৰিল। অলপ পাচত ডা:

মনিকা আহি ক'কক আল্ট্ৰাচাউণ্ড ৰুমলৈ লৈ যাবলৈ কলে। এইবাৰ আন এজন অধ্যাপক চনগ্ৰাফী বা আলট্ৰাচাউণ্ড কৰিবৰ বাবে ৰৈ আছিল। ক'কক আল্ট্ৰাচাউণ্ড কৰি অধ্যাপক গৰাকীয়ে ক'লে এতিয়াও কিডনীত বহুতো পাথৰ বা ষ্টন আছে আৰু পাথৰবোৰে খুন্দিওৱা ফলতে ইনফেকচন আৰু ব্লিডিং হয়। মই ৰিপৰ্ট লিখি দিছো আৰু ৰিপৰ্টটো ডা:মনিকাক দিয়কগৈ। মই একো ঔষধ লিখি নিদিও। ক'কৰ আকৌ কিডনীত পাথৰ হোৱা বুলি শুনি মাকৰ চকুপানী ওলাল। আল্ট্ৰাচাউণ্ড ৰুমৰ পৰা ওলাই আহি বনুৰ টাটাকে ডা:মনিকাৰ হাতত ৰিৰ্পট আৰু প্ৰেচকিপচন খন দিলেহি। ডা: মনিকাই ৰিপৰ্ট আৰু পুৰণি ৰিৰ্পট সকলো পঢ়ি প্ৰফেচৰ কলিতাৰ লগত আলোচনা কৰিবৰ বাবে প্ৰফেচৰ কলিতাৰ কেবিনলৈ গ'ল। বনুৰ টাটাক ডা:মনিকাৰ টেবুলৰ সন্মুখতে বহি ৰ'ল। প্ৰফেচৰ কলিতাৰ কোঠাৰ পৰা উভতি আহি ডা:মনিকাই বনুৰ দেউতাকক ক'লে "এতিয়া ১০ টা এণ্টিবায়টিক বেজী লিখি দিছো আৰু আগৰ ঔষধটো আৰু এবটল খুৱাই চাওক। লগতে ক'কক কেৱল মাংস ভাতৰ বাহিৰে ষ্টিক, মিঠাই বা আন কোনো জাঙ্ক ফুড খাবলৈ নিদিব। এইবাৰ যদি ভাল নহয় অপাৰেচন কৰাৰ বাহৰি আন চিকিৎসা নাই আৰু। আজি প্ৰথম বেজীটো ইয়াতে দিয়াই নিয়ক আৰু তাৰ পাচত বাকী কেইটা ঘৰৰ ওচৰতে দিয়াব পাৰিব।" ডা:মনিকাৰ কথামতে বনুৰ টাটাকে বেজী আৰু ঔষধ কিনি আনি আলীৰ হতুৱাই  এটা বেজী ক'কক দিয়াই ঘৰ পালেহি।"

দ্বিতীয় বেজীটো দিয়াবৰ বাবে ক'কক টাটাকে পেট এণ্ড ভেটলৈ লৈ গ'ল। ক'কৰ সকলো বছেৰেকীয়া বেজি দিয়া, খাদ্যবস্তু পেট এণ্ড ভেটৰ পৰাই কিনা হয়। পেট এণ্ড ভেট ক'ক হতৰ নতুন ফ্লেটৰ পৰা মাত্ৰ ২০০ মিটাৰ মান দূৰত অৱস্থিত। গতিকে পেট এণ্ড ভেট ক'কৰ ভালদৰে চিনাকী। পেট এণ্ড ভেট গৈ পোৱাত ৰিচিপচনিষ্ট ছোৱালী জনীয়ে কলে "চাৰে বেলেগ পেচেণ্ট চাই আছে। অলপ বহক মই মাতি দিম।" বনুৰ দেউতাকে শুধিলে "কাকতি আছে নে নাই? মই মাত্ৰ বেজী এটা দিয়াইহে নিম। ডাক্তৰক দেখুওৱা কাম নাই।" ৰিচিপচনিষ্ট ছোৱালী জনীয়ে উত্তৰ দিলে"কাকতি আছে, তেনে আপুনি কুকুৰটো ভিতৰলৈ লৈ যাওক।" ক'কক কুকুৰ বুলি কোৱা দেখি ক'কৰ খং উঠিল আৰু ৰিচিপচনিষ্ট জনীলৈ চাই ভুক ভুক কৰি বুজাই দিলে মোৰ নাম আছে, মোক কুকুৰ বুলি নকবি। ক'কৰ কথা বুজি পাই টাটাকে ৰিচিপচনিষ্ট গৰাকীলৈ চাই ক'লে "এই কুকুৰ বুলি কোৱা বাবে বেয়া পাইছে। এইৰ নাম ক'ক। এইক ক'ক বুলি কব।" ৰিচিপচনিষ্ট গৰাকীয়ে ক'ক ক'ক বুলি মৰমেৰে মতাত ককয়ো নেগুৰ মাৰি আনন্দ প্ৰকাশ কৰিলে। বনুৰ টটাকে ক'কক ভিতৰলৈ নি কাকতিৰ হতুৱাই বেজীটো দিয়াই ঘৰলৈ উভতিল।

ডা:মনিকাই কোৱাৰ দৰে বনুৰ মাকে ক'কৰ খাদ্য সলনি কৰিবৰ চেষ্টা কৰিলে যদিও ক'ক অলপো মান্তি নহল। লাগিলে গোটেই দিন ৰাতি লঘোণে থাকিব কিন্তু নিজৰ পচন্দৰ খাদ্য

নিদিলে নাখাব। এনেয়ে ক'কই পুৰা লাঠি বা ষ্টিক এডাল খোৱাৰ পাচত দিনটো একো নাখায়। গধুলী ৭টা মান বজাত মাংস আৰু লগত দুটামান ভাত। তাৰ পাচত ৯/১০ মান বজাত ৫০/৬০টা মান চিকেন এণ্ড ভেজিটেবল পেডিগ্ৰী গুটি। মাংসৰ হাড় আৰু লিভাৰ পাচে ক'কৰ বৰ প্ৰিয়। ক'ক অহাৰ পাচত ঘৰলৈ অনা সকলো মূৰ্গী মাংসৰ ঠেং আৰু লিভাৰ ক'কৰ পেটলৈ যায়। বনুৰ টাটাকে মুৰ্গীৰ ঠেং আৰু মাকে লিভাৰ খাই খুউব ভাল পাইছিল যদিও ক'ক অহাৰ পাচত সকলো ক'ককে দিয়া হ'ল। ক'কই হাড় খাই ভাল পাই বুলি গম পাই মিৰ্জাৰ কেটাৰিং কনট্ৰেকটৰ সুবলে চিকেন চাও বনোৱাৰ পাচত ৰোৱা হাড়বোৰ কোনোবা গুৱাহাটীৰ পৰা নিটচ মিৰ্জাৰ হোষ্টেললৈ গ'লে ক'কৰ বাবে পঠাই দিয়ে। গতিকে ষ্টিক, মাংস, হাড়, পেডিগ্ৰী আৰু মিঠাইৰ (তাকো পেড়া, কালাকান্দ, কাজু বৰফি। ৰসগোল্লা বেয়া পাই) বাহিৰে ক'কই আন একো নাখায়। কেচা ফলমূল ক'কই একেবাৰে নাখায়। একমাত্ৰ আৰবৰ খেজুৰী মাজে মাজে দুই এটা খাই জুতি লয়। ডা: মনিকাই কোৱা বাবে বনুৰ মাকে ক'কৰ খাদ্যাভাষ সলনি কৰিবলৈ ক'কক ডা:মনিকাই লিখি দিয়া নতুন খাদ্যবিধ আৰু কল, আপেল, তৰমুজ, কমলা আদি খাবলৈ দি চেষ্টা কৰি চালে যদিও ক'কই শুঙি শুঙি একোতেই মুখ নিদিলে। উপায়ান্তৰ হৈ ক'কক তাই ভালপোৱা খাদ্যবোৰকে আকৌ খাবলৈ দিব লগা হ'ল।

পাচটা বেজী আৰু লগতে বিদেশৰ পৰা আমদানি কৰি অনা ঔষধ খুউৱাৰ পাচত ক'কৰ পেছাবত তেজ যোৱা বন্ধ হৈ গ'ল। বনুৰ টাটাকে ডা: মনিকাক ফোন কৰি শুধিলে যে বাকী পাচটা ইনজেকচন দিয়াব লাগিবনে নালাগে। ডা:মনিকাই জনালে যে দহোটা বেজী দিয়াব লাগিব আৰু লগতে ঔষধৰ বটলটো খুৱাই শেষ কৰিব লাগিব। কথা মতেই কাম আৰু নিতৌ পেট এণ্ড ভেটলৈ নি বনুৰ টাটাকে ক'কক দহটা এণ্টিবায়টিক বেজী দি শেষ কৰিলে। ক'ক আকৌ আগৰ দৰে টনটনীয়া আৰু স্ফূৰ্টিবাজ হৈ পৰিল। অনবৰতে খেলিবলৈ আৰু গাড়ীত উঠি ঘূৰি ফুৰিবলৈ ভালপোৱা হ'ল।

ক'ক তজবজীয়া হৈ থকা সময়তে পেপাৰত খবৰ আহিল যে ৰঙালী বিহুৰ সময়ত ভডাফোনে গুৱাহাটীত এখন পাগ শ্ব আৰু পাগৰ প্ৰতিযোগিতা পাতিছে। খবৰটো পেপাৰত দেখি বনুৰ দেউতাকে বনুৰ মাকক কথাটো ক'লে। বনুৰ মাকে বনুক কথাটো জনোৱাৰ পাচত তিনিওৰে সন্মতি সহকাৰে সিদ্ধান্ত হ'ল যে ক'ককো পাগ শ্বলৈ নিয়া হব। ক'কই বহতো পাগ লগ পাই আনন্দ পাব। পাগ শ্বৰ দিনা সুন্দৰকৈ সাজ পোছাক পিন্ধাই ক'কক বিগ বজাৰৰ পাগ শ্বৰ ৰেম্পলৈ লৈ যোৱা হ'ল। ক'কই বিগ বজাৰৰ পাগ শ্বৰ ভেনু পাই বহুতো পাগ দেখি খঙত জ্বলি পকি উঠিল। ধুনপেচ মাৰি অহা আন এজনী পাগৰ লগত দুৰ্বাদল কাজিয়া লাগিল। বনুৰ মাকে টাটাকক কলে ক'কক কাষলৈ নি বহাই থোৱাগৈ। মাকৰ কথাত টাটাকে ক'কক নি খটখটীৰ

ওপৰত বহি পৰিল আৰু ক'কক মৰম কৰিবলৈ বহুতো দৰ্শক  ক'কৰ ওচৰ চাপি আহিল। সকলোৰে লগত ক'কই আনন্দ মনেৰে খেলিলে। তেনেতে এটা মতা পাগে ক'কক দেখি ক'কৰ ওচৰলৈ গা ঘেলাবলৈ অহাত ক'ক খঙত অগ্নিশৰ্মা হৈ ভুকি ভুকি মতা পাগটোক  বহু দূৰলৈকে খেদি থৈ আহিল। বেচেৰা মতা পাগে ক'কৰ ৰণচণ্ডী মূৰ্ত্তি দেখি নেগুৰ পেলাই পলাই তৎ নাপালে। ক'ক আহি পুনৰ মানুহৰ মাজত বহি খেলিবলৈ ধৰিলে। মুঠৰ ওপৰত ক'কই কুকুৰক একেবাৰে দেখিব নোৱাৰে আৰু মানুহ অত্যন্ত ভাল পায়। ক'কৰ কাণ্ড দেখি বনুৰ মাকে ক'লে, ক'কক ননাই ভাল আছিল। ভাল পাব বুলি আনিছিলো কিন্তু তাই আন পাগৰ লগত খেলাটো দূৰৰে কথা ওচৰলৈকে আহিব নিদিয়ে। ৰেম্পত যে আন কুকুৰৰ লগত খোজ কাঢ়িব আশা কম। বনুৰ দেউতাকে বনুৰ মাকক কলে"আনিলো যেতিয়া যোগদান কৰায়েই যাও।" এনেতে প্ৰতিযোগিতাৰ এংকৰ মনালিছাই সকলো পাগৰে নাম লৈ একো একোটা নম্বৰ লিখা ষ্টিকাৰ পিন্ধাই দিলে। উচ্চতা, ওজন, সাধাৰণ স্বাস্থ্য, টীকাকৰণ আদি চোৱাৰ পাচত ক'ক মূল প্ৰতিযোগিতাৰ বাবে নিৰ্ব্াাচিত হ'ল। প্ৰতিযোগিতা এজন বিচাৰক আছিল ক'কৰ চিনাকি ডা:শৰ্মা। ডা: শৰ্মাই বনুৰ দেউতাকলৈ চাই হাঁহি মাৰি কলে  "ক'ককো আনিছে। ভালেই কৰিলে। লগবোৰ পাই ক'কই আনন্দ পাব।" বনুৰ দেউতাকে উত্তৰ দিলে " কুকুৰৰ লগ নলয়েই। বাৰে বাৰে মানুহৰ মাজত গৈ বহি থাকে। যি দুই এট ওচৰলৈ আহিছিল পহু খেদা দিলে।" বনুৰ দেউতাকৰ কথাত ডা: শৰ্মাই হাঁহিলে আৰু আন পাগ পৰীক্ষা কৰাত লাগিল। ৰেম্পত মূল প্ৰতিযোগিতা আৰম্ভ হ'ল। অকলে খোজ কাঢ়ি যোৱালৈকে ক'ক থিকেই গ'ল। কিন্তু ৰেম্পত আন পাগ অহাৰ লগে লগে ক'কই ভুকি মেলি খেদি হুলস্থূল লগালে আৰু টাটাকে উপায় নাপায় ক'কক ৰেম্পৰ পৰা নমাই মাকৰ ওচৰলৈ লৈ গ'ল। গৰমৰ বাবে আৰু কাজিয়া পেচাল কৰি ক'কই ইতিমধ্যে জিভা উলিয়াই সা সা কৰা আৰম্ভ কৰিছিলেই। মাকে ক'লে "ক'কই বৰ গৰম আৰু অশান্তি পাইছে। ব'লা যাওগৈ। ইচ্ছা নাই যেতিয়া পৰবৰ্তী ৰাউণ্ডলৈ আৰু জোৰ কৰি নিনিবা।" ক'কৰ আকৌ গৰমো বেছি, ঠাণ্ডাও বেছি। গৰমত ফেন, এচি নহলে থাকিব নোৱাৰে আৰু ঠাণ্ডাত হিটাৰ নহলে থাকিব নোৱাৰে। ক'কৰ অশান্তি আৰু অসহযোগিতা দেখি টাটাকে ক'লে "ক'ক বল ঘৰলৈ যাও।"টাটাকৰ কথাত ক'কই নেগুৰ মাৰি গাড়ীৰ ওচৰলৈ বেগাই খোজ ললে। ক'কক লৈ মাক আৰু টাটক ঘৰ পালেগৈ। ককলৈ চাই মাকে ক'কক কলে "ক'ক তোক আৰু কোনোদিনে ডগ শ্বলৈ নিনিও। ক'কই নেগুৰ মাৰি সন্মতি জনালে। সেয়েই ক'কৰ প্ৰথম আৰু শেষ পাগ শ্বত যোগদান|

ক'কৰ লগত ঘৰ খনৰ সকলো মানুহে, মানে বনুৰ টাটাক আৰু মাকে অতি আনন্দ মনেৰে দিন কটাবলৈ আৰম্ভ কৰিছিলহে এমাহ মান যোৱাৰ পাাচতে হঠাতে আকৌ ক'কৰ দেউতাকে ক'কৰ পেছাবত তেজৰ চেকুৰা দেখা পালে। দিন পাৰ হোৱাৰ লগে লগে টাটাকে দেখিলে যে ক'কৰ পেছাবত আকৌ তেজ যোৱা আৰম্ভ কৰিছে। টাটাকে মাকৰ আগত কথাটো অবগত কৰাত মাক দুখত ভাগি পৰিল। বনুক কথাটো জনোৱাত বনুয়েও মনত দুখ পালে। ডা: মনিকাক কথাটো জনোৱাত ডা:মনিকাই ক'লে যে এতিয়া অপাৰেচন কৰি কিডনী ষ্টন উলিওৱাৰ বাহিৰে আন উপায় নাই। কিন্তু ক'কৰ দৰে চঞ্চল চফল সুঠাম মৰমৰ কুকুৰটোক অপাৰেচন কৰি ঘূণীয়া কৰাৰ কথা বনুৰ মাক দেউতাকে ভাবিবই নোৱাৰে। তাৰোপৰি অপাৰেচনৰ পাচত যদি জপিয়াই মেলি দিয়ে তেন্তে ইনফেচন হব লাগিলে ক'কক বচোৱাটোৱেই কঠিন হব। ভৰ যৌৱনতে ক'কক অকালতে হেৰুৱাব লগা হব বুলি বনুৰ মাক দেউতাকৰ মন বিষাদেৰে  ভৰি পৰিল। বনুয়েও অষ্ট্ৰেলিয়াতে চকুপানী টুকিলে। ক'কক তিল তিলকৈ মৃত্যু মুখলৈ আগবাঢ়ি যোৱা কথাটো ভাবিলেই বনুৰ মাক দেউতাৰ মন দুখ নেদনাৰে ভৰি পৰে। বিশেষকৈ ক'কক পেছাব কৰোৱাৰ পাচত বনুৰ টাটাকে সদায় দুখেৰে ক'কলৈ চাই ভাবে, বেচেৰীয়ে একো বুজি নাপাই আৰু গম নাপায়। লাহে লাহে ক'কই পেছাব কৰিলৈ দিলে সময়ত পেছাব নকৰা হ'ল। বহু সময় পেছাব নকৰি থিয় হৈ থকা হ'ল। বহুতো ধমকি মাৰিলে অকমান অকমানকৈ কেইবাবাৰো পেছাব কৰা হ'ল। হয়তো তাই পেছাব কৰিলে কষ্ট পাই বাবে পেছাব কৰিবলৈ ভয় কৰা হ'ল। লগতে ক'কৰ খোৱা বোৱাও কমি যাবলৈ আৰম্ভ কৰিলে। ক'কৰ বেমাৰৰ বিষয়ে বনুয়েও অষ্ট্ৰেলিয়াতো ভেটেনেৰী ডাক্টৰৰ লগত আলোচনা কৰিলে। সকলো অপাৰেচনৰ বাহিৰে আন উপাই নাই বুলি মন্তব্য দিলে। বনুৰ মাকেও লগৰ সকলো বান্ধবীৰ আগত কথাটো কৈ কিবা সমাধান কোনোবাই কিজানিবা দিব পাৰে বুলি আশাৰে ৰ'ল। তেনেতে এদিন বনুৰ মাকৰ এগৰাকী বান্ধবী ৰাজুয়ে বনুৰ মাকলৈ ফোন কৰাত বনুৰ মাকে বান্ধবী ৰাজুক ক'কৰ কথাখিনি কৈ দুখ কৰিলে। ৰাজুয়ে বনুৰ মাকক জনালে যে তেওলোকৰ কুকুৰটোৰ এপিলেপ্‌চি হওতে ভেটেনেৰী ডাক্টৰে ভাল কৰিব নোৱাৰাত হমিঅপেথিক ঔষধ খুৱাওতে ভাল হ'ল। গতিকে ক'ককো হমিঅপেথিক খুৱাই এবাৰ শেষ চেষ্টা কৰা ভাল হব। মানুহৰ কিডনী ষ্টনৰ ক্ষেত্ৰত হমিঅপেথিক  যে যথেষ্ট কাৰ্য্যকৰী এই কথা বনুৰ টাটাকে জানিছিল। কিন্তু কুকুৰকো যে হমিঅপেথিক ঔষধ খুৱাই ভাল কৰিব পাৰি এবাৰো ভবা নাছিল। ৰাজু হতৰ কুকুৰটো হমিঅ খাই ভালপোৱা কথাটো কৈ বনুৰ মাকে বনুৰ দেউতাকক ক'ককো এবাৰ হমিঅ খুৱাই চোৱাৰ কথা ক'লে। বনুৰ দেউতাকেও একমত হ'ল আৰু পাচদিনা পুৱাই ক'কৰ বাবে হমিঅ ঔষধ আনিবলৈ যাব বুলি সিদ্ধান্ত ললে।

পাচদিনা পুৰা দহ বজাত বনুৰ টটাক গৈ ৰাজগড় ৰ'ডত থকা তেওঁলোকৰ চিনাকি দামোদৰ হোমিও ক্লিনিক পালেগৈ। দামোদৰ হোমিও ক্লিনিক অসম হোমিওপেথিক মেডিকেল কলেজৰ প্ৰাক্তন অধক্ষ্য পৰেশ চন্দ্ৰ শৰ্মা দেৱে স্থাপন কৰিছিল। তেখেতৰ ঔষধ বনুৰ খুড়া ক'কা (বনুৰ টাটাকৰ খুড়াক) ৺প্ৰফুল্ল ভূঞা দেৱে নিয়মিত ভাবে খাইছিল আৰু পৰেশ শৰ্মা দেৱৰ ঔষধ খাই বনু আৰু বনুৰ মাকৰ কেইবাটাও বেমাৰ ভাল হৈছিল। সেয়ে দামোদৰ হোমিও ক্লিনিকৰ ওপৰত বনুৰ মাকৰ বহুতো বিশ্বাস। বনুৰ দেউতাক দামোদৰ হোমিও ক্লিনিক গৈ গম পালে যে বাৰ্ধক্যজনিত কাৰণ গা বেয়া বাবে পৰেশ শৰ্মা দেৱৰ পুতেক ডা: কিশোৰ শৰ্মা দেৱেহে ঔষধ দি আছে। বনুৰ টাটাকে ক'কৰ কিডনী ষ্টনৰ গোটেই কথাখিনি ডাক্টৰক বিস্তাৰিত ভাবে বুজাই ক'লে। ডা:কিশোৰ শৰ্মাই গোটেইখিনি কথা শুনাৰ পাচত বনুৰ দেউতাকক ক'লে "মই ঔষধ দিব পাৰিম। কিন্তু খুৱাব পাৰিব জানো? ঔষধৰ সোৱাদ বৰ ভাল নহয়। যদি ঔষধ খুৱাব পাৰে তেন্তে আপোনাৰ পেট কুকুৰৰ কিডনী ষ্টন গলি পেছাবৰ লগত ওলাই যাব আৰু সোনকালেই সম্পূৰ্ণ সুস্থ হব। এসপ্তাহৰ পাচতে আপুনি প্ৰমাণ পাব।" ডাক্টৰৰ কথাত বনুৰ দেউতাকে ক'লে আপুনি ঔষধ দিয়ক, আমি যেনেতেনে খুৱাম। শেষ আশা লৈ আপোনাৰ তালৈ আহিছো। আপোনাৰ দেউতাকে মোৰ পত্নী আৰু মোৰ ছোৱালীক ভাল কৰিছিল। আপুনি আমাৰ সকলোৰে মৰমৰ ক'কক ভাল কৰি দিয়ক।" বনুৰ টাটাকৰ কথাত ডাক্টৰে হাঁহিলে আৰু ক'কৰ বাবে ঔষধ দি কেনেকৈ খুৱাব লাগিব সকলো বুজাই দিলে। এমাহৰ পাচত পুনৰ ঔষধ নিবৰ বাবে আৰু অৱস্থা কেনেকুৱা হ'ল তাৰ খবৰ জনাবৰ বাবে পুনৰ আহিবলৈ কলে। ঔষধ লৈ আনন্দ মনেৰে বনুৰ দেউতাক ঘৰ পালেহি। মনত সম্পূৰ্ণ বিশ্বাস হোমিওপেথিক ঔষধ খাই ক'ক এইবাৰ স্থায়ীভাবে সম্পূৰ্ণকৈ ভাল হব।

হোমিও পেথিক ঔষধ অনাটো যিমান সহজ আছিল, ক'কক খুউৱাটো সিমানেই টান আছিল। কাৰণ ক'কই শুঙি পেলাই এটা বস্তু নাখাও বুলি ভাবিলে আৰু খুৱাব নোৱাৰি। কোনো পধ্যেই নিগিলে। ক'কই অসমীয়া ফকৰা 'নোধোও গা ধুৱালি, নাখাও ভাত খুৱালি, নিগিলো কি কৰ কৰ' সম্পূৰ্ণ মানি চলি মুখত ভৰাই দিলেও বহুতো বস্তু, ঔষধ আদি ফু ফু কৈ উলিয়াই দিয়ে আৰু মাকৰ পৰা স্কেলৰ কোব খাই। কোব খালেও কিন্তু তল নপৰে। নাখাও মানে নাখাও। দুবিধ ঔষধৰ এবিধৰ বিশ টোপাল ঔষধ  বিশ মিলিলিটাৰ পানীৰ লগত মিহলাই তিনিবাৰ খুৱাব লাগে আৰু আনবিধ দহ মিলিলিটাৰ পানীত দহ টোপাল মিহলাই খুৱাব লাগে। ক'কক ঔষধ খুৱাবৰ কাৰণে ফাৰ্মাচীৰ পৰা এটা চিৰিঞ্জ কিনি অনা হ'ল। লগতে ওচৰৰ দোকানৰ পৰা এপেকেট প্লাষ্টিকৰ সৰু চামুচ কিনি অনা হ'ল কাৰণ ষ্টিলৰ চামুচেৰে খুৱালে ক'কই দাতত দুখ পাই। গতিকে অভিজ্ঞতাৰ পৰা বনুৰ মাকে ক'কক ঔষধ খুৱাওতে প্লাষ্টিকৰ চামুচ ব্যৱহাৰ কৰাটো

অভ্যাসত পৰিণত হৈ গৈছে। তাৰ পাচত বনুৰ টাটাকে ক'ককলৈ জেবিজৰ পৰা এপেকেট কাজু বৰ্ফি আৰু এপেকেট পেৰা কিনি আনি ক'কক দেখুৱাই ফ্ৰীজত ভৰাই থৈ ক'কক কলে "চা ক'ক তই যদি সদায় ভালদৰে ঔষধ খাব তেন্তে সদায় এটা এটা খাবলৈ পাবি, নহলে গোটেই খিনি কিৰিক খাবলৈ দিম। তই ঔষধ নাখালে তোক মিৰ্জাত থৈ আহি কিৰিক আমাৰ ঘৰলৈ লৈ আহিম।" ক'কক ঔষধ খুৱাবৰ বাবে মাকে প্ৰথমটো ঔষধ পানীত মিহলাই বনাই ললে। বনুৰ টাটাকে এটা পেৰা কটাৰীৰে কাটি ৬/৭ টুকুৰ কৰি ক'কক দেখুৱাই বিচনাৰ ওপৰত থলে। ২০ মিলিলিটাৰ ঔষধ প্লাষ্টিকৰ চামুচেৰে এবাৰত ৩/৪ মিলিলিটাৰকৈ দিলে প্ৰায় ৫/৬ বাৰ খুৱাব লাগে। বনুৰ মাকে চামুচত ঔষধ লৈ ক'কক বিচনাৰ ওপৰত বহাই দি মুখ মেলিবলৈ ক'লে আৰু টাটাকে এটুকুৰা পেৰা ক'কক দেখুৱাই ক'লে "ক'ক ঔষধ চামুচ গিলি দিবি আৰু তেতিয়া এই পেৰা টুকুৰা খাবলৈ পাবি। নহলে কিৰিক খাবলৈ দিম।" ক'কই পেৰাৰ লোভত মুখ মেলিলে আৰু লগে লগে কপকৈ মাকে ক'কৰ মুখত এচামুচ ঔষধ সুমুৱাই দিলে। সৰু আমাক কাল'মেঘ নামৰ এক লিভাৰৰ তিতা হোমিও ঔষধ পানীৰ লগত মিহলাই খুৱাওতে যিদৰে থু থু কৰি উলিয়াই দিছিলো, ঠিক তেনেদৰে ক'কই থু থু কৰি ঔষধ চামুচ মুখৰ পৰা উলিয়াই দি বিচনাৰ পৰা জাপমাৰি আনটো কোঠালৈ গৈ চকীৰ তলত লুকাই থাকিল।

ক'ক বিচনাৰ পৰা জাপমাৰি পলাই যোৱাৰ লগে লগে বনুৰ মাকে বনুৰ টাটাকক গালি পাৰা আৰম্ভ কৰিলে। "ক'কক ঔষধ খুৱাব নোৱাৰা, গা ধুৱাব নোৱাৰা তেন্তে জীয়েৰাৰ কথাত কু্কুৰ কিয় আনিছিলা। ক'কক আমাৰ ডিঙিত লগাই দি তষই নিজে চিডনীত মৌজ কৰি আছে। তাইক ঔষধ খুৱাবলৈ মাতি আনা।" মাকৰ কথাত বনুৰ দেউতাকৰ মনে মনে থকাৰ বাহিৰে কোনো উপায় নাছিল মনতে ভাবিলে 'এলচিচিয়ান আৰু ডবাৰমেন দুটা থকাৰ পাচত পাগ এটা আনিবলৈ কি চুটখৰে পাইছিল। ডবাৰমেনটো নাথাকে বুলি ভাবিয়েই পাগটো আনিছিলো আৰু ডবাৰমেন নাথাকাৰ পাচত পাগেই মোক পানী পানী খুৱাইছে।" ক'ক লুকাই থকা চকী খনৰ ওচৰলৈ গৈ বনুৰ টাটাকে ক'ক ওলাই আহ, পেৰা খাবি আহ, সৌটো কিৰি আদি চিঞৰিবলৈ ধৰিলে যদিও ক'ক ওলাই নাহিল। উপায় নাপাই চকী খনৰ ওচৰত আঠুকাঢ়ি টাটাকে ক'কক টানি আনিলে আৰু কোচত তুলি নি পুনৰ মুখ ওফোণ্ডাই গালিপাৰি বহি থকা মাকৰ ওচৰত বহুৱাই দিলে। বনুৰ মাকে ক'লে "এনেকৈ ক'কক ঔষধ খুৱাব নোৱাৰিম। মই নতুন পদ্ধতি অবলম্বন কৰিম। ক'ক বাৰেৰে যদি মই তেৰেৰে। তুমি বিচনাৰ কাষৰ চকীখনত বহি ক'কক বিচনাৰ ফালে মুখ কৰাই থিয় কৰাই ধৰি ৰাখিবা। মই মুখ মেলাই এচামুচ ঔষধ মুখত ভৰাই দিম। ওপৰলৈ মুখ কৰি থাকিলে সহজে ফু ফু কৰি উলিয়াব নোৱাৰিব। তাৰ পাচত মুখৰ তিতা  ভাবটো যাবলৈ এটুকুৰা পেৰা দিবা। দুই তিনি মিনিট মান পাচত দ্বিতীয় চামুচ খুৱাম।

ভালজনী মাকক জোকাই লৈছে। বেমাৰ মাতিব আৰু ঔষধ নাখাই আমাক অশান্তি কৰিব, এইটো নহব।" মাকৰ কথামতে বনুৰ টাটাকে চকীত বহি ক'কক বিচনাৰ ফালে মুখ কৰাই থিয় কৰাই দিলে। ক'কই গম পালে এইবাৰ ৰক্ষা নাই। মাকে ক'কক জোৰকৰি মুখখন মেলাই ডিঙিৰ ওচৰত এচামুচ ঔষধ ঢালি দি মুখৰ তলফালে হাতেৰে লাহে লাগে থাপ থাপকৈ মাৰি দিলে। থিয় কৰাই ধৰি ৰখা ক'কৰ কোনো উপায় নাছিল বাবে ক'কই ৰক্ষা পাবৰ বাবে কোটকৈ ঔষধ চামুচ গিলি দিলে। লগে লগে বনুৰ টাটাকে ক'কক বিচনাত উঠাই দি এটুকুৰা পেৰা খাবলৈ দিলে। এইবাৰ লোভত নহয়, মুখখনত তিতা লগা বাবে ক'কই পেৰা টুকুৰা চোবাই চোবাই খালে। ক'কই হয়তো ভাবিছিল এবাৰতে মানে এচামুচতে আজিলৈ ঔষধ শেষ। কিন্তু দুই মিনিটমানৰ পাচত যেতিয়া টাটাকে যেতিয়া বিচনাৰ পৰা নমাই পুনৰ ক'কক থিয় কৰি ধৰিলে ক'কই গম পালে যে তাইৰ বেয়া সময় আৰম্ভ হৈ গৈছে। মাকে পুনৰ এক চামুচ ঔষধ লৈ ক'কক মুখখন মেলাই ডিঙিত ঢালি দিলে। উপায়ান্তৰ হৈ ক'কয়ো ঔষধখিনি গিলি দিলে। টাটাকে পুনৰ ক'কক বিচনাত উঠাই আৰু এটুকুৰা পেৰা খাবলৈ দিলে। ক'কয়ো মুখৰ তিতা ভাবটো আতৰাবৰ বাবে পেৰা টুকুৰা গিলি নিদি চোবাই চোবাই খালে। এনেদৰে ৬বাৰ পেৰা খুৱাই বিশ মিলিলিটাৰ ঔষধযুক্ত পানী খুৱাই শেষ কৰা হ'ল। ক'কক কৃতকাৰ্য্যতাৰে ঔষধ খুৱাই বনুৰ মাক দেউতাকৰ এখন ডাঙৰ যুদ্ধ জয় কৰাৰ দৰে লাগিল। বনুৰ টাটাকৰ সেই সময়ত বনু সৰু থাকোতে বনুক ভাত খুউৱাৰ কথা মনত পৰিল। মাকে ভাত লৈ দৌৰি ফুৰে আৰু টাটাকে কাঁহী, বাতি, পেপা, হুছেইল আদি বজাই ফুৰে। ওচৰৰ সকলো মানুহে গম পাই যে বনুক দুপৰীয়াৰ ভাত খুৱাইছে। ৰাতি ভাত খুৱাওতে কাগজৰ বল, পিংপং বল জেঠী আৰু পখিলাৰ গালৈ দলিয়াওতে দলিয়াওতে পাচলৈ পোক খাবলৈ জেঠীবোৰো নহা হ'ল। সেয়ে পখিলা নহা দিনা মাকৰ মাৰ পিট খাই বনুৰ ভাতেই খোৱা নহয়। কাৰণ ৰাতি বাতি কাঁহী বজালে বনুয়ে ভাত নাখায়। ৰাতি পখিলা, চগা, জেঠীৰ গালৈ বল দলিয়ালেহে ভাত খাই। বনুক ভাত খুউৱাৰ দৰে আকৌ এটা সময় নভবাকৈ জীৱনলৈ অহাত বনুৰ দেউতাকে হাঁহিবই নে কান্দিবই ভাবি নাপালে।

ক'কক প্ৰথমটো ঔষধ খুউৱাৰ এঘণ্টা পাচত দ্বিতীয়টো ঔষধ খুৱাব লাগিব বুলি হোমিও ডাক্টৰ কিশোৰ শৰ্মাই নিৰ্দেশ দিছিল। দ্বিতীয়তো ঔষধৰ দহ টোপাল ঔষধ দহ মিলিলিটাৰ পানীৰ লগত মিহলাই খুৱাব লাগে। বনুৰ টাটাকে চিৰিঞ্জেৰে দহ মিলিলিটাৰ পানী লৈ তাৰ লগত দহ টোপাল ঔষধ মিহলাই ক'কক খুৱাবৰ বাবে সাজু কৰিলে। লগতে জেবিজৰ পৰা অনা কাজু বৰফি এটাৰ তিনি ভাগৰ এভাগ মান ভাঙি কেইবাটুকুৰা কৰি বিচনাৰ ওপৰৰৰ এঠাইত ৰাখি থলে। তাৰ পাচত কুলি চৰাইৰ মিঠা মাতেৰে বনুৰ মাকক ঔষধ খুৱাবৰ বাবে মাতিলে। বনুৰ মাকে ক'কক আগৰ ভৰি ওপৰলৈ কৰি পাচৰ ভৰিৰ ওপৰত থিয় কৰাই বিচনাত আওযাই ধৰি থাকিবলৈ নিৰ্দেশ

দিলে। বনুৰ মাকৰ নিৰ্দেশ মতে ক'কক থিয় কৰি ধৰি থকাৰ পাচত মাকে এচামুচ ঔষধ ক'কৰ ডিঙিত ঢালি দিলে। দ্বিতীয় ঔষধটো বোধহয় প্ৰথমটোৰ দৰে তিতা নাছিল। গতিকে গিলাৰ পাচত ক'কই বেচিকৈ ওকালি নাথাকিল। গতিকে মাকে ফটাফট চাৰিবাৰ খুৱাই দহ মিলিলিটাৰ ঔষধ পানীৰ মিশ্ৰণ শেষ কৰিলে। ঔষধ খুৱাই শেষ হোৱাৰ পাচত টাটাকে ক'কক কাজু বৰফিৰ টুকুৰা কেইটা দিলে আৰু ককয়ো আনন্দ মনেৰে খালে। মাকে বনুৰ দেউতাকলৈ চাই ক'লে "ভগবানক ধন্যবাদ যে দুই নম্বৰৰ ঔষধটো ক'কক সহজে খুৱাব পাৰিম। নহলে যদি এক নম্বৰৰ দৰে খুৱাব লগা হ'ল হয় আমাৰ অৱস্থা কাহিল হ'ল হয়।" বনুৰ মাকৰ কথাত বনুৰ দেউতাকে মূৰ জোকাৰি সন্মতি জনালে।

এক বজাৰ লগে লগে ক'কক পুনৰ এক নম্বৰৰ ঔষধ খুৱাবৰ সময় হ'ল। টাটাকে ঔষধ সাজু কৰিবৰ বাবে চিৰিঞ্জেৰে বিশ মিলিলিটাৰ পানী ক'কৰ সৰু বাটিটোত ললে। তাত এক নম্বৰৰ ঔষধটোৰ পৰা এটোপ দুপকৈ ঔষধ দিয়া দেখা পাই ক'ক টাটাকৰ ওচৰৰ পৰা পলাই পত্ৰং দিলে। ঔষধ সাজু কৰি টাটাকে ক'ক আহ পেৰা খাবি বুলি মাতিলেহে মাতিলে কিন্তু ক'ক নাই। ক'কক বিচাৰি বিচাৰি ডাইনিং হলৰ চুকত থকা চকী এখনৰ তলত লুকাই থকা পোৱা গ'ল। মাতি থাকি লাভ নাই বুলি জানি টাটাকে আঠুকাঢ়ি ক'কক চকীৰ তলৰ পৰষ উলিয়াই আনি কোলাত ডাঙি লৈ আনি বিচনাত বহুৱাই দিলেহি। তাৰ পাচত মাকক ঔষধ খুৱাবলৈ মাতিলে। পাকঘৰৰ পৰা মাক আহি ক'কৰ ওচৰত বহিলহি। টাটাকে তৈয়াৰ কৰি থোৱা ঔষধৰ মিশ্ৰণটো মাকৰ হাতত দি ক'কক বিচনাৰ কাষত থিয় কৰাই দিলে। মাকে ক'কৰ মুখ মেলাই এচামুচ ঔষধ ক'কৰ ডিঙিত ঢালি দি ডিঙিৰ তলফালে লাহে লাহে থাপ থাপকৈ মাৰি দিয়াত ক'কয় ঔষধ চামুচ গিলি দিলে। টাটাকে লগে লগে ক'কক বিচনাত উঠাই দি এটুকুৰা পেৰা খাবলৈ দিলে। ক'কই পেৰা খাই মুখৰ তিতা ভাবটো আতৰোৱাৰ লগে লগে টাটাকে পুনৰ ক'কক বিচনাৰ কাষত পাচৰ ভৰিৰ ওপৰত থিয় কৰি দিলে আৰু মাকে আৰু এচামুচ ঔষধ ক'কৰ ডিঙিত ঢালি দিলে। ঔষধ আৰু পেৰা, ঔষধ আৰু পেৰা এনকৈ পাচ বাৰ ঔষধৰ মিশ্ৰণটো শেষ হ'ল। বনুৰ মাকে ঔষধটো খুৱাই পাকঘৰল গ'ল আৰু বনুৰ টাটাক গা পা ধুই ভাত খাবলৈ সাজু হ'ল। লৰালৰিকৈ ভাত খাই শেষ কৰোতেই দ্বিতীয় ঔষধটো খুৱাবৰ সময় হ'ল। টাটাকে ঔষধ সাজু কৰিলে আৰু মাকে আহি ক'কক ঔষধটো খুৱাই দিলে। দুই নম্বৰৰ ঔষধ খুৱাবৰ বাবে এক নম্বৰৰ দহ ভাগৰ এভাগো কষ্ট কৰিব লগা নহ'ল। গোন্ধ আৰু সোৱাদ বেলেগ বাবে ক'কই দুই নম্বৰৰ ঔষধ সহজে আৰু সোনকালে খাই শেষ কৰিলে। দুই নম্বৰ খুৱাই উঠি বনুৰ দেউতাকে লৰালৰিকৈ অফিচলৈ যাত্ৰা কৰিলে। নিজৰ অফিচত কোনো বাধ্যবাধকতা বা ওপৰৱালা নথকা বাবে কোনো চিন্তাৰ কাৰণ

নহ'ল। চাকৰি হোৱা হ'লে হয়তো ক'কক ঔষধ খুৱাবৰ বাবে ইস্তফা দিব লাগিল হয় নতুবা ওপৰৱালা বিষয়াই চাকৰিৰ পৰা বৰ্খাস্ত কৰিলে হয়।

আবেলি অফিচৰ পৰা আহি টাটাকে ক'কক ফুৰাবলৈ বুলি লৈ গ'ল। যাওতে ক'কক বুজাই গ'ল যে ক'ক তই যদি ঔষধ নাখাৱ তেন্তে বেচি দিন বাচি নাথাকিবি। তই কিডনী বিকল হৈ মৰি থাকিবি। গতিকে তই ঔষধ খাওতে বেচি দিগদাৰ নকৰিবি। ক'কয়ো বুজাৰ দৰে মূৰ জোকাৰিলে। ৰাতি ৮ বজাৰ লগে লগে ক'কক তৃতীয়বাৰ ঔষধ খুওৱাৰ সময় হ'ল। টাটাকে এক নম্বৰ ঔষধৰ মিশ্ৰণ প্ৰস্তুত কৰি মাকক ঔষধ খুৱাবলৈ মাতিলে। আগৰ দৰে একে পদ্ধতিৰে ক'কক ঔষধ এচামুচ, পেৰা এটুকুৰা খুৱাই পাচবাৰত ঔষধখিনি ক'কক গিলোৱা হ'ল। ঔষধৰ লগে লগে বনুৰ টাটাকেও বনুৰ মাকৰ বহুতো গালি উদৰস্থ কৰিলে। এদিন দুদিনকৈ ক'কক ঔষধ খুউৱা যুদ্ধখনে দহ দিনত ভৰি দিলে কিন্তু ক'কৰ পেছাবত তেজ যোৱা বন্ধ নহল। এঘাৰ দিনৰ দিনা ক'কক পেছাব কৰাওতে ক'কৰ দেউতাকে লক্ষ্য কৰিলে যে ক'কৰ পেছাবৰ লগত কেতবোৰ মিহি বালি গুৰি নিৰ্গত হৈছে। তাৰ পাচদিনাও ক'কৰ পেছাবত মিহি বালিৰ দৰে গুৰি গুৰি বস্তু ওলাল। বনুৰ টাটাকে বনুৰ মাকক দেখুৱাই দি ক'ল "বুজিছা, ক'কৰ পাথৰবোৰ গুৰি গুৰি হৈ ওলাবলৈ আৰম্ভ কৰিছে। হয়তো কেইদিনমান পাচত তেজ যোৱাটো বন্ধ হৈ পৰিব।" বনুৰ মাকে গুৰি গুৰি বালিবোৰ চাই উত্তৰ দিলে "ময়ো তাকেই ভাবিছো। একেবাৰে সকলো পাথৰ ওলাই গ'লেই ৰক্ষা। ক'কতো ভাল হলেই হয়।" ঔষধ খুউৱা ১৫/১৬ দিন মান হোৱাৰ পাচতে ক'কৰ পেছাবত তেজ যোৱা হঠাতে নোহোৱা হ'ল। ভাল খবৰটো মাকক জনোৱাত মাকে আনন্দতে ক'কক কোচত তুলি লৈ মৰম কৰিলে। লগতে মাকে ফোন কৰি বনুক খবৰটো দিলে। বনুও আনন্দত আত্মহাৰা হ'ল। লাহে লাহে ক'কই নিজে ভালপোৱা বস্তু ভালদৰে খোৱা আৰম্ভ কৰিলে। ক'কক ঔষধ খুউৱা চলি থাকিল আৰু ক'কৰ পেছাবত সৰু সৰু বালিৰ গুৰি যোৱাটো চলি থাকিল। এমাহ যোৱাৰ পাচত বনুৰ টাটাক পুনৰ ৰাজগড় পথৰ হোমিওপেথিক ডাক্টৰৰ ওচৰ পালেগৈ আৰু তেওক সকলো বিবৰি ক'লে। ডাক্টৰে ক'লে জইন মৰি সম্পূৰ্ণ ভাল হবলৈ আৰু এমাহ ঔষধ খুৱালে ভাল হব। ডাক্টৰৰ কথাত সন্মতি জনাই বনুৰ টাটাকে ঔষধ লৈ ঘৰ পালেহি। ঔষধ খুউৱা যুজ খন আৰু এমাহ চলিব বুলি গম পাই বনুৰ মাকৰ খং উঠিল যদিও ক'কৰ বেমাৰ সম্পূৰ্ণ ভাল হবৰ বাবে কষ্ট খিনি কৰিবলৈ সাজু হ'ল। লাহে লাহে ক'কৰ পেছাবত তেজ আৰু বালিৰ চিন মোকাম নোহোৱা হ'ল। দ্বিতীয় জীৱন যুজত জিকি ক'ক সম্পূৰ্ণৰূপে ভাল হ'ল। বনুৰ মাকৰ চেষ্টা আৰু যত্নত ক'ক আকৌ তজবজীয়া হৈ পৰিল আৰু মাকৰ প্ৰতি ক'কৰ ভালপোৱাও অধিক গাঢ় হ'ল। যলৈকে যায় ভডাফোনৰ নেটৱৰ্ক ক'ক পাচে পাচে।

### পঞ্চম অধ্যায়

## হাঁহি ধেমালিৰে ভৰা ক'কৰ জীৱন

ক'ক হতৰ ফ্লেটৰ পাচফালে ব্যৱসায়ী গুপ্তাৰ ডাঙৰ এলেকাত বনোৱা সুন্দৰ ঘৰ। তেওঁলোকৰ পৰিসীমাত আছে কেইবাজোপা দেৱদাৰু, পাইন, আম, নাৰিকল আদি গছ। গছবোৰলৈ সদায় কাউৰী, শালিকা, ঘনচিৰকা, কপৌ, পাৰ আদি চৰাইৰ আগমন ঘটে। মাজে মাজে গছবোৰত আহি ভাটৌ, মইনা শালিকা আদি চৰায়ো পৰেহি। ক'ক হ'ত পঞ্চম মহলাত থাকে বাবে বেলকনীৰ পৰা চৰাইবোৰ বৰ ভালদৰে দেখা যায়। ক'ক হত নতুন ঘৰলৈ অহাৰ পাচতে কাহিলীপুৱাতে তেতি নামৰ এজনী বালিমাহী চৰাই আহি ক'ক শুৱা কোঠাৰ বেলকনীত পৰি চিঞৰা আৰম্ভ কৰিলে। টোপনি ভঙাৰ খঙতে ক'কয়ো তেতিক ভুকি ভুকি খেদিবলৈ চেষ্টা কৰি মাক আৰু টাটাকৰো ধল পুৱাতে টোপনী ভাঙি দিয়া হ'ল। এসপ্তাহমান পাচত তেতি আহি বেলকনিত পৰি চিঞৰিলে তাইৰ লগৰীয়া ৰামুও আহি বেলকনি পায়হি আৰু দুয়ো টেটু ফালি চিঞৰা আৰম্ভ কৰে আৰু লগে লগে ক'কই সিহতক খেদিবৰ বাবে অৰ্নগল ভুকা আৰম্ভ কৰি মাক বাপেকৰ টোপনি ভাঙি দিয়ে। তেতি আৰু ৰামু ইমান টেঙৰ যে দুৱাৰ বন্ধ থাকে বাবে ক'কই ভুকিলেও উৰি নাযায় বৰঞ্চ ক'কৰ খং উঠাবৰ বাবে বেচিকৈ চিঞৰে। লাহে লাহে ৰাতিপুৱা সময়ত অশান্তি বঢ়া বাবে তেতি আৰু ৰামু আহি চিঞৰাৰ লগে লগে বনুৰ টাটাকে গৈ বেলকনিৰ দুৱাৰ খন খুলি দিয়ে আৰু ক'কই বেলকনিলৈ গৈ জপিয়াই ভুকি তেতি আৰু ৰামুক খেদাই দিয়ে। এনেদৰে চাৰি পাচ দিন মান ক'কই খেদোৱাৰ পাচত এদিন পুৱা বনুৰ টাটাকেও তেতিৰ গালৈ সৰু শিলগুটি দলিওৱাত তাৰ পাচদিনাৰ পৰা তেতি আৰু ৰামু নহা হ'ল। বনুৰ মাক আৰু টাটাকে ৰাতিপুৱা শান্তিৰে শুব পৰা হ'ল।

তেতি হতক খেদোৱা এসপ্তাহ মানৰ পাচতে ক'কৰ ৰূমৰ বেলকনিত থকা এচিটোৰ ওপৰত বাহ লবৰ বাবে ৰুমু আৰু জিতু নামৰ শালিকা এহালে কুটা অনা আৰম্ভ কৰিলে। শালিকা হালক কুটা কঢ়িয়াই থকা দেখি ক'ক খঙত জ্বলি পকি উঠি সিহতক দেখিলেই বেলকনিলৈ গৈ ভুকিবলৈ ধৰে। ক'কই অনবৰতে অশান্তি কৰি ভুকি থাকে বাবে এবাৰ খঙতে জিতুয়ে আহি ক'কৰ মূৰত খুটি দি নোম চিঙি লৈ গ'ল। ক'কই ইমানেই ভয় খালে যে দৌৰি গৈ মাকৰ ভৰিৰ তলত সোমালগৈ। শালিকাই ক'কৰ চকু ফুটাই ক'কক কণা কৰিব পাৰে বুলি বনুৰ মাকে ভয় খাই টাটাকক শালিকাৰ বাহটো ভাঙিবলৈ ক'লে। বনুৰ টাটাকে শালিকাৰ আধা বনোৱা বাহটো ভাঙি সকলো কুটা ডাষ্টবিনত পেলাই দিলে। কিন্তু ৰুমু আৰু জিতুও আকোৰগোজ আৰু নাচোৰবান্দা। পাচদিনা পুনৰ কুটা কঢ়িওৱা আৰম্ভ কৰিলে। ক'কই বেলকনিলৈ যাবলৈ ভয় কৰা হ'ল যদিও

ক'কও এৰা ভকত নহয়। ঘৰৰ ভিতৰৰ পৰাই ৰুমু আৰু জিতুক কুটা অনা দেখিলেই ভুকি ভুকি অস্থিৰ হৈ পৰে। টাটাকে অশান্তি পাই গধুলি হ'লে ৰুমু আৰু জিতুৰ বাহ ভাঙি দিয়ে যাতে সিহত বাহ বনোৱা এৰি আন ঠাইলৈ গুচি যায়। কিন্তু সিহতে ৰাতি বাহটো ভাঙি দিলেও পুৱা পুনৰ নতুনকৈ বনোৱা আৰম্ভ কৰে। এইদৰে প্ৰায় দহ দিন মান ভঙা আৰু বনোৱাৰ খেল চলিল। অবশেষত বনুৰ দেউতাক আৰু ক'কৰ যুটীয়া প্ৰচেষ্টাত হাৰ মানি ৰুমু আৰু জিতুয়ে বাহ বনাবৰ বাবে আন ঠাইলৈ গুচি গ'ল। কিন্তু মাজে সময়ে সুবিধা বুজি ক'কৰ ওপৰত প্ৰতিশোধ লবৰ বাবে বেলকনিলৈ আহি ক'কৰ খং উঠাই কাজিয়া কৰি বনুৰ টাটাকক আমোদ দি যোৱা হ'ল। ক'ক আৰু ৰুমু-জিতুৰ যুজ খন কেইবামাহো চলি থকিল।

ক'ক আৰু টাটাকে মিলি  ৰুমু আৰু জিতু নামৰ শালিকা হালক খেদোৱাৰ কিছুদিন পাচত সোণপাহি আৰু সোণেশ্বৰ নামৰ কপৌ এহালৰ এচিৰ ওপৰৰ ঠাই টুকুৰাত চকু পৰিল। দুদিনমান এনেয়ে বেলকনিলৈ অহাযোৱা কৰাৰ পাচত সোণপাহি আৰু সোণেশ্বৰে এচিৰ ওপৰত বাহ বনাবলৈ কুটা কঢ়িওৱা আৰম্ভ কৰিলে। আছৰিত ভাবে ক'ক কপৌহালৰ ওপৰত সদয় হ'ল। সিহতে বাহ বনাবলৈ কুটা কঢ়িওৱা দেখিও ক'কই ভুকা ভুকি নকৰিলে। এদিন দুদিনকৈ কুটা কঢ়িয়াই এসপ্তাহ মানৰ ভিতৰত সোণপাহি আৰু সোণেশ্বৰৰ বাহ বনোৱা সম্পূৰ্ণ হ'ল আৰু সিহতে এচিৰ ওপৰত স্থায়ীভাবে দিনে ৰাতিয়ে থকা আৰম্ভ কৰিলে। বনুৰ টাটাকৰ চিন্তা হ'ল কপৌহালে যদি পোৱালী জগাই তেন্ত গৰমত এচি চলোৱা অসুবিধা হব আৰু এচিৰ মেচিনৰ ফেনত লাগি পোৱালী মৰিবও পাৰে। তথাপি নিমাখিত আৰু শান্ত কপৌ হালক যিহেতু ক'কয়ো আশ্ৰয় দিছে গতিকে টাটাকে কপৌৰ বাহটো নভঙাৰ সিদ্ধান্ত ললে। কেইদিনমান যোৱাৰ পাচত এদিন পুৱা ৰুমু আৰু জিতু কৰবাৰ পৰা আহি বেলকনিত পৰিলহি। সিহতৰ পচন্দৰ ঠাইত সোণপাহি আৰু সোণেশ্বৰে বাহ বনোৱা দেখি ৰুমু আৰু জিতু খঙত জ্বলি পকি উঠিল আৰু বাক বিদন্দা আৰম্ভ হ'ল। অলপ পাচতে কাজিয়াই ভয়ংকৰ ৰূপ ললে আৰু ৰুমু-জিতুয়ে সোণপাহি-সোণেশ্বৰক শাৰীৰিক ভাব আঘাট কৰি সিহতৰ বাহ ভঙাত লাগিল। চিঞৰ বাখৰ শুনি ক'ক বেলকনিলৈ ওলাই গৈ ৰুমু আৰু জিতুক দেখি জপিয়াই জপিয়াই ভুকিবলৈ ধৰিলে। ক'ক আৰু শালিকা কপৌৰ হুলস্থুল শুনি বনুৰ টাটাক হাতত ঝাৰু এডাল লৈ বেলকনি পালেগৈ। হাতত ঝাৰু সহ বনুৰ টাটাকক দেখি জিতু আৰু ৰুমু উৰামাৰি গৈ ওচৰৰ নাৰিকল গছ এজোপাত পৰিল। টাটাকৰ হাতত ঝাৰু দেখি সোণপাহি আৰু সোণেশ্বৰো কোনোবাফালে উৰি গুচি গ'ল। টাটাকে ভাবিলে কপৌহাল যদি ঘূৰি নাহে ৰাতি সিহতৰ বাহটো ভাঙি পেলাব লাগিব। নহলে ৰুমু আৰু জিতুয়ে পুনৰ বাহ বনাবৰ বানে ধান্দা কৰিব পাৰে। ৰুমু-জিতু আৰু সোণপাহি-সোণেশ্বৰ সকলো যোৱাৰ পাচতো বহু দেৰীলৈ ক'কই ভূকি আৰু গোৰগোৰাই

থাকিল। ক'কলৈ চাই টাটাকে ক'লে "ক'ক হব আৰু তই মনে মনে থাক। ৰাতিকৈ মই চৰাই বাহটো ভাঙি বাহ সাজিব নোৱাৰাকৈ তাত নেট লগাই দিম।" টাটাকৰ কথাত ক'ক শান্ত হৈ নিজৰ বিচনাত শুই পৰিল।আৰু টাটাকো নিজৰ কামত লাগিল। গধুলি সময়ত টুল এখনত উঠি এচিৰ ওপৰৰ চৰাইৰ বাহটো ভাঙিবলৈ গৈ টাটাকে দেখিলে সোণপাহী আৰু সোণেশ্বৰ সুন্দৰকৈ বাহত বহি আছে। নিমাখিত কপৌহালক টাটাকৰ খেদাবৰ সৎ নহল আৰু বাহ ভঙা পৰিকল্পনা ত্যাগ কৰিলে। ক'কক আৰু মাকক আহি  কথাটো কোৱাত দুয়ো সন্মতি জনালে।

বনুৰ মাকে সোণপাহি আৰু সোণেশ্বৰ নামৰ কপৌ যোৰাক মাজে সময়ে খাবৰ বাবে চাউল দিয়া আৰম্ভ কৰিলে। কপৌ যোৰাক খাবলৈ চাউল দিয়াৰ পাচদিনাৰ পাচৰ পৰা বেলকনিত চাউল খাবলৈ কেটেঙা, টিকটিক, চিকুনি, কেচকেচি আৰু চটফটী নামৰ ঘনচিৰিকা কেইটামানৰ আগমন আৰম্ভ হ'ল। কপৌ হালক দিয়া চাউল ভাগ সিহতকো লগা হ'ল। ক'কই কিন্তু ঘনচিৰিকা কেইটাই সোণপাহি হতৰ চাউল খোৱাটো অলপো ভাল নাপালে। সেয়ে সোণপাহী আৰু সোণেশ্বৰ চাউল খাই কৰবালৈ উৰি গলেই  ক'কই চাউলৰ পহৰা দিয়া আৰম্ভ কৰিলে। ঘনচিৰিকা আহিলেই ক'কই সিহতক খেদোৱাটো ক'কৰ প্ৰধান কাম হৈ পৰিল। ঘনচিৰিকা কেইটাৰ মাজত আকৌ কেটেঙা আছিল অতিশয় টেঙৰ। কেটেঙাই ক'ক বেলকনিৰ পৰা আন কোনোবা কোঠালৈ গ'লেই মনে মনে আহি চাউল খোৱাত লাগে। অলপ পাচত যেতিয়া কেটেঙাক বিচাৰি আহি টিকটিক, চিকুনি, কেচকেচি আৰু চটফটী আহি চাউল খোৱাত লাগে, সিহতৰ শব্দ শুনি ক'ক দৌৰি আহি সকলোকে খেদাই দিয়ে আৰু চাউলত পহৰা দি ৰৈ থাকে। ক'ক আৰু ঘনচিৰিকাৰ কাজিয়া কেতিয়াবা পুৱাই আৰম্ভ হয়, যেতিয়া কেটেঙাই মাক শোৱা ৰুমৰ কাষৰ খিৰিকিৰ চাজাৰ পৰা চিকচিক কৰি বনুৰ মাকক চাউল খোজা আৰম্ভ কৰে। গোটেই ঘনচিৰিকাবোৰৰ ভিতৰত কেটেঙা সকলোতকৈ খকুৱা আৰু চালাক। সেয়ে কেটেঙাই বনুৰ মাকে চাউল দিলে প্ৰথমে নিজৰ পেটত অলপ চাউল সুমোৱাই লয় আৰু তাৰ পাচতহে বাকী কেইটাক খবৰ দিয়ে। ক'কই কথাটো লক্ষ্যকৰি কেটেঙাক একেবাৰ দেখিব নোৱাৰে। এনেয়ো ঘৰৰ চাউল বনৰীয়া ঘনচিৰিকাক খুউৱাত ক'কৰ দুৰ্ঘোৰ আপত্তি আৰু নিজৰ কামৰ দ্বাৰা মাকক বহুবাৰ বুজাই দিছিল। ক'কৰ আপত্তি আৰু ভুকি কৰা অশান্তিৰ বাবে বনুৰ দেউতাকে সোণপাহী আৰু সোণেশ্বৰক খুৱাবৰ বাবে চাৰি কেজি ঘেহু আনি দিলে। কেটেঙাহতে ঘেহু খাই ভাল নাপায় যদিও কপৌ যোৰাই কিন্তু ঘেহু খাই ভাল পায়। গতিকে ক'কৰ ৰুমৰ বেলকনি, যত সোণপাহী হতৰ বাহ আছে তাত বনুৰ মাকে চাউল দিয়া বন্ধ কৰিলে। আনফালে থকা বেলকনি এখনত ৰাতিয়েই মনে মনে চাউল দি থোৱা হ'ল যাতে ক'কই গম নাপায় আৰু কেটেঙা, চটফটী, চিকুনি হতে ৰাতিপুৱাই আহি কিচকিচাই অশান্তি নকৰে আৰু ক'কয়ো পুৱাই

অযথা ভুকি চিঞৰি বাখৰি নাথাকে। আনখন বেলিকনিত ঘনচিৰিকাক চাউল দিয়া দেখি ওচৰৰ গুপ্তাৰ ঘৰৰ পাইন গছত বাহলোৱা দুহাল কাউৰী বুলবুলি-হলৌ আৰু ৰিনী-ৰাজা হতৰ চকু পৰিল। বেলিনিত চাউলৰ লগে আন কিবা খোৱা বস্তুও দিয়ে নেকি সিহতে প্ৰায়ে অনুসন্ধান কৰিব অহা হ'ল আৰু বেলকনিৰ ৰেলিঙত বহি কা কা কৰি চিঞৰি বনুৰ মাকক খোৱা বস্তু খোজা হ'ল। বনুৰ মাকেও কাউৰী কেইটালৈ দুখ লাগি বেলবনিৰ ৰেলিঙত সিহতক ব্ৰেডৰ টুকুৰা, ৰুটি, বিস্কুট আদি দিয়া আৰম্ভ কৰিলে। কিন্তু কাউৰীৰ কা কা শুনিলেই সিহতক খেদাবলৈ ক'ক আনখন বেলিকনিলৈ গৈ ভুকি ভুকি চিঞৰি বাখৰি পাগলৰ দৰে হোৱা হ'ল। ঘনচিৰিকাক মনে মনে চাউল দিয়া আৰু কাউৰীক বিস্কুট ব্ৰেড খুউৱা ক'কৰ বাবে অসহ্য কথা। বহুবাৰ মাকে বেলকনিৰ ৰেলিঙত বিস্কুত দিয়া দেখিলে ক'কই মাককো ধমধমাই গালি পাৰা হ'ল। ক'কই মাংসৰ তেল নাখায় বাবে তেলবোৰ কাউৰীক মনে মনে খাবলৈ দিয়াত কাউৰী কেইটা সঘনাই বেলকনিলৈ অহাযোৱা কৰা হ'ল। কাউৰী আহিলে ঘনচিৰিকা কেইটা উৰিযায় আৰু গুচি যোৱাৰ পাচত আকৌ আহি চাউল খাইহি। কাউৰী আহিলে ক'কৰ ভুক ভুকনি লম্ফ জম্প আৰম্ভ হয়। কিন্তু কাউৰী কেইটাই ক'কক অকনো গুৰুত্ব বা পাত্তাই নিদিয়ে। এই সকলোবোৰৰ মাজতে সোণপাহী আৰু সোণেশ্বৰে ক'কৰ ৰূমৰ বেলকনিত সুন্দৰকৈ শান্তিৰে ঘেহু খাই নোদোকা হৈ প্ৰেম পিৰিতি কৰি থাকিল আৰু সোণপাহীয়ে বাহত কণী পাৰি উমনি দিয়া আৰম্ভ কৰিলে। কাউৰী, ঘনচিৰিকাবোৰে বেলকনিত হাগি হাগি লেতেৰা কৰা আৰু ক'কৰ চিঞৰ বাখৰ আৰু অশান্তি দেখি বনুৰ মাকে ভাবিলে কাউৰী আৰু ঘনচিৰিকাক খোৱা বস্তু দিয়া বন্ধ কৰিব লাগিব।

বনুৰ মাকে ভবা মতে ঘনচিৰিকাক চাউল আৰু কাউৰীক ব্ৰেড, বিস্কুট, মাংস দিয়া বন্ধ কৰিলে। কিন্তু দিনটোত কেইবাবাৰো কেটেঙা আৰু চটফটী আহি বনুৰ মাকক দেখা দি থাকি চিকচিক কৰি থাকিলহি আৰু লগতে গোটেইকেইটা ঘনচিৰিকাই মনে মনে আহি সোণপাহী আৰু সোণেশ্বৰক দিয়া ঘেহুৰ মাজত চাউল পাতি কিবা খাবলৈ পায় নেকি বিচৰাত লাগিল। ক'কই শব্দ শুনিলেই সিহতক দৌৰি গৈ ভুকি খেদাই দিলে উৰি যায় আৰু সুবিধা বুজি মনে মনে আকৌ আহে। ইফালে বুলবুলি আৰু হলৌ নামৰ কাউৰী যোৰায়ো আহি বেলকনিত পৰি কা কা কৰি অশান্তি কৰি থাকিল। ঘনচিৰিকা আৰু কাউৰীৰ কাণ্ড কাৰখানা দেখি বনুৰ মাকৰ মনত দুখ লাগিল আৰু দুদিন বিৰতিৰ পাচত বনুৰ মাকে ঘনচিৰিকা আৰু কাউৰীক খোৱা বস্তু দিয়া আৰম্ভ কৰিলে।

বনুৰ দেউতাকে সদায় অফিচ পৰা আহি ক'কক ফুৰাবলৈ পঞ্চম মহলাৰ পৰা তললৈ লৈ যায়। ককই ফ্লেটৰ গেটৰ পৰা গাড়ী-মটৰ, চাইকেল, ৰিক্সা আদি চাই আধা ঘণ্টা মান তলত কটাই

পুনৰ ওপৰলৈ ঘূৰি আহে। টিলিঙা, জুনুকা বজাই অহা ঘোৰাগাড়ী দেখিলে ক'কই পাচে অত্যন্ত ভুকে। নতুন ফ্লেটলৈ অহাৰ পাচত প্ৰথমে ক'কই পদপথটো ফুৰিবলৈ পাইছিল যদিও ৰাস্তাৰ পৰা গাত চিকৰা লাগি অহাত আৰু দুবাৰকৈ বেবেচিয়া হৈ কোনোমতে জীৱনটো বচাৰ পাচত ক'কৰ গেটৰ বাহিৰ হোৱাৰ ওপৰত বনুয়ে কঠোৰ বাধানিষেধ আৰোপ কৰিলে। কেবল মাত্ৰ গাড়ীত উঠিহে ক'কক ঘৰৰ বাহিৰলৈ যাব পাৰে। ক'কই গেটত থিয়হৈ ৰাস্তাৰ গাড়ী মটৰ চাই থাকো এদিন পদ পথেৰে কলী কুকুৰ এজনী আহি ক'কক দেখি থৰ হৈ ৰৈ গ'ল। ক'কই অত্যন্ত্য ভুকাৰ পাচতো তাই পাচে ভুক এটাও নামাৰিলে। বৰঞ্চ অবাক হৈ ক'কলৈ চাইহে থাকিল আৰু আতৰি গ'ল। অলপ পাচত তাই নিজৰ ৰঙা ৰঙৰ চেঙেলীয়া পুতেকটোক লগত লৈ আহিল আৰু তাকো ক'কক দেখুৱালে। বনুৰ টাটাকে ঘৰলৈ ঘূৰি গৈ কথাটো বনুৰ মাকক কলেগৈ। কুকুৰ প্ৰেমী বনুৰ মাকে পাচদিনা ক'কক ফুৰাবলৈ ফ্লেটৰ তললৈ যাওতে তেৱো লগত যাম বুলি ক'লে। পাচদিনা ক'কক ফুৰাবলৈ নিওতে বনুৰ টাটাক আৰু ক'কৰ লগত বনুৰ মাকো ব্ৰিটেনিয়া ঠিন এৰাৰুট বিস্কুত এপেকেটত লৈ ফ্লেটৰ গেট পালেগৈ। ক'কক চাবৰ বাবে অলপ পাচত কুকুৰ জনী আৰু কুকুৰটো আহি কিছু গেটৰ পৰা কিছু দূৰত থিয় হৈ ক'কক চোৱাত লাগিল। বনুৰ মাকে আগবাঢ়ি গৈ সিহতক দুটা দুটাকৈ বিস্কুট খাবলৈ দিলে। সিহতক বিস্কুত দিয়া দেখি ক'ক খঙত জ্বলি পকি উঠি জপিয়াই জপিয়াই ভুকিবলৈ আৰম্ভ কৰিলে। কুকুৰ দুটাই পাচে ওলোটাই ক'কক এবাৰো নুভুকিলে। বনুৰ মাকে দিয়া ঠিন এৰাৰুট বিস্কুট দুটা পাচে শুঙি শুঙি সিহতে নাখালে আৰু বনুৰ মাকৰ মুখলৈ ঘোপাকৈ চাই বুজাই দিলে যে হব পাৰো আমি ৰাস্তাৰ ভতুৱা কুকুৰ কিন্তু আমি ঠিন বিস্কুট নাখাও। বনুৰ মাকে বনুৰ টাটাকৰ ওচৰলৈ আহি কলে, চোৱা ইহতে ঠিন বিস্কুত নাখায়। মোক বিশ টকা এটা দিয়াচোন, মই সিহতৰ বাবে গুড দে ককনাট বিস্কুট দুপেকেট কিনি আনো। এই বুলি বনুৰ মাকে বনুৰ টাটাকৰ পৰা নগদ ৰূপ একুৰি লৈ ওচৰৰ ক্ৰচৰড মাৰ্ট নামৰ ডিপাৰ্টমেণ্টেল ষ্টৰ খনৰ পৰা দুপেকেট গুড দে বিস্কুট কিনি আনি কুকুৰ দুটাক খাবলৈ দিলে। এইবাৰ কুকুৰ দুটাই কপাকপ বিস্কুট খোৱাত লাগিল আৰু লগে লগে ক'কয়ো ভুকি ভুকি তালফাল লগালে। বনুৰ মাকে ক'কক ধমক দিলে যদিও ক'ক অকনো চুপ নহল। গুড দে বিস্কুট খাই কুকুৰ দুটা আনন্দ মনেৰে আতৰি গ'ল। বনুৰ টাটাকে ক'লা কুকুৰ জনীৰ নাম কলী আৰু ৰঙাটোৰ নাম লালু দিলে। সেই দিনাৰ পৰা কলী আৰু লালু নতুন ফ্লেটত ক'কৰ জীৱনৰ এটা অংশৰ দৰে হৈ পৰিল। ক'কৰ মাকে আবেলি সময়ত কলী আৰু লালুক প্ৰায়ে বিস্কুট খাবলৈ দিয়া হ'ল আৰু সিহতক ভুকি ভুকি খেদাই ক'কই নিজৰ গলা ফলাৰ লগতে বীৰত্ব জাহিৰ কৰা হ'ল। লাহে লাহে কলী আৰু লালু বনুৰ টাটাকে তললৈ ক'ক ফুৰাবলৈ নিয়াৰ আগতেই ফ্লেটৰ গেটৰ সন্মুখত বহি থকা হ'ল। ককৰো গধুলি ফুৰিবলৈ গৈ

সিহতক ভুকিবলৈ নাপালে গা মন ভাল নলগা হ'ল। যি দিনা ক'কৰ মাক ক'ক হতৰ লগত বিস্কুট খুৱাবলৈ নাযায়, ক'কই ভুকিলে কলী আৰু লালু সোণকালে আতৰি গুচি যায়। কিন্তু বনুৰ মাক লগত থাকিলে ক'কই ভুকি তালফাল লগালেও বিস্কুট নিদিয়ালৈকে কলী আৰু লালু আতৰি নাযায়।

বনু হতৰ ফ্লেটৰ ওচৰতে থকা ভাৰতীয় ষ্টেট বেংকৰ কাষত এটা চাৰিজনীয়া কুকুৰৰ দল আছিল। কুকুৰৰ দলটোৰ দলপতি আছিল এটা মুগা বৰণৰ নিপোটল আৰু সাহসী কুকুৰ। বনুৰ মাকে যে প্ৰায়েই কলী আৰু লালুক বিস্কুট খুৱাই সি কথাটো লক্ষ্য কৰিলে। এদিন বনুৰ মাকে কলী হতক বিস্কুট খুৱাই থাকোতে সি কপকপকৈ আগুৱাই আহিল। তাক দেখি কলী আৰু লালু আতৰি গৈ ৰাস্তাৰ কাষত ৰখাই থোৱা গাড়ী এখনৰ তলত সোমালগৈ। কুকুৰ প্ৰেমী বনুৰ মাকে মৰমতে তাক কলে, তই এই খিনিতে ৰৈ থাক , মই তোৰ কাৰণে ক্ৰচৰড মাৰ্টৰ পৰা বিস্কুট কিনি আনো। এই বুলি বনুৰ মাকে ততাতয়াকৈ বিস্কুট এপেকেট কিনি আনি তাক দিবলৈ আৰম্ভ কৰিলে। আকৌ এটা নতুন কুকুৰক বিস্কুট খুউৱা দেখি খঙত জ্বলি পকি ক'কই জপিয়াই জপিয়াই ভুকি থাকিল। কুকুৰটোৱে পাচে এবাৰো ওলোটাই নুভুকিলে আৰু আনন্দ মনেৰে বিস্কুত খাই থাকিল। এপেকেট বিস্কুট খাই শেষ কৰি পুনৰ বনুৰ মাকৰ মুখলৈ চালে। বনুৰ মাকে তালৈ চাই কলে, আজি আৰু নাপাৱ। কাইলৈ আহিবিম বনুৰ মাকৰ কথা শুনি সি ভুকি থকা ক'কলৈ কেৰাহিকৈ চালে আৰু গুৰু গম্ভীৰ খোজেৰে আতৰি গ'লগৈ। কুকুৰটোৰ খোজ কাটল আৰু চেহেৰা দেখি বনুৰ দেউতাকে তাৰ নাম দিলে গুণ্ডা আৰু তেতিয়াৰ পৰা বনু হতৰ ঘৰৰ সকলোৱে তাক গুণ্ডা নামেৰেই মতা হ'ল। ক'কয়ো তাৰ নাম গুণ্ডা বুলিয়েই মনত ৰাখি ললে। কলী আৰু লালুৰ দৰে গুণ্ডা পাচে সদায় বিস্কুটৰ বাবে ফ্লেটৰ সন্মুখত বহি নাথাকে। মাজে সময়ে হঠাৎহে আহে আৰু বনুৰ মাকে তাক তেতিয়া বিস্কুট কিনি আনি খাবলৈ দিয়ে। বনুৰ মাকৰ লগতে গুণ্ডাই ভালদৰে বনুৰ টাটাক আৰু ক'কক চিনি পোৱা হ'ল। বনুৰ মাকৰ লগত গুণ্ডা ক্ৰচৰড মাৰ্টত বিস্কুট কিনিবলৈ গৈ দোকানৰ সন্মুখত বহি বিস্কুট অনালৈ অপেক্ষা কৰা হ'ল। ক'লী আৰু লালুত কৈ গুণ্ডা বনুৰ মাকৰ বেচি বন্ধু হ'ল। কলী আৰু লালুয়ে ক'কলৈ ভয় কৰে যদিও গুণ্ডাই ক'কক সৰু পোৱালীৰ দৰেহে চাই আৰু ভুকি থাকিলেও কেৰেপ নকৰে। নতুন ফ্লেটত কলী, লালু আৰু গুণ্ডা এই তিনিটা কুকুৰ ক'কৰ ভাল লগ হ'ল। ক'কই যদিও কলী আৰু লালুক দেখিলেই ভুকি ভুকি অস্থিৰ হয় দুদিন মান কলী আৰু লালু নাহিলে গেটৰ পৰা বাৰে বাৰে জুমি চাই। সিহতক ভুকিবলৈ নাপালে ক'কৰো মনটো বেয়া লাগে। ফ্লেটৰ তলত বেচি সময় নুফুৰি নিজৰ ঘৰলৈ সোনকালে টাটাকক টানি লৈ যায়।

সময় বাগৰাৰ লগে লগে ক'কই অসমীয়া ভাষাত অধিক বুৎপত্তি অৰ্জন কৰিলে। দিনে দিনে ক'ক অতিশয় আলহী প্ৰিয় হৈ পৰিল। ঘৰলৈ আলহী আহিলে ক'ক স্ফূৰ্তিত কব নোৱাৰা হৈ পৰে। আলহী আহিলে ক'কই আনকি বনুৰ মাকলৈও ভয় নকৰা হয়। আলহীৰ গাতে গা লগাই বহিবলৈ লাগে। যি সকল আলহীয়ে কুকুৰ বেয়া পাই বা কুকুৰলৈ ভয় কৰে তেনে আলহীৰ প্ৰতি ক'কৰ অতিকে অনীহা। আলহী আহিলে ক'কই ভালপোৱাৰ আন এটা কাৰণ হ'ল আলহীৰ লগতে কাজু বৰ্ফি বা পেৰা খাবলৈ পোৱাৰ সম্ভাবনা থাকে। এদিন ঘৰলৈ আলহী আহোতে ক'কই আলহীক দিগদাৰ কৰি থকা দেখি টাটাকে এনেয়ে আলহীৰ আগত ধেমালি কৰি কলে, আমাৰ ক'কটো বৰ দুষ্ট কুকুৰ। লগে লগে  ক'কই টাটাকৰ ওচৰলৈ দৌৰি আহি ভুকি ভুকি টাটাকক ইমান গালি পাৰিলে যে আলহী হাঁহিত থাকিব নোৱাৰা হ'ল। ক'কৰ কথা হ'ল মোক আলহীৰ আগত দুষ্ট বুলি কিয় লাজ দিলি। আলহীয়ে খুউব হহাঁ দেখি ক'কৰ এইবাৰ আলহীৰ ওপৰত খং উঠিল আৰু ভুকি ভুকি আলহীক গালি দিলে, এইটো কিবা হাঁহিব লগা কথা নেকি। আলহী গুচি গ'লে ক'কই বৰ বেয়া পাই। সেয়ে আলহী যোৱাৰ সময়ত লিফ্টৰ ওচৰলৈ গৈয়ো ভুকি ভুকি বেয়া পোৱাটো বুজাই দিয়ে। সেইবুলি ক'কই শোৱাৰ সময় হোৱাৰ পাচত আলহী থকাটো অলপো পচন্দ নকৰে। সাধাৰণতে ক'ক সদায় নিশা এঘাৰ বজাত শুই যায় আৰু পুৱা ৬/৭ বজাত শুই উঠে। এদিন বনু হতৰ ঘৰলৈ নিশা ভাত খোৱাকৈ আলহী আহিল আৰু ভাত খাই উঠি কথা পাতোতে পাতোতে নিশা চাৰে এঘাৰ মান বাজিল। ক'কই আলহী নোযোৱা দেখি উচপিচ লগাবলৈ ধৰিলে । এটা সময়ত যেতিয়া নিশা বাৰ বাজিবৰ হ'ল ক'কই আলহীৰ ওচৰলৈ গৈ ভুকি ভুকি দুৱাৰৰ ওচৰলৈ অহাযোৱা আৰম্ভ কৰিলে। ক'কৰ কথা হ'ল ইমান ৰাতিলৈকে আনৰ ঘৰত আলহী থাকে নেকি। বনুৰ মাক, টাটাক আৰু আলহীয়ে ক'ককৰ কাণ্ডত হাঁহি ৰাখিব নোৱাৰা হ'ল। আলহীয়েও যাও দেই ক'ক বুলি বাহিৰ ওলাল আৰু ক'ককই আলহীক লিফ্টৰ ওচৰলৈকে খেদি থৈ আহিহে মনে মনে থাকিল। কেতিয়াবা যদি আলহীয়ে চাহ নোখোৱাকৈ যায় ক'কই অত্যন্ত বেয়া পাই আৰু ওলাই যাওতে গালি পাৰি নিজৰ মনৰ কথা ব্যক্ত কৰে। আলহী প্ৰিয় ক'কৰ বাবেই বনুৰ টাটাকেও ঘৰলৈ আলহী আহিলে ক'কৰ কাণ্ড চাবলৈ বৰ ভাল পায়।

ঘৰত অকলে থাকিলে বনুৰ মাকে ইউ টিউবত বিভিন্ন গান লগাই থয় বাবে গান শুনি শুনি ক'কই গান খুউব ভালপোৱা হ'ল। বনুৰ মাকে মাজে সময়ে অকলে অকলে গুণ গুণাই গান গালে ক'কই শুনি শুনি মাকৰ ওচৰে পাজৰে ঘূৰি ফুৰে। এদিন চোফাত বহি পেপাৰ পঢ়াৰ সময়ত বনুৰ টাটাকে এনেয়ে ভূপেন হাজৰিকাৰ গান এটা গাবলৈহে পালে ক'ক গুলিৰ দৰে আহি ভুক ভুকাই টাটাকৰ গানগোৱা বন্ধ কৰাই দিলে। ক'ক আতৰি যোৱাত টাটাকে আকৌ যেই গানটো গাবলৈ ললে ক'ক আকৌ দৌৰি আহি ভুকি ভুকি গান গোৱা বন্ধ কৰালে।বোধহয়

বনুৰ টাটাকৰ গানবোৰ ক'কই বেসুৰা বুলি ভাবে। সেই দিনাৰ পাচৰ পৰা যেতিয়াই বনুৰ টাটাকে গান গায় ক'ক দৌৰি আহি ভুকি গান বন্ধ কৰাই। আনকি বাথৰূমৰ ভিতৰত গান গালেও দুৱাৰত ঢকিয়াই ভুকি হুলস্থুল কৰে। আচৰিত কথা এয়ে যে মাকে গান গালে অকনো আপত্তি নকৰে। ক'কৰ ভয়ত টাটাকে গান গাবলৈ একেবাৰে এৰি দিলে। সৰু লৰা ছোৱালীৰ দৰে মাকৰ প্ৰতি ক'কৰ মৰম ভালপোৱা অত্যাধিক। বনুৰ টাটাকে যদি ধেমালিতেও মাকলৈ হাত এখন টোৱাই দেখুৱাই ক'কই ভুকি ভুকি খেদি আহে কিন্তু মাকে যদি হাতেৰে মাৰিও দেখুৱাই ক'ক উদাসীন হৈ বহি থাকে।

ক'কক বেজী দিয়াবলৈ নিওতে পেট এগু ভেটৰ কাকতীয়ে এদিন ক'লে "ক'ক এতিয়া গাভৰু যেতিয়া তাইক এবাৰ পোৱালী জগাবলৈ দিয়ক। মই ডাঙৰ কৰি আপোনাক আধা দিম মই আধা লম।" বনুৰ টাটাকে কলে "ভাল কথা, পাচে সকলো ক'কৰ ওপৰত নিৰ্ভৰ কৰিব আৰু আমি ক'কই যদি প্ৰাকৃতিক মিলন বিচাৰে তেতিয়াহে ক'কক পোৱালি জগাবলৈ দিম। নহলে আমাক ক'কৰ পোৱালী নালাগে। আমি পোৱালী বেচিবও নোৱাৰো আৰু পোৱালী আনক দি দিয়াৰ পাচত ক'কই মন মাৰি থাকিলে সহ্য কৰিব নোৱাৰিম।" এদিন ক'কৰ স্বাস্থ্য পৰীক্ষাৰ বাবে টাটাকে ক'কক খানাপাৰালৈ নিওতে আন এজন মানুহে তেওলোকৰ মতা পাগ এটা অনা দেখিলে। কাকতিৰ কথাটো বনুৰ টাটাকৰ মনত পৰিল আৰু মতা পাগটোৰ গৰাকীৰ আগত কথাটো ক'লে। মতা পাগটোৰ গৰাকীয়ে ক'লে দুয়োটাকে ওচৰ চপাই দি চাওক আৰু আপোনাৰ ক'কই কি ব্যৱহাৰ দেখুৱাই প্ৰথমে চাই লওক। ক'কক টাটাকে টেবুলৰ ওপৰৰ পৰা নমাই মতা পাগটোৰ ওচৰলৈ নিবলৈহে পালে, ক'কই ভুকি ভুকি তালৈ চোচা ললে। মতা পাগটোৱে ক'কৰ ৰণচণ্ডী মূৰ্ত্তী দেখি ভয় খাই বেক গিয়েৰ লগাই পিচুৱাই গ'ল আৰু ক'কই ভূকি ভুকি আগুৱাই গ'ল। এবাৰ ক'কই তালৈ এনেকৈ চোচা ললে যে ভয়ত মতা পাগটো গৈ গৃহস্থৰ ভৰিৰ তলত সোমাই কপিবলৈ ধৰিলে। ক'কৰ কাণ্ড দেখি ক'কৰ দেউতাকে মতা পাগটোৰ গৃহস্থলৈ চাই হাঁহি মাৰি ক'কক আতৰাই টানি আনিলে আৰু ক'কক লৈ ঘৰ পালেগৈ। ক'কৰ পোৱালী জগোৱা চিন্তাৰো সিমানতে ইতি পৰিল।

দিন বাগৰাৰ লগে লগে ক'কৰ কাম কাজ ব্যৱহাৰ পাতি মাানুহৰ দৰে অধিক গাঢ় হবলৈ ধৰিলে। ক'কয়ো নিজকে কুকুৰতকৈ মানুহ বুলিহে ভাবিবলৈ ধৰিলে। বনুৰ মাক আৰু টাটাকৰ লগত ক'ক যেতিয়া ফুৰিবলৈ কোনো মিতিৰ কুটুমৰ ঘৰলৈ যায়, ক'কই পকাত বহিবলৈ দিলে নবহে। মাক টাটাকৰ লগত সমানে শাৰী পূৰাই চোফাত বহিবলৈ লাগে। সেয়ে বনুৰ মাকে কৰবাত ক'ককলৈ ফুৰিবলৈ গ'লে ক'কৰ বাবে এখন টাৱেল বা বিচনা চাদৰ লৈ ফুৰে। চোফাত মাক টাটাকৰ মাজত সেইখন পাৰি দিব লাগে আৰু ক'ক তাত বহি থাকে আৰু দিগদাৰ

নকৰাকৈ কথাৰ ভাগ লয়। চোফাত বহিবলৈ নিদিলে ক'কই দিগদাৰি কৰি থাকে। ক'কৰ কথা হ'ল মই আলহী, গতিকে মই কিয় পকাত বহিম। আমাৰ ঘৰলৈ গ'লে আমি কোনো আলহীকে পকাত নবহাও। কুকুৰ বেয়া পোৱা মানুহৰ ঘৰলৈ সেয়ে ক'কক কাহানিও মাক -টাটাকে লগত নিনিয়ে।

বনুৰ মাকৰ এটা অভ্যাস আছিল যে বান্ধবীৰ লগত মবাইলত কথা পাতিলে সময় পাহৰি যায়। কেতিয়াবা এঘণ্টা, কেতিয়াবা ডেৰঘণ্টা, কেতিয়াবা দুঘণ্টা বা তাতোকৈয়ো বেচি। বনুৰ মাকে ফোনত কাৰোবাৰ লগত ৩০/৪০ মিনিটমান কথা পতাৰ পাচতে ক'কৰ উচপিচ আৰম্ভ হয়ণ এবাৰ মাকৰ ওচৰলৈ যায় এবাৰ টাটাকৰ ওচলৈ যায় আৰু মুখেৰে গোৰ গোৰাই থাকে। এঘণ্টা মান হলেই দূৰৰ পৰা মাকলৈ চাই ভুকা আৰম্ভ কৰে। লগৰ বান্ধবীৰ লগত কথা পতাত অশান্তি কৰা বাবে যেতিয়া মাকে ধমধমনি দিয়ে তেতিয়া ক'কই গৈ টাটাকক ভুকা আৰম্ভ কৰে টাটাকক কয়, মাক ফোন থবলৈ কোৱা। নহলে ব্ৰেইনত টিউমাৰ হব। তেতিয়া তুমিহে হস্পিতালত বোন্দাপৰ দিব লাগিব। ক'কৰ উৎপাতত টাটাকেও এসময়ত ইংগিতেৰে মাকক ফোন থবলৈ কয়। ফোন থোৱাৰ পাচত মাকে ক'কক গালি পাৰে, তোৰ উৎপাতত কথা এষাৰো পাতিব নোৱাৰি। টাটাকে তেতিয়া মাত লগায়, এষাৰ নহয় দুঘণ্টা বুলি কোৱা। লেণ্ড লাইনৰ প্ৰতি ক'কৰ অনীহা আৰু বেছি। ফোনটো বাজিলেই ভুকি অস্থিৰ হৈ পৰে। ইয়াৰ কাৰণ কি বনুৰ টাটাকে কোনোদিনে বুজি নাপালে। হয়তো লেণ্ড লাইনৰ শব্দটো ক'কই সহ্য কৰিব নোৱাৰে।
টিভিত চিৰিয়েল চাই ক'কই বৰ আমনি পায়। কিন্তু চিনেমা চাই বৰ ভাল পায়। তাতে আকৌ একচন চিনেমা ক'কৰ অধিক প্ৰিয়। ক'কৰ বাবেই বনুৰ মাকে অসমীয়া চিৰিয়েল চোৱাও বাদ দিলে। সন্ধিয়া চাৰে সাত আঠ মান বাজিলেই ক'কই চিনেমা চাবৰ বাবে উচপিচ লগাই টিভি ৰূমলৈ অহা যোৱা আৰম্ভ কৰে। আঠ বাজিলে টাটাকে চিনেমা এখন নেটফ্লিক্স বা আমাজান বা ডিজনী হটষ্টাৰত লগাই দিয়ে আৰু ক'কই চোফাখনৰ মাজত বহি চোৱা আৰম্ভ কৰি।ভুকি ভুকি এফালে মাকক আৰু আনফালে টাটাকক বহুৱাই লৈ আনন্দ মনেৰে চিনেমা চোৱাত মন দিয়ে। ক'কই চিনেমা কি বুজি পায় বনুৰ টাটাকে গম নাপায় কিন্তু ক'কৰ উৎপাততে মাহটোত ২০/২৫ খন চিনেমা চাব লগা হয়। চিনেমা চাব মন নোযোৱা দিনা ইউ টিউবত গান লগাই দিলে ক'কই গান চাই থাকে আৰু টাটাকে কাষত বহি কম্পিউটাৰত নিজৰ কাম কৰি যায়। ক'কও খুচ টাটাকৰ কামো হৈ যায়। ক'কৰ লগত টিভিত গান চাই চাই বনুৰ টাটাকৰো পুৰণি দিনৰ অভিনেত্ৰী শৰ্মিলা ঠাকুৰ, মুমতাজ আৰু আশা পাৰেখ আদিক আজি কালিৰ অভিনেত্ৰী সকলতকৈ বেছি ভাল লগা হ'ল। আগতে নোচোৱা বহু চিনেমাৰ গানো ক'কৰ লগতৰ টাটাকৰো চোৱা আৰু শুনা হ'ল।

কাউৰী, কপৌ, বালিমাহী, ঘনচিৰিকা, ৰাস্তাৰ ভতুৱা কুকুৰ এইবোৰৰ লগত হাঁহি ধেমালিৰ মাজেৰে ক'কৰ দিনবোৰ পাৰ হবলৈ ধৰিলে।বনু হতৰ ফ্লেটত হঠাতে এদিন বোন্দা নামৰ এটা মতা মেকুৰী আৰু যাইমনি নামৰ এজনী মাইকী মেকুৰীৰ আৰ্বিভাব ঘটিল। ৰাতি হ'লে মেকুৰী দুটাই ডাষ্টবিন খোচৰে আৰু দিনত কৰবাত ঘূৰি ফুৰে নতুবা কাৰোবাৰ গাড়ীৰ তলত শুই থাকে। এদিন আবেলি ফুৰিবলৈ যাওতে ক'কই গাড়ীৰ তলত শুই থকা ক'লা বোন্দাটোক দেখি খেদি গ'ল। বোন্দাও সুদায় এৰা ভকত নাছিল। আকাৰত সৰু দেখি ক'কক ফেপেৰীপাতি ধৰিলে। ক'কয়ো ৰণচণ্ডী মূৰ্ত্তী ধৰি ভুকি থাকিল। এসময়ত বোন্দাই গাড়ীৰ তলৰ পৰা ওলাই দৌৰমাৰি ওৱালত উঠি কাষৰ ঘৰলৈ পলাই গ'ল। ক'ক আবেলি ফুৰিবলৈ গ'লে মেকুৰী আহিছে নেকি গাড়ীৰ তলে তলে জুমি চাই সিহতক খেদাটো ক'কৰ এটা দৈনিক কামৰ দৰে হৈ পৰিল। ক'কৰ ওপৰত খং উঠি বা খাদ্য বিচাৰি ৰাতি বোন্দাই মাজে মাজে ফ্লেটৰ বনু হতৰ ফ্লেটৰ সন্মুখত জাবৰ ভৰষই ৰখা পলিথিনৰ পেকেটবোৰ খুচৰি চিঙি পেলোৱা হ'ল। এদিন ৰাতি ক'ক আৰু টাটাকে জোপ লৈ থাকি বোন্দাক দৌৰাই দৌৰাই তলত থৈ আহিলগৈ। দুদিন মান বোন্দা নাহিল যদিও তৃতীয় দিনা ৰাতি আহি বোন্দাই আহি মনে মনে ক'কৰ মাকৰ ফুলৰ টাব এটাত পায়খানা কৰি থৈ গ'লহি আৰু লগতে ক'কৰ টাটাকৰ এপাট জোতাত পেছাব কৰি থৈ।গলহি। বোন্দাৰ কাণ্ড দেখি ক'ক খঙত জ্বলি পকি উঠিল আৰু বোন্দাক আবেলি সময়ত বিচাৰি বিচাৰি কেম্পাচৰ পৰা খেদা হ'ল। বনুৰ টাটাকেও লাঠি লৈ বোন্দাক খেদোৱাত বোন্দা নহা হ'ল। বোন্দাক খেদোৱাৰ পাচত ক'ক আকৌ কলী, লালু, গুণ্ডা হতৰ লগত ব্যস্ত থাকিল। লগতে ঘৰৰ বেলকনিত ঘনচিৰিকা, শালিকা, কাউৰী, কপৌ যোৰৰ লগত ক'কৰ ওখোনা ওখোনি চলি থাকিল। মাকৰ মৰমে ক'কক দিনে দিনে আলসুৱা কৰি তুলিলে। গৰমৰ দিনত এচি নহলে থাকিব নোৱাৰে আৰু ঠাণ্ডাৰ দিনত হিটাৰ নহলে থাকিব নোৱাৰে। নিজৰ ছোৱালী সাত সাগৰ তেৰ নদীৰ সিপাৰে থকাত মাক আৰু টাটাকৰ লগ হিচাবে ক'ক প্ৰতিটো মূহুৰ্ততে সুখ-দুখ, হাঁহি কান্দোনৰ সমভাগী হ'ল। মহাভাৰতত যুধিষ্ঠিৰৰ শেষ সংগী হোৱাৰ দৰে Wonder Pug Coco বনুৰ মাক টাটাকৰ সংগী হৈ শিশু কৃষ্ণই দেখুউৱাৰ দৰে আছৰিত আৰু অলৌকিক কামকাজ কৰি জীৱনৰ বাটত আগুৱাই গ'ল।